# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখ ঃ ২০/০৭/২০২১ মঙলবাৰ**

---

**ইংৰাজী ২০-০৭-২০২১ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষ শ্ৰী বিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত সদনৰ কাম-কাজ পূৰ্বৰ নিৰ্দ্ধাৰিত সময়য় মতে আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ** : আজি মৃত্যু প্ৰসঙ্গ আছে। চলিত বিধানসভা অধিৰেশনৰ কালছোৱাৰ ভিতৰত ৰাজ্যখনে তিনিজনকৈ প্ৰতিথযশা ব্যক্তিক হেৰুৱালে। প্ৰথমে

**১) হৰেকৃষ্ণ মহন্ত**

যোৱা ইংৰাজী **১৯** জুলাই, **২০২১** তাৰিখে সত্ৰীয়া সংস্কৃতিৰ অন্যতম সাধক, ঐতিহ্যমণ্ডিত বৰঙাজুলি সত্ৰৰ আতা হৰেকৃষ্ণ মহন্তদেৱে ইহলীলা সম্বৰণ কৰে।
**১৯২৬** খৃষ্টাব্দত বৰপেটা জিলাৰ ন-বাৱাদি অঞ্চলত প্ৰয়াত সাগৰ মহন্ত আৰু সুভদ্ৰা মহন্তৰ ঔৰসত জন্মগ্ৰহণ কৰা সুযোগ্য সন্তান হৰেকৃষ্ণ মহন্তদেৱে ৰাজ্যখনৰ আধ্যাত্মিক, সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনলৈ অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত সত্ৰীয়া সংস্কৃতিৰ গভীৰ জ্ঞান আহৰণ কৰি **১৯৫২** চনত প্ৰয়াত মহন্ত ডাঙৰীয়াই বৰঙাজুলি সত্ৰখন প্ৰতিষ্ঠা কৰি অঞ্চলটোত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয় আৰু ভাতৃত্ববোধৰ এক বিৰল নিদৰ্শন দাঙি ধৰে। জীৱনকালত মহন্তদেৱে ৰাজ্যখনৰ বিভিন্ন স্থানত **৩০** খনৰো অধিক সত্ৰ প্ৰতিষ্ঠা কৰি এক নজিৰ সৃষ্টি কৰাৰ লগতে সামাজিক উত্তৰণৰ বাবেও অহোপুৰুষাৰ্থ কৰিছিল। জনহিতৈষী এই বৰেণ্য ব্যক্তিগৰাকীক সমাজলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে অসংখ্য বঁটা তথা উপাধিৰে সন্মানিত কৰা হয়। তাৰে ভিতৰত 'ভগৱান বুদ্ধ নেশ্যনেল ফেল'শ্বীপ,' 'বৰমূৰীয়া পীতাম্বৰ দেৱগোস্বামী ৰাষ্ট্ৰীয় বঁটা', 'অপূৰ্ব প্ৰেৰণা বঁটা', 'ডঃ ভূপেন হাজৰিকা ব্যতিক্ৰম সমন্বয় বঁটা', 'মাধৱদেৱ বঁটা', 'গুৰুদেৱ কালীচৰণ ব্ৰহ্ম বঁটা', 'উত্তৰ পূৱ বঁটা', 'বীৰঙ্গণা কণকলতা বৰুৱা বঁটা' আদি কৰি অনেক বঁটাৰে সন্মানিত কৰাৰ উপৰিও 'ভকত শিৰোমণি', 'সত্ৰ ভূষণ' আৰু 'ওদালগুৰি ৰত্ন' ইত্যাদি উপাধিৰেও বিভূষিত কৰা হয়।

এইগৰাকী পুৰুধা ব্যক্তি তথা বিশিষ্ট সমাজকৰ্মীৰ বিয়োগত ৰাজ্যখনৰ জাতীয় জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

**২) অনুৰাগ টাংখা**

যোৱা ইংৰাজী **১৯** জুলাই, **২০২১** তাৰিখে অসম কেডাৰৰ ভাৰতীয় আৰক্ষী সেৱাৰ শীৰ্ষ বিষয়া অনুৰাগ টাংখাৰ পৰলোকপ্ৰাপ্তি ঘটে ।

**১৯৭০** চনত ৰাজস্থানত জন্মগ্ৰহণ কৰা অনুৰাগ টাংখা ডাঙৰীয়াই বাল্যকালৰে পৰা প্ৰচুৰ মেধা সম্পন্নতাৰ পৰিচয় দাঙি ধৰিছিল। দিল্লীস্থ ভাৰতীয় কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানৰ পৰা উত্তীৰ্ণ হোৱা টাংখা ডাঙৰীয়াই **১৯৯৫** চনত ভাৰতীয় আৰক্ষী সেৱাত অসম কেডাৰৰ বিষয়া হিচাপে যোগদান কৰে। কৰ্ম জীৱনত বিভিন্ন পদবীত দক্ষতাৰে প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা টাংখা ডাঙৰীয়াই

সম্প্ৰতি ভাৰত চৰকাৰৰ অনুসন্ধান আৰু বিকাশ প্ৰতিষ্ঠান চমুকৈ B.P.&R.D. ৰ সঞ্চালক তথা মহা পৰিদৰ্শক হিচাপে কৰ্মৰত হৈ আছিল।

এইগৰাকী জ্যেষ্ঠ আৰক্ষী প্ৰশাসনিক বিষয়াৰ বিয়োগত দেশ তথা ৰাজ্যখনৰ বাবে অপূৰণীয় ক্ষতি হ'ল।

**৩) অনাদিৰাম বৰুৱা**

যোৱা ইং **১৯** জুলাই তাৰিখে বিশিষ্ট কৃষিবিজ্ঞানী অনাদিৰাম বৰুৱাৰ পৰলোকপ্ৰাপ্তি ঘটে। অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত উপাচাৰ্য, ভূতপূৰ্ব সম্প্ৰসাৰণ শিক্ষা সঞ্চালক, তথা বিশিষ্ট কৃষি বিজ্ঞানী অনাদিৰাম বৰুৱা ডাঙৰীয়াই ৰাজ্যখনৰ কৃষি উন্নয়ন আৰু কৃষকৰ কল্যানৰ বাবে উল্লেখনীয় ভূমিকা পালন কৰিছিল। অসম কৃষি বিশ্ববিদ্যালয়খনক এক নতুন মাত্ৰা প্ৰদানৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগোৱা বৰুৱা ডাঙৰীয়াই এগৰাকী কৃষি বিজ্ঞানী ৰূপে কৃষিক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো বহু উচ্চস্তৰীয় বঁটা ও সন্মানেৰে বিভূষিত হৈছিল।

এইগৰাকী বিশিষ্ট কৃষি বিজ্ঞানীৰ মৃত্যু সমগ্ৰ দেশ তথা জাতিৰ বাবে অপুৰণীয় ক্ষতি।

এতিয়া প্ৰয়াত বৰেণ্য ব্যক্তিসকলৰ পৱিত্ৰ স্মৃতিত আৰু তেখেতসকলৰ বিদেহ আত্মাৰ সদ্গতি কামনা কৰি এক মিনিট সময় থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ** : এতিয়া প্ৰশ্ন নং **১২১** ।

**শ্ৰী মতী অজন্তা নেওগ (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আমিনুল ইছলাম, জ্যেষ্ঠ (ধিং)** : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো **২০২০-২১**বিত্তীয় বৰ্ষৰ বাজেটত কোন বিভাগত কিমান ধন ধাৰ্য্য কৰ হৈছিল আৰু তাৰ পৰা কিমান ধন মুকলাই দিয়া হৈছে, এই কথাাটো সুধিছিলো। কিন্তু ইয়াত বিত্ত মন্ত্ৰী মহোদয়ে**২০২০-২১**বিত্তীয় বৰ্ষৰ মহাগাণনিকৰ প্ৰতিবেদন এতিয়ালৈকে প্ৰস্তুত নোহোৱা কাৰণে তথ্যখিনি নিদিলে। কিন্তু মই মহাগাণনিকৰ report ৰ data বিচৰা নাছিলো। মই বিচাৰিছিলো বিত্ত বিভাগে এতিয়ালৈকে কিমান টকা কোন বিভাগত কিমান টকা মুকলাই দিছে সেইটো বিত্ত বিভাগৰ হিচাপ আছে। মই সেই হিচাপটোহে বিচাৰিছিলো। CAG ৰ report বা মহাগাণনিকৰ report টো পাছতহে ওলাই, সেইটো মই বিচৰা নাছিলো। গতিকে এইটো কৌশলৰ্পূণ ভাবে তথ্যটো গাপ দিয়াৰ চেষ্টা চলিছে যেন লাগে। যাতে সমগ্ৰ অসমবাসীয়ে প্ৰকৃত সত্যটো বুজি নাপায়, গতিকে ইয়াৰ কাৰণটো মই জানিব বিচাৰিছো।

**শ্ৰী মতী অজন্তা নেওগ (মন্ত্ৰী)** ঃ মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে, সেইটো আচলতে সত্য নহয়। অধ্যক্ষ মহোদয়, মই সদনত এটা অসম্পূৰ্ণ তথ্য এটা দিব বিচৰা নাই। কাৰণ যিহেতু AG য়ে আমাক report টো দিয়ে আৰু Audited হৈ আহে তেতিয়াহে আমি সম্পূৰ্ণ তথ্যটো পাওঁ। আজি যদি মই এটা অসম্পূৰ্ণ তথ্য দিওঁ, তেতিয়াহ'লে সদস্য গৰাকীয়ে পাছত মোক ক'ব যে আপুনি এটা অসম্পূৰ্ণ তথ্য দিছে। সেই কাৰণে মই তথ্যটো ইয়াত দাখিল কৰা নাই। আৰু এটা কথা যে বিভিন্ন সময়ত কিছুমান মানুহে বাহিৰত কাম কৰি থাকে বাবে তেওঁলোকৰ পেঞ্চনবোৰ আমাৰ terited হৈ থাকে। গতিকে আমি যেতিয়ালৈকে AG ৰ report টো নাপাওঁ তেতিয়ালৈকে আচলতে এইটো সম্পূৰ্ণ report বুলি নকওঁ। সেই কাৰণে মই এটা অসম্পূৰ্ণ তথ্য এই সদনত দিব নিবিচাৰিলো। অন্য ইয়াত কোনো কাৰণ নাই।

**শ্ৰী আমিনুল ইছলাম , জ্যেষ্ঠ (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে CAG ৰ report টো বহুত দেৰিকৈ ওলায়, সেইটো আমি জানো। মই জানিব বিচাৰিছিলো যে, বিত্ত বিভাগে যিটো হিচাপ ৰাখিছে তাত কৰ'ণাৰ ওপৰত মোৰ (ঘ) নম্বৰত যিটো প্ৰশ্ন আছিল যে, কৰ'ণা প্ৰতিৰোধৰ বাবে যোৱা বছৰটোত কিমান টকাৰ খৰছ কৰা হ'ল। কৰ'ণাৰ নামত আচলতে বিভাগে কিমান টকা মুকলি কৰি দিছে বা দিয়া নাই, সেই কথাটোৰো উত্তৰ নিদিলে, সেইটোৰো মই জানিব বিচাৰিছিলো। সেই CAG ৰ report টো দুই বছৰৰ পিছতো ওলাই। তেন্তে আমি দুই বছৰ পিছলৈ ৰখি থাকিব লাগিব। গতিকে বিভাগৰ হাতত যিখিনি তথ্য আছিল, সেইখিনি হলেও দিব পাৰিলেহেতেন। CAG ৰ report টো আমি পিছত ও compare কৰি ল'ব পাৰিম। চাৰ, মই বিচৰামতে উত্তৰ নাপালো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়ানীয়ে ইতিমধ্যে কথাটো ক'লে।

**শ্ৰী মতী অজন্তা নেওগ (মন্ত্ৰী) ঃ** কৰ'ণাৰ যিখিনি পুঁজি, আমি এটা বিভাগক নিদিওঁ, বিভিন্ন বিভাগক দিয়া হয়। সেইবিলাকৰ পৰা আচলতে বৰ্তমান সময়ত আমি এটা compilation হৈ সঠিক এটা উত্তৰ অহা নাই। সেইকাৰণে আচলতে এটা অসম্পূৰ্ণ উত্তৰ মই সদনত দিব বিচৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** অধ্যক্ষ মহোদয়, যিহেতু প্ৰশ্ন (গ) আৰু (ঘ) এই দুইটা প্ৰশ্নৰ ক্ষেত্ৰতে আমাৰ হিচাপটোৰে অহা নাই, স্বাভাবিকতে তেওঁ দিব পৰা নাই বুলি কৈছে। গতিকে মোৰ supplementary ত জানিবলগীয়া বহু কথাই আছিল, কিয়নো যোৱা বৰ্ষত কভিত পৰিস্থিতিত যিহেতু যথেষ্ট পৰিমাণে ধন খৰছ হৈছিল। লগতে এই ক্ষেত্ৰত মন্ত্ৰী মহাশয়ে নিশ্চিত ভাবে জানিব পাৰে যে এতিয়াও বহু বিল pending হৈ আছে। বিলৰ pending ওপৰত আমাকও বহুতে লগ ধৰি কয় যে, এই পইচাটো পোৱা নাই, তাৰ পইচাটো পোৱা নাই, কৰৱাত কেমেৰাৰ পইচাটো পোৱা নাই ইত্যাদি বিভিন্ন কেন্দ্ৰত, বিভিন্ন শিতানত খৰচটো হৈছে। গতিকে তথ্যটো নাপালে ক'ত কিমান টকা খৰছ হৈছিল, স্বাভাবিকতে আমাৰ অন্য ফালৰ পৰা জনাৰ কোনো উপায় নাই। গতিকে মন্ত্ৰী মহাশয়ে এই সম্পৰ্কত সদনত এতিয়া যিহেতু তথ্যটো দিব নোৱাৰে বুলি কৈছে, গতিকে এই কথাটো স্বাভাবিকতে জানিবলৈ বাকী থাকিল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আপোনাৰ বেলেগ প্ৰশ্ন আছে কাৰণ স্বাস্থ্য বিভাগৰ লগত জৰিত আৰু স্বাস্থ্য বিভাগৰ পাছতহে আহিব finance ৰ তাত, গতিকে নিশ্চয় কিছুমান কথা থাকিব ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ-** বিভিন্ন চেন্টাৰত, বিভিন্ন শিতানৰ পৰা খৰচটো হৈছে। এই তথ্যটো নাপালে, কিমান পইচা খৰচ হৈছে স্বাভাৱিকতে সেইটো জনাৰ আমাৰ উপায় নাই। এই সম্পৰ্কত সদনত এতিয়াটো দিব নোৱাৰো বুলি কৈছে, দিব নোৱাৰিম বুলি কৈছে যিহেতু কথাটো স্বাভাৱিকতে একো উপায় নাই।

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া আপোনাৰ বেলেগ প্ৰশ্ন আছে নেকি কাৰণ এইটো স্বাস্থ্য বিভাগৰ লগত জড়িত। গতিকে স্বাস্থ্যবিভাগৰ পাছতহে বিত্ত বিভাগলৈ আহিব।

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী) ঃ-** এজি ৰ ৰিপ'ৰ্ট টো আহিবই। এজি ৰ ৰিপ'ৰ্ট টো অহাৰ পাছত গোটেই তথ্যখিনিটো পাবই। কাৰণ আমি বাজেটত সেই কাৰণে ২০ আৰু ২১ ৰ তথ্যটো দাখিল নকৰিলো। যিহেতু অডিট টো ন'হল , অলপ সময় আপোনালোকে ধৈয্য ধৰক যেতিয়াই এ জি ৰ ৰিপোৰ্ট টো আহিব সম্পূৰ্ণ তথ্যখিনি আপোনালোকে পাব।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ-** ৩১ মাৰ্চত যদি চিলিং কৰিও দিয়ে, কোন বিভাগত কিমান দিছিল বাকীখিনি চিলিং কৰি দিয়া হ'ল । সেইটো টো চৰকাৰৰ তথ্য থাকে যে এইখিনি ইমান বিভাগক মোকলাই দিয়া হৈছিল , বাকীখিনি চিলিং কৰা হৈছিল। এইটো হলেও আমাৰ জানিব লাগিছিল।

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী) ঃ-** এনেকুৱা ধৰণৰ হিচাপটো tentative নহয়। হিচাপটো হ'ব লাগিলেই accurate হ'ব লাগিব। tentative হিচাপটো মই আপোনাক দিব নোৱাৰিম বাজেট এখন যেতিয়া দাখিল কৰো, তেতিয়া তাত সম্পুৰ্ণ তথ্য দিব লাগিব। tentative হিচাবে মই আপোনাক তথ্যটো দিব নোৱাৰিম। দিলে সম্পুৰ্ণ তথ্যটো দিব লাগিব অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে, ইতিমধ্যে মন্ত্ৰী ডাঙৰীয়ানীয়ে কৈছে, ইয়াতে সময়ৰ কথা। এতিয়া প্ৰশ্ন নং ১২২ এক‌ে কথা পৰিপুৰক কি প্ৰশ্ন সুধিব ?

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বিভাগ অনুসৰি কিমান টকা ৰিলিজ কৰিছে এই কথাখিনিও উল্লেখ কৰিছে স্বাস্থ্যত আমি চাইছো, ৮৪৪১.৮৩ কোটি টকা ৰিলিজ কৰিছে, যথেষ্ট টকা আৰু প্ৰয়োজন আছিল যিহেতু ক'ৰণা কাল চলি আছে, যিহেতু স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়া নাই, মন্ত্ৰী মহোদয়লৈ ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** তেখেতৰহে প্ৰশ্ন, তেখেতৰ সম্পৰ্কিত যদি সোধক।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, প্ৰয়োজন হ'লে, লাগিলে আৰু অলপ বেছি পইচা স্বাস্থ্যত মোকলাই দি District Civil Hospital বিলাকত, ৰিপৰ্টি মতে ১২ খনত Civil Hospital তICU ৰ ব্যৱস্থা নাই, আৰু ৪খনত under construction আছে।

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া এইটো মন্ত্ৰী ডাঙৰীয়াইহে বিছাৰিব, বিত্ত বিভাগৰ পৰা।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া) ঃ-** প্ৰয়োজন হ'লে যিহেতু ক'ৰণা কাল চলি আছে, উপৰৱালাই আমাক মুক্তি দিয়ক। ৩য় ভেৰিয়েট নাহক।

**মাননীয় অধ্যক্ষ ঃ-** Health Minister আজি নাই, তেখেত থাকিলে ক'ব।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, সেইটো মই কোৱা নাই, পইচা যথেষ্ট দিছে, কিন্তু ICU ৰ ব্যৱস্থা নাই। পইচা যিহেতু যথেষ্ট দিছে, আৰু যিহেতু এতিয়া মন্ত্ৰী নাই, আপুনি কেখেতৰ লগত যোগাযোগ কৰি ICU ৰ ব্যৱস্থা যাতে প্ৰত্যেক Civil Hospital ত কৰে, সেইটো মাৰ ফালৰ পৰা অনুৰোধ।

**মাননীয় অধ্যক্ষ ঃ-** Health Minister ক ক'ব। Finance Minister য়ে ক'ত ICU বনাবলৈকে যাব। এতিয়া প্ৰশ্ন নং ১২২ , মন্ত্ৰী মহোদয়।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্ৰী দুৰ্গা দাস বড়ো (কলাইগাঁও) ঃ-** মাননীয় যোগান মন্ত্ৰী ডাঙৰীয়াই দুয়োখন জিলাৰে এটা বিস্তৃত হিচাপ দিছে, সেই কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ পৰিপুৰক প্ৰশ্নটো হৈছে, যে কেৰাচিন তেল দিনক দিনে, যদিও আপুনি এটা বছৰৰ হিচাপ দিছে পৰিমানটো কমি আহিছে। কমি অহাৰ কাৰণটো কি? এই কেৰাচিন তেলৰ ব্যৱহাৰ মানুহে কমকৈ কৰিছেনে নে অন্য কিবা কাৰণত কমি আহিছে জনাব নেকি?

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দুৰ্গা দাস বড়ো ডাঙৰীয়াই যি উপলব্ধি কৰিছে যে কেৰাচিনৰ ব্যৱহাৰটো কমি অহাৰ কাৰণটো কি ? আচলতে অধ্যক্ষ মহোদয় কমি অহাৰ কাৰণটো এইটোই যে আমি সকলোৱেই জানো যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই যি আমাৰ প্ৰধান মন্ত্ৰীৰ উজ্বলা যোজনাৰ ব্যৱস্থা কৰিছিল, আৰু সেই উজ্বলা যোজনাৰ জৰিয়তে

আমাৰ অসমত ৩৪,৯২,৭৫৯ জন ব্যক্তিক বিনামুলীয়া গেছৰ কানেকশ্যন দিয়া হৈছিল। আৰু সেই সকল ব্যক্তিয়ে আজি অসমত যদি ৩৪,৯২,৭৫৯ জন ব্যক্তিয়ে যদি গেছ ব্যৱহাৰ কৰে স্বাভাবিকতে সেই গেছ ব্যৱহাৰ কৰা ব্যক্তি সকল দুখীয়া মানুহ। আগতে খৰি আনি, ষ্ট'ভত বনাই, তেনেকৈ ৰন্ধা-বঢ়া কৰিছিল। যাৰ কাৰণে এতিয়া কেৰাচিনৰ পৰিমানটো কমি গৈছে. আমাৰ Ministry of Petrolium and Natural Gas য়ে ইয়াৰ পৰিমান কমাই দিছে আৰু কেৱল কেৰাচিন কমাই নহয়, অধ্যক্ষ মহোদয় আজি কালি বজাৰত ষ্ট'ভ কমি গৈছে। কাৰণ ষ্ট'ভৰ আজি কালি ব্যৱহাৰ নকৰে। গতিকে যাৰ কাৰণে পৰিমাণটো কমি গৈছে, আৰু সেইটো হিচাবত আমি প্ৰতি মাহত অসমত Petrolium and Natural Gas Ministry য়ে ১ কোটি ১ লাখ লিঃ প্ৰতিমাহত আমি আৱন্টন দি আছো। আৰু সেইখিনি আৱন্টন আমাক যিখিনি হ'কাৰ আছে বা চাব ষ্টেশ্যন আছে, তেওঁলোকে সমন্বিতভাবে বিতৰণ কৰি আছে।

**মাননীয় অধ্যক্ষ** ঃ- ২য় পৰিপূৰক প্ৰশ্নটো।

**শ্ৰী দুৰ্গা দাস বড়ো (কলাইগাঁও)** ঃ- ২য় পৰিপূৰক প্ৰশ্নটো কৰিব বিছাৰিছো, মই জানো যে আপোনাৰ উত্তৰটো গেছ ইউটিলাইজেশ্যনৰ কাৰণে কমি আহিছে। মই ইয়াৰ আগৰ বিধান সভাত উত্থাপন কৰিছিলো। যদি কেৰাচিনৰ চাহিদাটো কমি আহিছে, তেতিয়াহ'লেও কেতিয়াবা কেতিয়াবা মই মই নিজেও ব্যৱহাৰ নকৰিলেও বহুত কাৰণত কেৰাচিন দৰকাৰ হয়। আজি গণেশগুৰিৰ বজাৰতেই হওঁক বা বেলতলাৰ বজাৰতেই হওঁক, এই যে বাহিৰত কেৰাচিন তেল বিক্ৰী কৰে, আপোনালোকৰ এজেন্ট চাব এজেন্ট দিছে। ইয়াত থকাৰ পাছতো বজাৰত তেওঁলোকে বিক্ৰী কৰিবলৈ কেনেকৈ পাইছে? ইয়াৰ কাৰণে নিশ্চয় কিবা এটা চক্ৰই এইটো কাম কৰিছে। যদিও কমি আহিছে, চোৰাং বেপাৰটো, চোৰাং ব্যৱসায়টো এটা চক্ৰই কৰি আহিছে। তাৰ কাৰণে আপুনি গ্ৰাম্যাঞ্চলৰ বজাৰতেি হওঁক, নগৰ অঞ্চলৰ বজাৰতেই হওঁক কেৰাচিন তেল ১ লিটাৰ বটল, ২ লিটাৰ বটল, ১ পোৱা বটল কিনিবলৈ পোৱা যায়। গতিকে এই বিলাক বন্ধ কৰাৰ ব্যৱস্থা কৰিব লাগে। আৰু যদি বন্ধ কৰিব নোৱাৰে, তেতিয়াহ'লে তেনেকুৱাকৈ বিক্ৰী কৰিবলৈ এজেন্টৰ সংখ্যা বৃদ্ধি কৰিব দিয়ক আইনগত কৰি দিয়ক।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, এজেন্টৰ সংখ্যা বৃদ্ধি কৰিলেই যে এই সমস্যা সমাধান হ'ব, সেইটো নহয়। যিহেতু আমি কৈছো যে মানুহে দিনক দিনে কেৰাচিনৰ ব্যৱহাৰ কমাইছে। কিন্তু আমাৰ জ্যেষ্ঠ বিধায়ক দুৰ্গা দাস বড়োৱে কোৱাৰ দৰে, যে কেৰাচিন কিছুমান ক্ষেত্ৰত মানুহে ব্যৱহাৰ কৰি আছে। আমিও বহুতে যেতিয়া মজিয়া এখন চফা কৰো, তেতিয়া কেৰাচিন তেলেৰে মচি পেলাও তেতিয়া পৰুৱা নাহে। বা আমি চেফটি টেংক সমূহ চাফা কৰাৰ সময়ত কেৰাচিন তেল আমি ব্যৱহাৰ কৰো। এনেকুৱাকৈ আমি অন্য কৰণটো কেৰাচিন তেল ব্যৱহাৰ কৰি থকা দেখা গৈছে। যিহেতু আমি কেৰাচিন সমূহ দি আছো, অধ্যক্ষ মহোদয়, এইবোৰ আমি বিনামুলীয়াকৈটো দিয়া নাই। এইবোৰ আমি দি আছো, প্ৰতি লিঃ ত ৪৯.৫০ ৬১ টকা। ৪৯.৫০ টকা দি যাৰ প্ৰয়োজন নাহে সেই সকলে তেলটো সংগ্ৰহ নকৰে। যাৰ ফলত হয়তো মই অস্বীকাৰ কৰা নাই দুৰ্গা দাস বড়ো ডাঙৰীয়াই কোৱাৰ দৰে হয়, কেতিয়াবা আমি বজাৰে ঘাটে দেখিছো, আমাৰ দুবিধ কেৰাচিন আছে। এবিধ নীলা কেৰাচিন , যিটো আচলতে অবৈধ ভাৱে বিক্ৰী কৰিব নোৱাৰে। আৰু এটা ৬১ টকাত পায়, সেইটো হৈছে বগা কেৰাচিন। সেইটো আকৌ permissible গতিকে বগা কেৰাচিন বেচাত কোনো ধৰনৰ আইন গত বাধা নাই। কিন্তু যিটো নীলা কেৰাচিন সেইটো বিক্ৰী কৰিব নোৱাৰে আৰু এইটোৰ কাৰণে আমাৰ প্ৰচলিত আইন আছে। আমাৰ

আৰক্ষীয়ে এই ক্ষেত্ৰত তৎকালীনভাবে ব্যৱস্থা ল'ব পাৰে। Food and Civil Suply য়ে দেখিলে ব্যৱস্থা ল'ব পাৰে, আৰু কোনোবা ব্যক্তিয়ে যদি তৎকালীনভাবে ৰিপোৰ্ট কৰে, স্বাভাৱিকভাবে এইটো বন্ধ কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষ** ঃ- প্ৰশ্ন নং ১২৩ শ্ৰী দিগন্ত কলিতা।

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক মোৰ তিনিটা প্ৰশ্ন আছিল বিশেষকৈ (ক) প্ৰশ্ন টোৰ ওপৰত মই গুৰুত্ব আৰোপ কৰিছো। (ক)আৰু (গ) ৰ ওপৰত। আৰু (খ) আৰু (ঘ)টো মন্ত্ৰী ডাঙৰীয়াই খুব ধুনীয়াকৈ ইয়াত প্ৰতিলিপি দিছে। মোৰ কিছু কথা মই প্ৰকাশ কৰিব বিছাৰিছো। বিশেষকৈ কমলপুৰ সমষ্ঠিত, আমাৰ কলাজল বুলি এখন নদী আছে। আজিস এমাহমান আগতে সেই নদীখনৰ এটা অংশ খহি পৰে।এ খুব ডাঙৰ নদী নহয়, মোৰ প্ৰশ্নটোৰ লগত এই কলাজল নদীৰ এটা সম্পৰ্ক আছে, যে আমাৰ মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰীয়ে খুব তৎপৰতাৰে বিশেষকৈ আমাৰ কমলপুৰ সমষ্টিটোৰ কিছু temporary তেখেতে ব্যৱস্থা কৰি দিছে। কিন্তু আমাৰ প্ৰশ্ন হৈছে, যে এই কলাজল নদী আমাৰ সৰু সৰু নদী আজি কিছু দিন আগতে মাথাউৰিটো ভাঙি গৈছে। ভাঙাৰ বিনিময়ত কি হৈছে, আমি কিছুমান কাম জলসম্পদ বিভাগৰ দ্বাৰা কৰিব নোৱাৰো. তেতিয়া মই BDO মহোদয়ৰ লগত কথা পাতিছো। তেখেতে ক'লে - আমি এগ্ৰিবান্ধৰ ব্যৱস্থা কৰিব পাৰো। তেতিয়া আমি খৰতকীয়াভাবে এটা ২০০ মিটাৰ আৰু এটা ১০০ মিটাৰ কাম কৰিবলগীয়া হৈছে। সেই দুটা কামত মোৰ এটা উপলব্ধি হৈছে যে- এগ্ৰি বান্ধবিলাক আমি কৰিব পাৰো কিন্তু তাত ১০০ শতাংশ মাটিৰ কম্প'নেন্ট ব্যাৱহাৰ কৰে। তাৰ কাৰণে তাত আমি বেম্বো আৰু জিও বেগ ব্যৱহাৰ কৰিব নোৱাৰো। ব্যৱহাৰ নকৰাৰ বিনিময়ত পিছৰ বছৰত আকৌ ভাঙিছে বা ভাঙি যোৱাৰ চান্স আছে। এই বাৰ এই মথাউৰিতো এনেকুৱাই হৈছিল কিন্তু আমি সেইবিলাক বাদ দিও বেম্বো আৰু জিও বেগ ব্যৱহাৰ কৰিছো কিন্তু বিধিমতে হোৱা নাই। মই মন্ত্ৰী মহোদয়ক এটা কথা ক'ব বিচাৰিছো যে- আমাৰ আঁচনিত এই ৬০ঃ৪০ ৰেচিওটো নাই। যিহেতু এইটো এম জি এন ৰেগা আৰু বান্ধৰ কথা, আমাৰ ৮০-৯০ পাৰ্চেন্ট মাটিৰ লগত কথা , সেই কাৰণে মই কৈছো যে প্ৰভিজন যেতিয়া থাকিব তেতিয়া বেম্বো আৰু জিও বেগৰ ব্যৱহাৰ থাকিব লাগে। মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে পুখুৰী খন্দাৰ কথা কৈছে, মই ভাবো পুখুৰী খন্দাটো এই এই বেম্বোটো আমাক লাগিব। মন্ত্ৰী মহোদয়ক এই বিষয়ে মই অৱগত কৰি লোঁ আৰু উত্তৰ পাম বুলি আশা কৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি)** ঃ সন্মানীয় বিধায়ক দিগন্ত কলিতা ডাঙৰীয়াই এটা সুন্দৰ প্ৰসংগ আনিছে। মথাউৰি নিৰ্মাণ কৰাটো আমাৰ জলসম্পদ বিভাগৰ দায়িত্ব। পূৰ্বতে কেৱল মাটিৰে মথাউৰি নিৰ্মান কৰিছিল। কিন্তু আজিকালি দিন যোৱাৰ লগে লগে জলসম্পদ বিভাগে জিও বেগে হওঁক বা পৰ্কুপাইন বা বেম্বো স্পাৰ ব্যৱহাৰ কৰি আহিছে। এইবোৰ ব্যৱহাৰ কৰাৰ ফলত মথাউৰিটো ভাঙি নাযায়। পি এণ্ড আৰ ডি বিভাগে যিবিলাক এগ্ৰিবান্ধ এমবেংকমেন্ট বুলি নকওঁ, আমি এইটো এগ্ৰি বান্ধ বুলি কওঁ। এগ্ৰি বান্ধসমূহ আমি মেনদেইচ দিয়াৰ কাৰণে বনাই আছো, কিন্তু আমি দেখিছো যে যেতিয়ালৈ আমি জিঅ' বেগ ব্যবহাৰ কৰিব নোৱাৰো, বেম্বো স্পাৰ ব্যৱহাৰ কৰিব নোৱাৰো তেতিয়ালৈকে বিশেষ লাভ নহয়। সন্মানীয় বিধায়ক দিগন্ত কলিতাই কোৱাৰ দৰে আমাৰ টকাবোৰ ৱেষ্ট হ'ব। এতিয়ালৈকে এম জি এন ৰেগাত জিঅ' বেগ বা বেম্বো স্পাৰ পাৰ্মিছিব্‌ল হোৱা নাই। তথাপি অসম যিহেতু বানপানী প্ৰবণ এলেকা আৰু আমাৰ

মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো ঘোষণা কৰিছে যে আমি বানপানীমুক্ত অসম গঢ়াৰ বাবে প্ৰয়াস কৰিছো। গতিকে তাৰ লগত সংগতি ৰাখি আমি যাতে জল সম্পদ বিভাগক সহযোগ আগবঢ়াই যাব পাৰো তাৰ বাবে ভাৰত চৰকাৰক ইতিমধ্যে আমি পত্ৰ লিখিছো যাতে আমি জিঅ' বেগ আৰু বেম্বো স্পাৰ আমি ব্যৱহাৰ কৰিব পাৰো। ধন্যবাদ

**মাননীয় অধ্যক্ষ ঃ** চেকেণ্ড চাপ্লিমেন্টৰী নাই। এতিয়া নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এটা প্ৰশ্ন কৰিব বিচাৰিছো। মোৰ সমষ্টিত দুটা ব্লক আছে। এটা হ'ল চমৰীয়া ব্লক আনটো বকো ডেভল'পমেন্ট ব্লক। দুয়োটা ব্লকৰ এটাত প্ৰায় ৩৩ কোটি ৭৮ লাখ ৯২ হাজাৰ টকা মেটেৰিয়েলচৰ বাবদ পাবলগীয়া আছে। আনটোত দুই কোটি ৭৫ লাখ ৩৮ হাজাৰ মেটেৰিয়েলচৰ বাবদ পাবলগীয়া আছে। অধ্যক্ষ মহোদয়, কথাটো হ'ল আমাৰ যিবিলাক এম জি এন ৰেগাৰ কাম হয় সেইবোৰত এটা ৱেইজেছ কম্পোনেন্ট আৰু এটা মেটেৰিয়েলচ কম্পোনেন্ট থাকে। প্ৰায়ে দেখা যায় যে কামবোৰ যেতিয়া চেংশ্যন হয় সেই কামবিলাক ভিজিলেন্স কমিটিয়ে কৰে আৰু শেষ কৰাৰ পিছতো কিন্তু বহু বছৰ ধৰি মেটিৰিয়েলচ পাৰ্টটো ৰিলিজ কৰা নহয়। ৱেইজেছ পাৰ্টৰ টকাইদি কামটো শেষ কৰে কিন্তু ট্ৰেক্টৰৰ ভাৰা নিশ্চয় ৱেইজেছ পাৰ্টৰ পৰা দিব লাগিব। মেটেৰিয়েলচ নোপোৱাৰ বাবদ কামটো বহুদিন পেলাই থ'ব নোৱাৰে। বেছিভাগ স্কীমত কামৰ যিটো ভলিউম মেইনটেইন হ'ব লাগে সেইটো মেইনটেইন নহয়। যিটো কাৰণত প্ৰায়বোৰ ব্লকৰ পৰা কমপ্লেইন আহে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে তেখেতে যিটো কৈছে যে জিঅ'বেগ আৰু বেম্বো স্পাৰ ব্যবহাৰ কৰিব লাগিব , ঠিকে আছে কিন্তু এটা স্কীম চেংশ্যন হোৱাৰ পিছত মেটেৰিয়েলচ পাৰ্টটো বহুদিনলৈ নাহে গতিকে কি ধৰনে এই স্কীমটো সময়মতে প্ৰপাৰ ভলিউম কমপ্লিট কৰিব পাৰিব। লগতে এই টকাটো যিটো এতিয়ালৈকে পোৱা নাই সোনকালে পোৱাৰ ব্যৱস্থা যাতে কৰে তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া সদস্যা, নন্দিতা দাস ডাঙৰীয়ানীয়ে কৈছে যে বিলৰ মেটেৰিয়েলচৰ পেমেন্টটো তাৰ যিটো চিষ্টেম সেই চিষ্টেমৰ লগত আমাৰ চোচিয়েল অডিটৰ লগতো এটা সম্পৰ্ক আছে। চোচিয়েল অডিট হোৱাৰ পিছত আমাৰ বিভাগলৈ যেতিয়া বিল আহে তেতিয়া সম্পূৰ্ণ পৰীক্ষা নিৰীক্ষা কৰি জিলা পৰিষদ বা ডি আৰ ডি এ ৰ পৰা যেতিযা চাৰ্টিফিকেট আহে তেতিয়া আমি পেমেন্ট কৰো। মেটেৰিয়েলচৰ পেমেন্ট প্ৰতিবছৰে আমি কৰি আহিছো। এইটো ঠিক আমাৰ বিধায়িকা ডাঙৰীয়ানীয়ে কোৱাৰ দৰে মেটিৰিয়েলচৰ পইচাটো যদি লগে লগে পায় তেতিয়া আমাৰ কাৰণে বেছি ভাল। আমাৰ কোৱা হয় যে, মেটেৰিয়েলচৰ পইচাটো বেছি থাকিলেহে কামটো আৰম্ভ কৰিব লাগে। কিন্তু যদি আমি সেইটো চাও তেন্তে মেন ডেইচত আমি কম পৰি যাম, তেতিয়া আমি শ্ৰমিকক বেছি কাম দিব নোৱাৰিম। কিন্তু শ্ৰমিকৰ ডিমাণ্ড থাকে তেওলোকে কয় যে মেটেৰিয়েলচৰ লগত আমাৰ কথা নাই আমাক কাম দিব লাগে। আমি যিহেতু ১০০ দিন কৰ্মদিন দিয়াৰ বাবে পূৰ্বে এটা সিদ্ধান্ত আছে আৰু যোৱা সপ্তাহত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে আমি অন্য পঞ্চায়তৰ পৰা আনি হ'লেও মেন ডেইছ দিব লাগে গতিকে দুয়োটা ৰেচিঅ' মিলাবৰ কাৰণে আমি মেনডেইচৰ কামটো আগতে কৰিবলগীয়া হয়। তথাপিও আমি এইবাৰ মেটেৰিয়েলচৰ কাৰণে এটা ব্যৱস্থা লৈছো। কাৰণ আগতেও বহু কমপ্লেইন আহিছে যে কিছুমানে কমকৈ পায়, কিছুমানে বেছিকৈ পায়। এতিয়া যাতে সকলোৱে সমানে মেটেৰিয়েলচৰ টকা পায় তেনেকুৱা ব্যৱস্থা এটা কৰিছো।

আগন্তুক দিনত মেটেৰিয়েলছৰ টকাটো পাব। ধন্যবাদ

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীআশ্ৰাফুল হুছেইন ।

**শ্ৰীআশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ইতিপূৰ্বে এম জি এন ৰেগাৰ অধীনত গৰাখহনীয়া প্ৰতিৰোধৰ কাৰণে-চেগাচোৰোকাকৈ বাট পথৰ কাৰণে এম জি এন ৰেগাৰ ধন ব্যৱহাৰ কৰা হৈছিল কিন্তু বৰ্তমান কোনো চাৰ্কোলাৰ জৰিয়তে হওঁক বা কোনো আদেশৰ জৰিয়তে হওঁক এইবোৰ বন্ধ ৰখা হৈছে নেকি? ইতিপূৰ্বে দিগন্ত কলিতা ডাঙৰীয়াই যি দৰে উল্লেখ কৰিছে যে সৰু সুৰা নদী যিসমুহ জলসম্পদ বিভাগে কাম কাজ নকৰে সেইবোৰ ঠাইত এম জি এন ৰেগাৰ ধনেৰে-ইতিপূৰ্বে কৰা হৈছিল। আমি আশা কৰো যে এইক্ষেত্ৰত গৰাখহনীয়া গ্ৰস্ত এলেকাত কম বেছি কাম কৰিবৰ বাবে এম জি এন ৰেগাই সুযোগ দিব। একেটা সময়ত মেটেৰিয়েলচ আৰু ৱেইজৰ ৬০ঃ৪০ ৰেচিঅত যিটো টকা আদায় দিয়া হয় আমি ভাৰো আজি যিটো এম জি এন ৰেগাত যিটো অৱস্থা চলিছে আমি সকলো বিধায়কে জ্ঞাত। গতিকে মেটেৰিয়েলচৰ পইচাটো দিলে অন্তত গাঁৱৰ এচেট ক্ৰিয়েশ্যনৰ কাম কাজ খিনি বা ইনফ্ৰাচষ্ট্ৰাকচাৰ বনোৱাত কিছু সহায় হ'ব। গতিকে মন্ত্ৰী মহোদয় জনাব নেকি যে ৬০ঃ৪০ ৰেচিঅত টকাটো ৰিলিজ কৰা হ'বনে? একেটা সময়ত বাট পথৰ কাম এম জি এন ৰেগাৰ ধনেৰে কৰিব পাৰিবনে? অনুগ্ৰহ কৰি এই প্ৰশ্নৰ উত্তৰ মন্ত্ৰী মহোদয়ে জনাব।

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ প্লিজ।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদস্য গৰাকীয়ে এটা সুন্দৰ পুৰপূৰক প্ৰশ্ন আনিছে। আমি দেখিছো যে আমাৰ বহুত নদীৰ কাষত মথাউৰি বিলাক আছে যিবোৰ মথাউৰি জলসম্পদ বিভাগৰ অধীনত নহয়। জলসম্পদ বিভাগৰ এটা নৰ্মচ আছে। যদি ১০০ মিটাৰ কাষত মথাউৰিটো থাকিলেহে ৰিপিয়েৰিং কাম তেওঁলোকে কৰিব পাৰে। কিন্তু এনেকুৱা বহু নদী আছে তেখেতে কোৱাৰ দৰে, মোৰ সমষ্টিৰো টিহুত কালদিয়া নদী আছে যিটো নলবাৰী ডি আৰ ডি এ বনাইছিলে। প্ৰতিবাৰে বানপানী আহিলে ভাঙি থাকে। গতিকে আগন্তুক দিনত আমি এইবোৰ কাম কৰিব লাগিলে জিঅ' বেগ আৰু আমাক বেস্বো স্পাৰৰ পাৰ্মিশ্যন দিব লাগিব। তাৰ বাবে মই নিজেই দিল্লী মন্ত্ৰণালয়ৰ লগত কথা পাতিম। ইয়াৰ ওপৰিও পিয়ুষ হাজৰিকা ডাঙৰীয়াই জলসম্পদ বিভাগৰ মন্ত্ৰী তেখেতক আমি আহ্বান জনাইছিলো যাতে এনেধৰণৰ মথাউৰি যিসমূহ জলসম্পদ বিভাগৰ আওতাত নাই সেইবিলাক এম এন আৰ ৰ জৰিয়তে তৎকালীভাৱে কৰাৰ ব্যৱস্থা কৰি দিয়ে আৰু সেইমতে দিছে। মই নিজেই পাটাছাৰকুছিত চাই আহিছো। তৎকালীনভাবে কামটো নকৰাহেঁতেন, সেইটো কৰাৰ ৭ দিন পিচত অভাৰ ফ্লাডেড হৈ গ'ল কিন্তু এটা পি এম জি এচ ৱাই ৰ পকী ৰাস্তা এটা বাছি গৈছে। গতিকে জলসম্পদ বিভাগে এম এন আৰ ৰ জৰিয়তে কাম কৰাৰ বাবে এইবাৰ আমি বহু সকাহ পাইছো। তাৰ বাবে মই জলসম্পদ বিভাগক ধনবাদ জনাইছো।

**শ্ৰী ভৱেশ কলিতা (ৰঙিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো অলপ বেলেগ হ'ব। এই প্ৰশ্নটোৰ গুৰত্ব আছে। কথাটো এনেকুৱা যে এম জি এনৰেগা ত আমাৰ ১০০ টকাৰ ৬০ টকা ৱেষ্ট কম্পোনেণ্ট আৰু ৪০ টকা মেটেৰিয়েল কম্পোনেণ্টত ধৰা হৈ আছে। 60 and 40 লাখ বা কোটি যিটো হয়। এতিয়া কথাটো হ'ল আমাৰ কেইবাজনো বিধায়কে কৈছে। আমি সকলোৰে ভুক্ত ভোগী। যিটো কোৱা হৈছে যে আমাৰ ৰাটাৰ ৰিচোৰ্চে ঢুকি নাপায় বা পি ডব্লিউ ডিত নপৰে।

আমি এটা সমস্যাৰ সন্মুখীন হৈছো। এইটো অৱশ্যে আমাৰ অসম  চৰকাৰৰ বিষয় নহয়, এইটো কেন্দ্ৰৰ বিষয়। আমি এটা প্ৰস্তাৱহে দিব লাগে। এই যে এটা ৰেষ্ট কম্পোনেণ্ট আছে এইটো দুভাগ কৰিব লাগে কাৰণ vehicle Motor Drive, Bullock  কাৰণএইবিলাক গাইড লাইনত নাই। cart যদি বি ডি অ' জনে কম্পোনেণ্ট কৰি দিয়ে, কাম বন্ধ হৈ যায়। মই নিজে দেখিছো। সেই কাৰণে মই ভাৰিছো আমাৰ অসম চৰকাৰৰ তৰফৰ পৰা যে আমাৰ ইয়াত নৰ্থ-ইষ্টৰ ক্লাইমেট বেলেগ, Soil character বেলেগ আৰু আমাৰ জীয়ৰী-বোৱাৰী ৰাস্তাত কাম কৰিবলৈ নাযায়। যদিওবা আমি Non-wage ৰ কথা কৈ আছো। এইটো এটা কৰাপশ্যন চলি আছে। এই কৰাপশ্যন যদি ৰোধ কৰিব লাগে আমি ভাৰো  আমাৰ সন্মানীয় P&RD মন্ত্ৰী ডাঙৰীয়াৰ জৰিয়তে এটা প্ৰপোজেল পঠাব লাগে। In case of North-East. লগতে অসমৰ ক্ষেত্ৰত এই ৰেষ্ট কম্পোনেণ্টক দুটা ভাগ কৰিব লাগে। ৩০ শতাংশ ৰেষ্ট কম্পোনেণ্ট কৰক আৰু ৩০ শতাংশ use of vehicle etc. বা Bullock cart এইবিলাকত যদি দিব পাৰে তেতিয়াহ'লে মেটেলচ্‌ৰ যিটো জামানা আছে সেইটো খতম হৈ যাব আৰু লগতে আমাৰ বহুত সৰু-সুৰা এছেট ক্ৰিয়েশ্যন হ'ব। য'ত ৰাটাৰ ৰিচোৰ্চে ঢুকি নাপায়, পি ডব্লিউ ডি এ ঢুকি নাপায়। আমি সৰু সৰু বহুত কাম কৰিবলৈ সক্ষম হ'ম। মোৰ এইটো পৰামৰ্শহে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী ৰঞ্জিত  কুমাৰ দাস (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক ভৰেশ কলিতা ডাঙৰীয়াই খুব সুন্দৰ কথা এটা কৈছে। এইটো আমিও উপলব্ধি কৰো। যিহেতু এইখন আইন ভাৰত চৰকাৰে প্ৰস্তুত কৰা এখন আইন। গতিকে এম জি এন ৰেগাত আমি যেনেকৈ বিচাৰিছো যে এইবাৰ আমাক জি অ' বেগ আৰু বেম্বো স্পাৰ্ক আৰু আমি জাষ্টিফিকেশ্যনটো দিছো যে যিহেতু বানপানী হৈ থকা এলেকা। গতিকে সেইটো হিচাবে মাননীয় ভৰেশ কলিতা ডাঙৰীয়াই কোৱাৰ দৰে সেইটো আমি আলোচনা কৰি চাব পাৰো বা পঠাব পাৰো। কিন্তু মই এইখিনিতে এটা কথা ক'ব বিচাৰিছো যে যিসমূহত তেনেকুৱাকৈ প্ৰয়োজন আছে যে আমি অকল মেন ড্ৰেজিঙেৰে নোৱাৰো যিহেতু ভেহীকল নিশ্চিতভাৱে ব্যৱহাৰ হ'ব। আমি দেখিছো যে, মৰিগাওঁ সমষ্টিত আমাৰ পিয়ুষ হাজৰিকা ডাঙৰীয়া, তেওঁ যেতিয়া মন্ত্ৰী আছিল আৰু তেতিয়া তেওঁ Water Resources ৰ লগত Convergence কৰি কেইবাটাও কামত সফল হৈছে। আনকি লাহৰী ঘাটতো তেনেকুৱা প্ৰ'জেক্ট হৈ আছে। গতিকে তেনেকুৱা কৈ যদি আমি নলওঁ তেন্তে মেনড্ৰেজিঙৰে কোনো কাম সফল হ'ব নোৱাৰে। কাৰণ অন্য ৰাজ্যৰ কথাটো বেলেগ। আজি ৰাজস্থান, গুজৰাটত বানপানী নহয়। কিন্তু আমাৰ যিহেতু বানপানী flood prone গতিকে আমি Convergence কৰি আৰু ইতিমধ্যে জলসম্পদ মন্ত্ৰী তেখেতে এই বিষয়টো সন্মতিপ্ৰদান কৰিছে। আগন্তুক দিনত বিধায়ক সকলে আমাৰ Water Resources ৰ লগত Convergence কৰি কামবোৰ লয় তেতিয়াহ'লে নিশ্চয় বিভাগে অনুমোদন জনাব পাৰিব।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ১২৪। মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী।

**শ্ৰীপিযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে সন্মানীয় মন্ত্ৰী শ্ৰী ৰঞ্জিত দাস ডাঙৰীয়াই কৈছে, তেখেতসকলে আমাক আহবান জনাইছিল যে এম এল আৰ বা ফ্লাড ড্ৰিল বানপানীটো আৰু বৈ নাথাকে। বানীপানী যেতিয়া হ'ব তেতিয়া আহিব আৰু তাত জলসম্পদৰ মথাউৰি বা পি এণ্ড আৰ ডিৰ মথাউৰি differenciate বেছি কৰিব নালাগে।

গতিকে আমি ইতিমধ্যে নিৰ্দেশ দিছো, পি এণ্ড আৰ ডিৰ ডিপাৰ্টমেণ্টে আমাক আহ্বান জনাইছিল, আমি নিৰ্দেশ দিছো যিমানখিনি পাৰো এম এন আৰ আৰ বা ফ্লাড ড্ৰিলৰ টকা কেৱল জলসম্পদ মথাউৰি নহয়। কৃষি বান্ধেই হওঁক, পি এণ্ড আৰ ডিৰ মথাউৰি হওঁক তাত ব্যৱহাৰ কৰিব লাগে আমি নিৰ্দেশ দিছো। চৰকাৰখনতো একেখনেই। গতিকে বিভাগ ভাগ ভাগ কৰি, বানপানী ভাগ ভাগ কৰি ৰাখিব নোৱাৰি। তেনেকৈ ইতিমধ্যে আমি কাম আৰম্ভ কৰিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। শ্ৰী আমিনুল ইছলাম। মাননীয় মন্ত্ৰী মহোদয়ে ক'ব।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনত উত্তৰসমূহ দিয়া আছে।

**শ্ৰী আমিনুল ইছলাম (মানকাচাৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, জলসিঞ্চন কাৰিকৰী বিভাগৰ প্ৰশ্ন এটা আছিল আৰু প্ৰশ্ন 'ক', 'খ' 'গ', 'ঘ' চাৰিটা segments আছে, ইয়াত দেখিছো, 'ক', ৰ annexure 1, 2, 3 আৰু 'খ' ৰ annexure 2 and 3 এইখিনি সংলগ্ন কৰা হোৱা বুলি কোৱা হৈছে। এই annexure খিনি মোৰ তাত জমা হোৱা নাই। হয়তো এইটো বিভাগৰ ভূল হ'ব পাৰে। কি হৈছে নাজানো। Annexure খিনি আমাৰ হাতত আহিলে প্ৰশ্নখিনিৰ প্ৰকৃত সমাধানটো ওলালেহেঁতেন। এতিয়া কথা হৈছে সেইখিনি পাম বুলি আশা ৰাখিছো আৰু যদি কোনো বিভাগীয় মানুহ ইয়াত আছে, মোক annexure 2 provide কৰিলে হ'ল। দ্বিতীয় কথা হৈছে, যে আমি দেখিছো যে আমাৰ মানকাচাৰ সমষ্টিত JJM ৰ যিমান কেইটা প্ৰকল্প এতিয়ালৈকে চলি আছে বা ১২ টা মান প্ৰ'জেক্ট ইয়াৰ আগতে আছিল ১২ টা মান প্ৰজেক্ট তাত আছে। সেই প্ৰ'জেক্টৰ এটাতো পানীৰ পাইপ হোৱা নাই। প্ৰজেক্টবিলাক হৈছে, বিল্ডিং বিলাক হৈছে, পাইপ হৈছে কিছুমানত কিন্তু যিটো water supply হ'ব লাগে সেইবিলাক কিন্তু long time pending আজিলৈকে পানী গৈ পোৱা নাই। এটা বা দুটাত পাই আছে। সেইবিলাক স্থানীয় ৰাইজে কৰি আছে। বাকীখিনি হৈ থকা নাই। সেইখিনি চা ব লাগে। প্ৰথম কথাটো হ'ল যিহেতু আমাৰ দক্ষিণ শালমাৰা মানকাচৰ মোৰ সমষ্টি অত্যন্ত আৰ্ছেনিক আৰু ফ্লু'ৰাইড প্ৰ'ন এৰিয়া আৰু JJM ৰ যথেষ্ট প্ৰজেক্ট ইয়াত হৈছে আমি দেখা পাইছো, 200 plus. প্ৰজেক্ট মোৰ সমষ্টিত হৈছে। এই প্ৰজেক্টৰ জৰিয়তে পানীখিনি আৰ্ছেনিক আৰু ফ্লু'ৰাইড মুক্ত হ'ব নে?

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক আমিনুল ইছলাম ডাঙৰীয়াই কৈছে যে annexure পোৱা নাই। Annexure আমি ইয়াত এই কাৰণে দিয়া নাই মাননীয় অধ্যক্ষ মহোদয়, যিহেতু আপুনি কৈছে যে লাহে লাহে ই-বিধান সভা কৰিব লাগে। যাৰ কাৰণে বাজেটৰ দিনাখন আপুনি নিজে আমাক tab ও দিছে। ইয়াৰ উপৰিও আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে, আমি ক্ৰমাগতভাবে আমি কাৰ্য্যালয়ত ফাইলৰ কাম কমাই দি online ৰ ব্যৱস্থা লাহে লাহে কৰি আছো। আমাৰ ইয়াতে যিটো annexure দিয়াৰ মন আছিল, মাননীয় অধ্যক্ষ মহোদয়, কিন্তু মানকাচাৰৰ যদি annexure দিব লগা হয়, তেতিয়াহ'লে তিনি হাজাৰ পেজ। তিনিহাজাৰ পেজ দিব লাগিলে তেতিয়াহ'লে আমি আপোনালোকক বিধান সভাত ডেৰশ জনক দিব লাগে। ১২৬ টা আৰু বাকী আনুসংগিক। আৰু তেতিয়া আমি দেখিলো যে ৪ লাখ ৫০ হাজাৰ আমি তেনেকুৱা প্ৰিণ্ট কৰিব লাগে। আৰু সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, মইয়ে কৈছো, যিহেতু লিংক আছে, আমি লিংক এটাৰ সৈতে লিখি দিছো। সেই লিংকটোৰ যোগেদি তেওঁ যায় তেতিয়াহ'লে তেওঁ নিজে, তাৰ কপিবোৰ ল'ব পাৰিব

আৰু ধনৰ লগতে আমি ই-বিধান কৰাৰ কাৰণে online ৰ ব্যৱস্থা কৰিছো।

**মাননীয় অধ্যক্ষঃ** সন্মানীয় মন্ত্ৰী, মই অনুৰোধ কৰিছিলো পাৰিলে পেন ড্ৰাইভত দি দিব লাগে। পেন ড্ৰাইভত যদি দি দিয়ে, তেতিয়া সকলো সদস্যই পাই যাব। কাগজত অসুবিধা হয়।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পেন ড্ৰাইভটো আমি দি দিব পাৰো। পৰৱৰ্ত্তী সময়ত আমি এইটো দিম। এইটো আপুনি সুন্দৰ পৰাৰ্মশ দিছে। মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয়তে মানকাচৰ এলেকাত যিহেতু আমি জানো, তাতে ফ্লাড প্ৰ'ণ এৰিয়াও আছে আৰু এপিনে চৰ এৰিয়াও আছে। তথাপিও তাত যি গাওঁৰ সংখ্যা ১৩০ খন আছে, জনসংখ্যা আছে, হেবিটেশ্যন আছে, ৪৬৯ মুঠ জনসংখ্যা আছে প্ৰায় ৩ লাখ ৬০ হাজাৰ আৰু হাউচৰ যিখিনি আমাৰ প্ৰায় ৭৬ হাজাৰ ২৯৮ আৰু ইয়াৰ ভিতৰত এতিয়ালৈ আমি daily community ৰ হিচাপ এটা আনো। যোৱাকালি আমি ৩, ৮৮২ টা ঘৰত ইতিমধ্যে কানেকশ্যন কৰিছো আৰু বাকী সমূহ কানেকশ্যন হ'ব আৰু ইয়াৰ কাৰণে প্ৰায় মানকাচৰ এলেকাত আমি প্ৰায় ২৬৮ কোটি টকাৰ প্ৰজেক্ট এতিয়ালৈ আমাৰ আছে, এইটো phasewise কৰি আছো। প্ৰথমে ৰেটৰ ফিটিং হৈছে তাৰ পাছত আমাৰ প্ৰথম phase হৈছে এতিয়া দ্বিতীয় phase হ'ব। তেখেতে যিটো ক'লে আৰ্ছেনিকৰ কথা যে নিশ্চিত ৰূপত আৰ্ছেনিক ফ্ৰী পানী পাব কাৰণ আমাৰ এইটো কেৰল খোৱা পানী যোগান আঁচনি নহয়। এইটো হৈছে আমাৰ বিশুদ্ধ খোৱা পানী য'ত নেকি ইতিমধ্যে আৰ্ছেনিক প্ৰ'ণ এৰিয়া, য'ত নেকি ফ্ল'ৰাইড প্ৰ'ণ এৰিয়া আছে, তাত আমি মাৰ্কিং কৰিছো, তাৰ পৰা পানী লিক্ নকৰে আৰু সেইকাৰণে আমি দূৰৰ পৰা আনি হলেও নদীৰ পৰা হওঁক বা অন্য ক'ৰবাৰ পৰিশিষ্ট পানী আনি লিক্ কৰি আমি অভাৰ ৰাইটত বহুৱাই মানুহৰ ঘৰে ঘৰে দিয়াৰ ব্যৱস্থা কৰিম আৰু মাননীয় অধ্যক্ষ মহোদয়, মই নিশ্চিত যে, কোনো কাৰণতে আৰ্ছেনিক যুক্ত পানী নাযায় তাত, বিশুদ্ধ পানী থাকিব। আৰ্ছেনিক আৰু ফ্ল'ৰাইডমুক্ত
পানী তাত থাকিব।

**মাননীয় অধ্যক্ষঃ** Second Supplementary.

**শ্ৰী আমিনুল ইছলাম (মানকাচাৰ)ঃ** ধন্যবাদ। আচলতে কথাটো হৈছে, মই annexure 'ক' ৰ 1, 2, 3 এইকেইটা তিনি চাৰিটা টা phase ৰ মাজত হ'লে হ'লহেঁতেন আৰু খ' ৰ যিখিনি 2 and 3 এইখিনি চাৰি পাঁচ পেজৰ মাজত হ'লহেঁতেন। ইতিমধ্যে মাননীয় মন্ত্ৰী মহোদয়ে লিংক দিছে আমাৰ এতিয়া কথাটো হ'ল যে পানীখিনি যাতে পায়। বিল্ডিং হ'ল, পাইফ লাইন হ'ল কিন্তু পানী পাই থকা নাই। যিকেইটা হৈছে, সেইকেইটা আৰু নতুনকেইটাত হয়তো পানী পাই থাকিব, মন্ত্ৰী মহোদয়ে কোৱা মতে। মোৰ দ্বিতীয় প্ৰশ্নটো হ'ল দক্ষিণ শালমাৰা-মানকাচাৰ এখন নতুন জিলা। তাত, PHE ৰ division কেতিয়া হ'ব?

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে নতুন নতুন জিলাৰ কাম ইতিমধ্যে পৰ্যায়ক্ৰমে চলি আছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগত post sanctionৰ বাবে মই যোৱাকালি বিত্ত বিভাগলৈ লিখিছো আৰু তেনেকুৱা প্ৰত্যেকটো বিভাগৰ জৰিয়তে কাম-কাজবোৰ চলি আছে। চৰকাৰে যিহেতু জিলাসমূহ ঘোষণা কৰিছে, গতিকে ইয়াৰ আনুসংগিক যিসমূহ বিভাগ আছে, তাত কামবোৰ পলম নহ'বলৈ, যিহেতু জিলাখনত post sanction কৰিব লাগিব, infrastructure ৰ বাবে ব্যৱস্থা কৰিব লাগিব, তাৰ বাবে চৰকাৰে ইতিমধ্যে ব্যৱস্থা কৰি আছে।

**মাননীয় অধ্যক্ষঃ** দুৰ্গা দাস বড়ো।

**শ্ৰী দুৰ্গা দাস বড়ো (কলাইগাঁও)ঃ** অধ্যক্ষ মহোদয়, মই 'জল জীৱন মিশ্যন'ৰ কাম-কাজ চাবলৈ যাওঁতে নিকটৱৰ্তী কলেজ, হাইস্কুল ইত্যাদিত গৈছিলো। অংগনবাদী কেন্দ্ৰবোৰত 'জল জীৱন মিশ্যন'ৰ ডেৰ লাখ, ১ লাখ ৬০ হাজাৰ, ২ লাখ টকাৰ সৰু সৰু আঁচনি বহুৱাৰ ব্যৱস্থা লৈছে। এখন কলেজ সচৰাচৰ গাওঁখনৰ পৰা দূৰত থাকে। স্কুল এখনত 'জল জীৱন মিশ্যন'ৰ অধীনত টেপ কেইটামান লগাই দিব পাৰি বা অন্য সৰু অনুষ্ঠানতো এনেদৰে টেপ লগাই দিব পাৰি । কিন্তু, কলেজ এখন হ'ল বৃহৎ অনুষ্ঠান, তাত ল'ৰা-ছোৱালী যথেষ্ট হয়। গতিকে কলেজ, ৰাজহুৱা অনুষ্ঠান, ধৰ্মীয় অনুষ্ঠান আদিত অলপ সৰুকৈ হ'লেও 'জল জীৱন মিশ্যন'ৰ আঁচনি বহাব লাগে। ঘৰত ভাল পানী খাই বাহিৰত যে বেয়া পানী খাব তেনে হ'ব নোৱাৰে। প্ৰয়োজন সাপেক্ষে শ্মশান সমূহত পানীৰ টেপ সংলগ্ন কৰি দিলে, মই ভাৱো আপোনালোকৰ উদ্দেশ্য সফল হ'ব। লগতে, 'জল জীৱন মিশ্যন'ৰ কাম-কাজ কৰিবলৈ নিশ্চয় credential থকা মানুহ বিচাৰে আৰু এইটো ভাল হৈছে। কিন্তু, একেজন মানুহেই ২০-৩০ টা credential কাগজখনত লৈ পিছত তেওঁ বেপাৰটো কৰে। গতিকে, মাননীয় মন্ত্ৰীয়ে এই দুটা প্ৰশ্নৰ উত্তৰ দিব নেকি?

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি সমূহ মহাবিদ্যালয়ৰ কথা কৈছে, সেই ক্ষেত্ৰত মই কওঁ যে আমাৰ 'জল জীৱন মিশ্যন' সম্পূৰ্ণভাৱে গ্ৰামাঞ্চলৰ লগত জড়িত। গতিকে গ্ৰামাঞ্চলবোৰত যি সমূহ মহাবিদ্যালয় আছে, তেওঁলোকৰ যদি পানীৰ কিবা অসুবিধা আছে, তেন্তে আগন্তুক দিনত তেওঁলোকে যদি আমাৰ লগত যোগাযোগ কৰে আমি এই বিষয়ৰ ওপৰত নিশ্চিত ভাৱে চিন্তা কৰিম। ভাৰত চৰকাৰৰ নিৰ্দেশনাক্ৰমে আমি কেৱল স্কুল আৰু অংগনবাদী কেন্দ্ৰৰ ক্ষেত্ৰতহে এই ব্যৱস্থা কৰিব পাৰো, যিটো mandatory, আমি কৰিবই লাগিব। সেই কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই শক্তি মন্ত্ৰীৰ লগত আলোচনা কৰিছে যাতে স্কুল আৰু অংগনবাড়ী কেন্দ্ৰ সমূহত বিদ্যুৎ যোগান ধৰে, কিয়নো বিদ্যুৎ নথকা কোনো বিদ্যালয়ত এই আঁচনি দিলে একো লাভ নহ'ব। সেয়েহে, আমাৰ মুখ্যমন্ত্ৰীয়ে স্কুল আৰু অংগনবাড়ী কেন্দ্ৰসমূহত বিদ্যুৎ যোগান ধৰাৰ বাবে জিলা উপায়ুক্তসকলক নিৰ্দেশ দিছে। গতিকে, নিশ্চিতভাৱে স্কুল আৰু অংগনবাদী কেন্দ্ৰত এই ব্যৱস্থা হ'ব। কলেজৰ ক্ষেত্ৰত এই আঁচনিৰ ব্যৱস্থা নাই যদিও তেওঁলোকে যদি আমাক আবেদন কৰে, তেন্তে আমি অসম চৰকাৰৰ পুঁজিৰেই মহাবিদ্যালয় সমূহতে হওঁক বা ধৰ্মীয় অনুষ্ঠানসমূহতহওঁক, আগন্তুক দিনত আমি ইয়াৰ ব্যৱস্থা কৰিম। আনহাতে, ঠিকাদাৰৰ বিষয়টো চোৱাৰ বাবে জিলা উপায়ুক্ত আৰু Executive Engineer ক আমি দায়িত্ব অৰ্পণ কৰিছো। আমি নিৰ্দেশনা দিছো যে ঠিকাদাৰৰ credential বহুত থকিল বুলিয়েই তেওঁলোকে অধিকাংশ কাম পাব, সেয়া হ'ব নালাগে, যিহেতু প্ৰত্যেক সমষ্টি, প্ৰত্যেক জিলাতে ঠিকাদাৰ আছে। গতিকে, সেই ঠিকাদাৰ সকলৰ যদিহে empanel কৰা আছে, তেন্তে তেওঁলোকে পৰ্যায়ক্ৰমে কাম পোৱাৰ বাবে আমি ব্যৱস্থা কৰি আছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। খলিল উদ্দিন মজুমদাৰ।

**শ্ৰী খলিল উদ্দিন মজুমদাৰ ( কাটিগড়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমার কাটিগড়া সমষ্টির জল জীবন মিশ্যন ঘরে ঘরে কখন পৌছবে? সেটা মন্ত্রী মহোদয়ের কাছে জানতে চাই।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী)ঃ** - কাটিগড়াৰ বিধায়কে যিটো প্ৰশ্ন কৰিছে সেইটো লৈ শংকা কৰিব লগা নাই। সবার ঘরে জল যাবে এটা চিন্তা করবেন না। আমাদের মাননীয় প্রধানমন্ত্রী নরেন্দ্র মোদী বলেছেন, 'হর হর ঘর মে পানি জায়েগা জো রুরেল এরিয়া ম্যা হ্যা'। তাই আপনাদের এ জায়গায় যতটুকু সার্ভে হয়েছে সেই সার্ভে অনুযায়ী প্রত্যেকের ঘরে ঘরে জল যাবে

আর সবাই বিশুদ্ধ পানীয় জল পাবে।

**মাননীয় অধ্যক্ষঃ** জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** অধ্যক্ষ ডাঙৰীয়া, 'জল জীৱন মিশ্যন'টো এটা ভাল অভিযান। ইতিমধ্যে মাননীয় মন্ত্ৰী ডাঙৰীয়াই ইয়াৰ ওপৰত কেইবাটাও উত্তৰ দিছে। আমি মানকাচৰ সমষ্টিত দেখিছো যে বিদ্যালয়ত ৫১৫ টা আৰু অংগনাবাদী কেন্দ্ৰত ৩৬৬ টা নতুনকৈ পানী যোগান প্ৰকল্পৰ বাবে ধন ধাৰ্য্য কৰিছে। এনেকৈয়ে অসমৰ ১২৬ টা সমষ্টিত বিদ্যালয় আৰু অংগনবাদী কেন্দ্ৰ সমূহত এনেকুৱা আঁচনিৰ বাবে অসমৰ সংশ্লিষ্ট বিভাগে অনুমোদন লাভ কৰিছে। এতিয়া মোৰ প্ৰশ্ন হ'ল- আমাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ আগতে যিখিনি আঁচনি আছিল, এই সম্পৰ্কত মানকাচাৰ সমষ্টিৰ মাননীয় বিধায়ক ডাঙৰীয়াইও কৈ গৈছে যে আগৰ পানী যোগান আঁচনিৰ পৰা আমি কোনেও পানী লাভ নকৰো, সেই পানী যোগান আঁচনি সমুহ বন্ধ হৈছে। 'জল জীৱন মিশ্যন'ৰ নিচিনা ইমান ভাল প্ৰজেক্ট, তাত ইমান পইচা দিছে, কিন্তু জনস্বাস্থ্য কাৰিকৰী বিভাগত বহুত কম সংখ্যক technical বিষয়া- কৰ্মচাৰী আছে। গতিকে, ইমান কম সংখ্যক কৰ্মচাৰীৰে ইমানবোৰ আঁচনি কেনেদৰে ৰূপায়ণ কৰিব, এই ক্ষেত্ৰত বিভাগে কি ধৰণে পৰ্যবেক্ষণ কৰিব সেই সন্দৰ্ভত মাননীয় মন্ত্ৰী ডাঙৰীয়াই পৱিত্ৰ সদনত উত্থাপন কৰিব লাগে আৰু আমাৰ দাবী যে- প্ৰত্যেকটো আঁচনি কাৰ্য্যক্ষম হ'ব লাগে আৰু ভালকৈ হ'ব লাগে যাতে তাত কোনো ধৰণৰ দুৰ্নীতি কৰিব নোৱাৰে।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী)ঃ** অধ্যক্ষ ডাঙৰীয়া, 'জল জীৱন মিশ্যন'টো সমাপ্ত কৰাৰ লক্ষ্য হৈছে ২০২৪ চন। ইয়াৰ কাৰণে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ওতঃপ্ৰোতঃ ভাৱে লাগি আছে। আমাৰ নতুন চৰকাৰখন অহাৰ পিছত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এতিয়ালৈ আমাৰ বিভাগৰ লগতে উপাযুক্ত সকলৰ লগত চাৰিবাৰ review কৰিছে। এজন মুখ্যমন্ত্ৰী হৈও তেখেতে 'জল জীৱন মিশ্যন'ক লৈ চাৰিবাৰ review কৰিছে। আমিও এনেকুৱাকৈ review কৰি আছো যে- সন্ধিয়া ৮ বজাত কোনখন জিলাত আজি কিমানটা সংযোগ হ'ল, তাৰ ৰিপ'ৰ্ট লওঁ আৰু ৯ বজাত আমি মুখ্যমন্ত্ৰী ডাঙৰীয়াক, সমগ্ৰ জিলা মিলাই আজিৰ তাৰিখত কিমান সংখ্যক সংযোগ দিয়া হ'ল, তাৰ ৰিপ'ৰ্ট দিওঁ। গতিকে, মোৰ বিভাগৰ বিষয়া-কৰ্মচাৰী সকলে seriously আৰু ভাল মানসিকতাৰে কাম কৰি আছে যাতে গ্ৰামাঞ্চলৰ প্ৰত্যেক মানুহৰ ঘৰে ঘৰে পানী যোগান ধৰিব পৰা যায়। মুখ্যমন্ত্ৰীৰ পৰা আদি কৰি 'জল জীৱন মিশ্যন'ৰ একেবাৰে শেষ পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীজনলৈকে সকলোৱে কাম কৰি আছে। ২০২৪ চনৰ ভিতৰত আমাৰ প্ৰতি জন মানুহৰ ঘৰত বিশুদ্ধ খোৱা-পানী দিয়াৰ যি প্ৰতিশ্ৰুতি আছে সেইটো নিশ্চিত ৰূপত হ'ব।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ১২৫।

**শ্ৰীমতী অজন্তা নেওগ (সমাজ কল্যাণ মন্ত্ৰী)ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী বিদ্যাছিং ইংলেং (ডিফু)ঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নত মাননীয় মন্ত্ৰীয়ে যি উত্তৰ দিছে তাত মই সন্তুষ্ট। কিন্তু, দুই-এটা Menu কৰিব বিচাৰিছো। প্ৰথম কথাটো হ'ল- তাত এদিন মাত্ৰ কণী দিছে। আমাৰ মানুহখিনি পাহাৰীয়া মানুহ, গতিকে তাত এদিন মাংস দিয়াৰ ব্যৱস্থা কৰিব পাৰি নেকি?

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰীমতী অজন্তা নেওগ (সমাজ কল্যাণ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে কেন্দ্ৰসমূহলৈ

আমি যিখিনি পুঁজি আগবঢ়াইছো, বিশেষকৈ Karbi Anglong Autonomous Council লৈ গোটেইখিনি টকা আমি তেওঁলোকক directly দি দিওঁ আৰু প্ৰত্যেক দিনাই ল'ৰা-ছোৱালীবোৰক বা ৩-৬ বছৰীয়া শিশুক আৰু ৬ মাহৰ পৰা তিনি বছৰীয়া শিশুক বা গৰ্ভৱতী মহিলাক কি কি দিব লাগে তাৰ এখন মেনু দিয়া থাকে আৰু পুঁজিও দিয়া থাকে। যিসকলে পৰিচালনা কৰে খাদ্যখিনি পুঁজি অনুসৰি তেওঁলোকে নিৰ্দ্ধাৰিণ কৰে। আমি তেওঁলোকক guidelines দি দিওঁ। সেইমতে কাম কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আহিবলগা সময় ছোৱাত বিশেষভাৱে আমি Social Welfare Department য়ে সিদ্ধান্ত লৈছো যে আগতে আমি যিবিলাক চাউল যোগান ধৰিছিলো এইবাৰৰ পৰা আমি সেই চাউল FCI ৰ জৰিয়তে ক্ৰয় কৰিম। FCI ৰ পৰা চাউলখিনি ক্ৰয় কৰিলে কিছু পুঁজি আমাৰ ৰাহি হ'ব আৰু সেই ৰাহি পুঁজিখিনি কেন্দ্ৰীয় চৰকাৰে পাব। সেই ৰাহি পুঁজিখিনিৰে তেওঁলোকে অন্যান্য ধৰণৰ item সংযোজন কৰিব পাৰিব।

**মাননীয় অধ্যক্ষ ঃ** দ্বিতীয় প্ৰশ্নটো।

**শ্ৰী বিদ্যা সিং ইংলেং (ডিফু) ঃ** ধন্যবাদ বাইদেউ আপুনি এইটো কোৱাৰ কাৰণে। মাননীয় অধ্যক্ষ মহোদয়, কাৰ্বি আংলঙত অঙ্গনবাড়ী কেন্দ্ৰৰ সংখ্যা হৈছে ২৪৪৯। তাৰে মোৰ সমষ্টিত আছে ৭৩৯ টা। এইবাৰ আপুনি দয়া কৰি নতুনকৈ তাত অঙ্গনবাড়ী কেন্দ্ৰ দিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওগ (সমাজ কল্যাণ মন্ত্ৰী)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈ আমি নতুনকৈ অঙ্গনবাড়ী কেন্দ্ৰ sanction কৰিব লাগে বুলি ভৱা নাই। আমি ভাৱিছো যে বৰ্তমান আমাৰ যিখিনি কেন্দ্ৰ আছে সেই কেন্দ্ৰ সমুহ ভালদৰে চলিছে নে নাই? এইটো আমাৰ প্ৰধান দায়িত্ব হ'ব। কেন্দ্ৰ সমূহলৈ ঠিকভাৱে বস্তু যোগান ধৰিছে নে নাই সেইটো চোৱাটো আমাৰ প্ৰধান দায়িত্ব। গতিকে মই সদনত অধ্যক্ষ মহোদয়ৰ জৰিয়তে সকলো মাননীয় সদস্যক অনুৰোধ জনাম যে আপোনালোকৰ যি সমূহ Development Block আছে, গোটেই অসমত যিসমূহ অঙ্গনবাড়ী কেন্দ্ৰ আছে সেই সমূহৰ জৰিয়তে আমি শিশু, গৰ্ভৱতী মাতৃ বা lactating mother আদিক আমি সেৱা আগবঢ়াই আহিছো। সেই সেৱাটো তেওঁলোকে ঠিকমতে পাইছে নে নাই সেইটো চোৱাৰ দায়িত্ব আপোনালোকৰ। সেইখিনিকে মই আপোনালোকক অৱগত কৰিছো। আহিবলগা সময়ছোৱাত এই বিষয়ত মই নতুন কিছু guideline আনিম আৰু আপেনালোকক দিম। সেই guidelineৰ মতে যাতে আপোনালোকে নিজৰ নিজৰ কেন্দ্ৰ সমূহ ভালদৰে পৰিচালনা কৰে তাৰবাবে মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী দিগন্ত কলিতা।

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ) ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়। এটা সৰু কথা মই ইয়াৰ লগত সংগতি ৰাখি বাইদেউৰ আ গত ৰাখিব বিচাৰিছো। ইতিমধ্যে মই বাইদেউক এই কথাষাৰ কৈছিলো বাইদেৱে অলপ আগতে ক'লে যে guideline কিছুমান দিম। বৰ্তমান যি শিশু খাদ্য বা মহিলাৰ কাৰণে যি খাদ্য বিতৰণ কৰা হয়, মই বাইদেউক এটা অনুৰোধ কৰিছো তেখেতে ৰাখিব পাৰে নে নাই নাজানো যে আমি যদি কেন্দ্ৰসমূহত এখন এখন চাইনবোৰ্ড তাত লগাই দিওঁ যে কি কি আহাৰ দিয়ে সেইটো ব্যৱস্থা কৰিলে ভাল হ'ব বুলি মই আশা কৰো কাৰণ গাঁৱৰ হোজা ৰাইজে নাজানে তাত কি কি খাদ্য থাকে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কলিতা ডাঙৰীয়াই এটি

সুন্দৰ কথা কৈছে। মই তেখেতৰ লগত একমত যে এই আঁচনিসমূহত পুঁজিখিনি সম্পূৰ্ণভাৱে স্বচ্ছ হ'ব লাগে আৰু ৰাইজে জানিব লাগে যে তাত কি খাদ্য পায়। গতিকে আহিবলগা সময়ছোৱাত মই আপোনাৰ লগত পৰামৰ্শ কৰি ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ (সোণাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মই মাননীয় মন্ত্ৰী মহোদয়ক অৱগত কৰিব বিচাৰিছো যিহেতু আমাৰ সোণাৰী সমষ্টিত বিশেষকৈ অঙ্গনবাড়ী কেন্দ্ৰ সমূহ শিশু অনুপাতে বহুত কম, যিহেতু তাত যিকেইটা কেন্দ্ৰ আছে সেই কেইটাত বিশেষভাৱে সুবিধাসমূহ নাই। তাত বিজুলীবাতি নাই, খোৱাপানী নাই আৰু boundary wall নাই। যিহেতু কণ-কণ ল'ৰা-ছোৱালী হয়, তেওঁলোকৰ কাৰণে boundary wall খুৱেই প্ৰয়োজন। এইখিনি অসুবিধাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়াক মই বিশেষভাৱে অনুৰোধ জনাইছো যাতে এইখিনি ব্যৱস্থা কৰে।

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমি অঙ্গনবাড়ী কেন্দ্ৰসমূহত আৰু LP স্কুল সমূহত বিজুলী বাতি আৰু খোৱাপানী এই দুয়োটা কাম কৰিবৰ কাৰণে বাজেটত পুঁজি ধাৰ্য্য কৰা হৈছে। আমি নতুন আঁচনি এখন এইবাৰ বাজেটত আনিছো। আপোনালোকে হয়তো প্ৰত্যক্ষ কৰিছে। গতিকে বাজেটখন অনুমোদন হোৱাৰ পিছত যিখিনি অঙ্গনবাড়ী কেন্দ্ৰত বিজুলী বাতি আৰু খোৱাপানী নাই তাৰবাবে এইবাৰ বাজেটত পুঁজি ধাৰ্য্য কৰা হৈছে আৰু আপোনালোকে নিশ্চয় অনুমোদন দিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী মতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰত দেখিছো যে প্ৰতিদিনে এটা শিশুৰ বাবদ মাত্ৰ ৮ টকাকৈ allotment কৰা হৈছে আৰু সিদ্ধ খিচিৰি, চুজি আৰু পায়স বনোৱা হয়। মই ভাৱো এই ৮ টকাটো যথেষ্ট কম। এইটো বৃদ্ধি কৰিব লাগে। শিশু সকলক ফল মূল দিয়াৰো ব্যৱস্থা কৰিব লাগে। ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষাত আমি এটা খুব দুখলগা ছবি দেখিছো যে প্ৰায় ৬৮ শতাংশ শিশু ৰক্তহীনতা বা পুষ্টিহীনতাত ভুগি আছে। ৬৬ শতাংশ মহিলাও এনিমীয়াত ভুগি আছে। এইটো বহুত পুৰণি ৰেট হয়। এতিয়া বস্তুৰ দামো বহুত বাঢ়িছে। সেই কাৰণে মই মন্ত্ৰী মহোদয়াক অনুৰোধ কৰিছো যাতে এই টকাটো বৃদ্ধি কৰে শিশু খাদ্য মহিলা তথা lactating mothers ৰ কাৰণে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়া ।

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যা নন্দিতা দাস ডাঙৰীয়ানীয়ে যিখিনি পৰামৰ্শ আগবঢ়াইছে তাৰবাবে মই তেখেতক ধন্যবাদ জনাইছো। ভৱিষ্যতে আমি এইখিনি কাম কৰিবৰ কাৰণে চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১২৬। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী ছিৰাজুদ্দিন আজমল (যমুনামুখ) ঃ** Respected Sir, I'm very thakful to you. I will not make it very long. In very short, I would like to say that the Minister has given in the answer that Rules & Regulations which is known to everyone, is given. I'm saying that there is injustice, there is no proper allocation. While doing the distribution, the Zilla Parisads

and all those people who are sitting on top are misusing their power. I would request the Hon'ble Minister and spoken to him personally. I feel that he is a very sincere person and his intention is very good, bonafied intention. That what is happening there is not correct. So, I would request through your good offices to the Minister that next time I want a detail answer. How many people have got how much? Distribution & allocation is the rule and it is not enough.That, have the right people got right allocation and distribution? And secondly, if not, justice should be done. Respected Sir, a person like him, I'm very much hopeful that he will do justice to this. I want a detail reply.

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় বিধায়ক ছিৰাজুদ্দিন আজমল ডাঙৰীয়াক ক'ব বিচাৰিছো যে হোজাই জিলা পৰিষদৰ বিৰুদ্ধে একাংশ সদস্যই কৈছিলে যে fund allocation ৰ সময়ত তেওঁলোকে সমানুপাতিকভাৱে fund distribution কৰা নাই বুলি এটা অভিযোগ আনিছিলে আৰু ইতিমধ্যে এই বিষয়টো লৈ মই sincerely observe কৰিছো আৰু সন্মানীয় বিধায়কৰ লগত কথা পাতিছো। I also discuss with the principal Secretary, in the chair of the Hojai. Observation কৰাৰ পিছত আপুনি যিটো কথা কৈছে সেইটো মই মাননীয় অধ্যক্ষ মহোদয়ৰ জ্ঞাতাৰ্থে কৈছো যে আমাৰ যিখন guideline আছে issued by the Government of Assam on 27 November, 2020.এই guideline ত যিসমূহ কাম কাজ কৰাৰ কথা লিখা আছে তাত Fund কোনে কিমান পাব সেইটো লিখা নাই। আজি যেনেকৈ আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসম মালা কৰিছে, অসম মালা কৰোতে আমি কিমানখন জিলা পাৰ হৈছো - হয়তো নলবাৰী, বাক্সা, বৰপেটা জিলাও পাৰ হৈছো। কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইটো চোৱা নাইযে অমুক সমষ্টিত এইখিনি কাম হ'ব। দুৰ্ভাগ্যজনকভাৱে আমাৰ পঞ্চায়ত সমূহতো কি হৈছে -পঞ্চায়তো হ'ব, municipality তো হ'ব। যিটো fund আছে, সেইটো তেওঁলোকে সমানুপাতিক ভাগ কৰি যায়। কিন্তু আমাৰ guideline ৰ মতে এইটো scheme oriented.তেওঁলোকলৈ হয়তো untide বা tide fund ৰ পৰা ৫০ লাখকৈ দিয়া হ'ল। আজি যেনেদৰে ষ্ট্ৰং ওৱাটাৰৰ ক্ষেত্ৰত সৰু সৰু গাওঁ বা টাউন সমূহত যে পানী বন্ধ হৈ যায়, যদি আমি স্কীম বিলাক ভাগ ভাগ কৰি দিওঁ তেতিয়া মেজৰ যিবিলাক সমস্যা, সেইসমূহে কেতিয়াও ক'ভাৰ কৰিব নোৱাৰিব। আজি মই এটা কথা আপোনাৰ জৰিয়তে জনাইছো যে জিলা পৰিষদ বা আঞ্চলিক পঞ্চায়তৰ গাওঁ সমূহে মেজৰ ইচ্ছু সমূহ চিনাক্তকৰণ কৰক। সমষ্টি ভিত্তিক ফাণ্ড পাব লাগিব বুলি গাইড লাইনখনত উল্লেখ নাই। যদি আপুনি গাইড লাইনখন অবজাৰ্ভ কৰে, তাত ক্লিয়াৰলি মেনশ্যন কৰা আছে যে There is no question regarding allocation of fund just we have mentioned only the scheme গতিকে আমি যদি স্কীমক গুৰুত্ব দিব লাগে, স্কীমৰ ক্ষেত্ৰত হোজাই জিলা পৰিষদৰ সদস্য বা বিষয়াই যদি কিবা গাফিলতি কৰিছে, মই তেওঁলোকৰ বিৰূদ্ধে বিহীত ব্যৱস্থা লম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্নকালীন ঘণ্টা শেষ হৈছে। এতিয়া আমাৰ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই সদনত এটা প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী পিযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "অসমৰ সুযোগ্য সন্তান উদীয়মান মুষ্টিযোদ্ধা শ্ৰীমতী লাভলিনা বৰগোঁহাইয়ে আগন্তুক টকিঅ' অলিম্পিকত মুষ্টিযুদ্ধ শাখাত ভাৰতবৰ্ষক প্ৰতিনিধিত্ব কৰাৰ যোগ্যতা অৰ্জন কৰি ৰাজ্যখনলৈ গৌৰৱৰ বাৰ্তা কঢ়িয়াই আনিছে। সুযোগ্যা এই অসম সন্তান গৰাকীৰ কৃতিত্বক সগৌৰৱে স্মৰণ কৰি অলিম্পিকত সৰ্ব্বোচ্চ প্ৰদৰ্শন কৰি দেশ তথা ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই লৈ আহিব বুলি আশা ৰাখি অসম বিধান সভাই প্ৰস্তাৱ গ্ৰহণ কৰে"।

মাননীয় অধ্যক্ষ মহোদয়, লাভলিনা বৰগোঁহাই ডাঙৰীয়ানীৰ জন্ম হয় গোলাঘাট জিলাৰ সৰুপথাৰ সমষ্টিৰ বাৰমুখীয়া গাঁৱত। তেখেতৰ পিতৃ হৈছে টিকেন বৰগোঁহাই আৰু মাতৃ মামনি বৰগোঁহাই। তেখেতৰ জন্ম হয় ১৯৯৭ চনৰ ২ অক্টোবৰ তাৰিখে। আমি সকলোৱে জানো যে তেখেতে ইতিমধ্যে মুষ্টিযোদ্ধাত অত্যন্ত পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছে আৰু এইবাৰ টকিঅ' অলিম্পিকত ভাৰতবৰ্ষক প্ৰতিনিধিত্ব কৰিছে। শ্ৰীমতী বৰগোঁহাই ডাঙৰীয়াণীয়ে Indian Open International Boxing Tournament দিল্লীত অনুষ্ঠিত হওঁতে তাত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল আৰু Second India Open International Boxing Tournament যিখন গুৱাহাটীত হৈছিল তাত তেখেতে ৰূপৰ পদক পাবলৈ সক্ষম হৈছিল। আকৌ তেখেতে ২০১৯ চনত ৰাছিয়াত হোৱা International Boxing Association ৰ মহিলা বিশ্ব বক্সিং চেম্পিয়নচিপত ব্ৰঞ্জৰ পদক লাভ কৰি আমাৰ দেশলৈ তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল। আজি আমি সকলোৱে জানো যে শ্ৰীমতী লাভলিনা বৰগোঁহাই ডাঙৰীয়ানী ইতিমধ্যে টকিঅ'ত গৈ উপস্থিত হৈছে আৰু আমি আশা ৰাখিছো যে তেখেতে মুষ্টিযোদ্ধাত উচ্চ মানদণ্ডৰ খেল প্ৰদৰ্শন কৰি ভাৰতবৰ্ষ তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনিব। এটা সৰু সংযোজন কৰিব খুজিছো, তেখেতৰ গোটেই ঘৰখনৰে ভাতৃ-ভগ্নী সকলো খেলত অতি নিপুণ। মই জনাব খুজিছো তেখেতৰ দুগৰাকী যমজ জ্যেষ্ঠ ভগ্নী আছে লিচা আৰু লিমা নামেৰে। দুয়োগৰাকীয়ে নেশ্যনেল পৰ্য্যায়ত মুষ্টিযুদ্ধ খেলিছে। গতিকে নিজৰ ঘৰখনলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে অসমলৈও গৌৰৱ কঢ়িয়াই আনিছে। যোৱাকালি এই সদনতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে অলিম্পিকেই নহয়, নেশ্যনেল পৰ্য্যায়ত যিসকলে মেডেল লাভ কৰে, আমি সকলোকে তেওঁলোকৰ যোগ্যতা অনুসৰি চৰকাৰী চাকৰি দিয়াৰ ব্যৱস্থা কৰিম। গতিকে নিশ্চয়কৈ যদি শ্ৰীমতী লাভলিনা বৰগোঁহাই ডাঙৰীয়ানীয়ে পদক লাভ কৰে, তেওঁক যিমানখিনি পাৰো সন্মান এইখন অসমে দিম বুলি প্ৰতিশ্ৰুতি দিছো আৰু পুনৰবাৰ তেখেতক শুভেচ্ছা জনোৱাৰ আগতে সৰু এটা সংযোজন কৰিব খুজিছো - যিহেতু শ্ৰীমতী লাভলিনা বৰগোঁহাই ডাঙৰীয়ানী সৰুপথাৰ সমষ্টিৰ এগৰাকী যুৱতী, গতিকে অহাকালি সৰুপথাৰ সমষ্টিৰ মাননীয় বিধায়ক শ্ৰী বিশ্বজিত ফুকন ডাঙৰীয়া আৰু গুৱাহাটীৰ কেইগৰাকীমান উদীয়মান ব্যক্তিয়ে লাষ্টগেটৰ পৰা নেহৰু ষ্টেডিয়ামলৈকে এটা চাইকেল ৰেলী কৰিব, য'ত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই শুভ আৰম্ভনি কৰিব আৰু শ্লোগানটো হৈছে - "Go for glory Lavlina". গতিকে মই সদনৰ সকলোকে সেই কাৰ্য্যসূচীত অংশগ্ৰহণ কৰিবৰ কাৰণে অনৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়া।

**শ্ৰী দেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই প্ৰস্তাৱৰ

কাৰণে চৰকাৰী পক্ষক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ সকলো যুৱক-যুৱতীৰ বাবে নিশ্চিত ভাৱে তেওঁ আদৰ্শ হ'ব। শিৱ থাপাৰ পিছত তেখেতে আমাৰ ৰাজ্যখনক বক্সিঙৰ ক্ষেত্ৰত অলিম্পিকলৈ নিবৰ কাৰণে সক্ষম হ'ল আৰু যি গাঁৱলীয়া পৰিবেশৰ পৰা আহি তেওঁ এইখিনি পাইছেহি আৰু যিখিনি পৃষ্ঠপোষকতা পালে, সেই পৃষ্ঠপোষক সকলকো মই আজি ধন্যবাদ জনাইছো আৰু আশা ৰাখিছো তেওঁৰ দ্বাৰা আমাৰ উঠি অহা প্ৰজন্ম খেলা-ধূলাৰ প্ৰতি অনুপ্ৰাণিত হ'ব আৰু তেওঁক যদি আমাৰ ৰাজ্যৰ খেলা-ধূলাৰ প্ৰতি কিবা ব্ৰেণ্ড এম্বেচাদৰ বনাব পাৰে, তাৰ বাবে চৰকাৰক মই অনুৰোধ জনাই প্ৰস্তাৱটো সমৰ্থন কৰিছো।

**শ্ৰী আমিনুল ইছলাম, জ্যেষ্ঠ (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আমাৰ দলৰ ফালৰ পৰা ও প্ৰস্তাৱটো সমৰ্থন কৰিছো আৰু ধন্যবাদ জ্ঞাপন কৰিছো। শ্ৰীমতী লাভলিনা বৰগোঁহাই ডাঙৰীয়ানীয়ে অসমক প্ৰতিনিধিত্ব কৰাৰ কাৰণে আমি অসমবাসী গৌৰৱান্বিত আৰু আশা কৰিছো, তাৰপৰা সৰ্ব্বোচ্চ উজাৰি দি শ্ৰীমতী লাভলিনা বৰগোঁহাই ডাঙৰীয়ানীয়ে অসমবাসীৰ কাৰণে এটা সুন্দৰ আশাৰ বতৰা কঢ়িয়াই আনক। তাৰ লগে লগে চৰকাৰে উদীয়মান ক্ৰীড়া লগত জড়িত প্ৰজন্মক উৎসাহিত কৰিবৰ কাৰণে যিখিনি পদক্ষেপ লৈছে, তাৰ বাবে চৰকাৰক ধন্যবাদ জনাইছো আৰু আশা ৰাখিছো অহা দিনবোৰত ভৱিষ্যত প্ৰজন্ম যথেষ্ট উৎসাহিত হ'ব।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী দূৰ্গা দাস বড়ো।

**শ্ৰী দূৰ্গা দাস বড়ো (কলাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই যোৱাকালি Spirit ত যিটো প্ৰস্তাৱ আনিছে, তাৰবাবে ৰাজ্য চৰকাৰক মই ধন্যবাদ জ্ঞাপন কৰিছো। সঁচাকৈ আমি অন্য একো দিব নোৱাৰিলেও উৎসাহ-উদ্দীপনা দিয়াতো আমাৰ দায়িত্ব আৰু উৎসাহ-উদ্দীপনা দিলে এজন খেলুৱৈ বা আৰু বিভিন্ন দিশত যিবিলাকে কাম কৰে যেনে - গান, নাচ ইত্যাদি, তেওঁলোক উৎসাহিত হয়। গতিকে শ্ৰীমতী লাভলিনা বৰগোঁহাই ডাঙৰীয়ানী নিঃসন্দেহে উৎসাহিত হ'ব। সেয়ে শ্ৰীমতী লাভলিনা বৰগোঁহাই ডাঙৰীয়ানীক ব্যক্তিগত ভাৱে আৰু আমাৰ দলৰ ফালৰ পৰা শুভেচ্ছা জ্ঞাপন কৰিছো আৰু অসম বিধান সভাই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত এই পদক্ষেপ লোৱাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো, লগতে জনাব বিচাৰিছো যে এগৰাকী খেলুৱৈয়ে খেল খেলি উভতি অহাৰ পিছত তেওঁলোকক গাইডেঞ্চ দিয়াৰ প্ৰয়োজন আছে, যিহেতু তেওঁলোক কম বয়সৰ ল'ৰা-ছোৱালী হোৱাৰ কাৰণে মন বিলাক ডাইভাৰ্ট হোৱাৰ সুযোগ থাকে আৰু তেতিয়া তেওঁলোকৰ সন্মূখত থকা গ'লটোলৈ যোৱাটো টান হৈ পৰে। গতিকে শ্ৰীমতী লাভলিনা বৰগোঁহাই ডাঙৰীয়ানীক যাতে আমি এটা কণ্ট্ৰোলত ৰাখি যাতে ভৱিষ্যতে আগুৱাই যাব পাৰে, তেনেকুৱা এটা স্পিৰিটত আমি লৈ যাব লাগিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্য চৰকাৰৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে, আমি আমাৰ দলৰ ফালৰ পৰা পূৰ্ণ সমৰ্থন আগবঢ়াইছো। কাৰণ শ্ৰীমতী লাভলিনা বৰগোঁহাই ডাঙৰীয়াণী অসমৰ বাবেই নহয়, সমগ্ৰ ভাৰতবৰ্ষৰ বাবেই গৌৰৱ। বিশেষভাৱে বিধান সভাইও আজি সৰ্ব্ব-সন্মতিক্ৰমে শুভেচ্ছা জ্ঞাপন কৰিছে আৰু আমি আশা ৰাখিছো,অসম তথা ভাৰতবৰ্ষৰ হৈ তেখেতে গৌৰৱ কঢ়িয়াই আনক আৰু লগতে মাননীয় মুখ্যমন্ত্ৰী কালি যিখিনি ঘোষণা কৰিলে এই ঘোষণাৰ জৰিয়তে আজি আমি জানিব পাৰিছো, ৰাইজ যথেষ্ট অনুপ্ৰাণিত হৈছে, ক্ৰীড়াবিদ সকলেও যথেষ্ট অনুপ্ৰাণিত হৈছে, তাৰ বাবে আমি দলৰ তৰফৰ পৰা মাননীয় মুখ্যমন্ত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** লৰেন্স ইছলাৰী।

**শ্ৰীলৰেন্স ইছলাৰী (পূব কোকৰাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমিও আমাৰ দলৰ ফালৰ পৰা পূৰ্ণ সমৰ্থন জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মনোৰঞ্জন তালুকদাৰ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই প্ৰস্তাৱটো খুব আনন্দৰে সমৰ্থন জনাইছোঁ, আমাৰ অসম জীয়ৰী লাভলীনাৰ সাফল্য কামনা কৰিছোঁ আৰু ভৱিষ্যতে লাভলীনা যেন মেৰিকমৰ দৰে আমাৰ সমগ্ৰ দেশক গৌৰৱান্বিত কৰিব পাৰে আমাক গৌৰবন্দিত কৰিব পাৰে সেই আশা ৰাখিছোঁ আৰু চৰকাৰেও ভৱিষ্যতে আমাৰ এই সদনৰ পৰা এনে আশা প্ৰকাশ কৰো, সৰ্বপ্ৰকাৰে লাভলীনাক আন্তৰ্জাতিকভাৱে খ্যাতমান এথলেট হোৱাৰ কাৰণে আমি যিখিনি কৰিব পাৰো সেইখিনি যাতে কৰে এই আশা ৰাখি মই এই প্ৰস্তাৱটোক অন্তৰৰে সমৰ্থন কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** বিশ্বজিৎ ফুকন।

**শ্ৰীবিশ্বজিৎ ফুকন (সৰুপথাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই মুহূৰ্তত লাভলীনাৰ সমষ্টিৰ বিধায়ক হিচাপে মোৰ অন্তৰ গৌৰৱত ফুলি উঠিছে। কাৰণ লাভলীনাৰ যি যাত্ৰা সেই যাত্ৰা মোহিন যাত্ৰা নহয়। এটা অতি দুখীয়া পৰিয়ালৰ সন্তান লাভলীনা, দেউতাকে মাত্ৰ ২৫০০ টকাৰ চাকৰিত এখন বাগানত কাম কৰিছিল। এদিন দেউতাক দূৰত থাকে মোবাইল ফোন নাছিল ঘৰলৈ আহোতে, মিঠাই লৈ আহিছিল। মিঠাই যিখন বাতৰিকাকতত পেকিং কৰি আনিছিল, সেই কাগজ খনত কিংবদন্তি বক্সাৰ মহম্মদ আলীৰ বিষয়ে লিখা আছিল আৰু সেইখিনি পঢ়ি লাভলীনা খেলৰ প্ৰতি অনুপ্ৰাণীত হৈছিল। প্ৰয়োজনতকৈ ওখ লাভলীনা। তাই যেতিয়া অষ্টম শ্ৰেণীলৈ গৈছিল, তেতিয়া বায়েকৰ চাদৰ-মেখেলা পিন্ধি গৈছিল। বায়েকৰ চাদৰ মেখেলা জোৰ তাইৰ আঠুলৈকে পৰিছিল। আঠুলৈকে পৰা চাদৰ-মেখেলা পিন্ধি খুব বেয়া পাইছিল। চুলিখিনি ল'ৰাৰ দৰে কাতে, তাই বজাৰলৈ যাওতে হাফপেন্ট পিন্ধে, টুপি এটা পিন্ধি যায়। বজাৰ কৰিবলৈ যেতিয়া যায়, বজাৰত বস্তু বিক্ৰী কৰিবলৈ যেতিয়া লাভলীনা যায় লাভলীনাক সকলোৰে ভাইতি বুলি ভাৱে। লাভলীনাই গছ পুলি ৰুই ভাল পায়, খেতি কৰি ভাল পায়। ২০১১ চনত SAI ৰ এটা দল সৰু পথাৰত প্ৰতিভা সন্ধানী এটা অভিযানত গৈছিল। সেই সময়ত চাহ জনগোষ্ঠীৰ খেলুৱৈ সকলক বিচাৰি গৈছিল যদিও কেইজনমান ব্যক্তিৰ উদ্যোগত যি সকলৰ নাম লবই লাগিব প্ৰশান্ত দাস, ভৱনন্দ লাহন, উদয় কমল চেতিয়া তেখেত সকলৰ উদ্যোগত বিশেষভাৱে লাভলীনা আহিছিল। পাছত SAI য়ে লাভলীনাক বক্সিঙৰ বাবে নিৰ্বাচিত কৰিছিল। লাভলীনা যেতিয়া গুৱাহাটীলৈ আহিব লগীয়া হৈছিল ৰাতি ১২ বজাত কামৰূপ এক্সপ্ৰেছত, লাভলীনাই টিকেত কাটি অহাৰ পিছত ৰিজাৰ্ভেচন নাছিল, শৌচালয়ৰ কাষত দেউতাকে এখন বিচনা চাদৰ পাৰি দিছিল, তাত শুই আহিছিল, পাছ দিনা বক্সিঙৰ প্ৰেক্টিছ দিব লাগিব দেউতাক বহি আহিছিল। গুৱাহাটীত আহি তাই চিলেক্ট হৈছিল। কলিকতাত যেতিয়া প্ৰথম প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ গৈছিল, লাভলীনাৰ গ্লোভ্চ নাছিল, নিজৰ জাৰ্চী নাছিল, এজনী জ্যেষ্ঠা প্ৰতিযোগীক তাই জাৰ্চী, গ্লোভ্চ বিচাৰিছিল, তুমি খেলাৰ পিছত তোমাৰ পোচাকজোৰ দিবা, মই যাতে খেলিব পাৰো। কিন্তু আচৰিত কথা সেই খেলত জেষ্ঠা প্ৰতিযোগী গৰাকী যেতিয়া হাৰিলে লাভলীনাক পোচাক জোৰ দিব, গ্লোভ্চ জোৰ দিবলৈ অমান্তি হ'ল। তাৰ পিছত বেলেগৰ এটা জলৌ পোচাক পিন্ধি লাভলীনাই সেই প্ৰতিযোগীতাত অংশ গ্ৰহণ কৰিলে আৰু ভাৰত বৰ্ষৰ ভিতৰত প্ৰথম হৈ গোল্ড মেডেল আনিলে। লাভলীনা চুকেকোনে গাঁৱে ভূঞে লুকাই বহুত আছে। আমি পৰিৱেশ দিব যদি পাৰো লাভলীনাৰ দৰে অজস্ৰ খেলুৱৈ ওলাব। এই সদনে ক্ৰীড়াৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিছে মই সেই সমষ্টিৰ বিধায়ক হিচাপে সেই খন জিলাৰ

ক্রীড়া সন্থাৰ সভাপতি হিচাপে মই আনন্দ পাইছোঁ। আজিও লাভলীনাৰ লগত হোৱাট্চ এপ ত কথা পাতিছোঁ। তাই দুগুণ উৎসাহেৰে কাম কৰিছে। কালি যেতিয়া জানিব পালে যে বিধান সভাত লাভলীনাৰ বিষয়ে আলোচনা কৰিছে তাইয়ো প্ৰতিক্ৰিয়া কৰিছে, যে এই বিধান সভা অসমবাসীৰ সপোন পুৰাই দিব লাগিব। লাভলীনাৰ আটাইতকৈ ডাঙৰ কথাটো হ'ল যে প্ৰচাৰৰ পিছত বিজ্ঞাপনৰ পিছত কেতিয়াও যোৱা নাই। দুখীয়া পৰিয়ালৰ সন্তান সংগ্ৰাম কৰিছে, কিন্তু বহু ৰাষ্ট্ৰীয় কোম্পানীৰ বিজ্ঞাপনৰ অফাৰ লাভলীনাই হাঁহি হাঁহি উৰুৱাই দিছে। এটা গ'ল্ড লৈ লাভলীনা আগবাঢ়ি গৈছে। গতিকে আমি আজি সদনে লাভলীনাৰ প্ৰতি যি মৰম দেখুৱাইছো মই সকলোকে ধন্যবাদ জনাইছো। Go for glory লাভলীনা, এই শীৰ্ষক লাভলীনাক উৎসাহ যোগাবৰ কাৰণে এটা প্ৰচাৰ অভিযান আৰম্ভ কৰিছোঁ। মই আশা কৰিম আমাৰ সকলোৱে আজি কালি সামাজিক মাধ্যামত আমি এক্টিভ, আমি সকলোৱে সামাজিক মাধ্যমত ফেচবুকত, টুইটাৰত, ইন্‌চটাগ্ৰামত Go for glory লাভলীনা, এই শীৰ্ষক লাইনটো শ্লোগান হিচাপে ব্যৱহাৰ কৰি লাভলীনাক আৰু উৎসাহ দিও আৰু আমি আশা কৰিম যে অসমৰ বাবে সোণৰ পদক লৈ অসম কণ্যা লাভলীনা উভতি আহিব। অহাকালিলৈ মাননীয় মন্ত্ৰী পিয়ুষ হাজৰিকা ডাঙৰীয়াই কৈছে লাভলীনাক উৎসাহিত কৰিবৰ বাবে আমি লাষ্ট গেটৰ পৰা নেহেৰু ষ্টেডিয়ামলৈ এক চাইকেল শোভাযাত্ৰা কৰিব বিচাৰিছোঁ। এই চাইকেল শোভাযাত্ৰা মুখ্যমন্ত্ৰী মহোদয়ে উদ্বোধন কৰিব। মই আপোনালোক সকলোকে নিৰ্দ্দিষ্ট সময় ৯.৩০ বজাত চাইকেল সহ তাত যাতে উপস্থিত থাকে আৰু লাভলীনাক যাতে আমি উৎসাহিত কৰিব পাৰো তাৰ কাৰণে অনুৰোধ জনালোঁ। কিন্তু সময়টো এতিয়া আগুৱাৰ কথা কৈছে, আগুৱাত আমাৰ কোনো আপত্তি নাই যদি মুখ্যমন্ত্ৰী মহোদয়ে সময় দিয়ে আমি ৮ বজাত কৰিম নহ'লে পূৰ্বনিৰ্ধাৰিত সময় হিচাপে ৯.৩০ বজাত কৰিম। গতিকে মই পুনৰ সকলোকে ধন্যবাদ জনাই লাভলীনালৈ অফুৰন্ত শুভেচ্ছা জনাই মোৰ কবলগীয়া সামৰিছোঁ, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মই ভাৱো, সকলো সন্মানীয় সদস্যৰ প্ৰস্তাৱৰ প্ৰতি সমৰ্থন আছে। প্ৰস্তাৱ গৃহীত হ'ল।

**শ্ৰীভৱেশ কলিতা (ৰঙিয়া)ঃ** অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই এই যি প্ৰস্তাৱ আনিছে আমাৰ ভগ্নী লাভলীনাৰ বাবে সূচায় মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আমি এই পবিত্ৰ সদনৰ পৰা আটাইবিলাকে লাভলীনাক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। এজন সুদক্ষ খেলুৱৈ জাতিৰ সম্পদ, দেশৰ গৌৰৱ, নিশ্চিতভাৱে অসমলৈ গৌৰৱ কঢ়িয়াই আনক তাকে পবিত্ৰ মুহূৰ্তত আমি আজি ভাৰতীয় জনতা পাৰ্টীৰ সমূহ সদস্যৰ হৈ আৰু আমাৰ নেতৃত্বৰ চৰকাৰ খনৰ হৈ আমি শুভেচ্ছা জ্ঞাপন কৰিছোঁ, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** ছাৰ, আমি আদৰণি জনাইছো, লগতে আৰ্থিক সাহাৰ্য্য কিবা কৰিব পাৰি নেকি সেইটো চাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** হৈছে, হৈছে, এতিয়া বাজেট আলোচনা কালি যি আধৰুৱা হৈছে শ্ৰী ভৰত নৰহ।

**শ্ৰীভৰত নৰহ (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৬ জুলাই তাৰিখে মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে যি বাজেট দাখিল কৰিলে, সেই বাজেটত অসমৰ অৰ্থনৈতিক ছবি প্ৰতিফলিত হোৱা নাই। অসমৰ যিটো গ্ৰাম্য অৰ্থনীতি সেইটো স্পষ্টভাৱে ইয়াত প্ৰতিফলিত হোৱা নাই। মাননীয় বিত্তমন্ত্ৰীয়ে গোটেই যিটো বাজেট ভাষণ ১০৭ পেজ, তাৰে এক পৃষ্ঠাৰ পৰা ১৬ পৃষ্ঠালৈ তেখেতে

৫ টা কবিতা সন্নিবিষ্ট কৰিছে আৰু ১৭ পৃষ্ঠাৰ পৰা ৫২ পৃষ্ঠালৈ অষ্টাদশ মুকুটাৰ উন্নয়নৰ মালা এইটো আলোচনা কৰিছে আৰু পৃষ্ঠা নং ৫৩ ৰ পৰা ৯৫ লৈ বিভাগবিলাকৰ গতানুগতিক আঁচনিৰ বিষয়ে আলোচনা কৰিছে আৰু পৃষ্ঠা নং ৯৬ ৰ ১০৭ লৈ টেক্স পলিচি, টেক্স ৰিফৰ্ম, ৰাজহ সংগ্ৰহ আৰু খৰচৰ শিতান এই বিষয়ে আলোচনা কৰিছে। এইখিনিতে ভাগ কৰিছে। এতিয়া এই বাজেটত ৩ নং পৃষ্ঠাত মাননীয় বিত্তমন্ত্ৰীয়ে বিজেপিৰ নিৰ্বাচনী যি প্ৰতিশ্ৰুতি সংকল্প প্ৰত্ৰৰ বিষয়ে অলপ লিখিছে আৰু বিশেষকৈ নিবনুৱাৰ সংক্ৰান্তত ১ লাখ নিবনুৱাক নিযুক্তি এইটো পৃষ্ঠা নং ১৫ ত উল্লেখ কৰিছে, আকৌ অষ্টাদশ মুকুতা উন্নয়নৰ মালাৰ ভিতৰত আকৌ ২১ পৃষ্ঠাত নিবনুৱা যুৱক-যুৱতীক সংস্থাপন কোন বিভাগত কিমান দিব সেইটো ৰিপিট কৰিছে। কিন্তু মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানী অৱশ্যে বিজেপিলৈ যোৱাৰ বেছিদিন হোৱা নাই, যদিও বিত্তমন্ত্ৰী হৈছে। সংকল্প প্ৰত্ৰটো, বিশেষকৈ সংকল্প প্ৰত্ৰত য'ত নিবনুৱাৰ কথাখিনি লিখা আছিল সেইটো ৮ নম্বৰ, আপোনালোকৰ ১০ টা আছিল, ১০ টাৰ ভিতৰত ৮ নম্বৰত সেইটো কথা লিখা আছিল। সেইটো বোধহয় গোটেই বাক্যটো ভালকৈ বাইদেউৱে নপঢ়িলে। তাত লিখিছিলে কি অসমৰ ২ লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰি প্ৰদান কৰা হ'ব। তিনি লাইন লিখিছিলে। দুই নম্বৰত লিখিছিলে ২০২২ চনৰ ৩১ মাৰ্চৰ ভিতৰত তাৎক্ষণিক ভাৱে এক লাখ চাকৰি প্ৰদান কৰা হ'ব, তাৰমানে ৩১ মাৰ্চৰ ভিতৰত। এক লাখ দিয়া হ'ব সেই এক লাখ ইয়াত দেখুৱাইছে, সেই নতুন পোষ্ট নহয়, ২০১৪ চনৰ পৰা আপোনালোকে নিযুক্তি নিদিয়া ৮০ হাজাৰ পদ আছে, মাত্ৰ ২০ হাজাৰ পদ, ৪ টা বেটেলীয়ান নতুনকৈ ক্ৰিয়েট কৰি আৰু ২০ হাজাৰ নতুনকৈ ক্ৰিয়েট কৰিছে। এতিয়া কিন্তু, আৰু তিনি নম্বৰ লাইনত এটা কথা আছিল যিটো বাজেটত সেইটো উল্লেখ নাই। বাকী ২ লাখৰ এক লাখ কেতিয়া দিব সেইটো লিখা নাই যদিও তিনি পৃষ্ঠাত লিখিছে অৱশ্যে সংকল্প পত্ৰটো গোটেই ৫ বছৰত কাৰ্য্যকৰী কৰিম বা কভাৰ কৰিম বুলি লিখা আছে সেইটো। তিনি নং এইটো আছিল অসমৰ বিভিন্ন খণ্ডত ৮ লাখ যুৱক-যুৱতীক জীৱিকাৰ সুবিধা প্ৰদান কৰা হ'ব। কাৰণ অসমত ২০ লাখ নিবনুৱা আছে, এতিয়ালৈকে পঞ্জীয়নভূক্ত ২০ বা ২২ লাখ নিবনুৱা আছে।

চাকৰি এক লাখে দিব, দুই লাখ দিব। এক লাখটো **৩১** মাৰ্চৰ ভিতৰত দিব বুলি কৈছে, পিছত আৰু এক লাখ দিব। এতিয়া **২২** লাখ নিবনুৱাৰ ভিতৰত এক লাখ বা দুই লাখতো একো নহয়। অসমৰ বিভিন্ন খণ্ডত চৰকাৰে এইটো বুজাইছে যে এক লাখ যুৱক-যুৱতীক জীৱিকাৰ সুবিধা প্ৰদান কৰা হ'ব। এই কথাটো বাজেটত স্পষ্টভাৱে একো লিখা নহ'ল। আপোনালোকৰ যেতিয়া party ৰ president, J.P. Nadda নিৰ্বাচনৰ সময়ত আহিছিলে, তেওঁ এটা কথা কৈছিলে যে অসম ভাৰতৰ ভিতৰত গুৰুত্ব কৰ্মসংস্থাপন সৃষ্টি কাৰি ৰাজ্য হ'ব। সেই কথাটো বাজেটত প্ৰতিফলিত নহ'ল।

ইয়াৰ আটাইতকৈ ডাঙৰ কথাটো আছিলে এই বাজেটৰ পৃষ্ঠা নং **৭** ত লিখিছিলে যে বহনখন বিকাশৰ ৰূপৰেখা তৈয়াৰ কৰি আছো। কিন্তু কি ৰূপৰেখা তৈয়াৰ কৰি আছে। সেই কথাটো ইয়াত লিখা নাই। যোৱা **৩** জুনত নীতি আয়োগে বহনখন উন্নয়ন উচাঙ্ক result প্ৰকাশ কৰিলে, তেতিয়া গোটেই অসমত হুলুস্থুল হৈ গ'ল কাৰণ অসমৰ position খুব তলত আছিলে। আগৰ বছৰত যিটো **২৩** আছিলে তিনি তললৈ নামি **২৬** হৈ গ'ল। যিটো মিজোৰামৰ নিচিনা ৰাজ্যই **১২** টা স্থান আগুৱাইছে। অন্যান্য সকলো ৰাজ্য আগলৈ গৈছে, কিন্তু অসম পিছলৈ গ'ল **২৩** ৰ পৰা **২৬** লৈ নামি গ'ল। আচঁনিৰ পিছত আঁচনি ঘোষণা কৰিছে। অষ্টাদশ মুকতাৰ মালাতো যোৱা বাৰো

আছিলে। হিতাধিকাৰীৰ পিছত হিতাধিকাৰীৰ বৃদ্ধি হৈ দিনক দিনে। কিন্তু অসম আগলৈ যোৱা নাই অসম পিছলৈ গৈ আছে। যেতিয়া মাননীয় মুখ্যমন্ত্ৰী নে কোনোবাই কলে যে নীতি আয়োগৰ এই result তো, index তো under reporting হৈছে। বোধ হয় লগে লগে আপোনালোকে নীতি আয়োগৰ মানুহক মাতি পঠিয়ালে নেকি, এটা গ্ৰুপ আহিলে অসমলৈ ১৪ নে ১৫ জুনত। তেওঁলোকে খানাপাৰাত Administrative Building ত আপোনালোকৰ বিভাগ বিলাক লৈ এখন মিটিঙ হৈছিলে। সেই মিটিঙৰ আলোচনাত কি হ'ল এই বিষয়ে বাজেটত স্পষ্টকৈ লিখা থাকিব লাগিছিলে, কিয় এই যিটো বহনখন উন্নয়নৰ উচাঙ্খৰ report নীতি আয়োগে দিছিলে, তাত অসমৰ position তো খুব বেয়া আছিলে। এতিয়া আপোনালোকে ইয়াৰ আগতে ২০১৬ চন মানত অসম চৰকাৰে এই বহনখনৰ উন্নয়নৰ উচাঙ্খ কৰাটো কেনেকৈ target fulfil কৰিব পাৰে, তাৰ কাৰণে চৰকাৰে ৮ টা working group বনাইছিলে বিভিন্ন বিভাগক লৈ। Center for SDG and Nodel Cell এটা খোলা হৈছিলে। কিন্তু তাৰ পিছতো result তো ভাল নহ'ল। সেই কাৰণে এই বাজেটত সেইটো হ'ব লাগিছিলে যে মাননীয়া বিত্তমন্ত্ৰীযে বহনখন উন্নয়ৰ উচাঙ্কৰ য'ত ১৭ লক্ষ্য আছে, সেই লক্ষ্যত কেনেকৈ পুৰণ কৰিব সেইমতে আচঁনি বিলাক হ'ব লাগিছিলে। য'ত দ্ৰৰিদ্ৰতা নিৰাৰণ, ক্ষুধা নিৰাৰন, সুস্বাস্থ্য, সুশিক্ষা এনেকৈ ১৭ টা target, সেইটো ইয়াত উল্লেখ নাই। তাৰ পিছত আমাৰ মূখ্যমন্ত্ৰী মহোদয়ে চৰকাৰ গঠন কৰাৰ লগে লগে এটা কথা কৈছিলে যে অসমখনক ভাৰতৰ চেষ্ঠ পাচঁখন ৰাজ্যৰ ভিতৰত এখন ৰাজ্য কৰা হ'ব। এইটো বাহিৰত খুব আলোচনা হৈছে আপোনালোকৰ মাজত। কিন্তু এই বাজেটৰ পৃষ্ঠা নং ১০৭ ত এটা শব্দও নাপালো, এটা বাক্যও নাই অসমখনক পাঁচখন ৰাজ্যতকৈ চেষ্টা ৰাজ্য কৰিবলৈ। ৰাজ্যপালৰ যিটো ভাষণ যোৱা বাৰ দিছিলে তাতো এই শব্দতো কতো নাই আৰু মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে বোধ হয় ১০ জুন তাৰিখে এটা Article লিখিছিলে যে চৰকাৰে কি কি কৰিব, তাতে এই কথাটো উল্লেখ কৰা নাই। যদিও Press Conference বা মিটিঙত এই কথাখিনি কোৱা হয়। আমাৰ বহুত বিধায়কেও কয় যে অসমখনক চেষ্ঠা পাচঁখন ৰাজ্যত এখন ৰাজ্য কৰা হ'ব। এইটোৰ বিষয়ে যেনেকুৱা বাজেট হ'ব লাগিছিল, তেনেকুৱা একো নাই। তেনেকুৱা হ'বলৈ হ'লে আমি ১১ খন ৰাজ্যক অতিক্ৰম কৰিব লাগিব আৰু ৫ নং তো কোনটো ৰাজ্য? গুজৰাট। গুজৰাটৰ GDP হ'ল ১৬ লাখ কোটি টকা, হয়তো আজি বাঢ়িবও পাৰে। আমাৰ GDP হ'ল ৩.৭৫, ৩.৫৩ বা ৪ লাখ বুলিয়ে ধৰক। গুজৰাটতকৈ আমি চাৰিগুণ তলত আছো। গুজৰাটক আমি অতিক্ৰম কৰিব লাগিব। হাৰিয়ানা, মহাৰাষ্ট এই বিলাকে বাজেট বনাওতে প্ৰথমতে তেওঁলোকে বহণখন উন্নয়নৰ উচাঙ্কৰ লক্ষ্য বিলাক চাই লয়, মই যিটো গম পাইছো। হাৰিয়ানাৰ সেইমতে ৰিজাল্ট ভালো কৰিছে। এতিয়া আমাৰ ৰাজ্যখনৰ GDP ১৭ ৰ পৰা আগলৈ লৈ যাবলৈ, যিটো policy লব লাগিছিলে আপোনালোকে লোৱা নাই। Per Capita Incom বঢ়াব কাৰণে যিটো কৰিব লাগিছিলে, সেইটো কৰা নাই। আমাৰ BPL percentage 31, তাৰপৰা কেনেকৈ কমাব পাৰি, তাৰ কাৰণে বাজেটত একো নাই। বাজেটত মইতো ভাৱো পাইচাৰ কাৰণে সমস্যা নহয়, মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে ভালকৈ জানিব। আমাৰ নীতি আয়োগৰ পিছত আৰু এটা report ওলালে, সেইটো আছিলে School Education ৰ quality report এইটো মন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিলে, তেখেত বৰ্তমান নাই। School Education quality Index ত অসম first position নাই, second position তো নাই, third position নাই। কিন্তু Education Department ৰ বাজেট যোৱা পাচঁ বছৰত অন্যান্য ৰাজ্যতকৈ বহুত বেছি। ২০১৮-১৯, ২০১৯-২০, ২০২০-

২১ চনৰ এভাৰেজ বাকী ৰাজ্য বিলাকত 15% aid দিয়ে। এইবাৰ আমাৰ Education Department ক 19.3% দিছে। পইচা পাইছে, কিন্তু performance নাই, quality নাই। তেনেকৈ পাচঁখন চেষ্টা ৰাজ্যৰ ভিতৰত অসমক লৈ যোৱাতো সম্ভৱ নহয়। এইটো আপোনালোকে প্ৰতিটো ভাৰতীয় নাগৰিকক ১৫ লাখ টকাকৈ ভৰাই দিম বুলি কোৱাৰ নিচিনা হ'ব বা ছয় জনগোষ্ঠিক ছয় মাহৰ ভিতৰত জনজাতিকৰণ কৰিম বুলি কোৱাৰ নিচিনা হ'ব, নিৰ্বাচনীৰ জোলাঙা, সেইটো সম্ভৱ নহয়। এই বাজেটখন পেজ নং ৩৩, য'ত কৃষিৰ পূৰণজীৱিতকৰণ কেতিয়া গঠন কৰিব আপোনালোকে লেখিছে, ইয়াত দূগ্ধৰ বিষয়ে লিখিছে, পুখুৰী খণ্ডাৰ কথা লিখিছে। কৃষি বিভাগত এতিয়া অমসৰ কৃষি আৰু কৃষকৰ অৱস্থাৰ কাৰণ বিলাক কি? এইবিলাক কেনেকৈ আমি নোহোৱা কৰিব পাৰিম। তাৰ কাৰণে কৃষি আয়োগ গঠন কৰাৰ সময় নহয়, এতিয়া আৰু research কৰাৰ সময় নহয়। এতিয়া action লোৱাৰ সময়, অসমৰ সামন্য খেতিয়কেও জানে যে অসমৰ খেতিত কি কি সমস্যা আছে, বিধায়কসকলেও জানে। তাৰ কাৰণে কৃষি আয়োগ গঠন কৰিব নালাগে। অসমৰ মানুহে তিনিবিধ খেতি নকৰে নেকি? আমাৰ Cold Warehouse লাগে, ২৪ ঘণ্টা বিজুলী দিব লাগে। আমাৰ বজাৰ নাই, উচিত মূল্য নাপায়। চৰকাৰে যিবিলাক সামগ্ৰী খেতিয়কক দিয়ে, সেইটো সময়মতে নাপায়। সময় উকলিযোৱাৰ পিছত দিয়ে, সেইটোৰো হুquality নাই। এইবিলাক জানিবৰ কাৰণে কৃষি আয়োগ লাগে নেকি। আৰু আটাইতকৈ ডাঙৰ কথা এই বাজেটত অসমত যিটো ডায়েৰী ফাৰ্মত মাইকী গৰু, মতা গৰু বুলি সমস্যা নাই। মাইকী গৰু বিচাৰি আপোনালোক ক্ৰয় কৰিব, সেইটো হে সমস্যা। আপোনালোকে বজালীত যাওঁক, তাৰে সামন্য গৰু পালকক সুধোক সমস্যাতো কি। অসমত পশু খাদ্যৰ নাটনি আৰু cost of production, এক লিটাৰ গাখীৰ উৎপাদন কৰোতে যিমান খৰছ হয়, সেই গাখীৰ বিক্ৰী কৰিলে লাভতো নাপায়। বহু খাদ্য লাগে, গৰুক কেচা ঘাঁহ দিব লাগে, অসমত নাই। আপোনালোকে খাদ্যৰ যোগান কেনেকৈ দিব, কেচঁা ঘাঁহ কেনেকৈ দিব, বজাৰ কেনেকৈ দিব, সেইটো চিন্তা কৰিব লাগে। মাইকী গৰু বিচাৰি যাব নালাগে, সেইটো প্ৰকৃতিৰ বিৰুদ্ৰে যে মতা গৰু জন্ম হ'ব নোবাৰে।

এতিয়া আৰু research কৰা সময় নহয়, এতিয়া action লোৱাৰ সময়। অসমৰ সামান্যজন খেতিয়কেও জানে অসমৰ খেতি কি, কি কি সমস্যা আছে। পদ্ম হাজৰিকা ডাঙৰীয়াই নাজানে নেকি? মৃণাল শইকীয়া ডাঙৰীয়াই নাজানে নেকি, তাৰ কাৰণে কৃষি আয়োগ গঠন কৰিব নালাগে। আমাৰ সৰু warehouse নাই, ২২ ঘন্টা বিজুলি দিব লাগে, marketing নাই, শস্যৰ উচিত মূল্য নাপায়। চৰকাৰে যিবিলাক সামগ্ৰী খেতিয়কক দিয়ে সেইটো season মতে নাপায়। season ৰ পিচত দিয়ে, যিখিনি দিয়ে সেইখিনিৰ quality নাই ,সেইকাৰণে কিবা কৃষি আয়োগ লাগে নেকি? আটাইতকৈ ডাঙৰ কথা বাইদেউ, অসমৰ যিটো Dairy Farming তাত মাইকী গৰু,হুমতা গৰুটো সমস্যা নহয়। আপোনালোকে মাইকী গৰু বিচাৰি কৃত্ৰিম শুক্ৰানু ক্ৰয় কৰিব সেইটো অসমৰ সমস্যা নহয়। বজালীত যাওঁক, বজালীৰ এজন গো-পালকক সোধক। তাত কি সমস্যা ? অসমত যিটো পশু খাদ্য নাটনি আৰু cost of production, এক লিটাৰ গাখীৰ উৎপাদন কৰোতে যিমান খৰচ হয়, বজাৰত গাখীৰ বিক্ৰী কৰিলে এক লিটাৰ গাখীৰ ৪৫ টকাত পায়। কিন্তু পাৰ্থক্য বেছি নাই, লাভ নাই। কিন্তু পশু খাদ্য লাগে। পশু খাদ্যৰ ভিতৰত ১৫% গাই গৰুক কেঁচা ঘাঁহ দিব লাগে। অসমত কেঁচা ঘাঁহৰ ফাৰ্ম নাই। এতিয়া আপোনালোকে পশুখাদ্য যোগান কেনেকৈ দিব। কেচঁা ঘাঁহনি অসমত কমি গৈছে। গতিকে কেনেকৈ দিব। মাৰ্কেটিং কেনেকৈ কৰিব? সেইটো চিন্তা কৰক। এতিয়া আপোনালোকে মতা-গৰু,মাইকী-গৰু বিচাৰিব নালাগে।

সেইটো প্ৰকৃতি বিৰুদ্ধ যে মতা গৰু জন্ম হ'ব নোৱাৰে, তাৰবাবে আপোনালোকে কৃত্ৰিম শুক্ৰানু ক্ৰয় কৰিব। সেইটো প্ৰকৃতি বিৰুদ্ধে কাম। ৰাজস্থানতো ছোৱালী জন্ম দিলে ভ্ৰূণ হত্যা কৰাৰ কাৰণে কিমান ঘটনা ঘটি আছে। সেইটো সমস্যা নহয়। ফিচাৰী, ১০ হাজাৰ গ্ৰাম্য পুখুৰী খান্দিব। পুখুৰী খন্দা সময় নহয় এতিয়া। মাছৰ দানা লাগে। কোৱালিটি মাছৰ পোৱালী লাগে, মাৰ্কেটিং লাগে। ১০ হাজাৰ পুখুৰী, আপোনালোকে নাওঁবৈচাত আহক। নাওঁবৈচা বিধানসভা সমষ্টিত ১৫ হাজাৰ পুখুৰী আছে। নাওঁবৈচা ব্লক আৰু কৰুণাবাৰী ব্লকত ১৫ হাজাৰ পখুৰী আছে। অসমত পুখুৰীৰ সমস্যা হোৱা নাই, মাছৰ দানাৰ সমস্যা হৈছে। জলসম্পদ মন্ত্ৰী আৰু আপোনালোকৰ যিটো ১০ টা সংকল্প পত্ৰ, ১নংত আছে বানমুক্ত অসম গঢ়িম। তাৰ কাৰণে ১০০০ কোটি ,ইয়াৰ দ্বাৰা ১০০০ কিলো মিটাৰ মথাউৰি ঠিক কৰিব ১০০০ কোটি টকা দিছে। চাৰ, আগতে আমাৰ অসমৰ জলসম্পদ বিভাগৰ নাম বাননিয়ন্ত্ৰণ আছিল। মই যেতিয়া বাননিয়ন্ত্ৰণ মন্ত্ৰীআছিলো তেতিয়া দিল্লীলৈ গৈছিলো, তেতিয়া মোক সকলোৱে সুধিছিল, আপোনাৰ কি বিভাগ? মই কৈছিলো যে বাননিয়ন্ত্ৰণ। সকলোৱে হাঁহিবলৈ ল'লে, উপলুঙা কৰিলে। বানক নিয়ন্ত্ৰণ কৰিব পাৰি নেকি? তেতিয়া দিল্লীত জলসিঞ্চন আৰু জলসম্পদ এই দুটা লগ লাগি জলসম্পদ আছিলেই। আপুনি অসমক ১ নং সংকল্পত বানমুক্ত অসম কৰিব বুলি কৈছে। ১০ নং সংকল্পৰ ১নং ত এইটো দিছে। এইটো জানো সম্ভৱ ? আপুনি দক্ষিণ-পশ্চিম মৌচুমী বায়ুক বাধা দিব পাৰিব ? মেঘৰ গৰ্জন আপুনি বন্ধ কৰিব পাৰিব ? বানৰ প্ৰকোপ আপুনি বন্ধ কৰিব পাৰিব? অসমৰ Topography আপুনি পৰিবৰ্তন কৰিব পাৰিব ? নোৱাৰে। আপোনালোকৰ প্ৰধান মন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে কৈছিল যে নগাওঁৰ কাগজ কল আমি পুনৰুজ্জীৱিত কৰিম, অসম চুক্তিৰ ৬ নং দফা আমি আখৰে আখৰে পালন কৰিম ঠিক তেনেকুৱাৰ নিচিনা এইটো। আপুনি বানমুক্ত অসম কৰিব নোৱাৰে। আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ সিংহই কি কৈছিল, সহাৰস্থান কৰিব লাগে। অসমৰ Topography চৰিয়াৰ নিচিনা। আজি আপুনি কৈছে অৰুণাচলৰ পৰা নদী খনন কৰিম, চিলট্ৰেচনটো কৰ পৰা আহে, অৰুণাচলৰপৰা আহে, ভুটানৰ পৰা আহে, মেঘালয়ৰ পৰা আহে ,নাগালেণ্ডৰ পৰা আহে। চিলট্ৰেচন কি কাৰণে হৈছে, deforestation কি কাৰণে হৈছে আৰু সাগৰৰ পানী, পুখুৰীৰ পানী ড্ৰেজিং কৰিলে কৃতকাৰ্য্য হয় , কিন্তু বোৰতী নদীত ড্ৰেজিং কৰিলে কৃতকাৰ্য্য নহয়। যেতিয়া আপুনি বহুত মাটি ৫ টা, ১০ টা ড্ৰেজিং লগাই উঠাই দিলে কিন্তু দুই ঘন্টাৰ পিচত পুনৰ পলশ-বালি আকৌ আহিব। যেতিয়ালৈকে আপুনি North-East ৰ ৰাজ্যবিলাকত Aforestation নকৰে, heavy plantation নকৰে, siltation বন্ধ নকৰে, তেতিয়ালৈকে একো কৰিব নোৱাৰে।। আজি নদীৰ কাৰণে পানী হোৱা নাই, Siltation আৰু বৰষুণৰ পানীৰ কাৰণে হৈছে। সেই কাৰণে বাজেট বিলাক বাস্তৱ সন্মত হ'ব লাগে আৰু বিশেষকৈ আজিৰ বাজেটখন পঢ়াৰ পিছত এনেকুৱা লাগিছে যে খণ্ড হস্তী দৰ্শন।

**শ্ৰী পীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** মাননীয় ভৰত নৰহ ডাঙৰীয়া, আপুনি কৈছে বানপানী ৰোধ কৰিব নোৱাৰি। বানপানী to some extent ৰোধ কৰিবপাৰি, may be up-to 80% - 90%. তেখেতে মন্ত্ৰী আছিল, মন্ত্ৰী হৈ নিজৰ সমষ্টিৰ বান মাৰিব নোৱাৰিলে। তেখেতৰ দিনতে, যেতিয়া তেখেত বিধায়ক আছিল, তেতিয়া পৃথিৱী মাঝি ডাঙৰীয়াই মাতমৰা মথাউৰিটো বনাইছিল। তাত তেখেতৰ সমষ্টিৰ মানুহখিনি বাচিব লাগে, বাকী মানুহ বাচিব নালাগে।এইটো সমষ্টিৰ পৰা তেখেতে এৰি গুচি আহিল । তেখেতে এতিয়া মথাউৰি বনোৱাটো বন্ধ কৰিব বিচাৰিছে নেকি? মাতমৰা মথাউৰি আপোনাৰ দিনত বনাইছিল নে কাৰ দিনত বনাইছিল মই নাজানো, কিন্তু মাতমৰা মথাউৰিয়ে ঢকুৱাখানা মানুহক বানপানীৰ পৰা বচাইছে। গতিকে মথাউৰি বনাই মানুহক

বচাব লাগিব নে বচাব নালাগিব , তেখেতৰ পৰা মই জানিব বিচাৰিছো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** চাৰ, মথাউৰিও লাগে বান নিয়ন্ত্ৰণ বিভাগো লাগে।

**শ্ৰী পীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে কৈছে বানপানীৰ লগত সহাৰস্থান কৰিব লাগিব, শৰৎ সিংহ ডাঙৰীয়াৰ উদ্ধৃতি দিছে, এইটো কেনেকুৱা কথা। মিচলিড কৰিব নালাগে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য, আপোনাৰ দলে আপোনাক ২০ মিনিট সময় দিছিলে, সেই সময়খিনি ইতিমধ্যে শেষ হৈছে আৰু যি কেইজন বক্তাই ক'ব আছে, তাৰপৰা যদি কমাই দিয়ে মোৰ কব লগা একো নাই।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)ঃ** চাৰ, বাইদেউৱে বাজেটত আজি যিখিনি কথা আনিছে তাত এজন মানুহৰে  বাজেট হওঁক কিম্বা এখন ৰাজ্যৰ বাজেট য়েই হওঁক, এইখন হৈছে Annual Financial Statement বছেৰেকীয়া বিত্তীয় প্ৰতিবেদন। ইয়াত এটা বস্তু উল্লেখ থাকিব লাগে যে ৰাজ্যত আপোনালোকৰ ঋণৰ পৰিমাণ কিমান আছে আৰু জনমূৰি আয় per capital loan কিমান পৰিব ?কিন্তু বাজেটত ক'তো এই কথাটো উল্লেখ কৰা নাই আমাৰ ৰাজ্যখনত মুঠ লোণ কিমান আছে। এইটো কথা  নিলিখিলে বাজেটখন সম্পূৰ্ণ নহয়। আমি বাতৰি কাকতত পাইছো যে প্ৰায় ৮০ হাজাৰ কোটি টকা আমাৰ মুঠ লোণ আছিল, per capita ৩০ হাজাৰকৈ পৰিব। তাৰ মানে আমাৰ অসমৰ  মানুহৰ মূৰত ৩০ হাজাৰকৈ ঋণৰ বোজা পৰি আছে। সেই ঋণৰ পৰা কেনেকৈ মুক্ত হ'ব সেই কথাটো ইয়াত উল্লেখ কৰিব লাগিছিল। সেইটো উল্লেখ কৰা নহ'ল। এতিয়া আপোনালোকে জি এছ টিৰ  কমপেনচেশ্যন যোৱাবাৰো নিদিলে, কেন্দ্ৰীয় চৰকাৰে কলে ৮০০ কোটি টকা লৈ লোৱা। এইবাৰো জি এছ টিৰ  কমপেনচেশ্যন কেন্দ্ৰীয় চৰকাৰে কৈছে আমি দিব নোৱাৰো, কেন্দ্ৰীয় চৰকাৰৰ অৱস্থা বেয়া, ৮০০ কোটি টকা লৈ লোৱা আৰু কেন্দ্ৰীয় চৰকাৰে এই ৮০০ কোটি টকাৰ ৫ বছৰ গেৰাণ্টি দিব, ৫ বছৰ পিছত আকৌ নিজৰ। আৰু লোন ল'ব পাৰিব,তেতিয়া আহি থকা সময়ত আৰু লোন বাঢ়ি বাঢ়ি যাব। সেই কাৰণে লোণৰ ক্ষেত্ৰত, লোণ ৰিক'ভাৰিৰ ক্ষেত্ৰত প'লিচিটো কি ? আৰু বিশেষকৈ আজি গোটেই অসমখন মূল্যবৃদ্ধিৰ বাবে জুৰুলা হৈ আছে। আজি মিঠাতেলৰ দাম ২০০ টকা, ডাবল চেঞ্চুৰী, পেট্ৰ'ল ১০০ টকা, চেঞ্চুৰী, ডিজেল, গেচ-চিলিণ্ডাৰ ৯১৫ টকা লখিমপুৰ, ধেমাজীত। আগতে আন্তঃৰাষ্ট্ৰীয় মাৰ্কেটত পাৰ-বেৰেল যদি তেলৰ দাম বাঢ়ে, অসমত বা ভাৰতত তেলৰ দাম বাঢ়ে। এতিয়া ইন্টাৰনেশ্যনেল মাৰ্কেটত তেলৰ দাম বঢ়া নাই। তাত এতিয়া পাৰ বেৰেল মাত্ৰ ৪৫ নে ৫০ ডলাৰ। ২০১৪ চনত পাৰ বেৰেল  যেতিয়া ১৪০ ডলাৰ আছিল, তেতিয়া ভাৰতত তেলৰ দাম আছিলে মাত্ৰ ৭০ টকা। আজি আমাৰ পেট্ৰ'লৰ দাম ১০০ টকা কিয় হ'ল এইটোঙ্গ বিত্ত মন্ত্ৰীয়ে, মুখ্য মন্ত্ৰীয়ে, আমাৰ সংসদীয় মন্ত্ৰীয়ে  এইটো কথা ক'ব নোৱাৰে যে আমাৰ ৰাজ্য চৰকাৰৰ দায়িত্ব নাই। আপোনালোকৰ, ৰাজ্য চৰকাৰৰ দায়িত্ব আছে। আপোনালোকে কেন্দ্ৰীয় চৰকাৰলৈ চিঠি লিখক যে পেট্ৰ'ল, ডিজেলক জি এছ টিৰ ভিতৰলৈ আনিব লাগে। চেন্ট্ৰেল এক্সেছ কমাই দিয়ক আৰু ৰাজ্য চৰকাৰৰ ভেট কমাই পেট্ৰ'ল,ডিজেলৰ দাম কমাব পাৰে। আজি ঝাৰখণ্ডত এইটো কৰি আছে। যেতিয়া মিঠাতেলৰ দাম ২০০ টকা হ'ল, ১০০ টকা পেট্ৰ'লৰ দাম হ'ল,ডিজেলৰো এতিয়া ১০০ টকা হ'ব, চিলিণ্ডাৰ ৯১৫ টকা হ'ল আপোনালোকে ইমান কেনেকৈ নিৰ্লিপ্ত হৈ থাকিব পাৰে, নিৰ্বিকাৰ  হৈ থাকিব পাৰে? যদিও ইয়াত কৈছে যে ৭৫০০টো মাইক্ৰ'ফাইনেন্সত গুচি গ'ল, সেইটোৰ পেমেন্ট কৰিছে আপোনালোকে যিহেতু নিৰ্বাচনত প্ৰতিশ্ৰুতি দিছে গতিকে এইটো দিবই লাগিব। তাৰ পিছত ১৮০০কোটি টকা আপোনালোকৰ

অৰুণোদয়ত যাব। তেনেকৈ গোটেই মিলি প্ৰায় ১২০০০ মান কোটি টকা গৈছে। সেইটো দিছে যিহেতু আপোনালোকে নিৰ্বাচনত প্ৰতিশ্ৰুতি দিছিল। কিন্তু এইটো C হয়। Un-productiveত পইচাটো গুচি গ'ল। এই কাৰণে মই ক'ব খোজো শগুণ চৰাই(vulture) যিমান ওপৰেদি উৰি নাযাওক কিয় তাৰ চকু সদায় মৃত দেহৰ ওপৰত। বিজেপিৰ এম এল এ আমাৰ পদ্ম হাজৰিকা, মৃণাল শইকীয়াই কৰ্ম-সংস্কৃতিৰ কথা  সদায় কৈ থাকে । যিমানেই কৰ্ম-সংস্কৃতিৰ কথা নকওঁক কিয় বিজেপিৰ  চকু সদায় হিতাধিকাৰীৰ ওপৰত । Un-productive। (সদনত হুলস্থুলৰ সৃষ্টি হয়)

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, শগুণৰ যিটো example দিছে সেইটো উঠাই লওঁক। Kindly এইটো expunge কৰক। হিতাধিকাৰীৰ আৰম্ভণিটো আপোনালোকেই কৰিছিল।

**মাননীয় উপাধ্যক্ষ ঃ** এইটো  expunge কৰি দিম। এতিয়া আপুনি continue কৰক।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)ঃ**  এতিয়া মই উদ্যোগলৈ আহিছো। বিত্ত মন্ত্ৰী বাইদেউ, মই আপোনাক ক'ব বিচাৰিছো, ইণ্ডাষ্ট্ৰিৰ বিষয়ে এই বাজেটত একো গুৰুত্ব দিয়া নাই, আৰু পৰ্য্যটন উদ্যোগত। Domestic Product যদি বঢ়াব লাগে, per capita income যদি বঢ়াব লাগে, ইণ্ডাষ্ট্ৰি লাগিব। টুৰিষ্ট লাগিব Micro, Small Medium কিন্তু যোৱা ৫ বছৰত অসমত মজলীয়া, বৃহৎ উদ্যোগ এটাও ন'হল। এতিয়া কাগজ কল দুটা ক্ৰমে, নগাওঁ কাগজ কল আৰু কাছাৰ কাগজ কলটো এতিয়া নিলামত দিবলৈ ওলাইছে। য'ত প্ৰধান মন্ত্ৰী গৃহমন্ত্ৰী ডাঙৰীয়াই বাৰে বাৰে কৈছিল যে পুনৰুজ্জীৱিত কৰিম বুলি। এতিয়া আপোনালোকে যিটো Advantage Assam পাতিছিল সেইটো, আপোনালোকে পাটোৱাৰী ডাঙৰীয়া আৰু বাইদেউ আছে, এইটো ৰিভিউ কৰক, যে এইটো কিয়, failure হ'ল? য'ত ৭৯ হাজাৰ কোটি টকাৰ কথা আছিল, য'ত ২০৭খন MOU আছিল , য'ত মুকেশ আম্বানীয়ে২৫০০ কোটি টকা দিম বুলি কৈছিল, ইনভেষ্ট কৰিম বুলি কৈছিল। ৰিটেইলত কৰিম বুলি, টুৰিষ্টত কৰিম বুলি কৈছিল sports ত কৰিম বুলি কৈছিল, টেলিকমিনিকেশ্যনত কৰিম বুলি কৈছিল ২৫০০ কোটি টকাৰে আমি কিমান পালো? ৮০ হাজাৰ চাকৰি হ'ব বুলি কৈছিল ৩ বছৰত। কিন্তু কি হ'ল? এই গোটেই  Advantage Assam পতাৰ পাছত, ৫ বছৰ চৰকাৰখন চলোৱাৰ পাছত কি হ'ল? আমি কি পালো? মা কামাখ্যা মন্দিৰৰ কাৰণে মুকেশ আম্বানীৰ পৰা আমি পালো ১৯ কেজি সোণ। আৰু গোপীনাথ বৰদলৈ এয়াৰ পৰ্ট টো আদানী কোম্পানীক অপাৰেশ্যনৰ কাৰণে দি দিলে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ- উপাধ্যক্ষ মহোদয়, ভৰত নৰহ ডাঙৰীয়াই ৬৫ হাজাৰ কোটি আজিৰ দিনটোত আমাৰ হাতত Assured Investment আছে। ক' ভিডৰ কাৰণে হোৱা নাই।

**শ্ৰী দেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ-  অৰিহনাটোৰ কথা কৈছে, চাৰ। কামাখ্যা মন্দিৰক আমিও সন্মান কৰো, এইটো বেয়া কথা কোৱা নাই।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ- উপাধ্যক্ষ মহোদয়, ২য় কথাটো হ'ল, ৪২৫০০ কোটি টকা ইতিমধ্যে investment আৰম্ভ হৈছে নুমলীগড় ৰিফাইনেৰীত।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)** ঃ- উপাধ্যক্ষ ডাঙৰীয়া উত্তৰ মন্ত্ৰী মহোদয়ে নিদিব নেকি? উত্তৰ দিয়াৰ সময়ত ক'ব এতিয়া সময় নষ্ট কৰি আছে, আপুনিটো সময়টো কৰ্ত্তন কৰি দিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ- ভৰত নৰহ ডাঙৰীয়া আপুনি আৰু মই ১৯৭৮ ৰ পৰা গোটেই অসমত বক্তব্য দিছো। আপুনিও ভাল বক্তৃতা দিয়ে, ময়ো দিওঁ।বক্তৃতা যদি দিব খোজে ময়ো বক্তৃতা দিব পাৰো, আপুনিও দিব পাৰে। বক্তৃতা দিয়াতকৈ বস্তুবিলাক তথ্যত যাব।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)** ঃ- মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমি যদি সদনৰ প্ৰচিডিংছ চাওঁ তেতিয়া আমি দেখিম যে এইটোৰ উত্তৰ নিদিব নেকি? এইটোৰ উত্তৰ হৈ গ'ল নেকি, ইয়াত বিভিন্ন ধৰণে সমালোচনা কৰে, উত্তৰৰ কাৰণে এটা সময় ৰাখে।

**মাননীয় উপাধ্যক্ষ** ঃ- kindly address to the Chair.

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)** ঃ- মাত্ৰ ২-৩ মিনিট মান কম। চৰকাৰৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক মই কৈছো যে ৰিভিউ কৰক। সফলতা কেনেকুৱা কি হ'ল? আমি যিখিনি আশা কৰিছিলো সেইখিনি আমি নাপালো। তাৰ বিনিময়ত অসমৰ প্ৰায় ৯ টা Small Oil মিল নিলামত দি দিছে, পেট্ৰোলিয়াম মন্ত্ৰীয়ে নিলাম কৰি ১ম, ২য় আৰু এতিয়া নিলাম ৩য়টো চলি আছে। তাৰ পাছত আমি এয়াৰ প'ৰ্ট টো অপাৰেশ্যনৰ কাৰণে দি দিব লগা হ'ল। এতিয়া আমি যেতিয়া এয়াৰপ'ৰ্টলৈ যাওঁ তেতিয়া বেলতলাত টুইন টাৱাৰৰ মাটিটো দেখিলে খুব দুখ লাগে। সদায় তাৈলে চকু পৰে যে কিমান ওপৰত টুইন টাৱাৰ হ'ব? গোটেই গুৱাহাটীক তাৰ পৰা দেখিম এনেকুৱা এটা প্ৰজেক্ট লোৱা হৈছিল, আৰু যেতিয়া লক্ষীমপুৰৰ ফালে যাওঁ কলিয়াভোমোৰা দলং পাৰ হওঁতে তেতিয়া নদীৰ দুয়োপাৰে চাওঁ, কৰবাত ব্ৰহ্মপুত্ৰ এক্সপ্ৰেছ হাইৱেটোৰ কাৰণে মাটি অধিগ্ৰহণৰ কাম চলি আছে নেকি? সেই কাৰণে এই বাজেটত অসমৰ অৰ্থনৈতিক ছবিখন ইয়াত ফুটি উঠা নাই, প্ৰতিফলিত হোৱা নাই। আপোনালোকে এই পলিচিবিলাক লৈছে, হিতাধিকাৰী আঁচনি যিবিলাক লৈছে, অৰুনোদয়ৰটো যোৱাকালি ক'লৈ নহয় যে আৰু ৫ হাজাৰ সমষ্টিৰ সংখ্যা বঢ়াব আৰু ছয় লাখ বাঢ়িব। হিতাধিকাৰীৰ আঁচনি লৈ আপোনালোক সদায় বিধায়ক হ'ব, আপোনালোক সদায় মন্ত্ৰী হ'ব। আপোনালোকে মিউনিচিপালিটি ইলেকশ্যনত জিকিব পাৰে, পঞ্চায়ত ইলেকশ্যনত জিকিব পাৰে। কিন্তু জাতিটো পংগু হ'ব। অসমীয়া জাতিটো অকামিলা হ'ব। অসমখন ধোদৰ ৰাজ্য হ'ব। চৰকাৰ হ'ব, আপোনালোকে মন্ত্ৰী, বিধায়ক হ'ব, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ- আপুনি ৩০ মিনিট ক'লে, আৰু আপোনাৰ ৩৮ মিনিট সময় আছে, কংগ্ৰেছ চৰকাৰৰ ।এতিয়া মাননীয় শ্ৰী ভৰেশ কলিতা।

**শ্ৰী ভৰেশ কলিতা (ৰঙিয়া)**ঃ- মাননীয় উপাধ্যক্ষ মহোদয় যোৱা ১৬ জুলাই তাৰিখে এই পবিত্ৰ সদনত বিত্ত মন্ত্ৰী ডাঙৰীয়ানী অজন্তা বাইদেউৱে যিখন বাজেট এই পবিত্ৰ সদনত উত্থাপন কৰিছে, মই বিশেষ ভাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। মাত্ৰ ছয়মাহৰ কাৰণে, আমি যদি চাওঁ, এই বাজেটখন হৈছে মাত্ৰ ছয়মাহৰ কাৰণে আৰু এই ছয়মাহৰ কাৰণে এক লাখ সাত হাজাৰ কোটি টকা এক মেটমৰা সম্ভাৰেৰে এই বাজেট প্ৰস্তুত কৰিছে । মই শ্ৰদ্ধেয়া বাইদেউক ধন্যবাদ জ্ঞাপন কৰিছো। চাৰু গোঁহাই দেৱৰ এটা গীতৰ কলি মনত পৰে, ইমান ধুনীয়া মুকুটাৰ মালা, ক'ত পালা তুমি, সঁচাই বাইদেউ, অষ্টাদশ মুকুটাৰ মালা সংযোগ কৰি আপুনি যিখন বাজেট প্ৰস্তুত কৰিছে, এই বাজেটে অসমখনক লৈ মাননীয় নৰহ ডাঙৰীয়াই যিটো কথা কৈছে, আপোনালোকৰ একশ্যন প্লেন কি আছে? নিশ্চয় তেখেতে পৃষ্ঠাই, পৃষ্ঠাই ,লাইনে, লাইনে, আখৰে, আখৰে পঢ়িছে তাত গোটেই পৰিকল্পনা ফুটি উঠিছে। তাৰ পাছতো কয় যে ভাৰতবৰ্ষৰ ভিতৰত পাঁচখন ৰাজ্যৰ এখন

কৰিবলৈ হলে, অসমক আগবঢ়াই নিবলৈ একশ্যন প্লেন কি আছে? মই মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়াক আহ্বান জনাইছো, বহু দিন আপুনি মন্ত্ৰী আছিল, মন্ত্ৰী সভাৰ। আপুনি অসম চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী আছিল। মোৰ মনত আছে আপুনি প্ৰেছ উপদেষ্টাও আছিল। কিন্তু আপোনাৰ ঢকুৱাখানা সমষ্টিৰ খুব দুখ লগা অৱস্থা আছিল। আৰু আজি আপুনি কয়, এইখন চৰকাৰে অসমখনক ভাৰতবৰ্ষৰ পাঁচখন ৰাজ্যৰ ভিতৰত এখন কৰিবলৈ কি একশ্যন প্লেন তৈয়াৰ কৰিছে? উপাধ্যক্ষ মহোদয়, Rural Development is real development সঁচাই এই চৰকাৰৰ দিনত গাঁৱৰ যি উন্নয়ন, গাঁৱৰ যি পৰিবৰ্তন হ'বলৈ সক্ষম হৈছে, মই বহুত চৰকাৰ দেখিছিলো, 2016 চনৰ পাছৰ পৰা আৰু 2021 চনত যিখন চৰকাৰ ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বত, ড° হিমন্ত বিশ্ব শৰ্ম্মাৰ নেতৃত্বত গঠন হৈছে। আজি প্ৰতিটো বিভাগতে এক সংস্কাৰমুখী যাত্ৰা আৰম্ভ হৈছে। ই আমাক সকীয়াই দিয়ে, সঁচাই আমি অসমখনক ভাৰতবৰ্ষৰ পাঁচ খন ৰাজ্যৰ ভিতৰত এখনলৈ লৈ যাব লাগিব। আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ এক মিশ্যন আছে। এক লক্ষ্য আছে। মই কৈছো, যোৱা কালি আমাৰ এজন বিৰোধী পক্ষৰ বিধায়কে কৈছে যে অৰুনোদয় আঁচনিত ল'গ' কিয় লগাব লাগে? উপাধ্যক্ষ মহোদয়, চৰকাৰী আঁচনি যেতিয়া আমি implement কৰো, তাত এখন information Board থাকে। ইভেন তাত লিখা আছে- WES. কোনদিনা ইমপ্লিমেন্ট কৰা হৈছে তাত লিখা আছে। কালি এগৰাকী সন্মানীয় সদস্যই কৈছে যে 'অৰুণোদয়' আঁচনিত সেইখন লগাব নালাগে নহয়। behind it কি আছে উপাধ্যক্ষ মহোদয়। সচাই অৰুণোদয় নামৰ আঁচনিখনকো তেওঁলোকে পাংসাৰ কৰিব বিচাৰে। কিন্তু অধ্যক্ষ মহোদয় আজি অসমৰ ২৩ লাখ হিতাধিকাৰী মহিলাই এই চৰকাৰখনক আৰ্শীবাদ দিছে। হিতাধিকাৰী সৃষ্টিৰ কথা কৈছে উপাধ্যক্ষ মহোদয়, বৰ দুখ লাগে মোৰ ওচৰত এগৰাকী খুৰী আছিলে - মই অলপ কওঁ- কংগ্ৰেছৰ চৰকাৰ আছিল তেতিয়া। ২০১৫ চনৰ ডিচেম্বৰ মাহৰ শেষৰ পিনে। এদিন তেখেত ব্লকত গৈছিল- সুতা দিব বুলি কৈছিলে - সেইদিনা বি ডি অ চাহাব নাই। কংগ্ৰেছৰ এগৰাকী স্থানীয় নেতা আছিল তেওঁ নাই- সেয়ে সুতা নাপালে। সেই খুৰীজনী খুব দুখীয়া আছিল। হাঁহ এজনী পুহিছিল সেই দিনাই আহি গম পালে যে হাঁহজনী চোৰে নিলে। পিছৰ শনিবাৰে আৰু এখন সভা পাতিছে কৈছে সেইদিনা সুতা দিবই। সেইদিনাও খুৰীজনী গ'ল- কিন্তু ঘূৰি আহি দেখিলে ছাগলী পোৱালি এটা শিয়ালে ধৰি নিলে। খুৱ মন মাৰি তেখেতে বহি আছিল ঘৰৰ পিৰালিত। মই লগ পাই সুধিছিলো খবৰ বাতৰি- তেখেতে দুখমনে ক'লে কংগ্ৰেছে সুতা দিব,কম্বল দিব বুলি কৈছিল কিন্তু দুয়োদিনে গ'ল একো নাপালে - বিনিময়ত হাঁহজনী নিলে চোৰে, অন্য এদিন ছাগলী পোৱালি এটা শিয়ালে নিলে। আমাৰ চৰকাৰৰ দিনত সেই মহিলাজনীক মই আজি কৈছো- উপাধ্যক্ষ মহোদয়, প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰটো পাইছে- ১ লাখ ৬৪ হাজাৰ টকা। উজ্বলা আঁচনিৰ গেছটো পাইছে। বিনামূলীয়াকৈ চাউল পাইছে। 'অৰুণোদয়' আঁচনিটোও তেখেতে পাইছে। ভাৰতীয় জনতা পাৰ্টিৰ নেতৃত্বৰ বৰ্ত্তমানৰ চৰকাৰ আৰু সেই সময়ৰ কংগ্ৰেছৰ চৰকাৰৰ আমোলত খুৰী জনীৰ অৱস্থা ৰিজনি কৰি চাওক, হয়, উপাধ্যক্ষ ডাঙৰীয়া- নৰহ ডাঙৰীয়াই ক'বই কাৰণ তেখেতসকলে একো কৰিব নোৱাৰিলে। আজি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পজিটিভ ভাইব্ৰেন্ট সৃষ্টি কৰিছে। তেখেতৰ এটা সপোন আছে আৰু এই সপোন তেখেতে সাকাৰ কৰিবলৈ, বাস্তৱত পৰিনত কৰিবলৈ আগবাঢ়িছে। আমি তেখেতৰ প্ৰচেষ্টাক শত সহস্ৰ প্ৰণাম জনাইছো। অসমখনক আমি ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ এখন হিচাপে প্ৰতিষ্ঠা কৰিব লাগিব উপাধ্যক্ষ মহোদয়। অৰুণোদয় আঁচনি, কিমান দুখলগা ঘটনা কোনোবা চৰকাৰে ভাবিছিল নেকি? হয়, বেনেফিচিয়াৰীক সুতা- কম্বল লাগে। মই তেওঁলোকে দিয়া সূতা দেখিছো- দীঘ নাই -বাণী নাই। কপোৰ ব'ব লাগিলে তিনিবিধ সূতা লাগে । এটা দীঘ, এটা বাণী আৰু এটা

আছু বুলি কয়। তেওঁলোকে কি সূতা দিছিল আমি দেখিছো। তেওঁলোকে আমাক বেনিফিচিয়াৰী সৃষ্টি কৰা বুলি কয়। আমি বেনিফিচিয়াৰী ক্ৰিয়েশ্যন কৰা নাই আমি নাগৰিকক সন্মান দিবলৈ ওলাই আহিছো। মৰ্য্যদাসহকাৰে এইখন সমাজত জীয়াই থকাৰ কাৰণে ভাৰতীয়া জনতা পাৰ্টিৰ নেতৃত্বত চৰকাৰখনে কাম কৰি আছে আৰু বিৰোধীৰ কাৰণে তাৰ বাবে অলপ প্ৰব্লেম হৈছে। উপাধ্যক্ষ মহোদয়, তেওঁলোকে ভবাই নাছিল যে অসমখন আজি এনেকুৱা হ'ব। ঢকুৱাখনা সমষ্টিত মই গম পোৱা মতে ৫০০ কি.মি ৰাস্তাত পেভাৰ ব্ল'ক লাগি আছে। মই ঢকুৱাখানাত ২০১৫ চনত গৈছিলো- মই যাব নোৱাৰিলো - গোগামুখৰ পৰা ৰাইট চাইডে কাটি যাব লাগে- মুৰটো ঘূৰাই ঘূৰাই মোৰ বমি হৈ গ'ল। আজি সেই ঢকুৱাখনা সমষ্টিত যাওঁক - ৮০ স্পীডত গাড়ী চলাব পাৰিব। এইয়া কি পৰিৰৰ্ত্তন নহয় নেকি, এইয়া কি আমাৰ সপোন নহয় নেকি ? উপাধ্যক্ষ মহোদয় এইদৰে অসমখনক আগুৱাই লৈ যোৱা হৈছে। যোৱাকালি কোনোবা সন্মানীয় সদস্যই কৈছে যে গৰুখুঁটি প্ৰকল্পৰ কাৰণে ৯ কোটি টকা ধৰিছে। উপাধ্যক্ষ ডাঙৰীয়া আজি অসমত ২১৯ টা আমাৰ চি ডি ব্ল'ক আছে। মই ভাবো যিসকলে এইদৰে অবৈধভাবে আমাৰ মাটি বেদখল কৰি আছে তেওলোকে এই মাটি এৰি দিয়ক। গৰুখুঁটিত আমাৰ পদ্ম হাজৰিকা ডাঙৰীয়াৰ অধ্যক্ষতাত যিটো প্ৰকল্প লৈছে এনেধৰনৰ প্ৰকল্প ২১৯ টাতে হ'ব লাগিব। মোৰ বিশ্বাস আছে কণ্যাকা, জীয়া ভৰলী আমি সকলোৱে দেখিছো। সেই মডেলত গৰুখুঁটি হ'ব। বিভিন্ন ধৰণৰ , এগ্ৰি এলাইডচ ব্যৱস্থাৰে উঠি অহা প্ৰজন্মক আমি কৰ্ম সংস্থানৰ বাট দেখুৱাব লাগিব। ৱৰ্ক ইজ ৱৰশ্বিপ- কৰ্মই ধৰ্ম । আমি কাম কৰি যাম। সেই মানসিকতাৰে এই চৰকাৰে এই বাজেট দাখিল কৰিছে। মই বিত্তমন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জ্ঞাপন কৰিছো। মহিলা হিচাপে তেখেতে লক্ষ লক্ষ আই মাতৃ আৰু মহিলাৰ কাৰণে যি চেষ্টা কৰিছে বাজেটৰ যোগেদি মই তাৰ বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। ৮৩০ টকাৰ পৰা ১০০০ টকালৈ 'অৰুণোদয়' আঁচনি বৃদ্ধি হ'ব । মই গম পোৱামতে অসমৰ ২৩ লাখ অসমৰ সন্মানীয় মহিলাই অৰুণোদয় পাইছে। মাইক্ৰ'ফাইনেন্স ইনষ্টিটিউট মোৰো অভিজ্ঞতা আছে চলোৱাৰ- কিন্তু তাৰ যন্ত্ৰণা যিসকলে সহ্য কৰিব পৰা নাই কিন্তু এই চৰকাৰে এই কথাটো অনুধাবন কৰিছে। সিৰাই সিৰাই উপলব্ধি কৰিছে। আমি নিৰ্ব্বাচনৰ সময়ত যি কথা দিছিলো এই কথা এশ শতাংশই এই বাজেটখনত প্ৰতিফলিত কৰিছে। চৰকাৰে প্ৰতিশ্ৰুতি মতে কাম কৰিবলৈ একশ্যন প্লেন তৈয়াৰ কৰিছে। এইখন হৈছে আমাৰ বাজেট। আমাৰ চৰকাৰে কৈছে ইয়াত খিলঞ্জীয়াৰ দপদপনি থাকিবই লাগিব। আজি ময়ো কৈছো। যিসকলে অবৈধভাবে মাটি দখল কৰিছে মই সদনৰ পৰা আহ্বান জনাইছো আপোনালোকে এই মাটি সন্মান সহকাৰে এৰি দিয়ক। আমাৰ ভূমিপুত্ৰ-খিলঞ্জীয়াসকলক এৰি দিয়ক। আপোনালোকে বিভিন্ন সময়ত বিভিন্নধৰণৰ অজুহাত দেখুৱাই, গৰাখহনীয়া হোৱা বুলি কয় কিন্তু সেইটো নহয়। আজি খাদ্যশস্যত কীটনাশক প্ৰয়োগ কৰি জীৱন পংগু কৰাৰ বাবে আগবঢ়াই দিছে। আমি জৈৱিক সাৰ, কেঁচু সাৰ ইত্যাদি প্ৰয়োগ কৰি খাদ্য শস্য উৎপাদন কৰিব লাগিব। সেই মানসিকতাৰে আজি এই বাজেট প্ৰস্তুত কৰা হৈছে। তাৰ বাবে গৰুখুঁটিক এক মডেল হিচাপে ল'ব বিচৰা হৈছে। আজি শ্ৰদ্ধেয় পদ্ম হাজৰিকা ডাঙৰীয়াই যিদৰে কণ্যাকা- জীয়াভৰলীক গঢ়ি তুলিছে আজি অসমৰ ২১৯ ব্ল'কত ঠিক তেনেকুৱা আৰ্হিৰ থলুৱা কৃষি ফাৰ্ম আমি তৈয়াৰ কৰিব লাগিব। যাৰ দ্বাৰা স্বাস্থ্যসন্মত খাদ্য সামগ্ৰী আমি উৎপাদন কৰিব পাৰিম। ইয়াৰ দ্বাৰা অসমৰ শ শ যুৱক যুৱতীয়ে কৰ্ম সংস্থানৰ বাট মুকলি কৰিব পাৰিব।

উপাধ্যক্ষ ডাঙৰীয়া, আজি অংগনবাদী চেন্টাৰৰ কথা কয়, কাৰ ভুলৰ বাবে এই শিশুসকলৰ অৱস্থা এনেকুৱা হৈছে- কোনে আত্মসাৎ কৰিছিল শিশুৰ পুষ্টিৰ নামত আৱন্টন হোৱা টকা ? আজি আমাৰ

চৰকাৰে অঙ্গনবাদী চেন্টাৰত কেৰল কিটচেন গাৰ্ডেন-সংযোজন কৰিছে। য'ত লাই-পালেং- ধনীয়া ইত্যাদি শাক-পাছলি উৎপাদন কৰি যাতে শিশুহঁতৰ খাদ্যৰ লগত দিব পৰা যায় যাতে শিশুৰ শাৰীৰিক বিকাশ হয়। মই ধন্যবাদ জ্ঞাপন কৰিছো আজি ১০০০ টা অঙ্গনবাদী চেন্টাৰ দিয়াৰ কথা বিত্ত মন্ত্ৰীয়ে ঘোষণা কৰিছে তাৰ বাবে বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জ্ঞাপন কৰিছো। বহু স্বাস্থ্য কেন্দ্ৰ ভাঙি ছিঙি গৈছে-সেইখিনি ঠিক কৰাৰ কাৰণে আৰু প্ৰাইভেট হেল্থ চেন্টাৰৰ যিটো প্ৰ'জেক্ট লৈছে, তাৰ বাবেও মই বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াক পুনৰ বিশেষ ধন্যবাদ জ্ঞাপন কৰিছো। উপাধ্যক্ষ ডাঙৰীয়া বহুতে কৈছে অসমক কেনেকৈ শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ ভিতৰত হ'ব। আপোনালোকে দেখিবলৈ পাইছে ৫ খনকৈ নতুন মেডিকেলৰ কাম চলি আছে। ৫খন মেডিকেলৰ কাম আৰম্ভ হ'ব। এইবিলাক আমাৰ কাৰণে এচেট নহয়। ই আমাৰ কাৰণে আন্তঃগাথনি নহয়। আমি ছাত্ৰ অৱস্থাত থাকোতে অসমত ৩ খন মেডিকেল কলেজ আছিল। এতিয়া যদি অধ্যাপক এজনকো সোধে অসমত মেডিকেল কলেজ কিমান আছে তেখেতে চিন্তা কৰিব লাগিব। এতিয়া হয়তো অসমৰ প্ৰতি জিলাই জিলাই মেডিকেল কলেজ হ'ব। এইবিলাক আন্তঃগাঁথনি আগতে কোনোবাই চিন্তা কৰিছিল নেকি উপাধ্যক্ষ ডাঙৰীয়া । বি পজিটিভ অলৱেইজ পজিটিভ- এক যোগাত্মক চিন্তাধাৰাৰে আমি আগবাঢ়ি যাম। অসমৰ ৩ কোটি ৩০ লাখ জনতাৰ এই চৰকাৰখনৰ প্ৰতি আৰ্শীবাদ আৰু মৰম আছে আৰু আমি ৰাইজৰ আশা বাস্তৱত পৰিণত কৰিবলৈ আমাৰ চৰকাৰ দৃঢ় সংকল্পবদ্ধ। ইতিমধে এই কথা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰতিটো ভাষণ, প্ৰতিটো শব্দ, প্ৰতিটো বাক্যতে কৈ আহিছে। আমি কাম কৰি যাম। মই আকৌ কৈছো এই সুন্দৰ হাত দুখনে আমি কাম কৰি যাম। এলেহুৱা মানুহৰ স্থান নাই। তেনেকুৱা চৰকাৰৰ স্থান নাই। এই চৰকাৰে জনতাৰ লগত থাকিব। জনতা হৈছে জনাৰ্দন। পণ্ডিত দীনদয়াল উপাধ্যায়, ১৯৬৮ চনত দি থৈ গৈছে নিদৰ্শন। Integrel Humanism। একাত্মক মানৱ দৰ্শন। যি সমাজৰ আটাইতকৈ শেষৰ ব্যক্তিজনক আমি upliftment দিব লাগে। আমি নিশ্চিতভাৱে উপাধ্যক্ষ ডাঙৰীয়া, এই পবিত্ৰ সদনত কৈছো, পণ্ডিত দীনদয়াল জীৰ যি মাৰ্গদৰ্শন আমাক দি থৈ গৈছে Integrel Humanism একাত্মক মানব....১.৩৭ দৰ্শন, সমাজৰ আটাইতকৈ শেষত থকা ব্যক্তিজনক upliftment দিয়াৰ কাৰণে এইখন চৰাকৰে দৃঢ়তাৰে সংকল্পৰে কাম কৰি আছে। নিশ্চিতভাৱে আগন্তুক দিনতো এই কাম আমি কৰি যাম অতি কম সময়ৰ ভিতৰত। কালি কেইবাজনেও কৈছে যে বাজেটত পইচা কমকৈ ধৰা হৈছে। ছমহীয়া বাজেট এখনত ১ লাখ ৭ হাজাৰ কোটি টকা, আমি যদি অকমান উভতি চাওঁ ২০১৫ চনত বা কিমান আছিল? কিমান হাজাৰ কোটি টকা আছিল আৰু আহি আহি পাঁচ বছৰ পিছত কিমান হ'ল? মই সংঘাত জন্মাব নিবিচাৰো। এইয়া হৈছে এখন অসমৰ মানচিত্ৰ, যিখন মানচিত্ৰত অসমৰ সকলো জাতি-জনগোষ্ঠীকে একত্ৰিত কৰি বৰ অসমৰ বৰ ভূমিত আমি দপ্-দপ্‌াই থাকিব লাগিব উন্নয়নমুখী আঁচনিৰে। মানুহক আভুৱা ভৰাই নহয় আৰু যিখিনি কাম আমি এই বাজেটত দেখিবলৈ পাইছো, কোনোবাই ৰিয়েকশ্যন কৰিছে মিডিয়া যোগে যে এইখন ললিপপ বুলি। হয়তো তেওঁলোকে তেনেকুৱাকৈ ললিপপ খুৱাই খুৱাই এদিন মানুহক ৰাখিছিল। এটা বেলুনত বায়ু থাকে। আমি এটা লেমিনেশ্যন যোগে বায়ু আনিব পাৰো। তাৰ পিছত সেই বেলুন ফাটি যায়। আজি অসমৰ জনগণে সেইসকলক বিদায় দিছে। তেওঁলোকে সদায় মিছা কথা কৈ কৈ আভুৱা ভৰি ভৰি আমাক ঠগি আহিছিল। আজি অসমৰ ৰাইজ সজাগ-সচেতন। যাৰ কাৰণে দ্বিতীয়বাৰৰ কাৰণে ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বত চৰকাৰখনত আকৌ পূৰ্ণ সমৰ্থন দি এইখন অসমত চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছে। অসমৰ ৰাইজৰ আৰ্শীবাদ আছে। আমিও সেইকাৰণে তিনি কোটি

ত্ৰিশ লাখ জনতাক আমি সন্মান দি মৰ্য্যদা সহকাৰে জীয়াই থকাৰ প্ৰেৰণাৰে এইখন চৰকাৰে কাম কৰি আছে আৰু কাম কৰি যাব। এইয়াই হৈছে বাজেটৰ প্ৰতিফলন। এইখন বাজেটত প্ৰতিটো শিতানত এক সংস্কাৰমুখী যাত্ৰা আৰম্ভ হৈছে। এই যাত্ৰা হ'ব অবিৰত যাত্ৰা। মই পুনৰবাৰ আমাৰ শ্ৰদ্ধেয় বাইদেউক ধন্যবাদ জ্ঞাপন কৰিছো। মই পুনৰ কৈছো এই চাৰু গোঁহাঞ ডাঙৰীয়ানীৰ গীতৰ ফাঁকিটো যে ইমান ধুনীয়া মুকুতাৰ মালা ক'ত পালা তুমি? সঁচাই ছয়মাহৰ কাৰণে অষ্টাদশ মুকুতাৰ মালাৰে এই যি বাজেট প্ৰস্তুত কৰিছে তাৰ বাবে মই বহুত বহুত ধন্যবাদ জ্ঞাপন কৰিছো। অলপতে মই আমাৰ দলৰ হৈ পূৰ্ণ সমৰ্থন জনাইছো। নমস্কাৰ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া এ এই ইউ ডি এফ দল। আপোনালোকৰ ১৫ মিনিট সময় আছে। ইয়াত তিনিগৰাকী ব্যক্তিৰ নাম দিছে। ছিৰাজউদ্দিন আজমল, তেখেত অনুপস্থিত। আমিনুল ইছলাম, আপুনি ক'ব?

**শ্ৰী আমিনুল ইছলাম (মানকাচাৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি যোৱাকালিৰ পৰা বাজেটৰ ওপৰত বিভিন্ন কথা শুনি আহিছো আৰু মই বাজেটখন হাতত লৈ যি দেখিছো, মই ভাবিছিলো যে প্ৰথমেই যি ক'ভিড মহামাৰীৰ লগত ফেৰ মাৰিব পৰাকৈ নিশ্চয় ইয়াত কোনো ধৰণৰ ব্যৱস্থা লোৱা হৈছে বুলি এটা অনুভৱ হৈছিল। কিন্তু মই দেখিলো যে ক'ভিডৰ লগত ফেৰ মাৰিব পৰাকৈ বা একদম দুখীয়া মানুহৰ কাৰণে যিখিনি আঁচনি আগতে চলি আছিল, সেইটো বেলেগ। সেইখিনিৰ কাৰণে কিবা কৰিব পৰাকৈ বা বৰ্তমান যি মূল্যবৃদ্ধি অসমত হৈছে, সেই মূল্যবৃদ্ধি ৰোধ কৰাৰ ক্ষেত্ৰত এই চৰকাৰৰ কিবা পৰিকল্পনা আছে নেকি? কিন্তু মই দেখিলো যে এনেকুৱা কোনোধৰণৰ পৰিকল্পনা এই বাজেটখনত নাই। এই বাজেটখন যদি আমি থুলতে এবাৰ চাব যাওঁ, বাজেটৰ estimated inflow into the consiluted fund of the state during 2021-2022, State Revenue 19.73 percent দেখুওৱা হৈছে estimated। এতিয়া আমাৰ কথা হ'ল বৰ্তমান ক'ভিড চলি থকাৰ ফলত মেক্সিমাম কলকাৰখানা বন্ধ, সৰু-সুৰা উদ্যোগ বন্ধ, বজাৰ বন্ধ, ৰোড কমিউনিকেশ্যন বন্ধ আৰু এই ক'ভিডৰ মাজত কেনেকৈ 19.73 percentage State যিটো Revenue Collection, কেনেকৈ সম্ভৱ হ'ব? এইটো কিন্তু এটা সন্দেহ ৰৈ গৈছে। দ্বিতীয় কথা, আমি যদি লক্ষ্য কৰো দেখা যাব, যে public depth 17.08 percent. মানে এই বাজেটখন public depth ৰ ওপৰত লোৱা হৈছে 17.08 percent. আৰু এইটো মুঠ পইচা যদি আমি চাওঁ 18325.53 দেখুওৱা হৈছে, public depth পইছাখিনি কোটিত এইখিনি যদি আমি ২০১১ চনৰ cencus ত মুঠ জনসংখ্যা 3 crore 12 lakh something আৰু মুঠ ২০২১-২২ ৰ বাজেটতো আমি পইচাখিনি rupee ত transfer কৰো, এইটো rupee ত transfer কৰি আমি যদি সেইটো ডিভাইড কৰো, population য়ে দি মুঠ যিটো ড্ৰপবাজেটতো যিখিনি ধাৰ। ধাৰ বাজেটতো আমি rupee ত transfer কৰো আৰু সেইটোক যদি crore ৰ পৰা rupee ত transfer কৰি যদি population টো ডিভাইড কৰো, তেতিয়াহ'লে দেখা যায় 58 thousand 7 hundred 25 আমাৰ ধাৰ হ'ব। আজি যিখিনি প্ৰস্তুত কৰি থকা হৈছে বাজেটখনত মোৰ সন্দেহ হৈছে। যিমান অভিলাষী, যিমানধৰণৰ হিতাধিকাৰী হওঁক বা আৰু কিবা কিবি হওঁক, যিখিনি সৃষ্টি কৰা হৈছে তাৰ 17 percentage ধাৰৰ পইচাৰে আৰু 58 thousand 7 hundred 25 ধাৰৰ পইচাৰে আমি এইখন বাজেট প্ৰস্তুত কৰিছো আৰু State Share ত যিখিনি, পইচাৰ কথা কোৱা হৈছে, State Share যিখিনি Revenue collection ৰ কথা কৈছে, What is the sources? আজিৰ এই

মূৰ্হুত্তত sources টো ক'ত ?একমাত্ৰ দেখিছো State Government ৰ এটা পলিচি sources ৰ ক্ষেত্ৰত। সেইটো হ'ল home delivery of wine. মদ ঘৰে ঘৰে বিতৰণটো একমাত্ৰ sources বুলি মোৰ চকুৰ দৃষ্টিত পৰিছে। যথেষ্ট হেভি তাত ৰেভিনিউ আছে। হাই পাৰচেণ্টটেজ ৰেভিনিউ মদত আছে। গোটেই বছৰটো দেখা পাই থাকো যে অবৈধ বিলাতী সুৰা ধৰা পৰিছে। পুলিচে এইটো ধৰি আছে। তাৰ ব্যৱস্থা লৈ আছে আৰু আমি দেখিছো বহুত ঠাইত চুলাই মদ ধৰাৰ যিখিনি থলুৱা মানুহ চুলাই মদ ঘৰত প্ৰডাকশ্যন কৰে। সেইটোকো বিভিন্ন সময়ত পুলিচে ভাঙি দিছে। State Government ৰ self contradictory এটা চিষ্টেম কৈছে এইবিলাক হ'ব নালাগে it is injuries to health, এইটো স্বাস্থ্যৰ কাৰণে বেয়া। স্বাস্থ্য বিভাগ আছে। গৃহ বিভাগৰ মানুহ লগাই সেইবিলাক ধংশ কৰি থকা হৈছে। অৰুণাচলৰ পৰা কিয় অবৈধ মদটো ইয়াত সোমাব? আজি বিহাৰ বা গুজৰাটত আমি কিন্তু ড্ৰাই ষ্টেট বুলি declare ত আছে। তেখেতসকলে without liqure চলি আছে। কিন্তু আমাৰ ৰাজ্যত ঘৰে ঘৰে মদ দিয়াৰ ব্যৱস্থাটো কৰিছে। এইখিনি কিমান self contradict উপাধ্যক্ষ মহোদয়, এই কথাটো কিন্তু আমি বাজেটত এটা আচৰিত জনক ছবি পাইছো। হয় এই চৰকাৰে খুব পদক্ষেপ লৈছে আমি welcome কৰিছো,আমি congretualate কৰিছো, যে ড্ৰাগছৰ কাৰণে যিমানখিনি effective ব্যৱস্থা লৈছে। ড্ৰাগছক ধংশ কৰা, এৰেষ্ট কৰা, এনকাউণ্টাৰ কৰা সকলো সমৰ্থন কৰিছো। আমাৰ কোনো আপত্তি নাই। কিন্তু প্ৰশ্নটো হৈছে, drugs is injuries to health . We can not collect revenue from drugs, but we can collect revenue from liquor. আজি IX-X Class ৰ ল'ৰা ছোৱালীক মোবাইল দিয়া হ'ব, তেওঁলোকে মোবাইলৰ পৰাই online order কৰিব, ঘৰে ঘৰে ইয়াৰ delivery হ'ব । ৰাস্তাত delivery হ'ব । মদ বিক্ৰী কৰাৰ বাবে বহু ৰেষ্টুৰেণ্টৰ পৰা লাইচেন্স জব্দ কৰিছিল । কিন্তু এতিয়া কি হ'ব ? এই বাজেটৰ যোগেৰে মই মানুহখিনিক encourage কৰি থকা হোৱা নাই নে? এই কথাবোৰ অত্যন্ত স্পৰ্শকাতৰ। এই বাজেটত আমি দেখিছো- মাইক্ৰ'ফাইনেন্সৰ যি **১২৫০০** কোটি টকা দিবলৈ আছে, তাৰে **৭৫০০** কোটি টকা দিয়া হ'ব । ইয়াৰ ভিত্তিটো কি ? ইয়াত মই তদন্তৰ প্ৰয়োজনীয়তাৰ কথা ক'ব বিচাৰিছো । **৭৫০০** কোটি টকাৰ পৰা তেওঁলোকৰ মাইক্ৰফাইনেন্সৰ ঋণ ঘূৰাই দিয়া হ'ব । আপোনালোকে সহায় কৰিব বিচাৰিছে, ভাল কথা, কিন্তু ব্যক্তিগত ভাবে মই অনুভৱ কৰো যে, এই লোকসকলে মাইক্ৰ'ফাইনেন্সৰ পৰা ঋণ লৈ আচলতে কিবা কাম কৰিছে, নে মোবাইল-বাইক কিনিছে, তাৰ তদন্ত হ'ব লাগে । এইটো generalize কৰিব নালাগে। বৰ্তমান সমাজত এনে এটা tendency create হৈছে যে ঋণ লোৱাটো যেন এক অধিকাৰহে । কিন্তু, সেই ঋণ যে পৰিশোধ কৰিব লাগিব সেই পৰিৱেশ আজিৰ দিনত অসমত নাই। সেয়েহে, মই বিচাৰো চৰকাৰে যাতে proper enquiry কৰি পইচাখিনি দিয়ে। গতিকে, এইটো এটা গুৰুত্বপূৰ্ণ বিষয় বুলি মই অনুভৱ কৰো। তাৰোপৰি, এই বাজেটৰ ফলত Central আৰু State ৰ per capita income ৰ balance চাব লাগে । কেন্দ্ৰৰ per capita income **১** লাখ **৩৪** হাজাৰ **২২৬** টকা আৰু ৰাজ্যৰ **৯০** হাজাৰ **৭৫৮** টকা। তাৰ মানে, **৪৩,৪৬৮** টকাৰ পাৰ্থক্য হৈছে । স্থিৰ জনমূৰি আয়ৰ ক্ষেত্ৰত ভাৰতৰ **৯৪,৯৫৪** টকা আৰু ৰাজ্যৰ **৬২,৭৯৬** টকা । অৰ্থাৎ ৩২,১৫৮ টকা বাকী ৰয় । এনে ক্ষেত্ৰত, আমাৰ ৰাজ্য যে দপদপাই আগবাঢ়ি গৈ আছে সেয়া আমি কেনেকৈ ক'ব পাৰো? আজি কৃষি খণ্ডৰ জি. ডি. পি. ১৯ ৰ পৰা ১৫% লৈকে কমিছে ....(Interruption)....

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকৰ দলৰ আৰু পাঁচ মিনিট সময় আছে । আপুনিয়ে কৈ শেষ

কৰিব নে, বেলেগেও ক'ব ?

**মোঃ আমিনুল ইছলাম (মানকাচাৰ)ঃ** তেখেতেও কব ।

**মাননীয় উপাধ্যক্ষ ঃ** তেন্তে আপুনি সোনকালে শেষ কৰক ।

**মোঃ আমিনুল ইছলাম (মানকাচাৰ)ঃ** আমি দেখিছো যে কৃষি ক্ষেত্ৰত এইটো স্থিৰ অৱস্থাত আছে। সামাজিক ক্ষেত্ৰত ১.৮% বৃদ্ধি হৈছে । পশুধনৰ ক্ষেত্ৰত ০.৬৯, বাণিজ্যিকৰ ক্ষেত্ৰত ২.৪৫ আৰু বহুতো আছে, সকলোখিনি ক'বলৈ মোৰ সময় নহ'ব । মই ক ব বিচাৰিছো- এই বাজেটখন productive budget নহয়। কিয়নো, productive budget হ'বলৈ হ'লে সেই সমাজত asset include হ'ব লাগিব। আমাৰ বাজেট খন সন্মুখত লৈ চাওঁক তাত কিমান টকা asset create কৰিবলৈ লোৱা হৈছে। হিতাধিকাৰী সৃষ্টিৰ যি কথা আহিছে, সেই সম্পৰ্কত মই এটা কথাই ক'ব বিচাৰিছো যে, হিতাধিকাৰীৰ সৃষ্টিৰ ক্ষেত্ৰত বা productive budget এখন কৰিবলৈ যি Asset create হ'ব লাগে সেইটো সৃষ্টি কৰাৰ যিমানখিনি আঁচনি আছে, মই মানুহবোৰক সহায় কৰিবলৈ লোৱাৰ বাবে বেয়া পোৱা নাই, কিন্তু Asset য়েই যদি নহয়। আজি এটা উদাহৰণ মই দাঙি ধৰিব বিচাৰিছো -আজি আমাক থকাৰ বাবে ঘৰ দিব, খোৱাৰ বাবে চাউল দিব, তেল মছলা কি নাৰ বাবে অৰুণোদয়ৰ টকা দিব, আঠুৰা, কম্বল দিব, শৌচাগাৰ দিব, পানী যোগান দিব,সকলোখিনি দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইমানখিনি সুবিধা দিয়াৰ পিছত মানুহজনৰ কাম কৰাৰ হাবিয়াস থাকিবনে ? উদাহৰণ স্বৰূপে-মোৰ সমষ্টিত যথেষ্ট ধান উৎপাদন হয় । কিন্তু , এইবাৰ তাত ধান খেতি কৰা নাই । কিয় কৰিব ? তেওঁলোকে যদি বিনামূলীয়া চাউল, তেল মছলা পায় তেন্তে কাম কৰাৰ কি প্ৰয়োজন ? মোৰ সমষ্টিত ধানৰ প্ৰতিমোনাত ৫০০ টকা চলি আছে । কিন্তু, কেন্দ্ৰীয় চৰকাৰে ধানৰ এম. এচ. পি. **১৭৬০** টকা নিৰ্ধাৰণ কৰি দিছে । সেইমতে কৰা নাই। আগতে, ধুবুৰীত ১৫% মৰাপাট উৎপাদন হৈছিল, কিন্তু আজিকালি মৰাপাটৰ খেতি কৰা মানুহে বাদ দিছে । কাৰণ তেওঁলোকে এম.এচ. পি. মতে মূল্য নাপায় । গতিকে মোৰ কথা হ'ল যে, চৰকাৰে যদি সকলো বস্তু বিনামুলীয়াকৈয়ে দিয়ে তেন্তে আমি কিদৰে এখন sustainable budget চিন্তা কৰিব পাৰিম ? Fiscal বা monetary policy ত এটা ডাঙৰ difference আছে । আজি যদি Inflation হয়, ultimately, নিবনুৱা সমস্যা বাঢ়ে, আকৌ যদি deflation হয়, মানুহৰ purchase capability কমি যায় । এতিয়া যিহেতু আমাৰ দলৰ পৰৱৰ্তী বক্তাজনে ক'বলৈ আছে, গতিকে মই আৰু বেছি নকৈ এইখিনিতে মোৰ বক্তব্য সামৰিছো । ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। ৰূপেশ গোৱালা ।

**শ্ৰী ৰূপেশ গোৱালা (ডুমডুমা)ঃ** সন্মানীয় উপাধ্যক্ষ মহোদয়, যোৱা **১৬** তাৰিখৰ দিনটো বিধান সভাৰ এই মজিয়াখনৰ বাবে আৰু অসমৰ বাবে এক ঐতিহাসিক দিন আছিল । সেই দিনটোত অসমৰ প্ৰথম গৰাকী মহিলা বিত্ত মন্ত্ৰীয়ে বাজেট দাখিল কৰিছিল আৰু সেই বাজেটৰ সাক্ষী হ'বলৈ পাই আমি সকলোৱে গৌৰৱান্বিত হৈছিলো । আপোনাৰ যোগেৰে মই বিত্ত মন্ত্ৰী বাইদেউক ধন্যবাদ জনাইছো যে তেওঁ খুব সুন্দৰ বাজেট এখন দাখিল কৰিছিল আৰু বৰ সুন্দৰভাৱে ইয়াক উপস্থাপনো কৰিছিল । আমি সকলোৱে জানো যে আজি আমাৰ দেশ তথা সমগ্ৰ বিশ্বত এক কঠিন পৰিস্থিতি চলি আছে আৰু এনে পৰিস্থিতিত আমি সকলোৱে জীয়াই থকাৰ সংগ্ৰাম কৰিছো । সকলো দিশতে ডাঙৰ অনাটনৰ দিশে গতি কৰিছো । এনে এক সময়ত বাইদেউৱে প্ৰস্তুত কৰা বাজেটখন সচাকৈয়ে প্ৰশংসনীয় । বিগত দিনত নিৰ্বাচনৰ সময়ত আমাৰ দলৰ তৰফৰ পৰা যিবোৰ প্ৰতিশ্ৰুতি ৰাইজক প্ৰদান কৰা হৈছিল, সেই প্ৰতিশ্ৰুতিবোৰ এই বাজেটখনৰ যোগেৰে আখৰে আখৰে পালন কৰিবলৈ

যত্ন কৰা হৈছে । তাৰ বাবে মই বাইদউক ধন্যবাদ জনাইছো । আমি যিটো সময়ত জীয়াই থকাৰ বাবে সংগ্ৰাম কৰিব লগা হৈছে, তেনে সময়ত মাইক্ৰফাইনেন্সৰ ঋণ লোৱা গাঁৱৰ মহিলা সকলক সকাহ দিয়াৰ বাবে চেষ্টা কৰা হৈছে । 'অৰুণোদয় আঁচনি'ৰ যোগেৰে দুখীয়া মানুহখিনিক নগদ টকা যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে । যিটো কথা বিৰোধী দলৰ নেতাগৰাকীয়ে কয় যে, 'গৰীৱ কে হাথ পেইছা দো', সেই কথাটোকে আমাৰ দলেও কৰিবলৈ চেষ্টা কৰিছে । 'অৰুণোদয় আঁচনি'ৰ যোগেৰে পূৰ্বৰ যি **৮৩০** টকা আছিল, সেইটো **১০০০** টকালৈ বৃদ্ধি কৰা হৈছে আৰু হিতাধিকাৰীৰ সংখ্যা **৬.৩৬** লাখলৈ বৃদ্ধি কৰা হৈছে । ঠিক তেনেদৰে, অসমৰ সুৰক্ষাৰ দিশটো সুনিশ্চিত কৰাৰ বাবে নতুনকৈ **১০** টা বেটেলিয়ন গঠন কৰাৰ প্ৰস্তাৱ লোৱা হৈছে । এনেধৰণৰ কামেই ভৱিষ্যত দিনত আমাৰ ৰাজ্যখনক আগুৱাই নিয়াত সক্ষম হ'ব । আমি বানপানীৰ কথা সদায় পাতো । এইবাৰ জলসম্পদ বিভাগৰ শ্ৰদ্ধাৰ মন্ত্ৰী মহোদয়ে কৈছিল যে-আমাৰ মথাউৰিবোৰ যদি সুৰক্ষিত কৰি ৰাখিব লগা হয়, তেন্তে মথাউৰিবোৰত পথ নিৰ্মাণ কৰিব লাগিব যাতে এন্দুৰে মথাউৰিবোৰ নষ্ট কৰিব নোৱাৰে । সেই দিশত আমি ১০০০কিলোমিটাৰ পথ নিৰ্মাণৰ যোগেদি মথাউৰিবিলাকত ভৱিষ্যতে এখন বানমুক্ত অসম গঢ়াৰ ক্ষেত্ৰত এক সুন্দৰ পদক্ষেপ লৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই ডুমডুমাৰ এখন বাগিছাৰ পৰা আহিছো আৰু মই সেই বাগিছাৰ এটা লাইনত বাস কৰো। এটা সময় আছিল বাগিছাৰ যিসকল ৰাইজ আমি ভাবিছিলো যে চৰকাৰ মানে আঠুৰা আৰু কম্বল। কিন্তু আজি এই কথাবিলাক সলনি হৈছে। আঠুৰা আৰু কম্বলৰ সংস্কৃতি কোনে আৰম্ভ কৰিছিল সেয়া মই ক'বলৈ নাযাও। আজি বাগিছাত পকা ৰাস্তা নিৰ্মাণ হৈছে। বাগিছাত আজি ১১৯ খন হাইস্কুল নিৰ্মাণ হৈছে আৰু ভৱিষ্যত দিন বিলাকত বাগিছাৰ ঘৰে- ঘৰে পানী যোগানৰ কথা কোৱা হৈছে। শ্ৰমিকৰ লাইনত street light ৰ কথা কোৱা হৈছে, তেওঁলোকৰ ঘৰে-ঘৰে পাইপৰ যোগেদি ৰন্ধন গেছ যোগানৰ কথা কোৱা হৈছে। এই সকলো বিলাকৰ বাবে মই ধন্যবাদ দিব বিচাৰিছো। ঠিক তেনেকৈ পোন প্ৰথমবাৰৰ বাবে চাহ জনজাতি লোকৰ বাবে কলাক্ষেত্ৰ নিৰ্মাণৰ কথা কোৱা হৈছে। এই কথাটোৱে অসমত বসবাস কৰা সকলো চাহ জনগোষ্ঠীৰ লোকসকলৰ মাজত আশাৰ সঞ্চাৰ কঢ়িয়াই অনিছে আৰু ময়ো গৌৰৱ বোধ কৰিছো যে এই চৰকাৰখনে আদিবাসী চাহ জনগোষ্ঠী লোকৰ বাবে চিন্তা কৰিছে। মই লগতে আৰু এটা কথা ক'ব বিচাৰিছো, চাহ শ্ৰমিকৰ মজুৰিৰ বিষয়টো খুব গুৰুত্বপূৰ্ণ বিষয় আছিল। চৰকাৰ গঠন হোৱাৰ লগে-লগে এই বিষয়ত এটা সুন্দৰ পদক্ষেপ লোৱা আমি দেখিলো। আপোনালোকে সকলোৱে গম পায় যে নিৰ্বাচনৰ সময়ত যোৱা জানুৱাৰী মাহত চাহ শ্ৰমিকৰ মজুৰী অন্তৰ্বৰ্ত্তীকালীন ভাৱে ৫০ টকা বৃদ্ধি কৰা হৈছিল। পৰৱৰ্তী সময়ত মালিক পক্ষই এই বৃদ্ধিৰ বাবে হাইকোৰ্টত গৈছিল আৰু বিষয়টো subjudice হৈ আছিল। কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়াই দায়িত্ব লোৱাৰ এমাহৰ ভিতৰত বিষয়টো মীমাংসা কৰাৰ বাবে মালিক পক্ষ আৰু চাহ বাগিছাৰ শ্ৰমিকৰ প্ৰতিনিধি সকলক মাতি নিজেও উপস্থিত থাকি Out of Court settlement কৰাৰ ব্যৱস্থা কৰিলে। সেই ব্যৱস্থাৰ যোগেদি চাহ শ্ৰমিকৰ মজুৰী ৩৮ টকা বৃদ্ধি পালে। তাৰফলত এতিয়া চাহ শ্ৰমিকে ২০৫ টকা মজুৰী লাভ কৰিবলৈ সক্ষম হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ এই পদক্ষেপে এই কথাটোৱে সূচাইছে যে এইখন আদিবাসী চাহ জনগোষ্ঠী ৰাইজৰ প্ৰতি আৰু আদিবাসী চাহ জনগোষ্ঠী ৰাইজক লৈ তেওঁলোক সচেতন এইটোৱে প্ৰমান কৰিছে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া UPPL দলৰ শ্ৰী ভূপেন বড়ো ডাঙৰীয়া। আপুনি তিনি মিনিটত

শেষ কৰিব। ইউ জি ব্ৰহ্ম ডাঙৰীয়াইও আপোনালোকৰ দলৰ হৈ ক'ব। গতিকে আপুনি চমু কৰিব।

**শ্ৰী ভুপেন বড়ো (বৰমা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১৬-৭-২০২১ তাৰিখে অসমৰ প্ৰথম গৰাকী বিত্ত মন্ত্ৰী মাননীয়া অজন্তা নেওগ বাউদেৱে অসমৰ সকলো জনতাৰ বাবে যি বাজেটখন আনিলে তাৰবাবে তেখেতক ধন্যবাদ জনাইছো লগতে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জনাইছো। এই বাজেটখন আমি আশা কৰা মতে পাবলৈ সক্ষম হৈছো। তেখেতৰ অৱদানক আমি শলাগ ল'ব লাগিব যে এই বাজেটৰ দ্বাৰাই মোৰ অঞ্চলত ১.২ কিলোমিটাৰ যি বহুদিনীয়া আমাৰ আশা আছিল তাক পূৰণ কৰিবৰ কাৰণে কুমাৰীকাটা আৰু জালাহৰ মাজত যি পাগলদিয়া নৈ আছে তাত এখন দলং দিলে। তাৰ বাদেও আমাৰ বি টি আৰ অঞ্চলক এখন নতুন জিলা ঘোষণা কৰিলে তাৰবাবে আমি নথৈ আনন্দিত। আমি আজি উপলব্ধি কৰা উচিত যে আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যি বলিষ্ঠ নেতৃত্ব, তেখেতে যি সমৃদ্ধিশালী এখন নতুন অসম গঢ়ি তুলিব বিচাৰিছে তাত আমি সকলোৱে সহায় সহযোগ কৰাটো বাঞ্চনীয়। আমি আজি ক'ব লাগিব যে আমাৰ জলসম্পদ মন্ত্ৰী ডাঙৰীয়াই ১ হাজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ কৰাৰ প্ৰয়াস কৰিছে সেইটো ঐতিহাসিক বুলি ক'ব লাগিব আৰু এই চৰকাৰৰ দিনতেই আজি ১ লাখ নিবনুৱাক সংস্থাপন দিবলৈ ওলোৱাটোকো আমি ঐতিহাসিক বুলি ক'ব লাগিব। আমাৰ এইখন বাজেটতে বিত্তমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই NDFB ৰ যি কথা লিখিছে, ২০২০ চনৰ ২৭ জানুৱাৰীৰ দিনাখন ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ জৰিয়তে যি BTR চুক্তি হৈছিলে সেই চুক্তিমতে NDFB ৰ সদস্যসকলৰ সংস্থাপনৰ কথা কোৱা হৈছিল। তেখেতসকলক সোনকালে সংস্থাপন দি ঘৰ চলোৱাৰ যাতে সুবিধা কৰি দিয়ে তাৰবাবে মই চৰকাৰক অনুৰোধ জনাইছো। ইয়াৰ উপৰিও আমাৰ সমষ্টিত বহুত কৰিবলগীয়া কাম আছে। এই বাজেটত আমাৰ সমষ্টিৰ কাৰ্য্যসূচীসমূহো অন্তৰ্ভুক্ত কৰিব বুলি মই আশা কৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** সন্মানীয় সদস্য শ্ৰী ৰামকৃষ্ণ ঘোষ। আপুনি ৫ মিনিটত শেষ কৰিব।

**শ্ৰী ৰামকৃষ্ণ ঘোষ (হোজাই) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জনাইছো। মই কালিৰ পৰা বাজেটৰ ওপৰত হোৱা আলোচনা শুনি আছো। ইয়াত Economics ৰ বহুত শব্দ আহিছে। Inflation, Deflation এনেকুৱা ধৰণৰ বহুত শব্দ আহিছে।মোৰ এটা অনুভৱ হ'ল যে আলোচনা কোনফালে গৈ আছে। আমাৰ অসমৰ মাননীয়া বিত্ত মন্ত্ৰী বাউদেউৱে যিখন বাজেট উপস্থাপন কৰিছে, বিশ্ব economics ৰ যিবিলাক দেশ তেখেতসকলৰ যিটো economic model আছিল যেনে- জাৰ্মানী, হংকং, ছুইজাৰলেণ্ড তেখেতসকলে যিটো আৰ্হিত উন্নয়ন কৰিছিলে সেই উন্নয়নৰ যদি comparative discussion নহয়, তেতিয়াহ'লে আমি এই বাজেটখন ধৰিব নোৱাৰো। আজি কোনো এখন দেশৰ যদি অৰ্থনৈতিক বিশ্লেষণ কৰিব যাওঁ তেতিয়া আমি যাব লাগিব Industry, শিক্ষা, Inrfastructure Development এই গোটেইখিনি আমি চাব লাগিব। এইখিনি ধৰাৰ ফলত কেনেধৰণৰ প্ৰতিফলন আমি দেখিলো? ইয়াৰ প্ৰতিফলন আমি এইটোৱে দেখিলো যে আজি জাৰ্মানীৰ নিচিনা দেশত য'ত Vocational Education Centre ১ লাখতকৈও বেছি, চীনত Vocational Education Centre ৫ লাখতকৈও বেছি। কিন্তু কংগ্ৰেছে শাসন কৰা এই ভাৰতত ১২ হাজাৰো Vocational Education Centre তেওঁলোকে কৰিব পৰা নাছিলে। Vocational Education Centre ৰ পৰা কি শিকিব পাৰি? এইবিলাকৰ মাধ্যমেৰে আচল অৰ্থনীতি শিকিব পাৰি, সৰু সৰু ক্ষুদ্ৰ ব্যৱসায়ীক

আগবঢ়াই লৈ যাব পাৰি। Skilled labour ৰ দৰে যিবিলাক শব্দ আমি শুনো সেইবিলাকো আমি এনেধৰণৰ vocational Education Centre ৰ পৰা পাওঁ।

এই বাজেটত প্ৰাইমেৰী শিক্ষাৰ কথা কোৱা হৈছে। আমি প্ৰাইমেৰী শিক্ষাৰ পৰা যাব লাগিব। আজি আমাৰ ভাৰতবৰ্ষত ৮৮ শতাংশৰ পৰা ৯১ শতাংশলৈকে ড্ৰপ আউট হয়। এই ড্ৰপ আউট চেকচনখিনিয়েই আন-এম্পলয়মেণ্ট সমস্যা ক্ৰিয়েট কৰে গতিকে তেওঁলোকৰ কাৰণে আমি কেনেধৰণৰ বাজেট প্ৰস্তুত কৰিব লাগে। অকল হাইয়াৰ এডুকেশ্যনৰ কাৰণে আমি বাজেটখন প্ৰস্তুত কৰিলে নহ'ব। আজি এই বাজেটখনত আপোনালোকে দেখিছে যে প্ৰাইমাৰী এডুকেশ্যন চেণ্টাৰ আৰু অংগনবাড়ী এডুকেশ্যন চেণ্টাৰ য'ত নেকি সৰু সৰু ল'ৰা-ছোৱালী বিলাকৰ স্বাস্থ্যৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। আমি সকলোৰে জানো যে সৰু সৰু ল'ৰা-ছোৱালীৰ ৬ বছৰৰ ভিতৰত ব্ৰেইন ডেভেলপমেণ্ট হয়। সেয়ে অংগনবাড়ী কেন্দ্ৰ বিলাকত শিশুৰ ব্ৰেইন ডেভেলপমেণ্টৰ কাৰণে যিবোৰ ব্যৱস্থা কৰিছে সেইক্ষেত্ৰত আমি সঁচাকৈ মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ দিব লাগিব। অংগনবাড়ী কেন্দ্ৰ সমূহত বিজুলীৰ ব্যৱস্থা কৰা, পানী যোগান, ইনফ্ৰাকষ্ট্ৰাকচাৰ ডেভেলপমেণ্টৰ কথা আমি ভৱাই নাছিলো, কিন্তু এইখন বাজেটত আছে। এটা এটা অংগনবাড়ী কেন্দ্ৰত ইনফ্ৰাৰষ্ট্ৰাকচাৰ ডেভেলপমেণ্টৰ কাৰণে২৫ লাখ টকাকৈ দিয়া হৈছে। আজি প্ৰাইমাৰী এডুকেশ্যন চেণ্টাৰ বিলাকত দেখিব যে তাত বিজুলী যোগান নাই, গতিকে এই বাৰ বাজেটত কিন্তু তাত বিজুলী যোগানৰ ব্যৱস্থা কৰিছে। আমি অধিক বেছি ফৰেইন এক্সচেঞ্জ ট্যুৰিজিমৰ পৰা পাব পাৰো। আজি ইন্দোনেচিয়া এখন ইছলামিক দেশ হোৱা স্বত্বেও তেওঁলোকৰ কাৰেঞ্চীত গণেশৰ মুৰ্ত্তি দিয়ে। তেওঁলোকে এয়াৰপোৰ্টৰ নাম গৰুঁড় এয়াৰপোৰ্ট ৰাখে। কিন্তু আমাৰ যোৱাকালিৰ আলোচনাত মাননীয় বিধায়ক আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়াই ব্ৰহ্মপুত্ৰৰ কথা ক'লে, অসমৰ ফৰেষ্ট এৰিয়াৰ কথা ক'লে, কিন্তু প্ৰাকৃতিক সৌন্দৰ্য্যৰ কথাটো নক'লে। মহাভাৰতৰ দিনৰ পৰা যিবিলাক বৈশিষ্ট্য আমাৰ অসমত আছে কিন্তু সেইকথা বিলাক নক'লে। মহাভাৰতৰ দিনৰ পৰা আৰ্কিঅ'লজিকেল বিভাগৰ যিবিলাক বস্তু আৱিষ্কাৰ কৰা হৈছে সেইবিলাক কথা কিন্তু নক'লে। গতিকে ট্যুৰিজিমৰ ক্ষেত্ৰত যদি আমি এই বিষয়বিলাক উপস্থাপন নকৰো তেনেহ'লে আমাৰ ৰাজ্যত ট্যুৰিজিম কেনেদৰে আগবাঢ়িব? অসমৰ জন্ম ১৯৪৭ চনৰ পিছতটো হোৱা নাই ঙ্গ সেইকাৰণে আমাৰ এই বাজেটত যি দিয়া হৈছে ........................

......................(সদনত হুলস্থুল)...........................................................................

মই এই সন্দৰ্ভত এটা কথা কৈছো যিহেতু উদাহৰণ আছে যে ইন্দোনেচিয়াৰ যি মুছলমান আৰু অসমৰ মুছলমানৰ মাজত পাৰ্থক্য আছে নেকি? তেওঁলোকে যদি পৌৰাণিক কলা, বুৰঞ্জী বিলাক গ্ৰহণ কৰিব পাৰে তেনেহ'লে অসমৰ ইছলামিক সকলে কিয় গ্ৰহণ কৰিব নোৱাৰে?

......................(সদনত হুলস্থুল)...........................................................................

গতিকে মোৰ কথাটো হ'ল ট্যুৰিজিমৰ ক্ষেত্ৰত যদি আমি এনেকুৱা ধৰণৰ ধাৰণা বিলাক বিশ্ব ইতিহাসৰ পৰা লওঁ তেনেহ'লে মই ভাৱো যে অসমখন আগবাঢ়ি যাব। ইয়াত কোনো ধৰণৰ ডিবেটৰ কথা নাই। খিলঞ্জীয়া জনগোষ্ঠীৰ কাৰণে বিভাগে যিখিনি কৰিছে, সংস্কৃতিৰ ওপৰত যিখিনি কোৱা হৈছে আৰু এখন দেশৰ ইক'নমিক মবিলিটি বিলাক পঢ়িলে দেখা যায় যে ইণ্টেগ্ৰিটিটোৰ প্ৰয়োজনীয়তা আছে যাৰ পৰা আমি শিকিব পাৰো আৰু এখন দেশৰ ইক'নমিক মবিলিটিটো আগবাঢ়ি যায়। সেই গোটেইখিনি কথা এই বাজেটত আছে। গতিকে এইখিনিকে কৈ মই বিত্তমন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** বি পি এফ দলৰ শ্ৰী দূৰ্গা দাস বড়ো ডাঙৰীয়াই কালি ৯ মিনিটমান ক'লে। তেওঁলোকৰ সময় ১২ মিনিট ধাৰ্য্য কৰা হৈছিল গতিকে আৰু ৩ মিনিট সময় বাকী আছে। এতিয়া শ্ৰী চৰণ বড়ো ডাঙৰীয়াক বক্তব্য ৰাখিবৰ বাবে অনুৰোধ জনাইছো।

**শ্ৰী চৰণ বড়ো (মাজবাট)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১৬ তাৰিখে আমাৰ সন্মানীয় বিত্তমন্ত্ৰী ডাঙৰীয়াণীয়ে যিখিনি বাজেট দাখিল কৰিছিল, সেইখিনি চাই ইয়াত দেখিলো যে এইবাৰৰ বাজেটখনত যথেষ্ট জনকল্যাণমূলক আঁচনি অন্তৰ্ভুক্ত হৈছে। যোৱাবাৰৰ চৰকাৰৰ যিখিনি ভাল ভাল আঁচনি আছিল সেইবিলাক কণ্টিনিউ কৰিছে তাৰ বাহিৰেও কিছু নতুন নতুন আঁচনি অন্তৰ্ভুক্ত কৰিছে। অসম মালা আঁচনিখন যোৱাবাৰো আছিল আৰু এইবাৰো এই আঁচনিখন ৰাখিছে। এই আঁচনিৰ জৰিয়তে মই ৰৌতাৰ পৰা মিছামাৰী লৈকে ৫০ কিলোমিটাৰ ৰাস্তা পাবলৈ সক্ষম হৈছো ইয়াৰে ২৫ কিলোমিটাৰ মোৰ সমষ্টিৰ অন্তৰ্ভুক্ত। বহুত ডাঙৰ ডাঙৰ দলং যেনে- ধনশিৰি, পাচনৈ, পাগলাদিয়া নদীৰ ওপৰত হোৱা দলঙে মোৰ যথেষ্ট পৰিমাণে সমস্যা সমাধান কৰিব। সেইকাৰণে মই সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে বিত্তমন্ত্ৰী ডাঙৰীয়াণীক ধন্যবাদ জ্ঞাপন কৰিছো। সময় কম হোৱাৰ বাবে মই কেৱল কেইটামান আঁচনিৰ বিষয়ে দৃষ্টিগোচৰ কৰিব বিচাৰিছো আৰু কেইটামান পৰামৰ্শ ও দিব বিচাৰিছো। অন্ন যোজনা আঁচনিৰ জৰিয়তে ফ্ৰি চাউল এন এফ এচ এ কাৰ্ড থকা ব্যক্তিসকলক দিয়া হয়। কিন্তু এইবাৰ যিহেতু অন্য ৰূপত এই আঁচনিটো অনা হৈছে, তাত মই দেখিছো যে কিছু শ্ৰেনীৰ ব্যক্তি এইবাৰো এই আঁচনিটোৰ পৰা বঞ্চিত হ'ব। কিয়নো এই এন এফ এচ এ কাৰ্ড হয়টো গোটেই অসমত হোৱা নাই। মোৰ সমষ্টিৰ সাত খন চাহ বাগিছা ত যিমানখিনি হাউচহোল্ড আছে তেওঁলোকৰ ৬০ শতাংশ মানুহৰেই এই এন এফ এচ এ কাৰ্ড নাই। গতিকে এইবাৰ এই আঁচনিখন লৈছে যদিও এই লোকসকল বঞ্চিত হ'ব। সমগ্ৰ অসমত এইবাৰ ৬.৪৬ লাখ চাহ জনজাতীয় পৰিয়ালক অন্ন যোজনাৰ যোগেদি আমি অপ'কৈট কৰা বুলি কোৱা হৈছে। কিন্তু আমি সকলোৱে জানো যে অসমত কমেও ৬০ ৰ পৰা ৭০ লাখ চাহ জনজাতিৰ লোক আছে। পৰিয়াল হিচাবে যদি চাবলৈ যাওঁ ইয়াত নিশ্চয় ১৫ লাখ মান আদিবাসী পৰিয়াল থাকিব, কিন্তু ইয়াত দেখাইছে মাত্ৰ ৬.৪৬ লাখ অৰ্থাৎ এইখিনি মানুহক অন্ন যোজনাৰ আঁচনিৰ অধীনত অন্তৰ্ভুক্ত কৰা হৈছে। আমাৰ চাহ বাগিছা অঞ্চলত সকলো ৰাইজেই দুখীয়া, ইয়াত কোনো ধনী ব্যক্তি নাই। ইয়াত প্ৰায় ৯৯ শতাংশ মানুহেই এন এফ এচ এ কাৰ্ড পোৱাৰ যোগ্য। গতিকে এই আঁচনিৰ জৰিয়তে যদি আমি তেওঁলোকৰ বিষয়ে অলপ চিন্তা নকৰো তেতিয়াহ'লে আগত যেনেদৰে তেওঁলোক বঞ্চিত হৈছিল এইবাৰো বঞ্চিত হ'ব। আমাৰ এন এফ এচ এ কাৰ্ড দিয়াৰ ক্ষেত্ৰত এটাই কথা আমি সদনত শুনি থাকো যে অনুপযুক্ত মানুহৰ পৰা কাৰ্ডখন কৰ্তন কৰি উপযুক্ত জনক দিয়া। কিন্তু তেওঁলোকক আমি কোনোধৰণৰ কাৰ্ড দিব পৰা নাই। গতিকে অসম চৰকাৰৰ ফালৰ পৰা টেম্পৰাৰীকৈ হ'লেও কিবা কাৰ্ড দি যাতে তেওঁলোকক এইখিনি পোৱাৰ ব্যৱস্থা কৰি দিব পৰা যায় তাৰবাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। শেষত মই আৰু এটা কথা কৈ মোৰ বক্তব্যৰ সামৰনি মাৰিছো যে গোৱালপাৰাত থকা সৈনিক স্কুল উন্নতি কৰণৰ কাৰণে ৰাজ্য চৰকাৰৰ ফালৰ পৰা পদক্ষেপ লব বিচাৰিছে আৰু নতুন সৈনিক স্কুল ও কৰিব বিচাৰিছে। ইয়াৰ বাবে মই ধন্যবাদ জনাইছো। যোৱাবাৰ কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ. সেই সময়তে আমি এটা প্ৰক্ৰিয়া চলাই আছিল আৰু এই মতে আমাৰ প্ৰিন্সিপাল ডিফেন্স মিনিষ্ট্ৰিৰ পৰা আমি এখন বি টি চি অঞ্চলত এখন সৈনিক স্কুল স্থাপন কৰিবৰ কাৰণে আমি প্ৰক্ৰিয়া চলাইছিল। অসম চৰকাৰৰ লগত MoU কৰিবৰ কাৰণে ইতিমধ্যে প্ৰতিৰক্ষা মন্ত্ৰালয়ে চিঠি পঠাইছিল কিন্তু এই MoU নোহোৱাৰ কাৰণে যোৱাবাৰ

আমি সৈনিক স্কুলটো পাবৰ কাৰণে সক্ষম নহ'ল। তাৰ কাৰণে মই সদৌ শেষত অনুৰোধ জনাইছোঁ। এইবাৰ যদি সৈনিক স্কুল লয় আমাৰ বিটিচি অঞ্চলত যাতে এখন সৈনিক স্কুল স্থাপন কৰে তাৰ বাবে বাজেটত অন্তৰ্ভূক্ত কৰিবৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছোঁ, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** বিদ্যা সিং ইংলেং।

**শ্ৰীবিদ্যা সিং ইংলেং (ডিফু) ঃ** ধন্যবাদ উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ বাজেট ২০২১-২২ চনত মাননীয় বিত্ত মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীয়ে যি ধৰণে বাজেট দাখিল কৰিছে সদৌ গোহাৰী যি ধৰণে ঘোষণা কৰা হৈছে অতি ধন্যবাদৰ পাত্ৰ। ইয়াৰ জৰিয়তে বুজা গৈছে যে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৰল নেতৃত্ব আৰু বিত্ত মন্ত্ৰী বিশেষ ক্ষমতাৰে ফুটি ওলাইছে। মই পাহাৰীয়া মানুহ, পাহাৰ ভৈয়াম মিলিজুলি জীয়াই থাকিব বিচাৰো। গতিকে আমাৰ পাহাৰৰ কিছুমান অনুভূতি আৰু বাজেটত যি দাঙি ধৰিছে সেইবিলাক মই উনুকিয়াব বিচাৰিছোঁ। উপাধ্যক্ষ মহোদয়, এই বাজেট উনুকিয়াৰ আগে আগে এটা শোভাগীত গাব বিচাৰিছোঁ।

সেৱায় বৰ্দ্ধিত প্ৰিতি  
সেৱায় কমনং ক্ষনম  
সেৱায় চিত্ত সংশোধীত  
সেৱায় ধৰ্মনং সুকম।

ইয়াৰ ভাৱাত্ব হৈছে সেৱায়ে সেৱাৰ দ্বাৰা আত্মীয়তা বাঢ়ে, সেৱাৰ দ্বাৰাই কৰ্মবননৰ পৰা মুক্ত পায়, সেৱাৰ দ্বাৰা চিত্ত পবিত্ৰ হয়, সেৱাৰ দ্বাৰা সকলো ভোগ প্ৰাপ্তি হয়। গতিকে আমাৰ বাইদেউৰে যি ধৰণে বাজেটত দাঙি ধৰিছে অসমৰ সকলো ৰাইজক সেৱা কৰিবৰ বাবে এই বাজেটত প্ৰস্তুত কৰা হৈছে। প্ৰথমতে মই দাঙি ধৰো উত্থাপনটো আমাৰ কাৰ্বিআংলং ভাৰত স্বাধীন হোৱাৰ পৰা ১৯৫২ ৰ পৰা চৰকাৰী কলেজ ডিফুৰ বাহিৰে নাছিল, বিশ্ববিদ্যালয় পোৱাটো দূৰৰ কথা, কিন্তু বাইদেউৰে এনেকুৰা ভাৱিছে মুখ্যমন্ত্ৰীয়ে এনেকুৰা ভাৱিছে এই পাহাৰত এই বিজেপি চৰকাৰৰ সময়ত বিশ্ববিদ্যালয় আমি declare নকৰিলে নহ'ব আৰু এই declare কৰাৰ কাৰণে, প্ৰস্তাৱ লোৱাৰ কাৰণে অশেষ অশেষ ধন্যবাদ আৰু পাহাৰৰ মানুহ বিলাকে তেওঁলোকক কৃতজ্ঞতা জ্ঞাপন কৰিছে। ডিফু কলেজটো বিশ্ববিদ্যালয় যিটো হৈ গৈছে এইটো ৰেষ্ট কাৰ্বিআংলং হামাৰাও তাত ৫ হাজাৰ বিঘা মাটি সংৰক্ষণ কৰা হৈছে আৰু ডিফু কলেজত চৰকাৰী কলেজ কটন কলেজ যেনেকৈ বিশ্ববিদ্যালয় কৰা হৈছে, আশা কৰিছো কাৰ্বিআংলংত আৰু মই তাৰ বিধায়ক হিচাপেও বিশ্ববিদ্যালয় নিশ্চয় ঘোষণা কৰিব বুলি আশা ৰাখি অনুৰোধ জনাইছোঁ। উপাধ্যক্ষ মহোদয়, অকল শিক্ষাৰে নহয় বৰ্তমান চৰকাৰৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে আৰু মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাৱিব পাৰিছে যে পাহাৰত যাতায়তৰ পথ সুচল হোৱা নাই। গতিকে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই চিন্তা কৰিছে যে আমি চেষ্টা কৰিব লাগিব। পাহাৰতো ৰাস্তা পথ ভাল হ'ব লাগিব আৰু সেই হিচাপে ডবকাৰ পৰা ডিমাপুৰলৈ four lane যুক্ত ৰাস্তাৰ কাম কৰি আছে। তাত আমি ধন্যবাদ দিব নালাগিব নেকি? আপোনালোকে দিয়ক নিদিয়ক মই হলে দিম। অকল আমাৰ কাৰ্যকলাপ নহয়, হামৰেনৰ পৰা আমাৰ চেন্টাৰ বজাৰলৈকে ভায়া কৰ পৰা আজমলৰ সমষ্টিৰ মিলপাৰাৰ সেইটোদিও অসমমালাৰ ৰাস্তা হৈ আছে। লংকাৰ পৰা জিৰিকিংডং ভায়া খেৰনি, লংকা কি আমাৰ কাৰ্বিআংলং কি, নহয়, গতিকে এনেকুৰা আমাৰ এই চৰকাৰে জাতিভেদ বাদ দি সকলো জনগোষ্ঠীৰ ৰাইজক যাতায়তৰ সুবিধাৰ বাবে এইবিলাক আঁচনি লোৱা হৈছে। গতিকে ধন্যবাদ নিদি উপায় নাই। আনকি বৈথালাংচু হামৰেং ৰ ৰাস্তা লোৱাৰ কাৰণে ভাল পাইছো। আনকি আমাৰ ইয়াত যি

জন বৰ্চিং বে হোমগাৰ্ড এৱাৰ্ড দিছে, ডি জি পি ক পঠাই দিলেও হৈ যায়, এচ পি, ডি চি ক পঠাই দিলেও হৈ যায় কিন্তু বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰীয়ে এনেকুৱা চিন্তা কৰিছে ট্ৰাইবেল মানুহে ট্ৰাইবেলৰ ভিতৰত কাৰ্বি মানুহে হোম গাৰ্ড কৰি ১২ কোটি টকাৰ ড্ৰাগছ জব্দ কৰি পুৰস্কাৰ পাইছে। সেই পুৰস্কাৰটো তাত জিলাত দি দিব পাৰিলে হয়, কিন্তু আমাক ইমান সন্মান দিছে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজৰ অফিচৰ সন্মূখত ডাঙৰ পেণ্ডেল সজাই আমাকো মাতিছে, উপাধ্যক্ষ ডাঙৰীয়াও উপস্থিত আছে, আমাৰ কাউন্সিলৰ চি এমো উপস্থিত আছে। আমি দেখি আচৰিত হৈছো মাননীয় মুখ্যমন্ত্ৰীয়ে এৱাৰ্ড দিছে, নিযুক্তিপত্ৰ দিছে, কোনো দিন কোনো কালে তেনেকুৱা সন্মান পোৱা নাই। তাত আমি কি ধন্যবাদ দিব নালাগিব? দিবই লাগিব। নিদিলে পাপহে লাগিব। যোৱাকালি আমাৰ এন কলিতাই আপোনালোকক পাপ লাগিব বুলি কৈ দিলে, আমি সেই বাক্যটো নকওঁ। তাৰোপৰি আমাৰ কাৰ্বিআংলঙত দিনে ৰাতিয়ে জৰ্জৰিত যি সমস্যা সশস্ত্ৰ সংগঠন বাহিনী, ৰাতিও আমাক ধমকাই দিয়ে, ফোনকলো কৰে দাবীও কৰে, বহুত কষ্ট আমি এই সমস্যাবোৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ৰ আগত অৱগত কৰিছোঁ। তেখেতে বুজি পোৱাৰ লগে লগে আৰু তেখেতেও appeal কৰিছে, যে আলফা হওঁক বা সকলো সশস্ত্ৰ সংগঠনে হওঁক যদি আলোচনাৰ মাজলৈ আহে আমি আদৰণি জনাইছোঁ। যাৰ ফলত নেকি কাৰ্বি আংলঙৰ সশস্ত্ৰ সংগঠন কে এন এল এ, পি জেলীৰ নেতৃত্বত কে পি এল টি, কে এল এপ, কুকি ৰিভোলুচন ফ্ৰন্ট, ইউ পি এল এ, আৰু পি ডি চি কে, সংবিজিৎ বি, যি সংবিজিতক ভাৰত চৰকাৰেও, অসম চৰকাৰেও তাক যদি ধৰিব পাৰে ইনফৰমেচন দিব পাৰে ১০ লাখ টকা দিয়া হ'ব বুলি সেই জন মানুহে আজি মাননীয় মুখ্যমন্ত্ৰীৰ আপিলত মূল সুঁতিলৈ ঘুৰি আহিছে। অসমীয়া হ'বলৈ বিচাৰিছে, অসমীয়া কথা কবলৈ ওলাইছে। গতিকে তেওঁ মাত্ৰ অনুৰোধ কৰিছে আমি সকলো ত্যাগ কৰিম, অসমীয়া হৈ যাম, মাত্ৰ Article 244 এইটো কাৰ্য্যকৰী কৰিব লাগে বুলি তেওঁৰ যিটো অনুৰোধ, সেই অনুৰোধতো মোৰ ফালৰ পৰা চৰকাৰে যেন বিবেচনা কৰে, সেইখিনি কৈ মই মোৰ বক্তব্য সমাৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** Thank you। Next Speaker Ponakan Baruah from AGP.

**শ্ৰীপোনাকণ বৰুৱা (চাবুৱা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাত বক্তব্য ৰাখিবৰ কাৰণে প্ৰথম সুযোগ পাইছো আৰু এই সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। উপাধ্যক্ষ মহোদয়, যোৱা **১৬** তাৰিখে অসম বিধান সভাত অসমৰ প্ৰথম গৰাকী মহিলা বিত্তমন্ত্ৰী অজন্তা নেওগ বাইদেউৱে যিখন বাজেট দাখিল কৰিলে, নিঃসন্দেহে সেই বাজেটখন এখন জনকল্যাণমুখী আৰু বিশ্বাসমুখী বাজেট। সাম্প্ৰতিক ক'ভিড মহামাৰীৰ সময়ত আমি সকলোৱে শংকাত আছিলো যে এইবাৰ বাজেটে যিহেতু ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থাটো বেয়া হৈছে, জনসাধাৰণৰ ওপৰত অধিক কৰৰ বোজা জাপি দিব। কিন্তু সকলো চিন্তা দূৰ কৰি মাননীয় বিত্তমন্ত্ৰীয়ে এখন কৰমুক্ত বাজেট, এখন জনকল্যাণমুখী বাজেট, এখন আশাৰ বাজেট সদনত দাখিল কৰাৰ বাবে মই আপোনাৰ জৰিয়তে বিত্তমন্ত্ৰী গৰাকীক ধন্যবাদ জ্ঞাপন কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, এখন ৰাজ্যৰ সঠিক বিকাশৰ বাবে এই বাজেটত যিটো প্ৰস্তুত কৰা হৈছে তাৰ বাবে মই নথৈ সুখী হৈছো। এই বাজেটত আন্তঃগাঁথনি নিৰ্মাণ, মানৱ সম্পদৰ উন্নয়ন আৰু অপৰাধ নিৰ্মূলকৰণৰ কথা কোৱা হৈছে। আন্তঃগাঁথনি নিৰ্মাণৰ জৰিয়তে ৰাজ্যৰ কৃষি, পশুপালন, মীন বিভাগকে ধৰি বিভিন্ন বিভাগত বিনিয়োগৰ কথা কোৱা হৈছে। যাৰ জৰিয়তে নিবনুৱা সকলৰ তাত সংস্থাপনৰ পথ লাভ হ'ব আত্মসংস্থাপনৰ পথ ৰচনা হ'ব, উপাৰ্জন হ'ব,

চাহিদা বাঢ়িব আৰু ৰাজ্যৰ দ্ৰুত অৰ্থনৈতিক বিকাশ হ'ব।

মানৱ সম্পদ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰে এই বাজেটত মেডিকেল শিক্ষা, কাৰিকৰী শিক্ষা বা general education ৰ উন্নয়নৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। এই কামেই আহি থকা দিনত মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰত আমাক বহুত উদ্‌গনি যোগাব। অন্যহাতে অপৰাধ নিৰ্মূলকৰণৰ ক্ষেত্ৰত যোৱা দিনকেইটাত আমাৰ চৰকাৰখনে ড্ৰাগচ বা গৰুৰ চোৰাং বেপাৰৰ ক্ষেত্ৰত যিদৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে, আহি থকা দিনত পুলিচ প্ৰশাসনৰ হাতত যথেষ্ট ক্ষমতা অৰ্পণ কৰাৰ কাৰণে, অপৰাধ নিৰ্মূল কৰাৰ কাৰণে এটা সঠিক অভিযান আৰম্ভ হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ পৰা ৫০ বছৰ আগতে দক্ষিণ কুৰিয়া আমাৰ দেশতকৈ যথেষ্ট পিছপৰা এখন দেশ আছিল। কিন্তু এই দেশখনে অন্তঃগাঁথনি নিৰ্মাণ, মানৱ সম্পদৰ বিকাশ আৰু অপৰাধ নিৰ্মূল কৰাৰ দৰে সঠিক কাৰ্য্যসূচী গ্ৰহণ কৰাৰ পিছত আজি সেইখন দেশ আমাৰ দেশতকৈ যথেষ্ট আগবঢ়া হ'ল। আমাৰ ৰাজ্যখনতো অসমৰ দক্ষ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এই পৰিকল্পনাৰে বাজেট প্ৰস্তুত কৰি মাননীয়া বিত্তমন্ত্ৰী গৰাকীয়ে যিটো আগবাঢ়ি যোৱাৰ পথ নিৰ্দেশনা দিছে, আহি থকা দিনত অসমক ভাৰতবৰ্ষত শ্ৰেষ্ঠ পাচঁখন ৰাজ্যৰ ভিতৰত নিশ্চিত ভাৱে উপবিস্ত কৰা হ'ব।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি সকলোৱে ভাবিছিলো এই বাজেটখন এখন কৰযুক্ত বাজেট হ'ব। কিন্তু তাৰ বিপৰীতে এই বাজেটখনে ৰাজ্যৰ শিশুৰ পৰা বৃদ্ধলৈকে, দিব্যাঙ্গৰ পৰা খেলুৱৈলৈকে সকলোকে সকলো স্বৰত আগবঢ়াই নিয়াৰ কাৰণে পৰিকল্পনা হাতত লৈছে আৰু আঁচনি গ্ৰহণ কৰিছে। পূৰ্বতে যোৱা পাচঁটা বৰ্ষত অৰুণোদয় আচঁনিৰ জৰিয়তে **২০/২১/ ৫০০** হিতাধীকাৰীৰ মহিলা স্বাৱলীকৰণৰ জৰিয়তে মাহে **৮৩০** টকাকৈ সাহাৰ্য্য প্ৰদান কৰা হৈছিল। এইবাৰ ইয়াত আৰু **৬১,৩৬,০০০** হিতাধীকাৰী সংযোগ কৰা হৈছে আৰু মাহিলী এক হাজাৰ টকাকৈ সাহাৰ্য্য আগবঢ়োৱাৰ কথা ঘোষণা কৰা হৈছে। মাননীয় বিধায়ক বিৰোধী দলৰ নেতা শ্ৰীভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই হিতাধীকাৰীৰ কথা কৈছে, তেখেতে বেয়া পাইছে। এইবাৰ যিখিনি হিতাধীকাৰীক প্ৰদান কৰা হ'ব, তেখেতে সেইটো কৰ্তন কৰি যদি মোৰ সমষ্টিত দি দিয়ে মই বহুত ভাল পাম। কাৰণ মোৰ সমষ্টিত বহুতে অৰুণোদয় আচঁনি ফ্ৰৰ্ম কেতিয়া দিব, কেতিয়া পাম আশা কৰি আছে। কাৰণ মহিলা স্বাৱলীকৰণৰ ক্ষেত্ৰত যোৱা দিন কেইটাত এই আঁচনিখনে ব্যপক ৰূপত কাম কৰিছে।

Micro Finance ৰ পৰা যিসকলে যোৱা সময়ছোৱাত ঋণ লৈছিল, ঋণ লোৱা মহিলাসকলে ঋণ পৰিশোধ কৰিব নোৱাৰি বিভিন্ন ধৰণে সৰ্বস্বান্ত হৈছিল মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে এই বাজেটত ঋণ লোৱা মহিলাসকলক উদ্ধাৰ কৰিবৰ কাৰণে ঋণ ৰেহাই দিয়াৰ যিটো ঘোষণা কৰিছে, এইটো অত্যন্ত আদৰণীয় পদক্ষেপ। কেৱল ঋণ ৰেহাই নহয়, সমান্তৰাল ভাৱে যিসকলে Micro Finance ৰ ঋণ পৰিশোধ কৰাৰ ক্ষেত্ৰত নিয়ম নীতি মানি চলিছে, তেওঁলোকে ঋণ ঘুৰাই আছে, তেওঁলোকক উদগনি জনাবৰ কাৰণে ইয়াত ব্যৱস্থা ৰখা হৈছে। গতিকে নিশ্চিত ভাৱে এইটো এটা আদৰণীয় পদক্ষেপ।

মাননীয় উপাধ্যক্ষ মহোদয়, এই বাজেটত খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ ঐতিহ্য সংস্কৃতি সংৰক্ষণৰ কাৰণেও শিতান ৰখা হৈছে, নতুন বিভাগ খোলা হৈছে। এই বিভাগৰ জৰিয়তে অসমৰ বিভিন্ন খিলঞ্জীয়া জাতি-জনগোষ্ঠী সমূহৰ বিকাশৰ কাৰণেও বিভিন্ন চিন্তা-চৰ্চা কৰা হৈছে। এই বাজেটত মটক, মৰাণ, টাই, আহোম, চুতিয়া, কোচ-ৰাজবংশী আদি জনগোষ্ঠীৰ কাৰণে সাহাৰ্য্য

পূৰণৰ কথা সন্নিবিষ্ট কৰা হৈছে। অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ কাৰণে আন্দোলন চলাই আছে। বিভিন্ন কাৰণত দিব পৰা নাই, তাৰে ভিতৰত মটক, মৰাণ, কোচ-ৰাজবংশীক স্বায়ত্ব শাসন প্ৰদান কৰা হ'ল। গতিকে গোটেই ক্ষমতাতো মাননীয়া বিত্তমন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰীৰ হাতত অৰ্পণ কৰা হৈছে। মই আশা কৰিম এই বাজেটৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰীয়ে এই জনগোষ্ঠী কেইটা উত্তৰণৰ কাৰণে পথ প্ৰশস্ত কৰি সন্মানজনক পুঁজিৰ যোগান ধৰিব।

এই বাজেটত আৰু এটা কথা আছে চাহ বাগিছাৰ শ্ৰমিকৰ উন্নয়ন কাৰণে বিভিন্ন শিতানত বিভিন্ন ধৰণৰ আঁচনি গ্ৰহণ কৰা হৈছে। যি আচঁনিয়ে ইমানদিন অৱহেলিত হৈ থকা চাহ জনগোষ্ঠীৰ লোকসকলক সমাজত মূল ধাৰাৰ লগত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সফলতা লাভ কৰিব পাৰিব। চাহ জনগোষ্ঠীৰ লোক সকলৰ শৈক্ষিক বিকাশৰ কাৰণেও বিদ্যালয় নিৰ্মাণ কৰা হৈছে। যিটো কথা এতিয়ালৈকে ভৰা হোৱা নাছিল। এই কথাৰ লগতে মই মাননীয় মুখ্যমন্ত্ৰী, মাননীয়া বিত্তমন্ত্ৰী আৰু মাননীয় শিক্ষামন্ত্ৰীক এটা অনুৰোধ জনাব বিচাৰো আপোনাৰ জৰিয়তে যে চাহ বাগিছাৰ যিসমূহ প্ৰাথমিক বিদ্যালয়, সেই বিলাক চহকীকৰণ কৰিব পাৰো নেকি, তাত নিযুক্তিৰ ব্যৱস্থা কৰিব পাৰো নেকি? মই ভাৱো চাহ বাগিছাৰ বিদ্যালয় বিলাকত শিক্ষক সকলক কেতিয়াবা চকিদাৰ বনাই দিয়া হয়, কেতিয়াবা হাজিৰা মহৰি বনাই দিয়া হয় বা অন্য কামত নিয়োগ কৰা হয়। প্ৰকৃত শিক্ষাৰ পৰা ছাত্ৰ-ছাত্ৰী সকলক বঞ্চিত হয় বুলি মই ভাৱো।

মাননীয় উপাধ্যক্ষ মহোদয়, এই বাজেটত চাবুৱাত প্ৰতিষ্ঠিত হ'বলৈ যোৱা মায়মৰা ধৰ্মগুৰু শ্ৰী শ্ৰী অনিৰুদ্ধ গৃহ বিশ্ববিদ্যালয় বাবে পুঁজি ধাৰ্য্য কৰিছে। মই চৰকাৰক ধন্যবাদ জনাইছো আৰু আশা কৰিছো ভৱিষ্যতত অধিক পুঁজি ধাৰ্য্য কৰি এই বিশ্ববিদ্যালয়খন সম্পূৰ্ণ হোৱাৰ ক্ষেত্ৰত চৰকাৰে সঠিক ভূমিকা গ্ৰহণ কৰিব। তাৰ লগে লগে ডিব্ৰুগড়ত এখন কলাক্ষেত্ৰ আৰু চিৰিয়াখানা নিৰ্মাণৰ কাৰণে যিখন আচঁনি গ্ৰহণ কৰিছে, তাৰ কাৰণে চৰকাৰক মই ধন্যবাদ জনাব বিচাৰিছো। সমান্তৰালভাৱে নুমলীগড় ৰিফাইনেৰীত চৰকাৰে নিজৰ অংশ **২৬** শতাংশলৈ বৃদ্ধি কৰিছে, এইটো সুখদায়ক কথা। কিন্তু তাৰ লগে লগে এটা কথা থাকি গৈছে সেইটো অন্তৰ্ভূক্ত কৰিলে মই ভাল পাম যে যোৱা সময়ছোৱাত মই এখন হাইড্ৰকাৰ্বনৰ আৰু এনাৰ্জী কোম্পানী লিমিটেডৰ অধ্যক্ষ আছিলো আৰু মোৰ কাৰ্য্যকালত অইল ইণ্ডিয়াৰ লগত মিলি আমি **১০** শতাংশ শ্বেয়াৰ বিনিয়োগ কৰিছিলো অসম চৰকাৰে ।নামোগুৰিত যিটো তৈল ক্ষেত্ৰ তাত তেল সন্দেহন আৰু খননৰ কাৰণে কাম আৰম্ভ হৈছে, এই কথাটো মই অৱগত কৰালো, ইয়াৰ কাৰণে এই বাজেটখনত পুঁজি ধাৰ্য্য কৰাৰ কাৰণে অনুৰোধ জনালো। এই বাজেটখন সম্পূৰ্ণভাৱে এখন জনকল্যাণকাৰী বাজেট বুলি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** Thank you. এতিয়া কংগ্ৰেছ দলৰ **৩৮** মিনিট বাকী আছে। আপোনালোকৰ পাঁচ গৰাকীৰ ব্যক্তিৰ নাম দিয়া আছে। এতিয়া মাননীয় সদস্য শ্ৰী ৰকিবুলি হুছেইন ডাঙৰীয়াই ক'ব।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়,পৱিত্ৰ বিধান সভাৰ ২০২১-২২ বৰ্ষৰ বাজেটৰ ওপৰত হোৱা আলোচনাত মই অতি সংক্ষেপে constructive opposition হিচাপে মোৰ দৃষ্টিভংগী ৰখাৰ প্ৰয়াস কৰিছো। উপাধ্যক্ষ মহোদয়, এখন ঘৰ, এখন দোকান, এটা প্ৰতিষ্ঠান ভালকৈ চলিবলৈ হ'লে এটা যদি সঠিক পৰিকল্পনা হয় তেতিয়া সেই দোকান ,সেই ঘৰখন ভালকৈ চলে। যদি আমি পৰিকল্পনা মতে বাজেট নকৰো তেতিয়া বহুত ভাল-ভাল প্ৰতিষ্ঠান, ঘৰ শেষ হৈ যোৱা আমি দেখিছো। সামগ্ৰিকভাৱে কাকো ব্যক্তিগত আক্ৰমণ নকৰাকৈ মই নিজৰ

দৃষ্টিভংগী দাঙি ধৰিব বিচাৰিছো। মই নতুন কথা একোৱেই কব বিচৰা নাই। আজি ২০২১-২২ বৰ্ষৰ বাজেটখন মোৰ হাতত আছে। একেদৰে ২০১৬, ২০১৭, ২০১৮, ২০১৯, ২০২০ চনত বাজেট দিছিল আৰু ২০২১ ত আজি বাজেট দিছে। মই সেই বাজেটৰ আঁতধৰি কেনেদৰে স্ব-বিৰোধীতা কাৰণে একেখন চৰকাৰৰ দৃষ্টিভংগী সলনি হৈছে সেই কামটোকে আপোনাৰ যোগেদি সদনক জনাব বিচাৰিছো। আজি কোনোবাই কৈছে হিতাধিকাৰী লাগে, হিতাধিকাৰী নালাগে, সেইটো এটা বিতৰ্কৰ বিষয়। আমি কংগ্ৰেছে হিতাধিকাৰী নালাগে বুলি ক'লে নহ'ব। আমি বিভিন্ন ঠাইত হিতাধিকাৰী দিছো। আজি এহেজাৰ টকা দিছে ভাল পাইছো। আমি ২৫ হাজাৰ টকালৈকে individual benifit দিছো। গতিকে কংগ্ৰেছে আজি হিতাধিকাৰী নালাগে বুলি ক'বলৈ অসুবিধা। কিন্তু ২০১৬ চনৰ ২৬ জুলাই তাৰিখে যেতিয়া বিজেপিৰ চৰকাৰ গঠন হ'ল, এনেধৰণে যেতিয়া আলোচনা হৈছিল, সেই আলোচনাত আমি কংগ্ৰেছ দল থকা-সৰকা হৈ গৈছিলো। তৰুণ গগৈ ডাঙৰীয়া মুখ্যমন্ত্ৰী হিচাপে থকা অৱস্থাত অসমখনক ধৰুৱা কৰি থৈ গ'ল ১০ হাজাৰ কোটি টকা, জনমূৰি ঋণ কৰি থৈ গ'ল। বিধান সভাৰ ভিতৰে, বিধান সভাৰ বাহিৰে কংগ্ৰেছ চৰকাৰক থকা-সৰকা কৰি পেলালে। পৰৱৰ্তী সময়ত একেখন চৰকাৰে প্ৰশ্নৰ উত্তৰত কলে যে তৰুণ গগৈ ডাঙৰীয়াই চৰকাৰ এৰাৰ সময়ত ৯ হাজাৰ ৯৯ কোটি টকা জমা থৈ গৈছে। এইটো এটা বিতৰ্কৰ বেলেগ বিষয়। কি ন্তু ১০ কৌটি টকাৰ ঋণৰ বোজা তৰুণ গগৈ চৰকাৰে থৈ যোৱা কথাটো এই চৰকাৰে কোৱাৰ পিছত অসমৰ সকলো ৰাইজে চৰকাৰখনক ভাল পাইছিল। তেওঁলোকে ভাবিছিল যে এই চৰকাৰখন আহিছে, এনেকুৱা ধৰণৰ পৰিকল্পনা কৰিব যে এই চৰকাৰখনে আৰু ধাৰ নলয়। Talk show সমূহত কংগ্ৰেছক বিভিন্ন ধৰণে সমালোচনা কৰা হৈছিল। কিন্তু দেখা গ'ল যে এই বাজেট দিয়াৰ আগত ৮১ নে ৮২ হাজাৰ কোটি টকা আৰু এতিয়া হেনো ৯২ হাজাৰ কোটি টকাৰ অসম ধৰুৱা ৰাজ্য। সেই কাৰণে কৈছো যে আগৰ বাজেটৰ লগত এই বাজেটৰ কোনো মিল নাই। অধ্যক্ষ মহোদয়, আমি যেতিয়া হিতাধিকাৰী দিছিলো তেতিয়া চৰকাৰৰ বাজেট লিপিবদ্ধ আছে, লাইব্ৰেৰীত পাব। ৰাষ্ট্ৰ আৰু কোষাগাৰৰ বিষয়ে চাণক্যই কোৱা এষাৰ উক্তি মই স্মৰণ কৰিব খোজো। চাণক্যই কৈছিল যদিহে কোষাগাৰ সম্পদেৰে উপচি থাকে তেতিয়াহে সামাজিক হিতৰ বাবে গ্ৰহণ কৰা আঁচনিবোৰ সহজে ৰূপায়ণ কৰিব পাৰি। এই কথাবিলাক আমাৰ নহয়। ২৬, জুলাই ২০১৬ তাৰিখে আমাৰ বাজেট ভাষণত সেইসময়ৰ চৰকাৰে কোৱা কথা। ইয়াত কৈছিল যে বাজেট যদি কোষাগাৰ সম্পদেৰে উপচি থাকে তেতিয়া সামাজিক হিতৰ বাবে গ্ৰহণ কৰা আঁচনিবোৰ সহজে ৰূপায়ণ কৰিব পাৰি, কেৱল কঠোৰ পৰিশ্ৰমেৰে speed ফল লাভ কৰিবৰ বাবে যথেষ্ট নহয়। আমাৰ চৰকাৰ উদ্ভাৱনীমূলক পৰিকল্পনাৰে পুষ্ট, কেৱল যি কোনো পৰিমাণৰ কঠোৰ শ্ৰম কৰিবলৈ আমি প্ৰস্তুত, এই চৰকাৰেই কৈছিল। কিন্তু সমাজহিতৈষী কাম কৰিবলৈ কেৱল সেয়ে যথেষ্ট নহয়। বহু প্ৰয়োজনীয় ৰাজহ আহৰণৰ বাবে য'ত সাধ্য কৰিবলৈ আমি সাজু থাকিব লাগিব, তাৰ মানে ত্যাগ কৰিবলৈ সাজু থাকিব লাগিব বুলি তাত লিপিবদ্ধ কৰিছিল। ইয়াত আৰু কি কৈছিল যে বিগত কেইটামান বছৰত (অৰ্থাৎ তৰুণ গগৈ চৰকাৰৰ দিনত) বাজেট পৰিপূৰ্ণ হৈ আছিল ব্যক্তিগত হিতাধিকাৰী লাভা-লাভৰ বাবে প্ৰস্তুত কৰা আঁচনিৰে। তেনে আঁচনিৰে ৰাইজৰ ভড়াল তৰান্বিত কৰিব নোৱাৰে। বাকীখিনি মই নপঢ়ো। অধ্যক্ষ মহোদয়, এই বিজেপি চৰকাৰে লগতে কৈছে যে সমগ্ৰ ব্যৱস্থাটোৱে বাজেটৰ পবিত্ৰতা বহু পৰিমানে ম্লান কৰি পেলাইছে। আমি হিতাধিকাৰী প্ৰস্তুতেৰে ম্লান কৰি দিছিলো । আজি আমি ভাল পাইছো, আমি সমৰ্থন কৰিছো যে আজি এই চৰকাৰে লিখিছে যে মাহিলি ৮৩০ টকাৰে আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে, বৰ্তমান প্ৰতিমাহে ২০

লাখ ২১ হাজাৰ ৫০০ গৰাকী হিতাধিকাৰী লৈ ১৬৭.৭৮ কৌটি টকা মোকলাই দিয়া হ'ব। লগতে কৈছে যে আমি প্ৰতিতো পৰিয়াললৈ আগবঢ়োৱা সাহায্য এহেজাৰ টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহন কৰিছো আৰু এই আঁচনিৰ অধীনত ৬.৩৬ লাখ নতুন হিতাধিকাৰী আমি অন্তৰ্ভূক্ত কৰিছো। আমি কোনো আপত্তি কৰা নাই মাত্ৰ তেওঁলোকৰ ২০১৬ আৰু ২০২১ ৰ কথাখিনিহে উনুকিয়াব বিচাৰিছো। মোক যদি জি ডি পি ৰ কথা কয়, মই জি ডি পি কিমান আছিল কম, capital expenditure ৰ কথা কবলৈ কলে সেইখিনিও কম, মোক যদি revenue expenditure সম্পৰ্কত কবলৈ কয় সেইখিনিও কম। কিন্তু অধ্যক্ষ মহোদয়, ৮১ হাজাৰ কৌটি টকা ধাৰ আছেনে নাই সেইটো কলেই হ'ল। আমাৰ গাওঁৰ মানুহে জি ডি পি বুজি পায় নেকি ? আমাৰ মানুহে মিঠাতেল ২০০ টকা হৈছে সেইটোহে বুজি পায়। আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়া সকলকো মই ক'ব পাৰিম যে আমাৰ কংগ্ৰেছ চৰকাৰে Direct benifit চৰকাৰ কৰিছে। সূতা, কম্বল আমাৰ চৰকাৰে দিছে, ২৫ হাজাৰ টকা individual benifit দিছে, আমি বিধবা পেঞ্চন আৰু ঘৰৰ পেঞ্চন দিছো, আমি আপত্তি কৰা নাই। আপোনালোকে কৰা আপত্তিটো মনত পেলাইহে দিছো । মই কাকো আক্ৰমণ কৰা নাই নহয়। মই কৈছো যে আপোনালোকে কৈছিল যে পৰিত্ৰতাটো নষ্ট কৰে, আৰু আজি আপোনালোকে আৰু হিতাধিকাৰী বঢ়াইছেহে। সেই কথাটোকে মই কৈছো। আমাৰ সকলোৰে শ্ৰদ্ধাৰ স্বৰ্গীয় অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই লোকসভাত বক্তৃতা দিছিল, তেওঁ কৈছিল যে মোৰ ইয়াত লোকসভাত বহুতদিন হ'ল, মই যেতিয়া নতুন নতুন আহিছিলো, সেই সময়ত পণ্ডিত জৱহৰলাল নেহেৰু প্ৰধানমন্ত্ৰী আছিল। প্ৰধানমন্ত্ৰী নেহেৰু থাকোতে মই তীক্ষ্ণভাৱে সমালোচনা কৰিছিলো আপুনি এইফালেও কয়, সেই ফালেও কয় বুলি মই তেখেতক কৈছিলো। তেখেত মৌন হৈ বহি আছিল, আৰু মোৰ এতিয়াও মনত আছে শ্ৰদ্ধাৰ বাজপেয়ী ডাঙৰীয়াই কৈছিল, ভাষণ শেষ হোৱাৰ পিচত মোৰ ওচৰত আহি পিঠিত হাত থপৰিয়াই কৈছিল, আজিকালি তুমি ভাল ভাষণ দিয়া, এনেধৰণে তুমি আগবঢ়া। সেইটো আছিল আমাৰ culture. আজি আপোনালোকে মোকো কৈ আছে, ক'ব পাৰে, মাত -কথাই মানুহৰ পৰিচয়। আপোনালোকে কেনেকৈ মাত-কথা দিব, সেইটো আপোনালোকৰ পৰিচয়, মই নকওঁ মোৰ ও সেইটো পৰিচয়। গতিকে অধ্যক্ষ মহোদয়, এই বাজেটখনত উল্লেখ কৰি ২৬০০০ গাঁৱক আমি ১ কোটিকৈ টকা দিম কংগ্ৰেছে কি কৰিলে ? গোটেই টক শ্ব ই, টক শ্ব'। আগতে আমাৰ কি হয় অধ্যক্ষ মহোদয়, হালখাতা পাতে দোকান বিলাকত, হালখাতা পাতে আগৰ বাকীখিনি যেতিয়া দিওঁ, তেতিয়া আকৌ নতুন খাতা আৰম্ভ হয়। এই চৰকাৰখনে আগৰ বাকীবোৰ মাৰিলে নে নাই ? টু ইন টাৱাৰৰ কথা কৈছে, মই ৰিপিট নকৰো। ২৬০০০ হাজাৰ গাৱক ১ কোটি কৈ দিম বুলি কৈছিল। সেইটো দিলে নে নাই ? প্ৰথম বাজেটৰ লগত ২য় বাজেটৰ মিল নাই। ২য় বাজেটৰ লগত ৩য় ৰ মিল নাই। এতিয়া আপোনাক কৈছে ১ লাখ চাকৰি দিম, হয় ১ লাখ। ২৫ লাখ কৈছিল নহয়, সেই ২৫ লাখৰ পৰা ১ লাখ টো মাইনাচ নে ১ লাখটো প্লাছ।

(সদনত হুলস্থূল)

মানুহে চায়ে আছে, মানুহক কৈছো মিঠাতেলটো কমাব লাগে। আপোনালোকৰ ফালে কমাব নালাগিলে নালাগে। ইয়াত কমাওঁক। চৰকাৰ আপোনালোকৰ ফালে থাকক, আমাক নালাগে। আমি বেয়া কাম কৰিছো, আমি ইয়াতে থাকিম সদায়। আপোনালোকে মিঠাতেলৰ দামটো কমাই দিয়ক। মিঠাতেলৰ দাম ২০০ টকা হৈছে। গেছ ছিলিণ্ডাৰৰ দাম একেলগে ২৫.৫০ টকা বাঢ়িছে। এতিয়া বাজেট টো কিয় কৰে। বাকীখিনিটো চৰকাৰেই কাম কৰি থাকে। বাজেটটো এই কাৰণেই

কৰে, গণতান্ত্ৰিক শাসন ব্যৱস্থাত বিৰোধী পক্ষই চৰকাৰক এই কথাবিলাক কয়। চৰকাৰে মনযোগেৰে শুনে আৰু চৰকাৰে সেইখিনি নিৰাকৰণৰ দিহা কৰে, আৰু যদি নিৰাকৰণ কৰে, তাতে থাকিব, নিৰাকৰণ নকৰিলে, এনেকৈ জপিয়াই থাকিলে, ইয়ালৈ আহিব। কথাটো সেইটোহে। আমি কৈছো যে এই সময়খিনি ক'ভিড ১৯ ৰ সময়ত মানুহৰ হাহাকাৰ লাগিছে। মানুহৰ চাকৰি-বাকৰি গৈছে। ক'ভিড ১৯ ত দোকান খুলিছে, দোকান বন্ধ কৰিছে, বিক্ৰী নাই, অধ্যক্ষ মহোদয়, ৰাতিপূৱা গৈ ধূপ ধূনাদি দোকানখন খোলে, দোকানখনত বিক্ৰী নহয়। দোকানৰ বিক্ৰী ন'হলে, দোকানৰ স্বত্বাধিকাৰীয়ে যেতিয়া ঘৰলৈ যায়, তেতিয়া ল'ৰা-ছোৱালী, মাক-বাপেকে চাই থাকে কিমান বিক্ৰী হ'ল, বোলে আজি বহনীয়েই ন'হল। এক পইচাও নাহিল। ক'ৰ পৰা চলিব সেই ঘৰখন? আৰু যদি সেই স্বত্বাধিকাৰীৰ ঘৰখন নচলে, তেতিয়াহ'লে তেওঁৰ দোকানৰ কৰ্মচাৰীজনক কেনেকৈ দৰমহা দিব? আৰু কৰ্মচাৰীক যদি দৰমহা নিদিয়ে, তেতিয়া হ'লে, কৰ্মচাৰীৰ পৰিয়ালটো কেনেকৈ চলিব? সেই কথাটোকে কৈছো, কালি বিদুৎ মন্ত্ৰী ডাঙৰীয়াক দেখিলো, কালি মই অহা নাছিলো, তেওঁ Justify কৰিছে, যে কিছুমান মানুহে বিদ্যুৎৰ মাচুল বিল, দিয়ে আৰু কিছুমানে নিদিয়ে, এতিয়া বিদ্যুৎ বিভাগে এটা কৰিছে যে দিয়া মানুহখিনিৰো কাটি দিব, আৰু গোটেই ট্ৰেন্সফৰ্মাৰটো আকৌ নতুনকৈ দিব। কথাটো সহজতে এইটো এটা ট্ৰেন্সফৰ্মাৰত ১০০ জন মানুহৰ কানেকশ্যন আছে। তাৰে ২০ জন মানুহে পইচা দিছে, অৰ্থাৎ বিল দিছে, ৮০ জনে দিয়া নাই। এতিয়া ৮০ জনৰ লগত ২০ জনৰো কাটি দিলে। এইটোৰেই মই ক'ব বিচাৰিছো। অধ্যক্ষ মহোদয়, কথাটো এনেকুৱা যে এইটো এটা প্ৰাইকাৰী জৰিমনা হৈছে। এতিয়া টাউনত মই বিল দিয়াৰ পাছত, বা আমাৰ কোনোবাই বিল দিয়াৰ পাছত, কাৰোবাৰ সাহস আছে নে? কোনোবাই ট্ৰেন্সফৰ্মাৰ দিছে নে নাই বাদ দিয়ক, মোৰ লাইন কাটিবলৈ সাহস আছে? গাৱৰ মানুহ, প্ৰাইকাৰী জৰিমনা এই ব্যৱস্থাটো সলনি কৰক, আপোনালোকৰে ভাল হ'ব। এতিয়াও চৰকাৰৰ ৪ বছৰ ৮ মাহমান আছে। এই চিচটেমটোৱে আপোনালোকৰ গাৱত, মানুহৰ মন বিলাক বেয়া আপোনালোকে খবৰ লওঁক, হয়নে নহয়? আমি দেখুৱাইহে দিছো। আজি মই ট্ৰেন্সফৰ্মাৰৰ প্ৰাইকাৰী জৰিমনাই মানুহৰ হাহাকাৰ লগাইছে, আৰু আগতে অধ্যক্ষ মহোদয়, ৰাজীৱ গান্ধী বৈদ্যুতিক আঁচনি আছিল। এতিয়া দীনদয়াল বৈদ্যুতিক হৈছে। মানুহে পাইছে নাপাইছে, সেইটো বিৰ্তকলৈ মই যোৱা নাই। এতিয়া কথাটো হ'ল অধ্যক্ষ মহোদয়, কিছুমানক বি পি এল কানেকশ্যন দিয়ে। ফ্ৰী কানেকশ্যন পায় কিন্তু বিলটো বি পি এল কানেকশ্যন ৰ দিব লাগে। সেইটোৱে নিয়ম। যি জনক আমি বি পি এল কানেকশ্যন দিলো তেওঁলোকে যোৱা ৫ বছৰ বিল নিদিলে, বিল আহিলেহে দিব। আমাৰ ঘৰতো আমি বিল আহিলেহে দিওঁ। নাহাৰ ফলত এতিয়া ৫ বছৰৰ একেলগে বিল দিছে, কাৰোবাৰ ২০ হাজাৰ হৈছে, কাৰোবাৰ ৩০ হাজাৰ হৈছে, কাৰোবাৰ ১ লাখ হৈছে। মই কোৱা নাই, মৃণাল শইকীয়াৰ এটা টি ভি ত দেখিছিলো মই। গাঁৱৰ সমস্যা এই বিলাক। আপোনালোকেও ভাল পাব লাগে। মই কোৱাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাৰ বিধায়কৰ ইন্টাৰেষ্ট ফাণ্ডটো মুকলি কৰি দিছে। মই ৰাজহুৱা ভাবে ধন্যবাদ দিম। সেইখিনি মোৰ সাহস আছে। সেইখিনি সকলোৰে উপকাৰ হৈছে। আজি এই প্ৰাইকাৰী জৰিমনা কৰিছে অধ্যক্ষ মহোদয় এজন এজন মানুহে ২০ হাজাৰ ৩০ হাজাৰ টকা ক'ৰ পৰা দিব। খবৰ লওঁক। মাটি বেচিছে, ইটো বেচিছে, সিটো বেচিছে, হাহাকাৰ লাগিছে। গতিকে অধ্যক্ষ মহোদয়, আমি গম পাইছো, এই বাজেটত ক'ভিড ১৯ আহিছে, বিভিন্ন সময়ত টকা পইচাৰ অসুবিধা হৈছে। কৰমুক্ত বাজেট, মই ব্যক্তিগতভাবে চাপ'ৰ্ট নকৰো। মদত টেক্স লগাওঁক। ধনী মানুহৰ টেক্স লগাওঁক। দুখীয়া মানুহৰ মিঠাতেল দাম কমাই দিয়ক। দুখীয়া মানুহে

ব্যৱহাৰ কৰা  বস্তুৰ দাম আপোনালোকে কমাই দিয়ক। আৰু ভেকচিনটো দিয়ক। ভেকচিনটো দিয়ক মানুহ বিপদত পৰিছে, কাৰণ বহুত মানুহ মৰিছে। মই সেই দিনাও কৈছো, চৰকাৰেও হয়টো নিৰ্দেশ দিছে, সঠিক ৰিপোর্ট টো ইয়াত অহা নাই। এজন মানুহৰ তাত গৈছিলো। চৰকাৰে কলে, চৰকাৰৰ বিভাগে কলে যে এজন চাহ বাগিচাৰ মানুহ মৰিছে।  মই মৰাৰ ঘৰত খবৰ কৰিব গলো, কিন্তু গম পালো, যে এজন মৰা নাই ৩ জন মৰিছে। চৰকাৰৰ ঘৰত হিচাপটো এটা আছে। মই নকওঁ যে চৰকাৰে এইটো লুকুৱাব বিচাৰিছে। লুকুৱালে নো কি হ'ব ? চেষ্টা  কৰিছে মই সেইটো বিনাদ্বিদ্ধাই কম।  মেডিকেল কলেজত বহু ক্ষেত্ৰত ভাল চিকিৎসা হৈছে বিনাদ্বিধাই কম । ভাল চিকিৎসা হৈছে। কিন্তু মানুহক যিমান পৰীক্ষা কৰিব লাগিছিল কৰা নাই। গাৱৰ মানুহৰ ফাৰ্মাচী বিলাক চাওঁক, দীঘলীয়া লাইন, কি হৈছে? বোলে জ্বৰৰ ঔষধ, জ্বৰৰ ঔষধ।  তুমি পৰীক্ষা কৰিছা ? বোলে পৰীক্ষা কৰা নাই। এই পৰীক্ষাটোৰ ব্যৱস্থা কৰক আৰু আমাৰ ভেকচিনটো দিয়ক। বহু ক্ষেত্ৰত আমি কলেই ন'হব পাবও লাগিব। এইটো দিয়াৰ ব্যৱস্থা কৰক। এতিয়া মই অৰুনোদয় আঁচনিত যে চাইনবোৰ্ডখন দি কৈছে, যে লিখি ল'ম। কিন্তু চাবচোন আমাৰ মানুহখিনি অলপ সংস্কৃতিবান। অলপ স্ব অভিমান আছে। সেই টকাটো লোৱাটো ১০০০ টকালৈ বাহিৰত চাইনবোৰ্ড এখন দিয়াৰ কথা কৈছে আমি ২৫০০০ টকাকৈ দিছিলো। কিন্তু তেনেকুৱা নাছিল। আপোনালোকৰ সিদ্ধান্ত। চাইনবোৰ্ডখন নিদিলে ভাল হয় নেকি ? কথাখিনি চাব।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** আপোনালোকে চাইনবোৰ্ডখন নিদিলে ভাল হয় নেকি ? কথাখিনি আপোনালোকে চাব। এই বিলাক খোচ মৰা কথা মই নকওঁ। পজিটিভলী কিছুমান কথা কৈছো অধ্যক্ষ মহোদয়। এইখিনি যদি কৰে মই ভাৱো যে চৰকাৰখনৰ ভাল হ'ব আৰু আমাৰ বহুকেইজন বক্তাই ক'বলৈ সদনত উপস্থিত আছে গতিকে মই দীঘলীয়া নকৰি এটা বাক্যত কথাখিনি শেষ কৰিব খুজিছো। কথাটো হ'ল আমাৰ চৰকাৰে  বাৰে বাৰে  ভেঞ্চাৰ বুলি কয়। গতিকে এই বাজেট খনক বহুতে ক'ব বিচাৰিছে যে স্কুলৰ ভেঞ্চাৰ, বেমাৰৰ কেঞ্চাৰ, চাইকেলৰ পাংচাৰ এইখন চৰকাৰৰ এইখন বাজেট লেকচাৰ। এইবিলাকৰ কোনো নাই এনচাৰ। ধন্যবাদ

(সদনৰ হাঁহিৰ ৰোল উঠে)

**শ্ৰীইউ জি ব্ৰহ্ম (চাপাগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদিও মই মন্ত্ৰী মণ্ডলীৰে এজন তথাপিও কেইটামান কথা ক'বলৈ  থিয় হৈছো। মই ইউ পি পি এলৰ এজন নিৰ্বাচিত সদস্য। প্ৰথমতে মই এটা কথা ক'ব খুজিছো যে অসমৰ ইতিহাসত প্ৰথম মহিলা বিত্ত মন্ত্ৰী তেওঁ এই বাজেটখন প্ৰদান কৰিছে। এইটো লৈ বহুখিনি চৰ্চা হৈ গ'ল। ভাৰতৰ যেতিয়া নিৰ্মলা সীতাৰমন বিত্ত মন্ত্ৰী হৈছিল তেতিয়াও বহুতো প্ৰশ্ন আহিছিল যে কি কৰিব। কিন্তু আজি বাজেটখন প্ৰদান কৰাৰ পিছত বিত্ত মন্ত্ৰী বাইদেউয়ে এইটোৰে প্ৰমান কৰিছে যে তেওঁ এগৰাকী মহিলা বিত্তমন্ত্ৰী হোৱাৰ কাৰণে নহয় তেওঁ এগৰাকী সবল নেতৃত্ব প্ৰদান কৰিব পৰা এগৰাকী মহিলা। এই ব্যক্তিত্বৰ কাৰণে অভিনন্দন জনাওঁ। এই বাজেটে আমাক আশা দিছে। অসমৰ ১ লাখ নিবনুৱা যুৱক- যুৱতীক সংস্থাপন দিয়াৰ প্ৰতিশ্ৰুতিৰে নিৰাশাৰ মাজত এটা আশা কঢ়িয়াই আনিছে। আস্থা দিছে। কৰোণা মহামাৰীৰ বাবে গোটেই দেশতে যিখিনি জুৰুলা অৱস্থা এটা  আহি পৰিছিল এই অৱস্থাটোও কিন্তু  এই বাজেটৰ দ্বাৰা দিয়ে আমাৰ চৰকাৰে যে সদায় দুখীয়া মানুহৰ লগত আছে সেইটো প্ৰতিপন্ন কৰিছে। ক'ভিড-

১৯ ত মৃত্যুবৰণ কৰা পৰিয়ালৰ বিধৱা মহিলাসকলক আৰ্থিক সাহায্য দিয়া, শিশুসকলক পুষ্টিকৰ খাদ্যৰ বাবে আৰ্থিক সাহায্য দিছে। আজি এইটোৱে প্ৰমাণ কৰিলে যে চৰকাৰ সদায় দুখীয়া মানুহৰ লগত আছে। যিবিলাক পৰিয়াল ক'ভিডত ভুক্তভোগী হৈ বিনষ্ট হৈ গ'ল সেই পৰিয়ালবিলাকৰ দায়িত্ব আমাৰ চৰকাৰে ল'ব। নিৰ্বাচনৰ সময়ত যি প্ৰতিশ্ৰুতি দিছিল সেই সকলোবোৰ প্ৰতিশ্ৰুতি পূৰণ কৰিব পৰা বাজেট বুলি মই ভাৱো গতিকে এইখন বাজেট সম্পূৰ্ণ শুদ্ধ আৰু এইখন বাজেটে ৰাজ্যৰ ভৱিষ্যত নিৰ্মাণ কৰিব বুলি মই ভাৱো। ১ লাখ যুৱক-যুৱতীক সংস্থাপন দিয়াটো এটা কেৱল পলিটিকেল কমিটমেন্ট নহয় ইতিমধ্যে বিভাগীয় পৰ্য্যায়ৰ পৰা ভেকেঞ্চীবিলাকৰ লেখ লোৱা প্ৰক্ৰিয়া হয়তো আৰম্ভ কৰা হৈছে। এইখন চৰকাৰ আহিছিল খিলঞ্জীয়া ভুমিপুত্ৰবিলাকৰ বাবে নিৰাপত্তা আৰু অধিকাৰৰ শ্লোগানটো আগত ৰাখি । আগতেও জাতি-মাটি-ভেটি বুলি এটা শ্লোগান ৰাখিছিল তেতিয়া কোৱা হৈছিল যে কোনো ভূমিপুত্ৰ বা খিলঞ্জীয়া মানুহ ভূমিহীন হৈ থাকিব নালাগে। তেওঁলোক অধিকাৰৰ পৰা বঞ্চিত হ'ব নালাগে। তেওঁলোকৰ ভাষা-সংস্কৃতি, কলা আদি জীয়াই ৰাখিবলৈ চৰকাৰে কাম কৰি যাব। এই বাজেটত আমাৰ ভূমিপুত্ৰ আৰু খিলঞ্জীয়া লোকৰ বাবে যি পদক্ষেপ লৈছে তাৰ বাবে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী ডাঙৰীয়ানীক অন্তৰৰ পৰা ধন্যবাদ জনাইছো। মই ভাৱো যে এই পদক্ষেপৰ দ্বাৰা আমাৰ ভূমিপুত্ৰসকলৰ আশা আকাঙ্খা আৰু বৃদ্ধি হৈছে বুলি মই ভাৱো। লগতে আজি মই এইখিনিও ক'ব বিচাৰিছো যে আমাৰ ৰাজ্যৰ জনসাধাৰণৰ নিৰাপত্তাৰ বাবে শিশুসকলৰ নিৰাপত্তা, বয়োজ্যেষ্ঠ সকলৰ নিৰাপত্তা লগতে দুৰ্বল আৰু মহিলা সকলৰ নিৰাপত্তাক লৈয়ে এইখন বাজেট তৈয়াৰ কৰা হৈছে। এইখন বাজেট সম্পূৰ্ণ ৫ বছৰৰ কাৰণে এটা ভিজন ডকুমেন্ট- যিটো কোৱা হৈছে সেইখিনি সঁচা হৈছে। এই বাজেটত আমাৰ বিত্তমন্ত্ৰী গৰাকীৰ এখন মাতৃ হৃদয় প্ৰতিফলিত হৈছে। লগতে তেওঁ শক্তিশালী আৰু সবল নেত্ৰী হিচাপে নিজকে প্ৰমাণ কৰিব পাৰিছে। তাৰ কাৰণে মই তেখেতক অভিনন্দন জনাইছো। পাৰ্টিকুলাৰলী মই বি. টি. এ.ডি অঞ্চলৰ পৰা আহিছো গতিকে মই ক'ব বিচাৰিছো যে, আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াও আছে- শান্তি প্ৰতিষ্ঠা প্ৰতিখন চৰকাৰৰ বাবে এটা ডাঙৰ প্ৰত্যাহ্বান। ৰাজনৈতিক ভাৱে আমি বহুতো কমিটমেন্ট দিও। ২০২০ চনৰ জানুৱাৰী ২৭ তাৰিখে যিখন চুক্তি হ'ল সেইখন কেৱল এখন চুক্তি নহয়। বাস্তৱত এইটো আখৰে আখৰে ৰূপায়ণ কৰাৰ দ্বাৰাই ইয়াত আমি শান্তি ঘুৰাই আনিব পাৰো, গতিকে তাৰ কাৰণে আমি প্ৰতিশ্ৰুতিবদ্ধ। লগতে এই চুক্তিৰ দ্বাৰাই সমগ্ৰ অসমত বাস কৰা বড়োসকলৰ উন্নয়নৰ কাৰণে BKWAC গঠন কৰা হ'ল। এতিয়া আমাৰ চৰকাৰৰ সন্মুখত এটা দায়িত্ব আহি গ'ল। সেই এৰিয়াবিলাকক কেনেকৈ উন্নয়ন কৰিব পাৰি। লগতে কাৰ্বি আংলং, ডিমাহাচাওত আজি নতুনকৈ উগ্ৰপন্থীৰ যি সমস্যাৰ সৃষ্টি হৈছে সেইবিলাক সমস্যা বা উগ্ৰবাদীক দমন কৰাটো আগৰ তুলনাত আমি এটা বেলেগধৰণে চেষ্টা কৰিব লাগিব। আমি এই বিশ্বাসটো ল'ব লাগিব। যিসকল উগ্ৰপন্থী তেখেতসকলো আমাৰ সমাজৰে মানুহ। তেখেতসকলৰ সমস্যাবোৰ আমি সমাধান কৰিব নোৱাৰাটো নহয়। কিন্তু অলপ জটিলতা আছে। আমি কি এপ্ৰোছত আগবাঢ়ি গ'লে সমস্যাটো সমাধান কৰিব পাৰিম। এতিয়া হেণ্ডলুম টেক্সটাইল চেক্টৰৰ মন্ত্ৰী হিচাপেও মই বিত্তমন্ত্ৰী বাইদেউক ধন্যবাদ দিম। এই চেক্টৰত ৩৭৭.১৮ কোটি টকা ধাৰ্য্য কৰিছে আৰু ইয়াৰ লগত এটা প্ৰতিশ্ৰুতি দিছে। আমাৰ গাঁৱৰ শিপিনী সকলে বোৱা কাপোৰ অসম চৰকাৰে কিনিব। লগতে আৰ্টফেড- আৰু এ জি এম চি জৰিয়তে ১০০ কোটি টকা দিব বুলি কোৱা হৈছে। তাৰ দ্বাৰা গাঁৱৰ শিপিনীসকলে এখন বজাৰ পাব। তাৰ লগতে আৰ্থিক সাহায্যও তেওঁলোকক দিয়া হ'ব। আমি ডিপাৰ্টমেন্টৰ ফালৰ পৰা এটা প্ৰস্তাৱ দিছো যে

ইন্টিগ্ৰেটেড হেণ্ডলুম পাৰ্ক যিখন ৬ কোটি টকীয়া পাৰ্ক কাজিৰঙাত আছে সেইটো সম্পূৰ্ণ কৰিব লাগে। চ'চিয়েল কনৰ্জাভেশ্যনৰ প্ৰজেক্টত আমাক কিছু টকা দিছে তাৰ বাবে আপোনাক ধন্যবাদ দিছো। কিছুমান প্ৰস্তাৱনা আছিল যে অসমত ৫ টা ডিভিজনেল অফিচ বনাব লাগে। সঠিকভাবে কাম কাজ পৰিচালনা কৰিবলৈ সেইখিনিও ভৱিষ্যতে বিবেচনা হ'ব বুলি মই ভাবো। মই এগৰাকী সদস্যই হওঁক বা এজন মন্ত্ৰী হিচাপে হওঁক আজি এই সদনত প্ৰথম বাৰৰ বাবে মোৰ বক্তব্য ৰাখিছো। এইখন বিধান সভাত প্ৰথম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাজেট বক্তৃতাত সাধাৰণতে মুখ্যমন্ত্ৰী বিত্তমন্ত্ৰী হৈ নাথাকিলে অংশ গ্ৰহণ নকৰে আৰু বাজেটৰ উত্তৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে দিব। মই খালি অকনমান আমাৰ দলৰ কাৰণে যিখিনি time allocation আছিল তাৰ পৰা মই কিছু কথা ক'ব খুজিছো। যিখিনি ৰেকৰ্ডত থকাটো অত্যন্ত প্ৰয়োজন। পোনপ্ৰথমে মই সঁচা অৰ্থত গৌৰৱ অনুভৱ কৰিছো যে মই মুখ্যমন্ত্ৰীত্বৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত এগৰাকী মহিলা বিধায়িকাক বিত্তমন্ত্ৰীৰ দায়িত্ব দি অসমৰ বাৰ্ষিক বাজেট উত্থাপন কৰাৰ বাবে তেখেতে যি গৌৰৱ অৰ্জন কৰিলে তাৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিচাপে আৰু এজন নাগৰিক হিচাপে অত্যন্ত গৌৰৱ অৰ্জন কৰিছো। মই অজন্তা নেওগ ডাঙৰীয়ানীক তেখেতৰ মাতৃত্বৰ মমতাময়ী আৰু মাতৃত্বৰ স্পৰ্শৰে ক'ভিডৰ এই ভয়ঙ্কৰ বিপদৰ সময়ত যি সাহসেৰে ১লাখ ৭হাজাৰ কোটি টকা ব্যয় সাপেক্ষে এখন বাজেট সদনত দাখিল কৰিলে, তাৰ বাবে মই তেওঁক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। সাধাৰণতে মই দেখিছো আমাৰ শিৱসাগৰ সমষ্টিৰ পৰা নিৰ্ব্বাচিত হৈ অহা বিধায়ক অখিল গগৈ ডাঙৰীয়াই এটা প্ৰশ্ন কৰিছিল। তেওঁ নতুনকৈ আহিছে কাৰণে বুজি পোৱাত অসুবিধা হৈছে যে যোৱাবাৰ ১লাখ ২২ হাজাৰ টকাৰ বাজেট আছিল। এইবাৰ ১লাখ ৭ হাজাৰ কেনেকৈ হ'ল? আচলতে বাজেটৰ ছাইজ কিমান হয় সেইটো এই মূহুৰ্ততত নিৰূপিত নহয় আৰু দুখনকৈ চাপলি্মেণ্টৰী ডিমাণ্ড আহিব আৰু তাৰ পিছতহে এক্সুৰেলি বাজেট কিমান আছিল সেই বিষয়ে নিৰূপিত হ'ব। যোৱাবাৰৰ যদি বাজেট দেখে **৯৯** হাজাৰ কোটিৰ মই বাজেট দিছিলো আৰু মাৰ্চত গৈ বাজেটখন **১** লাখ **২২** হাজাৰ টকা হ'লগৈ With Supplementary। সেইকাৰণে বাজেটৰ ছাইজৰ ওপৰত আজি বিতৰ্ক নহ'য়, বাজেটৰ ছাইজৰ ওপৰত মাৰ্চত যেতিয়া ফাইনেল চাপ্লিমেণ্টৰী আহিব তেতিয়া In fact অহা **১০** তাৰিখে এই হাউচ চলি থাকোতে আমি আৰু এখন চাপ্লিমেণ্টৰী আনি আছো। Within this current budget session। অৰ্থাৎ এই বাজেট চেছনেই বাজেটৰ ছাইজ **১** লাখ **১০** হাজাৰ টকালৈকে বৃদ্ধি হ'ব। কিয় আনিবলগীয়া হৈছে সেই বিষয়ে আমি দৃষ্টি নিক্ষেপ কৰিম। বিৰোধী দলপতি গৰাকীয়ে আমাক সোঁৱৰাই দিছে যে আপোনালোকে বাজেটৰ কথাবিলাক পালন নকৰে। মই ভাৱো যে বহুত ক্ষেত্ৰত বিৰোধীয়ে আমি কৰা ভাল কামবিলাকৰ খবৰ নাৰাখে কাৰণে আমি কি কি কাম কৰি আছো গম পোৱা নাযায়। এটা কথা কোৱা হ'ল যে যোৱাবাৰ আমি বিনামূলীয়া ইউনিফ'ৰ্মৰ কথা কৈছিলো। ইউনিফ'ৰ্ম দিয়া নাই। স্কুল মেনেজিং কমিটিবিলাকত খবৰ ল'লে গম পাব যে IX, X ৰ ইউনিফৰ্মৰ টকা জমা আছে। তাত মাৰ্চ মাহৰ আগতেই IX, X ৰ ইউনিফৰ্মৰ টকা আমি ৰিলিজ কৰি দিছো আৰু টকাৰ পৰিমাণটো মই ক'বই পাৰো। কিন্তু ক'ভিডৰ কাৰণে ল'ৰা-ছোৱালীবিলাক যিহেতু স্কুলত যোৱা নাই, গতিকে স্বাভাৱিকভাৱে স্কুল মেনেজিং কমিটীয়ে তেওঁলোকৰ জোখ ল'ব পৰা নাই। গতিকে আমাৰ ফালৰ পৰা ৪৫ কোটি ৪৮ লাখ টকা, ৬,৫০,৭৯২ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ক্লাচ IX আৰু X ৰ বিনামূলীয়া

ইউনিফৰ্মৰ কাৰণে মাৰ্চৰ আগতে আমি ৰিলিজ কৰি দিছো। যোৱাবাৰ বাজেটৰ একশ্যন টেকেন ৰিপোৰ্ট আমি এতিয়া দিমহে জুলাই মাহত। এতিয়ালৈকে মাৰ্চৰ **৩১** তাৰিখে যি টকা আহিল, তাৰ একশ্যন টেকেন ৰিপোৰ্ট । তাৰ আগৰবাৰ সেইটো এনাউঞ্চমেণ্টত নাছিল। এইটো **২০২০-২১ৰ।** গতিকে এটা প্ৰয়াস হয়। বাজেটত উল্লেখ কৰা প্ৰত্যেকটো কাম যে ইমপ্লিমেণ্ট কৰিব পাৰি। যদি বিৰোধী দলে বিচাৰে, বাজেটখন ৰিচাৰ্চ কৰে যে কি কি হোৱা নাই? নিশ্চয়কৈ দুই-তিনিটা পইণ্ট পাব। কিন্তু যদি কংগ্ৰেছৰ বাজেটবিলাক ৰিচাৰ্চ কৰে তেতিয়াহ'লে এনেকুৱা পাব ৯০ শতাংশই হোৱা নাছিল।আমাৰ মনত আছে, তেখেত আমাৰ মাজত নাই। প্ৰাক্তন মুখ্য মন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই কৈছিল যে, মোৰ পাঁচ বছৰ হৈ গ'ল এবাৰ বিহুত মই সকলোকে নগদ টকা দি দিম। এটা বহু ডাঙৰ প্ৰমিজ আছিল, কিন্তু মানুহেতো এটকাও নাই পোৱা। গতিকে আমাৰ কথাটো হ'ল ২০০১ চনৰ পৰা ২০২০ চনলৈ যদি এটা পৰ্য্যালোচনা কৰা হয়, তেতিয়াহ'লে দেখিব সদনৰ পবিত্ৰতা বাঢ়িছে। সদনত বিত্ত মন্ত্ৰীয়ে যি promise কৰে আগতে তাত ১০ শতাংশ ৰখা হৈছিল। এতিয়া গৈ গৈ সেই promise ৰখাটো গৈ ৮০ শতাংশত ভৰি দিছে আৰু এইটো মই দায়িত্ব সহকাৰে কৈছো ২০০১ চনৰ পৰা বাজেট বিলাক যদি analysis কৰে,১০ বুলি কওঁতে litarary কৈছো, কিন্তু যদি একেবাৰে পইণ্ট পইণ্ট যোগ কৰে কেতিয়াবা ভাত চাহ খাওঁতে ৰকিবুল হুছেইন ডাঙৰীয়াৰ লগত মই বহি লম যে ২০০১ চনৰ পৰা ২০১৫ চনৰ বাজেট যেতিয়া দিছিল তাৰ implementation percentage আৰু আজি আমাৰ যিটো implementation percentage. তাতকৈ ডাঙৰ কথা, বিৰোধী দলপতি গৰাকীৰ সদনৰ গণতন্ত্ৰ ৰক্ষা কৰা তেখেতৰ এটা ডাঙৰ দায়িত্ব। এটা উদাহৰণ দিয়ক, যে ভাৰতত কোনখন ৰাজ্য আছে, যিখন ৰাজ্যৰ বিত্ত মন্ত্ৰীয়ে বাজেট দি সাহসেৰে action taken report দিয়ে। মই এইখিনি কাম কৰিলো বুলি আৰু নকৰাখিনিও কয় যে, আমি কৰিব পৰা নাই। যোৱাবাৰ অষ্টাদশ উন্নয়নৰ মুকুতাৰ মালাৰ কথা কোৱা হৈছিল। তাত আমি কৈছিলো যে, নুমলীগড়ৰ শ্বেয়াৰ কিনিম। কিনিলো নে নাই। আমিতো কিনিলো। তাতে কোৱা হৈছিল অন্ন যোজনা আমি আনিম। বিনামূলীয়া চাউল দিম। দিলো নে নাই। দিলো। জ্যোতিষ্মান আচাম কৰিম আজি ৩০ ইউনিটলৈকে বিজুলী ৰেহাই পায় নে নাপায়। পায়। আজি আমি কৈছিলো, স্বামী বিবেকানন্দ স্বয়ম আঁচনি কৰিম। কৰিলো নে নাই। কৰিলো। তাৰ পাছত আমি ক'লো চাহ বাগিচাৰ ধন পুৰস্কাৰ দিম। দিলো নে নাই। দিলো। তাৰ পাছত আমি কৈছিলো ৰেলফেয়াৰ স্কীমত টী-ট্ৰাইব আদিবাসীৰ যিমান লিষ্টত কৈছিলো গোটেইখিনি হ'ল। তাৰ পাছত আমি কৈছিলো অৰুন্ধুতী স্কীম লাগু হৈ গ'ল। তাৰ পাছত আমি কৈছিলো Comprehensive Social Security Scheme কনকলতা ইন্দিৰামিৰি বিধবা পেঞ্চন দিলো নে নাই। দিলো। তাৰ পাছত আমি কৈছিলো কনকলতা মহিলা সৱলীকৰণ যোজনা কৰিম। ৭০০ শ কোটি টকা ২৫ হাজাৰ, ২৫ হাজাৰ ৫০ হাজাৰ টকা Self Help Group ক দিলো নে নাই? দিলো। অসম মালা কৰিম বুলি কৈছো। কৰিলো নে নাই? কৰিলো। তাৰ পাছত প্ৰজ্ঞান ভাৰতী স্কুটি দিম বুলি কৈছিলো, দিলো। ছোৱালী বিলাকে ইমান ধুনীয়াকৈ স্কুটি চলাই থাকে। তাৰ পাছত আমি কৈছিলো Assam Cancer Care Foundation কৰিম, গোটেই হস্পিটাল বিধায়ক শ্বেৰমান দাই কেইদিনমান আগতে চাইয়ে আহিছে কেঞ্চাৰ হস্পিতাল ইমান দোপত-দোপে আগবাঢ়ি আহিছে। অহা ২৪ তাৰিখে কিছু কাম হ'ব। ভ্ৰমণ সাৰথি, ব্লু বাছ গুৱাহাটীত চলিছে নে নাই? চলিছে। অসম দৰ্শন, নাম ঘৰে ঘৰে টকা পালে নে নাই? পালে। যুৱ আৰোহণ স্কীম হ'ল নে নাই? আজি সোণালী শস্য ভূপালী পাঠশালা আমি যিবিলাক স্কুলত টকা দিয়াৰ কথা

আছিল আপোনালোকে মেনেজিং কমিটিত খবৰ কৰিব। সকলোতে টকা গুচি গ'ল। Teacher Provincialise ২৯ হাজাৰ শিক্ষক, সম্পূৰ্ণ হ'ল নে নাই? অৰুণোদয় দিয়া হ'ল নে নাই? এতিয়া মোক কওঁক ১৮ টাৰ কোনটো কাম আমি কৰা নাই। আজি কোন বিত্ত মন্ত্ৰী আছে যে ১৮ টাৰ ১৮ টাই আৰু ১০০ ৰ ওপৰত ১০০ নম্বৰ পোৱা কোন বিত্ত মন্ত্ৰী ইয়াত আছে? আৰু যি ধৰণে ৰকিবুল হুছেইন ডাঙৰীয়াই ক'লে যে এক কোটি দিম বুলি কৈছিল আপোনালোকে দিয়া নাই অমুক কৰা নাই তমুক কৰা নাই। মানুহে আমাক এনেয়ে ইয়াত ভোট দি পঠাই দিলে নেকি? আচৰিত কথা। অলপ আগতে ৰকিবুল হুছেইন ডাঙৰীয়াৰ ভাষণটো শুনি আছিলো। এনেকুৱা লাগে যেন তেওঁ চৰকাৰৰ ফালৰ পৰা কৈ আছে আমিহে বিৰোধীত বহি আছো। তেনেকুৱা হোৱা নাই নহয়। অসমৰ মানুহে স্বীকাৰ কৰিছে যে বাজেট হওঁক প্ৰতিশ্ৰুতি পূৰণৰ বাবে। We are doing much better then the Congress . আজি কংগ্ৰেছৰ ভোট যিধৰণে সিঁচৰিত হৈ আছে আৰু আমি সীমিত সাধনৰ মাজত আমাৰ বিধায়ক সকলে যিধৰণে চিক্সাৰ বাউণ্ডেৰী কোবাই খেলি জিকি আহিছে আপোনালোক নিজেই compare কৰক। আমাৰ সাধন সীমিত। আমি জনীয়াত যাব নোৱাৰো, বাঘবৰত যাব নোৱাৰো। আমাৰ সিমীত সাধনৰ মাজত আমি যিটো স্ক'ৰ কৰি জিকি আহিছো, এনেইতো কেতিয়াও মানুহে ভোট নিদিলেহেঁতেন। আজি আ পোনালোকে প্ৰায়ে বাজেট বক্তৃতাৰ সময়ত আমি কিছুমান কথা নকৈ যে ইমান হাজাৰ কোটি টকা ল'ণ মূৰৰ ওপৰত আছে। অধ্যক্ষ মহোদয়,. লোনৰ গণনা তেনেকৈ নহয়। ভাৰতীয় সংবিধানৰ Article 292 মতে এখন ৰাজ্যই কিমান টকাৰ ঋণ ল'ব সেইটো কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰে। That is not on me. এজন সফল ব্যৱসায়ীয়ে যদি বেংকৰ পৰা ঋণ নলয়, তেন্তে সম্পদ কেনেকৈ বাঢ়িব। আজি মুকেশ আম্বানী, টাটাৰ মূৰৰ ওপৰত সকলোতকৈ বেছি ঋণ আছে। তেওঁলোকৰ ঋণ পৰিশোধ কৰিব পৰা ক্ষমতা বেছি কাৰণে বেংকে তেওঁলোকক ঋণ দিয়ে। প্ৰতিজন মানুহৰ মূৰৰ ওপৰত কিমান ঋণ আছে বুলি যি প্ৰশ্ন কৰা হয়, সেইটো যদি আমি ওলোটাকৈ প্ৰশ্ন কৰো যে প্ৰতিজন মানুহৰ মূৰৰ ওপৰত সম্পদ কিমান আছে, তেতিয়া হিচাপখিনি ওলাব। এই বছৰ প্ৰতি গৰাকী মানুহৰ মূৰৰ ওপৰত সম্পদ হৈছে ৩ লাখ ৫০ হাজাৰ কোটি টকা। তাৰ বিপৰীতে আমি ঋণ ল'ম ১৮ হাজাৰ কোটি টকাৰ । যদি প্ৰত্যেকজনৰ সম্পদ বেছি আছে তেন্তে সম্পদৰ বিপৰীতে ঋণ লোৱাত কোনো আপত্তি নাই। মই দেৱব্ৰত শইকীয়া আৰু ৰকিবুল হুছেইন ডাঙৰীয়াক কেতিয়াবা পঞ্জাব ৰাজ্যলৈ যোৱাৰ বাবে অনুৰোধ কৰিছো। সেইখন কংগ্ৰেছ শাসিত ৰাজ্য। পঞ্জাবত Debt GSDP Ratio হ'ল ৩৯.৯% । আন এখন কংগ্ৰেছ শাসিত ৰাজ্য ৰাজস্থানৰ Debt GSDP Ratio হ'ল ৩৩.০৬ শতাংশ। কেইদিনমান আগত, আমাৰ এগৰাকী বিধায়কে মমতা বেনাৰ্জীক লগ কৰিবলৈ গৈছিল, লগ পালে নে নাই নাজানো। পশ্চিম বংগত Debt GSDP Ratio হ'ল ৩২.৬ শতাংশ। আনহাতে, অসমত Debt GSDP Ratio হ'ল মাত্ৰ ১৮.০৯ শতাংশ। So, we are much better fiscally managed state than any other Congress ruled state in this country. তাৰ পিছতো কেতিয়াবা কয় যে অসম পাঁচখন ৰাজ্যৰ ভিতৰত আহিছে নে নাই? Even, Gujarat's debt GSDP ratio is 19.2%. This is the estimate as of now, as I am speaking. It was concluded in 31st March. This is the report from the Comptroller & Auditor General. গতিকে, অধ্যক্ষ মহোদয়, অসমে যিকোনো সময়তে GDP ৰ ২৮.০৫ শতাংশ ঋণ ল'ব পাৰে। এইটো কেন্দ্ৰীয় চৰকাৰে fix কৰিছে। কিন্তু, আমি ২২ শতাংশহে ঋণ লৈছো। তাৰ মানে অহা বাজেটত

যদি মই আমাৰ মুঠ GSDP ৰ পৰা আৰু ৬ শতাংশ ঋণ ল'ব বিচাৰো, তেন্তে ল'ব পাৰিম। কেৰেলা, মহাৰাষ্ট্ৰৰ ক্ষেত্ৰত যদি আমি চাবলৈ যাওঁ, মহাৰাষ্ট্ৰ হ'ল ভাৰতৰ আটাইতকৈ ধৰুৱা ৰাজ্য। কিন্তু, ই এখন ধনী ৰাজ্যও। গতিকে যিমানে ধনী হ'ব, সিমানে ধাৰ ল'ব পাৰিব। মহাৰাষ্ট্ৰৰ চৰকাৰেও ধাৰ লয়। আকৌ, মহাৰাষ্ট্ৰৰ Urban Development Society, Power Society ৰ যিমান utility আছে, সকলোৱে ধাৰ লয়। আমাৰ ৰাজ্যই ধাৰ লোৱাৰ ক্ষমতা অনুপাতে ধাৰ লোৱা নাই, সেয়েহে বহু ক্ষেত্ৰত আমি অনুন্নত হৈ আছো। যদি বিনিয়োগেই নহয় তেন্তে return ক'ৰ পৰা হ'ব? সেয়েহে মই ভাবো যে, এই বিষয়বোৰত সাধাৰণ মানুহক বিপথে পৰিচালিত কৰাতকৈ প্ৰথমে যদি বিৰোধী দলপতি সকলে বা আমাৰ বিধায়ক সকলে যদি কংগ্ৰেছ শাসিত ৰাজ্যসমূহৰ বিত্ত মন্ত্ৰী সকলৰ লগত কথা পাতে, then, you will be able to appreciate our position. কাৰণ কংগ্ৰেছ শাসিত ৰাজ্যৰ বিত্ত মন্ত্ৰী সকলক মই GST ৰ মিটিঙত লগ পাই থাকো। তেওঁলোক বহুত অভিজ্ঞ মানুহ। আপোনালোকে যদি তেওঁলোকৰ লগত কথা পাতি যদি কয় যে অসমৰ বিত্ত মন্ত্ৰীয়ে অসমতকৈ আপোনালোকৰ ঋণ বেছি থকা বুলি কৈছে আৰু তেওঁলোকে যদি এই কথাটো মই ভুলকৈ কোৱা বুলি কয় তেন্তে, পৰৱৰ্তী অধিবেশনত আপোনালোকে এই Statement খিনি দিব। GST Council ৰ মিটিঙত যেতিয়া মই বহিছিলো, এতিয়া আৰু সৌভাগ্য নাই, এতিয়া বাইদেউ বহে, তেওঁলোকে মোক মৰমো কৰে। সেই মিটিঙত তেওঁলোকে মোক কৈছিল,-*'তুম লোন কিউ নেহি লে ৰাহে হো? লোন লে লো, জবকি তুমহাৰা ২৮ % কি Capacity হেই।'* তেতিয়া মই কৈছিলো যে আমি অলপ Conservative সেই কাৰণে আমি কমকৈ লোন লৈছো। এইবোৰ তথ্যত থকা কথা মই কৈ আছো। ..(Interruption)...

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** আমাৰ আপত্তি নাই, কিন্তু ২০১৬ চনত লোনৰ ক্ষেত্ৰত সমালোচনা কৰা হৈছিল।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** ২০১৬ চনত লোনক লৈ আমি সমালোচনা কেতিয়াও কৰা নাই। সেই সময়ত মই আপোনালোকৰ লগতেই আছিলো, সমালোচনা কৰাৰ সুযোগ ক'ত? হিতাধিকাৰীৰ সম্পৰ্কে যিটো কথা কোৱা হৈছে, সেই কথাটো মই ক'ম। এতিয়া ৰকিবুল হুছেইন ডাঙৰীয়াই হিতাধিকাৰীক লৈ সমালোচনা কৰা বুলি কৈছে। হয়, মই আজিও সমালোচনা কৰো। ৰকিবুল ডাঙৰীয়াই যি গৌৰৱেৰে কৈছে যে তেওঁলোকে হিতাধিকাৰীক ধুতি, কম্বল, সূতা দিছিল, তাক মই সমালোচনা কৰো। কিন্তু, 'অৰুণোদয়' এখন সম্পূৰ্ণ বেলেগ আঁচনি। আপোনালোকে যোৱা বছৰৰ মোৰ বাজেট বক্তৃতা যদি চায়, তাত মই কৈছো যে বেলেগ বেলেগ হিতাধিকাৰীৰ যিমান আঁচনি আছে, আমি বিভাগবোৰৰ পৰা আৰু হিতাধিকাৰী আঁচনি নিদিওঁ। গোটেই হিতাধিকাৰী আঁচনিবোৰ সমাহৃত কৰি আমি লাহে লাহে মানুহক 'অৰুণোদয়' আঁচনিত ৩০০০ টকাকৈ দিম। এতিয়া চাণক্যৰ কথা কোৱা হৈছে। অসমত কি ধৰণে সম্পদ আহিছে সেইয়া আপোনালোকে চাওঁক। যোৱা বছৰ মোৰ বাজেট বক্তৃতাত মই কৈছিলো যে ২০১৫-১৬ চনত অসমত tax ৰ growth আছিল মাত্ৰ ২%। All time low. কৰ বিভাগটো একপ্ৰকাৰে বন্ধ হৈ গৈছিল। তাৰ বিপৰীতে, আজি আমি যি ধৰণে GST সংগ্ৰহ কৰিছো, মই ভাৱো যে এই ক্ষেত্ৰত অসমে গৌৰৱ কৰিব লাগে। ২০১৭ চনত ৫০০০ কোটি টকা, ২০১৮-১৯ ত ৮৮৫৬ কোটি টকা আৰু ২০১৯-২০ত ১০,৯৩৯ কোটি টকাৰ GST সংগ্ৰহ কৰা হৈছিল। আৰু যোৱা বছৰ কৰ'ণাৰ মাজতো ৯৭০০ কোটি টকাৰ GST সংগ্ৰহ হৈছিল। আজি 'ব্যক্তি জীৱনৰ সততা' নহ'লে এনেদৰে কৰ সংগ্ৰহ কৰিব পৰা নগ'লহেঁতেন। কৰ'ণাৰ সময়খিনি বাদ দি আজি GST সংগ্ৰহৰ ক্ষেত্ৰত আমি সমগ্ৰ দেশৰ ভিতৰতে ভাল কৰি আছো। আমাক

সম্পদ লাগে আৰু এইক্ষেত্ৰতে মই চাণক্যৰ কথা quote কৰিছিলো। কংগ্ৰেছ চৰকাৰে যি সময়ত ৪৮০০-৪৫০০ কোটি টকা আমাক এৰি থৈ গৈছিল সেয়া আমি ৫ বছৰৰ ভিতৰত অকল GSTৰেই ১০০০০ কোটি টকাৰ ওপৰত লৈ যাবলৈ সক্ষম হৈছো। আনহাতে, আবকাৰী কৰৰ কথাও কৈছে। অধ্যক্ষ মহোদয়, কংগ্ৰেছৰ দিনত আবকাৰী কৰ সংগ্ৰহ কৰিছিল মাত্ৰ ৪৫০ কোটি টকা আৰু যোৱা বছৰ আমি ২২০০ কোটি টকাৰ আবকাৰী কৰ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছো। ২০০১-০৬, ২০০৬-১১ আৰু ২০১১-১৬ চন, এই মুঠ ১৫ টা বছৰৰ তুলনাত যোৱা ৫ বছৰ অৰ্থাৎ ২০১৬-২১ বৰ্ষ আছিল অসমৰ বাবে স্বৰ্ণিল যুগ।

আমি গাঁৱত ১ কোটি টকা দিয়াৰ কথা কৈছিলো, যিটো আমি দিয়া নাই বুলি আজি ইয়াত কোৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, ২০১৬-১৭ চনৰ বাজেটত আমি কৈছিলো যে CMSGUY ৰপৰা এক কোটি টকা দিম। আমাৰ হাতত সম্পদ আহি পৰিলে, Finance Commission ৰ Devolution Grant announce হ'ল, State Finance Commission ৰ Grant announce হ'ল আৰু আমাৰ নিজাকৈ CMSGUY ও হ'ল। আমি ৭ লাখ টকাৰ ট্ৰেক্টৰ CMSGUY ৰ পৰা দিছো। State Devolution Fund আৰু Central Devolution Fund যদি আপোনালোকে গণনা কৰে, তেন্তে প্ৰায় প্ৰত্যেকখন গাঁৱতে ৫০ লাখকৈ পঠিয়াইছো। কোনোবা দিনা আমাৰ পঞ্চায়ত মন্ত্ৰীয়ে গাওঁ অনুসৰি ইয়াৰ উত্তৰ দি দিব যে আমি কিমান টকা দিছো। এইবছৰ ভৰত নৰহ ডাঙৰীয়াই কৈছে যে, পুখুৰী কিয় লাগে?
নাওঁবৈচাতটো পুখুৰী আছেই। মাননীয় ভৰত নৰহ ডাঙৰীয়াক আমি ক'ব বিচাৰো যে জালুকবাৰীয়ে নাওঁবৈচা যদি হ'ব খোজে তাত বেয়া কিয় পাব লাগে? আমি অসমত প্ৰত্যেকখন গাঁৱত গাঁওকেন্দ্ৰীক বিকাশৰ যিটো ধাৰা, যোৱাবাৰ প্ৰতিখন গাঁৱত আমি ট্ৰেক্টৰ দিছিলো এইবাৰ আমি প্ৰত্যেক গাঁৱত প্ৰায় ১০ লাখ টকাৰ এটা পুখুৰী দিব বিচাৰিছো। তাৰ লগে-লগে devolution ৰ পইচা গৈ থাকিব। আমি ১ কোটি, ১.৫ কোটি , ২ কোটি লৈকে এই ৫ বছৰত দিম। It is from all Head. বাজেটৰ সময়ত আমি গম পোৱা নাছিলো যে devolution ৰ পইচা আহিব। যেতিয়া আমি দেখিলো যে আমি devolution ৰ পইচা পাই আছো। তেতিয়া আমি বেলেগ বেলেগ কাম আৰম্ভ কৰিলো। এখন এখন খেল পথাৰৰ কাম আৰম্ভ কৰিলো, বিভিন্ন subsidy scheme ৰ কাম আৰম্ভ কৰিলো।

এতিয়া মাননীয় অধ্যক্ষ মহোদয়, বস্তুৰ দামৰ লগত বাজেটৰ তুলনা কৰা হৈছে। আমি কৈছো যে আমাৰ কৃষি commission হ'ব লাগে। মিঠাতেল কোনে নিৰ্মাণ কৰে? মিঠাতেলৰ খেতিয়ক সকলে। আমাৰ ইয়াতটো মিঠাতেল নবনাওঁ। আমি যদি অসমখন স্ব-নিৰ্ভৰশীল কৰি গঢ়ি নোতোলো অসমৰ বাজেটৰ মূল্যবৃদ্ধি কেনেকৈ নিয়ন্ত্ৰণ কৰিব মোক এই কথাটো কোনোবা অৰ্থনীতিবিদে বুজাই দিয়ক। অসমৰ বাজেটত কি শক্তি আছে যি শক্তিৰে আমি গুজৰাটত উৎপাদিত মিঠাতেলৰ দাম নিয়ন্ত্ৰণ কৰিব পাৰিম। কি শক্তি আছে যে পাঞ্জাৱত উৎপাদন হোৱা চাউলৰ দাম আমি অসম চৰকাৰে কমাব পাৰো। তেনেকুৱা ফৰমূলাতো কতো নাই। মই বহু বুদ্ধিজীৱীৰ লগত কথা পাতিছো যে বাজেট আৰু মূল্যবৃদ্ধিৰ কথা যে কয়, ৰাজ্যচৰকাৰে মূল্যবৃদ্ধি কেনেকৈ কমাব পাৰে? উপায় এটাই যে ৰাজ্যত যদি উৎপাদন বাঢ়ে তেতিয়া carrying cost নাথাকিব আৰু তেতিয়া আমাৰ ইয়াত মূল্যবৃদ্ধি হ্ৰাস হ'ব। সেইকাৰণে আমি এইবাৰ বাজেটত প্ৰথম কৈছিলো যে Agriculture Commission হ'ব আৰু এই commission এ ৫ বছৰত এটা দিক নিৰ্ণায়ক হ'ব যে কেনেকৈ অসম স্ব-নিৰ্ভৰশীল হ'ব পাৰে। তেতিয়া ধিঙৰ বিধায়কে যিটো for-

mula দিলে যে অৰুণোদয়ত ১ হাজাৰ টকা দিলে, মিঠাতেলৰ দাম বাঢ়িলে এইবিলাক টকা আমি পাম নেকি? এইবিলাক অদ্ভুত কথা ক'লে। তেলৰ দাম আৰবত বাঢ়ে। এতিয়া আৰবৰ শ্বেখৰ লগত মোৰ সম্পৰ্ক আছে নেকি? তেলৰ দাম আন্তঃৰাষ্ট্ৰীয় বজাৰত বাঢ়িলে ভাৰততো বাঢ়ে। ভাৰত চৰকাৰৰ Tax আছে সেইটো বেলেগ কথা। কিন্তু আৰবৰ শ্বেখতো আমাৰ মতে নচলে, আপোনালোকৰ মতেহে চলে। গতিকে বস্তুৰ দাম যদি নিয়ন্ত্ৰণ কৰিব লাগে এখন আত্মনিৰ্ভৰশীল অসম আমাক লাগিব আৰু সেইকাৰণে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কৈছে আত্মনিৰ্ভৰশীল ভাৰত আৰু আমি কৈছো আত্মনিৰ্ভৰশীল অসম।

আজি ইয়াত smart phone ৰ কথা কোৱা হৈছে। অধ্যক্ষ মহোদয়, মাতৃৰ মমতা আমি বুজিব লাগিব। কিছুমান কথাত মোৰ দুখ লাগে। মোৰ ছোৱালীজনীয়ে নিজৰ মোবাইলত online class কৰে কিন্তু যেতিয়া আন ল'ৰা -ছোৱালী লৈ চাওঁ তেতিয়া তেওঁলোকৰ হাতত mobile নাই আৰু internet connection নাই। অধ্যক্ষ মহোদয়, আমি কৈছো যে mobile ৰ লগত Internet load free কৰি দিম আৰু মেট্ৰিক পাচ কৰাৰ দিনাখন লৰাটোৰে আমাক মোবাইলটো ঘুৰাই দিব। আজি যদি অসমীয়া স্কুলত পঢ়া ল'ৰা-ছোৱালীয়ে আৰু ৬ মাহ মান class কৰিব নাপায় তেতিয়া এটা Generation নষ্ট হৈ যাব। মই ভাৱিছিলো যে বিৰোধী দলপতিয়ে ক'ব যে গোটেই আঁচনি বেয়া কিন্তু এই আঁচনিটো অন্তত এগৰাকী মাতৃয়ে ভাল আঁচনি দিছে। তাত মই দেখিছো qualified support, not total support.

মাননীয় অধ্যক্ষ মহোদয়, নুমলীগড়ত আমি ২২০০কোটি টকা বিনিয়োগ কৰিলো। এতিয়া কৈছে আমি হিতাধিকাৰী সৃষ্টি কৰিলো। নুমলীগড় শোধনাগাৰ আমাৰ হিতাধিকাৰী নেকি? আমি বাজেটখন সম্পূৰ্ণ পঢ়িব লাগিব। অৰুণোদয় যদি আমি নিদিলোহেঁতেন তেতিয়া আপোনালোকে ক'লে হয় যে সংকল্প প্ৰস্তাৱত লিখিছে, কিয় দিয়া নাই? আজি আমাৰ সংকল্প প্ৰস্তাৱখন ৰূপায়ণ কৰাৰ দায়িত্ব আমাৰ ওপৰত। সেইখন আপোনালোকে বেছি নপঢ়িব। সংকল্প পত্ৰৰ লগত চৰকাৰৰ কোনো সম্পৰ্ক নাই। সংকল্প পত্ৰ আমাৰ কাৰণে direction.আমি যদি সংকল্প পত্ৰ ৰূপায়ণ কৰিব নোৱাৰো অহা ৫ বছৰৰ পাছত মানুহে আমাক ঠেলি ইয়াত পঠাব আৰু আমি তাত যাম। গতিকে সংকল্প পত্ৰ আপোনালোকে পঢ়িলে আপোনালোক misguide হৈ যাব। তেতিয়া আৰু আপোনালোক বি জে পি ত আহি যাব। সংকল্প পত্ৰ পঢ়ি পঢ়ি এজনতো আহিলেই আৰু যদি বেছিকৈ সংকল্প পত্ৰ পঢ়ে People will be motivated by the idiology of Din Dayal Upadhaya and Shyama Prasad Mukharjee.গতিকে মই আপোনালোকক অনুৰোধ কৰিম আপোনালোকে সংকল্প পত্ৰ বেছিকৈ নপঢ়িব কাৰণ মোৰ এইফালে ঠাই নাই।

ভৰত দাই সংকল্প পত্ৰ খন বেছিকৈ পঢ়ি আছে। সেইকাৰণে মই কৈছো নাওবৈচা আমাৰ লগত আহিলে নহ'ব। যদি ঢকুৱাখনাত ইচ্ছা আছে তেনেহ'লে নৱ দলৰ লগত কথা পাতি লওক। আমাৰ সংকল্প পত্ৰ খন যদি আমি ৰূপায়ণ নকৰো তেতিয়া মানুহে আমাক ভোট নিদিয়ে। সংকল্পপত্ৰখন এখন পবিত্ৰ দস্তাবেজ। যিখন দস্তাবেজৰ অংশীদাৰ হ'ল বি জে পি। বি জে পি ক ভোট দিয়া সমাজখন আৰু বি জে পি ৰ মন্ত্ৰী সভা আৰু বিধায়ক সকল। সংকল্প পত্ৰ is a medium of solemn communication beteween us and our voters.Congress has nothing to do with this.আপোনালোকে আমাৰ বাজেটক সমালোচনা কৰক। সংকল্প পত্ৰৰ কথা আপোনালোকে ক'ব নালাগে। ময়ো এইকেইদিন সংকল্প পত্ৰখন পঢ়িবলৈ ভালদৰে

সময় পোৰা নাই। গতিকে আপোনালোকে যদি মোতকৈ বেছি এইখন পঢ়ে তেতিয়াহ'লেতো মোৰেই চাকৰি যাব। গতিকে সংকল্প পত্ৰখন আমাৰ ওপৰত এৰি দিয়ক, আমি চাম।

মাননীয় অধ্যক্ষ মহোদয়, ভৰত নৰহ ডাঙৰীয়াই কৈছে যে মথাউৰি নালাগে।

**শ্ৰী ভৰত নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মথাউৰি নালাগে বুলি কোৱা নাই। মই কৈছো যে বানমুক্ত সম্ভৱ নহয়।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী, অসম) ঃ**- মাননীয় অধ্যক্ষ মহোদয়, সম্ভৱ নোহোৱা কথা এটাকে যদি সপোন হিচাপে পম খেদি থাকো সেইটোতো একো বেয়া কথা নহয়। আজি আমি কৰিছো কি -সদনে জানি ভাল পাব যে ১০০০ কিলোমিটাৰ ৰাস্তা আমি মথাউৰিৰ ওপৰত পকী কৰিম। একো নহ'লেও ডিব্ৰুগড়ৰ পৰা মাজুলীলৈ মথাউৰি দি ৰাস্তা যাব চিমেন চাপৰি দি মাতমৰাহৈ। মই বিনম্ৰতাৰে কম যে we will build roads and embankments. ব্ৰহ্মপুত্ৰৰ ওপৰত Express Highway সম্ভৱ নহয়। আমি মথাউৰিৰ ওপৰত যেতিয়া ৰাস্তা বনাম তেতিয়া distance বিলাক কমি কমি আহিব, মথাউৰিটো compact হ'ব আৰু কৰবাত নহয় কৰবাত বানপানীত ই positive ly contribute কৰিব। আমাৰ ৪০০০ কিলোমিটাৰ মথাউৰি আছে। লাহৰিঘাটৰ উন্মুক্ত ঠাইখিনিত যদি আমি মথাউৰি বনাব পাৰো, গুৱাহাটীৰ পৰা আমি শিলঘাটত উপস্থিত হ'ব পাৰিম মথাউৰিদি গৈ। গতিকে কল্পনা কৰাতটো কোনো বাধা নাই। যেতিয়া মই প্ৰথমে অসমৰ বিত্ত মন্ত্ৰী আছিলো তেতিয়া Tax Commissioner আছিল কল্যাণ চক্ৰৱৰ্তী। তেতিয়া মই তেখেতক কৈছিলো যে যদি কিবা কৰি অসমত ৫,০০০ টকা Tax উঠি যায়, তেতিয়া আমি অসম সলনি কৰি দিব পাৰিম। আজি, অধ্যক্ষ মহোদয়, আমি ১১,০০০ tax উঠাই লৈছো। গতিকে সপোনবিলাক কেতিয়াবা ফলে। আজি অৰুণোদয় যে কেতিয়াবা কোনোবাই আনিব পাৰিব সেইটো অসমত কোনে কল্পনা কৰিছিল? আজি যিটো হিতাধিকাৰীৰ সৃষ্টি হৈছে মাননীয় অধ্যক্ষ মহোদয়, এই শব্দবোৰ প্ৰয়োগ কৰি থাকিলে মানুহে মনত দুখ পায়। সূতা কম্বল হিতাধিকাৰী। আজি ৰাহুল গান্ধীয়ে কি কৰিছিলে যোৱা নিৰ্বাচনৰ আগত? গতিকে হিতাধিকাৰীৰ সৃষ্টি নহয়, আমি কৈছো যে তোমালোকে মিঠাতেল, দাইল ৫০ শতাংশ দৰত কিনিবা। তাৰবাবে আমি তোমালোকক ১০০০ টকা দিছো আৰু আমি চেষ্টা কৰিম ৩০০০ টকালৈ গৈ পোৱা।

. মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ আমাৰ যি বাজেট আছে, এই বাজেটত আপোনালোকে চাব যে ২০১৭-১৮ চনত আমি ১৮ টা ফ্লেক্সি স্কীম ইম্পলিমেণ্ট কৰিছো। ২০১৮-১৯ চনত আৰু ১১ টা তাৰ লগত লগাই দিছো। গতিকে সৰ্ব্বমুঠ ২৯ টা ফ্লেক্সি স্কীমত গলো। ২০১৯-২০ চনত আমি আৰু ৯ টা তাত এড কৰিছো, ২০২০-২১ চনতো ৯ টা আৰু এইবাৰ ২০২১-২২ চনত ১২ টা স্কীম এড কৰিছো। এইকেইটাৰ এটাও যদি ইম্পলিমেণ্ট হোৱা নাই বুলি কয়, কৰ'বাত এটা-দুটাৰ অসুবিধা হোৱাটো বেলেগ কথা Then I am ready to enter a healthy debate আৰু মই আপোনালোকক সকলো ডাটা দি দিম। প্ৰত্যেকটো কথাই আমি কৰিবলৈ চেষ্টা কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আজি ইয়াত কোৱা হৈছে যে ৰাজহ ক'ত পাম, এইবছৰ ৰাজহ আহৰন কৰাতো অলপ জটিল হ'ব। কিন্তু তাৰ মাজতো আমি কৈছো যে এই বাজেটখন ফাইনেন্স কৰিবৰ কাৰণে আমি চেষ্টা কৰিম। কেতিয়াবা কেতিয়াবা সদনক কোৱা হয় যে স্পেচিয়েল কেটেগৰী ষ্টেট অসমে কাটি দিলে, মোদীয়ে অসমক কম টকা দিছে। মাননীয় অধ্যক্ষ মহোদয়, মই পুৰণা কথালৈকে যাব খোজা নাই কাৰণ ড০ মনোমোহন সিঙক ব্যক্তিগত ভাৱে মইও সন্মান কৰো।

কিন্তু কেনেকৈ তেওঁ অসমত ৭ হাজাৰ কোটি টকা ৰয়েলিটিৰ পৰা বঞ্চিত কৰিছিল, সেই কথা যোৱা ৫ টা বছৰত আমি কেইবাবাৰো আলোচনা কৰিছো। প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াই আমাক চাৰে সাত হাজাৰ কোটি টকা ঘূৰাই দিলে আৰু ডিভ'লিউশ্যনৰ ক্ষেত্ৰত আপোনালোকে চাওঁক ২০১৪-১৫ চনত অসমত ডিভ'লিউশ্যন ১১ হাজাৰ কোটি টকা বুলি আমি পাইছিলো। মোডী ডাঙৰীয়া অহাৰ পিছত ২০১৫-১৬ চনত ডিভ'লিউশ্যন গৈ ১৬, ৭৬৪ টকা পালো আৰু ২০১৮-১৯ চনত এনেকুৱা এটা দিন আহিছিল we got devolution 25 thousand crore. তাৰপিছত ক'ভিডৰ কাৰণে কিছু কমিল কিন্তু তাৰ মাজতো মোডী ডাঙৰীয়াই ২০ হাজাৰ কোটি ৰেঞ্জ ৰাখিছে আৰু যিখিনি দিব পৰা নাই সেইখিনি মাৰ্কেটৰ পৰা লোন লোৱাৰ বাবেও অনুমতি দিছে । ২০১৪-১৫ চনৰ ডিভ'লিউশ্যন ১১ হাজাৰ কোটি টকা, ২০১৮-১৯ চনত ২৫ হাজাৰ কোটি টকালৈকে বাঢ়ি গৈছিল। গতিকে মই ভাৱো যে অসমৰ বাজেট, বিত্তীয় ব্যৱস্থাপনা এই সকলোবিলাক এটা সুন্দৰ লাইনত আছে আৰু আমি এটা সুন্দৰ দিশত গতি কৰিছো। ভৰত নৰহ ডাঙৰীয়াই ৫ খন ৰাজ্যৰ কথা বাজেটত নাই বুলি কৈছে কিন্তু অধ্যক্ষ মহোদয়, এই ৫ খন ৰাজ্যই ইক'নমিক নহয়। এই ৫ খন ৰাজ্যৰ কথা কওঁতে ইয়াত বহুত কথাই জড়িত হৈ আছে। আজি খৰৰ কৰিলে গম পাব যে লিটাৰেচিৰ ক্ষেত্ৰত অসমৰ স্থান ৫ খন ৰাজ্যৰ ভিতৰত দ্বিতীয় বা তৃতীয়। আজি ক'ভিড নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এই ৫ খন ৰাজ্যৰ ভিতৰত অসমৰ স্থান প্ৰথম বা দ্বিতীয়ত থাকিবই। আজি দুখীয়া মানুহক শিক্ষাৰ উপলব্ধতা এই শিতানত আজি ভাৰতবৰ্ষৰ ভিতৰতে বিহাৰৰ পিছতেই অসম ২ নং স্থানত আছো। মাননীয় অধ্যক্ষ মহোদয়, কিছুমান সূচাংক আমি ধৰিব নোৱাৰো আৰু মৰ সাহস কৰিও লাভ নাই। কেইদিনমান আগতে আমি গুজৰাট ইলেক্ট্ৰিচিটি বোৰ্ডৰ লগত কথা পাতিছিলো। গুজৰাটত তেওঁলোকে প্ৰত্যেক দিনে এনাৰ্জি জেনেৰেট কৰে ২৬ হাজাৰ মেগাৱাট। তাৰ বিপৰীতে অসমত হয় মাত্ৰ ৪০০ মেগাৱাট। এই গেপটো আমি ২০০ বছৰতো মাৰিব নোৱাৰো । গুজৰাটত মানুহে আন্দোলন ভাল নাপায়, গুজৰাটত বন্ধ, ধৰ্না, পিকেটিং নকৰে। তেওঁলোকে স্বাধীনতাৰ দোকমোকালিতে সিদ্ধান্ত লৈছিল যে আমি ইক'নমিকেলী প্ৰচপাৰ কৰিম, আমি বেলেগ কথা একো নাজানো। আজিও আমাৰ সমাজত অসুবিধা আছে। আজি অইলে যদি যোৱা তিনিটা মাহত ৰিলেটিভলি শান্তি হোৱাৰ লগে লগে ২০২০-২১ চনৰ কোৱাৰ্টাৰতকৈ এইবাৰ আমাক ১০০ শতাংশ ডাবল ৰয়েলটি দিছে, যোৱা তিনিমাহত তিনিচুকীয়া, ডিব্ৰুগড়ত কোনো ধৰণৰ বন্ধ, ধৰ্না আদি হোৱা নাই কাৰণে ৰয়েলটি ১০০ গুণ বাঢ়ি গ'ল। আজি মইও ক'ব নোৱাৰো অহাকালি অসমত কি হ'ব। টায়াৰবোৰ আকৌ জ্বলিব পাৰে। আমাৰ সমাজত এনেকুৱা কিছুমান মানুহ আছে যিসকলে আন্দোলন বিচাৰে উন্নতি নহয়। গতিকে অসম আৰু গুজৰাটৰ মানুহৰ মাজত মানসিকতাৰ বহুত পাৰ্থক্য আছে। মই অলপ আগতে এটা ভি ডি অ' চাই আছিলো, তেলেংগানাৰ চিফ মিনিষ্টাৰৰ সন্তানে এটা গেৰ্ডাৰিং এদ্ৰেছ কৰি আছিল। তেওঁ কৈছে Our state Act as a private entrepreneurship যে আমি ব্যক্তিগত খণ্ডত যেনেকৈ কাম কৰো আমি তেনেকৈ কাম কৰো, আমি লাভ হোৱা কামতহে টকা খৰচ কৰো, লাভ নোহোৱা কামত আমি একো নকৰো। কিন্তু আমাৰ প্ৰমূল্য বেলেগ। অসম ভাৰতৰ ৫ খন ৰাজ্যৰ ভিতৰত যাব আৰু আমি নিজৰ কথাত যাম। আজি জেনদাৰ জাষ্টিচৰ ক্ষেত্ৰত কাম কৰিবলগীয়া আছে, লিটাৰেচিৰ ক্ষেত্ৰত, ৰোড নেটৱৰ্কৰ ক্ষেত্ৰত কাম কৰিব লগীয়া আছে আৰু তাৰ বাবে বিত্তমন্ত্ৰীয়ে বাজেটত ক'ব নালাগে যে আমি ৫ খন ৰাজ্যৰ ভিতৰত অসমক এখন কৰিম। বহনক্ষমত অসমে বেয়া পাৰফৰমেঞ্চ কৰা বুলি কোৱাটো নহয়, অসমে যোৱাবৰতকৈ ভাল পাৰফৰমেঞ্চ কৰিছে কিন্তু বেলেগ ৰাজ্য বিলাকে তাতকৈ আৰু

বেছি ভাল পাৰফৰমেঞ্চ কৰিছে। অসম এক কেটেগৰী ওপৰত আহিছে। যোৱাকালি শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই কৈছে যে বহনক্ষম উন্নয়ণৰ যিখন নীতি আয়োগে ডাটা উলিয়াইছিল সেইখন **এন এফ এচ এচ -২** ৰ ভিত্তিত উলিওৱা হৈছিল আৰু যোৱা কেইদিনমান আগতে উলিয়ালে **এন এফ এচ এচ -৩।** সেইখন ৰিপোৰ্টত আহিছে যে অসমৰ হাইস্কুলত এজনো প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক নাই। কিন্তু আপোনালোকে জানে যে আমি টেটত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক ২২,০২০ জন নিযুক্তি দিছো। কিন্তু ৰিপোৰ্টত আহিছে এজনো নাই because that report was based on earlier census. যেতিয়া বহনক্ষম উন্নয়ণ বুলি কয় তাত অৰ্থনীতি নুবুজায়, চচিয়েল, কথা-বতৰা তাত সকলো অন্তৰ্ভুক্ত হৈ আছে। যোৱাকালি চিকিমত অসমৰ ৩৪ জন শিশু পাইছো। তেওঁলোকক হিউমেন ট্ৰেফিকিং কৰি লৈ গৈছে। কেইদিনমান আগতে আমি কেৰেলাৰ পৰা ৯ গৰাকীমান যুৱতী উদ্ধাৰ কৰিছো। তেওঁলোকক বেশ্যাবৃত্তিত নিয়োগ কৰা হৈছিল। অসমত যে তলে তলে এনেকুৱা ধৰণৰ ঘটনা বিলাক ঘটি আছে মন্ত্ৰী হিচাপে মোৰো জ্ঞাত নাছিল। এইবাৰ গৃহ বিভাগৰ দায়িত্ব লৈ মই দেখিছো যে অসমত ধৰ্ষণ, শিশু বিক্ৰী ইত্যাদি এই আটাইবিলাক বহনক্ষম উন্নয়ণত আহে অৰ্থাৎ বহনক্ষম উন্নয়ণত ৰাজ্যত যদি অপৰাধ দূৰ নহয়, জেণ্ডাৰ জাষ্টিচ দূৰ নহয়, ৰাজ্য কেতিয়াও ওপৰলৈ যাব নোৱাৰে। ইয়াৰ লগত বাজেটৰ সম্পৰ্ক নাই। আমি যদি গোটেই কেইটা পৰ্য্যায় চাওঁ জেণ্ডাৰ জাষ্টিচটো হৈছে আটাইতকৈ বেছি দৰকাৰী। এতিয়া যদিহে ১৫-১৬ বছৰত ছোৱালী এজনী বিয়া হৈ যায়, জেণ্ডাৰ জাষ্টিচ আপুনি ক'ত পাব? গতিকে এইটো চৰকাৰক সমালোচনা কৰা কথা নহয়। আজি দেখিছো যে অসমখন যেতিয়া কেতিয়াবা তলত পৰে, বাতৰি কাকত বিলাকে হেডলাইন দিয়ে। হেডলাইনটো কি যে, নাবালিকা বিয়া হয় কিন্তু আকৌ জনসংখ্যা নিয়ন্ত্ৰণৰ কথা ক'লে সমালোচনা কৰি দিয়ে, এইটো কিয় কৈছে? দুয়োটাটো একেলগে নহ'ব। জেণ্ডাৰ জাষ্টিচ চৰকাৰে ডিটাৰমাইণ্ড নকৰে, জেণ্ডাৰ জাষ্টিচ সমাজত পৰিবেশৰ পৰিবৰ্তন হ'ব লাগিব। হিউমেন ট্ৰেফিকিং পুলিচে বন্ধ কৰিব লাগিব, তাৰ লগত বাজেটৰ কোনো সম্পৰ্ক নাই, মানুহে বন্ধ কৰিব লাগিব। কোনোবা এজন গাঁৱৰ ল'ৰা নোহোৱা হ'লেই পুলিচত এজাহাৰ দিব লাগিব। আজি যিধৰণে আমাৰ এচ ডি জি ৰ ৰিপোৰ্ট আহে, এই এচ ডি জি ৰিপোৰ্টত Economy is a very small part. তাত আই এম আৰ, এম এম আৰৰ কথা কৈ আছে। তাত আই এম আৰ, এম এম আৰৰ নিয়ন্ত্ৰণ নহয়। শিৱসাগৰ, ডিব্ৰুগড়, যোৰহাটৰ কতো আই এম আৰ, এম এম আৰ নাই। কিন্তু এজনী মাতৃয়ে যদি ১২ টা সন্তান জন্ম দিব লাগে তাত আই এম আৰ, এম এম আৰ আহিব নে নাহে? আজি যদি সমাজে সাহসেৰে এই কথাবিলাকৰ বিৰূদ্ধে মাত নামাতে যে এজনী মাতৃয়ে তিনিটা বা চাৰিটাতকৈ বেছি সন্তানৰ মাতৃ হ'ব নোৱাৰিব। আজি কোনজন বিধায়ক, ৰাজনৈতিক নেতাই এই কথাবিলাক মিটিঙত কয়। এম এম আৰ হোৱাৰ কাৰণে স্বাস্থ্যমন্ত্ৰীক দায় দি কি লাভ হ'ব? আজি ডিব্ৰুগড়ত, যোৰহাটত, গুৱাহাটীত সকলো বিলাক ঠিকে থকাৰ পিছতো কিয় এম এম আৰ হৈছে? এইবিষয়ে প্ৰশ্ন সোধক। আজি যদি চাব যায় অসমীয়া মূলসুঁতিৰ মানুহখিনিৰ মাজত, জনজাতীয় মানুহখিনিৰ মাজত আই এম আৰ, এম এম আৰ দ্ৰুত গতিত নামি গৈছে। সেইকাৰণে কালি শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই প্ৰস্তাৱ ৰাখোতে মই কৈছো যে এইটোত আমি সমৰ্থন দিম। হয়, we need more hospitals. আজি অসমত এই দাতা বোৰ পুংখানুপুংখভাৱে বিশ্লেষণ কৰক তেতিয়া আপোনালোকে দেখিব অসমত যদি আমি এচ ডি জি ত পিছুৱাই আছো আমি যদি poverty index ত পিছুৱাইছো তাৰ একমাত্ৰ কাৰণ হ'ল অদ্ভুত জনবিস্ফোৰণ আৰু অন্য একো কাৰণ নাই তাৰ বাদে। আজি আমাৰ শিৱসাগৰলৈ যাওক,

ডিব্ৰুগড়লৈ যাওক, তেজপুৰলৈ যাওক, লক্ষীমপুৰলৈ যাওঁক প্ৰত্যেকখন লোৰা স্কুলত, ক'ত স্কুল ড্ৰপ আউত হৈছে? কিন্তু আজি আমাৰ দুখন অসম অসমত চলি আছে। এই জনবিস্ফোৰণ যদি আমি নিয়ন্ত্ৰণ কৰিব নোৱাৰো, অসম কেতিয়াও আগুৱাব নোৱাৰে অসম দৰিদ্ৰতাৰ দেশ হিচাপে থাকিব। This is beyond the politics, আজি সন্দিকৈ কলেজত মই যেতিয়া স্কুতি দিছিলোঁ আমিনগাঁৱত মানুহে ভোটৰ কথা কব লাগে মোৰ বক্তব্যটো শুনিব, সেই সময়ত অমিত শ্বাহ ডাঙৰীয়া আছিল আৰু তাত মই ভাষণত কৈছিলো যে আজি মোৰ বেয়া লাগিছে। কাৰণ এচাম ছোৱালীক স্কুটি দিছো আৰু আন এচাম ছোৱালীয়ে এই বয়সতে চাৰিটা সন্তানৰ মাতৃত্বৰ বোজা লৈ আছে। মাতৃত্বৰ সৌভাগ্য লৈ থকা নাই। We have to be toughed. আমি চিধা কথা কব লাগিব। চৰকাৰক কি সমালোচনা কৰিব যে মিঠাতেলৰ দাম বাঢ়িছে, অৰুণোদয়ৰ টকা দি টকা মেনেজ কৰিছে, আচলতে এইটো নহয়, কোন কোন মন্ত্ৰী ইমান তলত গৈছে যে কোনোবা মিঠাতেলৰ বেপাৰীৰ লগত কথা পাতিব। ঠিক আছে মিঠাইতেলৰ বেপাৰীৰ লগত কথা পাতে কিন্তু আৰৱৰ শেঠ কেইটাই আমাৰ লগত কথা পাতিব নেকি? গতিকে যিবিলাক নহয় সেইবোৰ নহয়ে। কাৰণ কথাটো হ'ল অসম স্বাৱলম্বন হ'ব লাগিব, অসমত জনসংখ্যা কমিব লাগিব, জনঘনত্ব কমিব লাগিব, নহলে হস্পিটাল কিমান বনাব, যদি প্ৰতি দিনে ১০০ টা সন্তানৰ জন্ম হয় এখন সৰু হস্পিটালত। এই ক্ষেত্ৰত যদি আ পোনালোকে কিবা জানিব বিচাৰে তেতিয়াহলে আপোনালোকে এন এইচ এম ক প্ৰশ্ন কৰি ইয়াৰ উত্তৰ লৈ লওক যে কোন হস্পিটালত কিমান সন্তানৰ জন্ম হয়। শিৱসাগৰ, যোৰহাটত, population declined হৈছে। এতিয়া মই যদি কওঁ জননী সুৰক্ষা কি হৈছে, তেতিয়া কব চাৰ, সন্তানে নাই। গতিকে এই কথাবোৰ যদি আমি চিধাকৈ আলোচনা নকৰো তেতিয়াহলে অসমত বাজেট বনাই কি লাভ হ'ব। লাগে সেই বাজেট এক লাখ ৭ হাজাৰ কোটিৰে হওঁক বা ১,২০,০০০ কোটিৰে হওঁক। কিন্তু আজি কেইদিনমান আগতে আমাৰ বিধায়ক ৰেকিবুদ্দিন আহমেদক মই সুধিছিলো যে এইবাৰ ইলেক্চনত তই জিকিবি নে নাই? মই এইটো এটা ঘৰুৱা কথাহে কৈছো। তেতিয়া ৰেকিবুদ্দিনে কলে দাদা জিকিম। মই বোলে কিয় কেনেকৈ জিকিবি? তেতিয়া কলে দাদা যোৱাবাৰ মোৰ গৰৈমাৰীত ৬৫ হাজাৰ ভোট আছিল, এইবাৰ ৯০ হাজাৰ হ'ল। ৫ বছৰত যদি এটা ব্লকত ২৫ হাজাৰ ভোট বাঢ়ে আপোনালোকে লাগে সুধিব কথাটো। This is a conversation which we have done in good faith. কেইদিনমান আগতে মই চামগুৰি সমষ্টিৰ ভোটৰ তাৰতম্যবোৰ চাইছিলোঁ মই নকও কাৰণ ৰকিবুল হুছেইন ডাঙৰীয়া চেন্টিমেন্টল মেন, আৰু তেখেতে কব এইটো ক'ৰ পৰা কলে, কিয় কলে? তাত যি ধৰণে ভোট বাঢ়িছে এচাম ঠাইত আমিটো হাতেৰে ঢুকি নোপোৱা হৈ গলো সমষ্টিটো। সেইটো আমাৰ হাতৰ পৰা ওলাই গুচি গ'ল, তাক ধৰি ৰাখিব পৰা অৱস্থাত নাই। সেইটো হ'ল ভোটৰ কথা মই হাৰি যাওঁ কোনো কথা নাই, But, what about the poor mothers, what about the poor chieldren. সিহঁতৰ কাৰণে স্কুল কোনে বনাব, কিমান প্ৰদেশীকৰণ কৰিব, কিমান হস্পিটাল বনাব? গতিকে এইখন অসম কেতিয়াও আগবাঢ়ি যাব নোৱাৰে যদিহে প্ৰকৃত সমস্যাৰ পৰা আতৰি গৈ অৰুণোদয় এক হাজাৰ বঢ়াইছে, মিঠাতেলৰ দাম বঢ়াইছে এই বিলাক কথা যদি আমি কৈ থাকো অসমখন কেতিয়াও আগবাঢ়িব নোৱাৰে। ডাইৰেক্ট কথা হ'ব লাগিব, সচাঁ কথা পাতিব লাগিব। MMR ক'ত বাঢ়িছে, IMR ক'ত বাঢ়িছে, কোন স্কুলত সমস্যা হৈছে, স্বাস্থ্য বিভাগত ক'ত সমস্যা হৈছে। চিধা কথা আমি যদি পাতো অসম খন আগ বাঢ়ি যাব আৰু যদি চিধা কথা নাপাতি ১২৬ জন মানুহৰ ভাগ্যৰ কাৰণে এখন সমাজ শোষিত, প্ৰবাঞ্চিত হৈ থাকিব আৰু

তেতিয়াহলে মই ভাৰো যে আল্লা বা ভগৱান যিয়ে নহওঁক কিয় ওপৰত কেতিয়াও আমাক ৰহমৰ চকুৰে নাচাব বা মৰমৰ চকুৰে নাচাব। আমাক কব যে You have done injustice তহতে ৰাজনীতিৰ কাৰণে মানুহক দুখীয়া কৰি ৰাখিলি, মানুহক তহতে নিথৰুৱা কৰি ৰাখিলি। This has to be changed আৰু মই বিনম্ৰতাৰ সৈতে কম যে দেৱব্ৰত শইকীয়া ডাঙৰীয়াই কৈছে যে মেডিকেল কলেজত ১৬ কোটি কিয় দিছে। আমি একো কাম কৰা নাই Without strategy মই যদি ২০০ কোটি টকা দিও আৰু ৫ খন মেডিকেল কলেজ যদি এক বছৰত বনি যায় মই কি কৰিম, কেনেকৈ চলাম ? মই অসমত প্ৰত্যেক বছৰে এখনকৈয়েহে মেডিকেল কলেজ খুলিব পাৰো। সেয়েহে এইবছৰ মোৰ এটা আইদিয়া হৈছে গতিকে মই কাম আৰম্ভ কৰি দিছো যাতে অহা ১০ বছৰলৈকে প্ৰতিটো বছৰত এখনকৈ মেডিকেল কলেজ হৈ যায়। আমাক সমালোচনা কৰাৰ আগতে আপোনালোকেও কিছু কথা মনলৈকে আনিব লাগে, কাৰণ এটা সময়ত আমি একেলগে ভৰত নৰহ ডাঙৰীয়াৰ মনত আছে যে লক্ষীমপুৰত গৈ মেডিকেল কলেজৰ ২০১১ চনত আমি খুটি পুটিছিলোঁ কিন্তু ২০১১ চনৰ পৰা ২০১৬ চনলৈকে ইটা এটাও তাত নপৰিল। আজি আমাৰ মেডিকেল কলেজ ভগাৱনে কৰিলে এইবছৰত আৰম্ভ হ'ব। যোৱা বছৰ আমি ডিফু মেডিকেল কলেজৰ কাম আৰম্ভ কৰিছিলো আৰু অহা বছৰ আমি ঠিক কৰিছো যে নলবাৰী বা নগাওঁ ইয়াৰ ভিতৰত কোনোৱা এখন জিলাত আমি মেডিকেল কলেজ কাম-কাজ আৰম্ভ কৰিম। অৰ্থাৎ আমাৰ চৰকাৰৰ ৫ বছৰৰ কাৰ্য্যকালত আমি ৫ খন মেডিকেল কলেজৰ কাম আৰম্ভ কৰিম। নতুন ৫ খনৰ আমি বুনিয়াত কৰি থৈ যাম। যাতে অহা ৫ বছৰত আমি থাকো বা কোনোবা বেলেগ চৰকাৰ আহে সেইটো বেলেগ কথা, কিন্তু যাতে সেই ৫ খন মেডিকেল কলেজ বনিব পাৰে। সেই কাৰণে We are doing everything with a scientific approach. এটা synergy লৈ, আমি কোনো ইয়াত কোনো ৰাজনীতি কৰিব বিচৰা নাই। আজিটো মই ইমানলৈকে গৈছো যে যোৱাকালি মই চাইছো যে আমাৰ চি এম অফিচত অসম আৰক্ষীয়ে গাড়ী দি থৈছে ২৩ খন, তেলো দিয়ে পুলিচে, গাড়ীও চলাই আমাৰ অফিচৰ পুলিচে। মই কৈছো যে ভাড়া গাড়ী বন্ধ কৰক, চি এম অফিচত ২৩ খন গাড়ীৰ কোনো প্ৰয়োজন নাই। তেতিয়া মোক কৈছে যে গৃহ বিভাগৰৰ উপ-সচিব পৰ্য্যায়লৈকে গাড়ী পুলিচ ৰিৰ্জাভৰ পৰা আহে, তেলো ফ্ৰি পাই। তেতিয়া মই কৈছো যে কিয় আহিব, যদি গৃহ বিভাগত গাড়ী লাগে গৃহ বিভাগে কিনিব। আমি আমাৰ ফালৰ পৰা বাজেট নিয়ন্ত্ৰণ কৰি আছো। আমি চেষ্টা কৰি আছো আৰু কৰি থাকিম। সেয়েহে আমাক এটা বহুমূলীয়া প্ৰজিটিভ পৰামৰ্শ আপোনালোকৰ পৰা প্ৰয়োজন। সদায় আমি আপোনালোকৰ লগত আছো। আজি মই কৈছো যে কভিড আঁচনি আমি বন্ধ কৰিছো, কিন্তু মুখ্যমন্ত্ৰীৰ সাহাৰ্য্য পুঁজি আপোনালোকৰ বাবে মুকলি আছে। যি ধৰণে আপোনালোকে আহে মই কাকো না কৰাৰ কথা নাই। সুহৃদয়ৰ সমান নোৱাৰিলেও যিমান খিনি পাৰো আমি কৰিম। এই বাজেটত এটা ডাঙৰ আঁচনি আমি আনিছো, উপাধ্যক্ষ মহোদয়, মই আৰু ৫ বা ৩ মিনিট সময় লম। আমি এটা আঁচনি আনিছো Urban Poor মই কেতিয়াবা ঢেকীয়াজুলীলৈ যাওঁ অশোক সিংঘালৰ তাত, আৰু তাত দেখা পাওঁ যে বাগানৰ পৰা মানুহ বোৰ আহে ব্লক অফিচত কাম কৰিবৰ কাৰণে। আৰু তেখেতসকলে যদি হোটেলত খাব লগা হয় তেতিয়া ১৫০ টকা খৰচ হয়। এইবাৰ মই অশোক সিংঘালক কৈছো যে তাত ভাত বনোৱা এটা ৰান্ধনি ঘৰৰ ব্যৱস্থা কৰক। যাতে যিমান মানুহ আহে তেওঁলোকে অন্তত গৰম ভাত কেইটা খাই যাব পাৰে। গুৱাহাটীৰ কাৰণে আমি কৈছো যে ৫০ হাজাৰ মানুহৰ বাবে দুপৰীয়াৰ আহাৰ বনোৱাৰ ব্যৱস্থা কৰিব লাগে। যিটো আমি এক নম্বৰত অন্ন সুৰক্ষাত কৈছো, কিন্তু হাউচত বহুতে কথাটো বুজি

পোৰা নাই, কাৰণ ইয়াৰ ওপৰত আলোচনা হোৱা নাই। আমি কৈছো যে এই বাৰ আমি সকলো মানুহকে অন্তত আৰ্বানৰ খিনিক যিখিনি গাঁৱৰ পৰা ডি চি কোৰ্টত কামৰ বাবে আহে তেওঁলোকৰ বাবে চেষ্টা কৰিছো আৰু এই বাৰ বাজেটত ১০০ কোটি টকা ধৰিছোঁ যে গৰম ভাত সাজ অন্তত খাই যাব পাৰিব। বাজেটত আমি কাৰ কথা কৈছো অধ্যক্ষ মহোদয়, কভিডৰ কথা কোৱা হৈছে, ৰকিবুল হুছেইন ডাঙৰীয়াই জানে যে কভিডৰ ক্ষেত্ৰত আমি অসম চৰকাৰে কি কৰি আছো। কভিডত অনাথ হোৱা শিশু, কভিডত হোৱা বিধৱাক আৰু এইবাৰ আমি কৈছো কভিডত মৃত্যু হোৱা সকলো পৰিয়ালকে আমি এক লাখ টকাকৈ সাহাৰ্য্য দিম। আজি ক'ত এনেকুৱা মমতাময় চৰকাৰ আমি পাইছোঁ, কোনোৱা ৰাজ্যত এনেকুৱা কাম কৰিছে নেকি। আমি এখন সৰু ৰাজ্য, সেয়েহে আমি এক লাখৰ কথা কৈছো, কোনোৱাই হয়তো কালি ৫ লাখ দিব পাৰে। কিন্তু অসম ভাৰতৰ ৫ খন ৰাজ্যৰ ভিতৰত ইতিমধ্যে এখন হৈ গৈছে। কাৰণ আমিয়ে কৈছো যে প্ৰথম এনেকুৱা আঁচনি আনিম। বেলেগ কোনো ৰাজ্যইটো কৰ পৰা নাই। আজি আমি ইয়াত নিয়োগৰ কথা কৈছো ক'ৰ পৰা এই প্ৰশ্নটো আহিলে যে এক লাখ কৰবাত এবোলিষ্ট হ'ব। আমি কৈছো যে হয় আজি অসমত পুলিচ লাগে, আজি অসমত Bunglow peon নালাগে, যদি Bunglow peon ৰ ঠাইত পুলিচ ক্ৰিয়েট কৰো তাত হাউচৰ কি আপত্তি থাকিব লাগে? ব্ৰিটিছৰ দিনৰ পৰা আমাৰ যিবোৰ চাকৰি আছিল তাৰ টো এটা নতুন ৰূপ হ'ব লাগিব। ব্ৰিটিছৰ দিনত নিয়ম আছিল Bunglow peon, মই কৈছো আমাৰ Bunglow ক'ত আৰু পিয়ন ক'ত? আমাক দুয়োটাই নালাগে, আমাক Bunglow peon ৰ ঠাইত পুলিচ লাগে, আমাক শিক্ষক লাগে। গতিকে এক লাখ চাকৰি আমি নতুনকৈ কৰিম বুলি ভাৰিছিল আপোনালোকে সেইটো নাভাৰিব। আমি সংকল্প পত্ৰ লিখিছো যে আমি ২ লাখ চাকৰি দিম। এক লাখ দিম আৰু এক লাখ পিছৰ তিনি বছৰত দিম। আপোনালোকে ভৰাটো আপোনালোকৰ কথা। আমি ২ লাখ চাকৰি দিম। খালী পদত দিম, পোষ্ট ক্ৰিয়েট কৰি দিম যি কৰিম কৰিম, ২ লাখ ল'ৰা-ছোৱালীক আমি চাকৰি দিম। কেনেকৈ দিম যাদুটো আমাৰ ওপৰত এৰি দিয়ক। সেইটোত আপোনালোকৰ পৰা পৰামৰ্শ ললেটো আমি ফচি যাম।

**শ্ৰীভৰত নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অলপ ক'ব পাৰিম নেকি?

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী, অসম) ঃ** কওক কওঁক।

**শ্ৰীভৰত নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rules of Procedure and Conduct of Business in Assam Legislative Assembly ইয়াত Rule 143 (2) (General Discussion) The Finance Minister shall have general right to reply at the end of the discussion. Generally Finance Minister য়ে reply দিয়ে Prime Minister or Chief Minister এ কিবা এটা কথা interfere কৰিব পাৰে। কিন্তু গোটেই reply তো Chief Minister দিব নোৱাৰে।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই reply দিয়া নাই। মই বিজেপি দলৰ হৈ কৈছো।

মাননীয় অধ্যক্ষ মহোদয়, শেষত Micro Finance ৰ লোণতোৰ কথাটো কৈ মই সামৰণি মাৰিছো। আমি প্ৰতিশ্ৰুতি দিছিলো যে Micro Finance ৰ লোণ মাফ কৰিম। বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াই কৈছে যে কোম্পানীবিলাকৰ কি হ'ব। চাৰি হাজাৰ কোটি টকা আমি কোম্পানীক বাধ্য কৰাইছো লোণ উঠাই ল'বৰ কাৰণে যে আপোনালোকে যি Illegal লোণ দিছিল এইটো আপোনালোকে surrender কৰিব লাগিব। তাতকৈ ডাঙৰ ব্যৱস্থা

কোনেও ল'ব নোৱাৰে।

দ্বিতীয়তে আমি কৈছে যে সকলোকে যদি লোণ ৰেহাই দিওঁ, বহুত মহিলাই কৈছে আমাক লোণ ৰেহাই নালাগে, কাৰণ তেখেতসকলে যদি লোণ ৰেহাই লয়, তেখেতসকলে বেংকৰ পৰা আতৰি আহিব। সেই কাৰণে আমি কৈছো যে আপোনালোকক যদিও লোণ ৰেহাই নালাগে, তথাপিতো আপোনালোকক **২৫** হাজাৰ টকা মাতৃত্বৰ মৰমৰে দিম আৰু Finally যাক লোণ ৰেহাই লাগে বুলি ক'ব আমি সকলোকে লোণ ৰেহাই কৰি দিম, very simple thing। তিনি ভাগত এই কাৰণে কৰা হৈছে মানুহৰ ইচ্ছা বিৰুদ্ধে কাম কৰিব নোৱাৰে। বহুত মহিলা আছে তেওঁলোকে টকা লৈছে, টকা ঘুৰাই দিছে, ব্যৱসায় কৰিছে। তেওঁলোকে চৰকাৰৰ অনুগ্ৰহ নিবিচাৰে। আমি তেওঁলোকক কৈছো যে ঠিক আছে অনুগ্ৰহ নালাগে, আমি আপোনালোকক **২৫** হাজাৰ টকাৰ চেক এখন তথাপিতো দিম আৰু বাকী NPA ত থকা প্ৰতি গৰাকী মহিলাক সৰ্বস্ব লোণ ওভতাই দি তেওঁলোকক আমি ঋণ মুক্ত কৰিম। এইটো আমাৰ commitment।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীআশ্ৰাফুল হুছেইন।

**শ্ৰীআশ্ৰাফুল হুছেইন (চেঙা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনত দাখিল কৰা বাজেটৰ ওপৰত আঁচনিসমূহৰ সম্পৰ্কে কেইটামান বা ঘোষণাৰ ওপৰত কেইটামান বিষয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই বাজেটখনত দেখা পালো পদ্য, কবিতা, শ্লোগানৰে সজ্জিত এইখন বাজেটত দুৰৰ পৰা দেখিবলৈ ধুনীয়া পাহাৰৰ নিচিনা, কিন্তু ওচৰৰ পৰা দেখিলে ওখৰা মোখৰা দেখিবলৈ পাই। এই বাজেটত মূলতঃ যিবোৰ কথা উল্লেখ কৰা হৈছে, তাতে আমাৰ ৰাজ্য চৰকাৰখনে নিজস্বতাৰ ওপৰত যিখিনি গুৰুত্ব দিব লাগিছিল, যিখিনি নতুনত্বৰ ওপৰত গুৰুত্ব দিব লাগিছিল তাৰ বিপৰীতে দেখা গৈছে যি পূৰ্বৰ সময়ত ঘোষণা কৰা, পূৰ্বৰ সময়ৰ পৰা চলি থকা সেই আঁচনি সমূহকে বেছি বেছি আলোকপাত কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহকো বহুত বেছিকৈ আলোকপাত কৰা দেখা গৈছে। মাননীয় অধ্যক্ষ মহোদয়, এয়া ক'ভিডৰ সময়, এইসময় আমাৰ সকলোৰে বাবে জটিল, এই সময়ছোৱাত আমি অনুভৱ ৰাজ্য চৰকাৰখনক বিৰোধী শাসক সকলো একেলগে মোকাবিলা কৰা উচিত। কভি'ডত মোকাবিলা কৰিবলৈ NHM ৰ অধীনত যিসকল স্বাস্থ্য কৰ্মী বা মৃত্যুঞ্জয়ত কৰ্মৰত আছিল, তেওঁলোকে এই যুঁজখন যেনেকুৱাকৈ আগুৱাই নিছে, তেওঁলোকক কেৱল ধন্যবাদ আৰু কৃতজ্ঞা জ্ঞাপন কৰাৰ বাহিৰে আন একো বাজেটত দেখিবলৈ পোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, ক'ভিডত আমি যিধৰণে মোকাবিলা কৰাৰ কথা আছিল, vaccination drive যিদৰে আগুৱাই লৈ যাব লাগিছিল, তাৰ এটা স্পষ্ট ৰূপ ৰেখা এই বাজেটৰ জৰিয়তে পাব লাগিছিল, এই বাজেটত যেনেকুৱা ধৰণৰ আৱন্টনৰ কথা হ'ব লাগিছিল আৰু কিমান দিনৰ ভিতৰত আমি এই vaccination drive টো সম্পূৰ্ণ কৰিম তাৰো কিন্তু স্পষ্ট ৰূপ ৰেখা দেখা যোৱা নাই। আমি বিশ্বাস কৰো আৰু আমি অনুভৱ কৰো যে কভি'ডৰ মোকাবিলা কৰিবলৈ সকলো নাগৰিকক যদি vaccination দিব পাৰি, তেতিয়া হ'লে কভি'ডৰ পৰা বাচিব পৰা উপায় থাকিব। সেই ক্ষেত্ৰত আমি অনুভৱ কৰো যে অনাগত সময়ত কিছু সম্বৰ্ধনা কথা কোৱা হৈছে। এই ক্ষেত্ৰত যদি বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে অনুভৱ কৰে তেতিয়া হ'লে সেই বিলাকো সংলগ্ন কৰিব পাৰে।

মাননীয় অধ্যক্ষ মহোদয়, খাদ্য নিৰাপত্তা নিশ্চিত কৰাৰ কাৰণে যি দফা উল্লেখ কৰা আছে এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্য চৰণ বড়ো ডাঙৰীয়াই কেইটামান গুৰুত্বপূৰ্ণ দিশ উনুকিয়াই থৈ গৈছে। আমি দেখা পাইছো NFS ৰ অধীনত বহু মানুহে ৰেচন কাৰ্ড পাইছে। কিন্তু একেটা

সময়ত দেখা গৈছে যে গৰীৰ মানুহখিনিয়ে দীৰ্ঘদিনৰ পৰা বঞ্চিত হৈ আছে, তেওঁলোকে ৰেচন কাৰ্ডৰ চাউলখিনিৰ পৰাও বঞ্চিত হৈছে। এই বিষয়ে আমি পূৰ্বতেও সদনত উল্লেখ কৰিছিলো যে বহু পৰিয়ালত মানুহ আছে সাত জন, আঠজন, কিন্তু ৰেচন কাৰ্ডত নাম আছে দুইজনৰ । বহু পৰিয়াল এনেকুৱা যে দৰিদ্ৰ সীমা ৰেখাৰ তলত থকাৰ পিছতো তেওঁলোকে আজিলৈকে ৰেচন কাৰ্ড পোৱা নাই। এই বিলাকত, কেৱল এটা উত্তৰত এটা কথাই দেখা পোৱা যায, যদি অনুপযুক্ত মানুহে কাৰ্ড surrender কৰে, তেতিয়াহে নতুন কাৰ্ড আৰু মানুহৰ নাম সোমাব পৰা যাব। আমি জানো যে এটা target কেন্দ্ৰীয় চৰকাৰে আমাৰ বান্ধি দিছিল। কিন্তু যিসময়ত ৰাজ্যত অন্ন যোজনাৰ দৰে এটা গুৰুত্বপূৰ্ণ আচঁনি আছে, সেই ক্ষেত্ৰত আমি ভাৱো যে যি সকল বঞ্চিত মানুহ আছে তেওঁলোকক ঘৰত একমুঠি অন্ন দিয়াৰ কাৰণে এই আঁচনিৰ জৰিয়তে ব্যৱস্থা গ্ৰহণ কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, বাজেটত উল্লেখ কৰা হৈছে **১৩৫** কোটি মূল্যৰ নিচাযুক্ত দ্ৰব্য এই চৰকাৰৰ দিনত জব্দ কৰা হৈছে, খুব ভাল কথা। আমি ভাৱো আৰু strict drive হ'ব লাগে। কিন্তু একে সময়তে এই কথাটো প্ৰমাণ কৰি দিছে যে বিগত সময়ত এই চৰকাৰে আছিল, এতিয়াও এই চৰকাৰে আছে আৰু এই চৰকাৰৰ নাকৰ তলতে বিগত দিনত এই কাণ্ড-কাৰখানা চলিছিল, তাৰ ব্যৰ্থতা এই সদনত উল্লেখ কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, ক'ভিডত মৃত্যু হোৱা পৰিয়ালক **২** লাখ **৫০** হাজাৰকৈ টকা দিছে, আমি ভাল পাইছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই মাত্ৰ অৱগত কৰাইছে যিসকল এই criteria ত পৰা নাই তেওঁলোককো এক লাখকৈ টকা দিছে, আমি এই ক্ষেত্ৰত তেওঁলোকক আদৰণি জনাইছো। এই ক্ষেত্ৰত আৰু এটা দিশ উল্লেখ কৰিব বিচাৰিছো যে অসম ৰাজ্যখন কৃষি অৰ্থনীতিৰ ৰাজ্য হিচাপে আগবাঢ়িব লৈছে আৰু দীৰ্ঘদিনৰ পৰা সেই অৰ্থনীতিৰ মাজত আছো। মাননীয় সদস্য শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াই শাসকীয় পক্ষৰ বিধায়ক তেওঁৰ এই ক্ষেত্ৰত বিশেষ জ্ঞান আছে আৰু তেওঁলোক গ্ৰাম্য কৃষি অৰ্থনীতি আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত কাম কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমৰ কৃষক সকলে যি উৎপাদন কৰিছে। এইবাৰ MSDP ত মাত্ৰ **১০** লাখ কুইন্টল ধান তৈয়াৰ কৰিব। .... (interruption)

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ সময় শেষ। reply য়ো আছে গতিকে আপুনি বহক। এতিয়া মাননীয় সদস্য শ্বেৰমান আলি ডাঙৰীয়া।

**শ্ৰীশ্বেৰমান আলি আহমেদ (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বাজেট বক্তব্যত অংশগ্ৰহণ কৰিবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰ যেতিয়া নতুনকৈ গঠন হ'ল, মাননীয় মুখ্যমন্ত্ৰীয়ে আসনত বহিয়ে তেখেতে এটা ঘোষণা কৰিলে, এটা সিদ্ধান্ত লৈছে যে অসমক গোটেই ভাৰতবৰ্ষৰ অন্ততঃ প্ৰথম পাচঁখন ৰাজ্যৰ ভিতৰত এখন ৰাজ্য কৰিবলৈ সংকল্প বদ্ধ হৈছে। তেখেতৰ এই সংকল্পৰ কথা শুনি আমি যথেষ্ট ভাল পালো, কাৰণ প্ৰতিটো উন্নয়ৰ ক্ষেত্ৰত SDG ৰ কথাই কওঁক, IMR ৰ কথাই কওঁক, গোটেই ভাৰতবৰ্ষত অসম নিম্ন স্থানত। আমি তলৰফালেহে স্থান দখল কৰি আছো। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই দেশৰ পাচঁখন ৰাজ্যৰ ভিতৰত আমাৰ ৰাজ্যই স্থান গ্ৰহণ কৰাতো অকল মুখৰে ক'লে নহ'ব। সেইটো আমি আগবাঢ়িব লাগিব এই বাজেট নামৰ অস্ত্ৰৰ যোগেদি। এই বাজেট খনৰ যোগেদি সদনৰ সাধাৰণ নিত্য-নৈমিত্তিক জীৱনৰ এটা ঘটনা মই দৃষ্টিপাত কৰিম। ধৰি লওঁক মই এজন চাকৰিয়াল, বিধায়ক নহয়। মোৰ মাটি-বাৰিও অলপ আছে, ফিচাৰীও অলপ আছে, দুখনমান ভাড়া গাড়ীও আছে, মই এটা পৰিয়ালো চলাও, মই চাকৰি কৰি দৰমহাও পাওঁ। ধৰা হওঁক ২০ হাজাৰ টকা পাওঁ, ফিচাৰীৰ

পৰা ২০০০ টকা পাওঁ, খেতিৰ পৰা ৫০০০ টকা পাওঁ আৰু মই ঘৰভাড়াও পাওঁ। গতিকে ধৰি লওঁক মোৰ বছৰত ৫০ হাজাৰ টকা আয় হয়। পৰিয়ালৰ মুৰব্বী হোৱাৰ কাৰণে মই খৰচ কৰিব লাগে। মই প্ৰথমে খৰচ কৰিব লাগিব পৰিয়ালটোৰ খোৱা-বোৱাৰ ক্ষেত্ৰত, তাৰ পিছত পৰিয়ালটোৰ কাপোৰ-কানিৰ ক্ষেত্ৰত তাৰ পিছত শিক্ষা, চিকিৎসা আদিকে ধৰি যিটো নিত্য প্ৰয়োজনীয় খৰচ মোৰ পৰিয়ালটোৰ কাৰণে কৰিব লাগে। This is called revenue expenditureবা recurring expenditure. মই মোৰ পৰিয়ালটো চলাওঁতে মোৰ সদায় লক্ষ্য থাকিব। হয়, well-being ও পাওঁ। Family is the topmost priority, মই খোৱা-বোৱা, কাপোৰ - কানি, চিকিৎসা ব্যয়, মোৰ লৰা-ছোৱালীৰ শিক্ষা-দীক্ষা যিবোৰ প্ৰয়োজনীয়, তাৰ লগতে মোৰ পত্নী, মোৰ মাতৃ, মোৰ ভাতৃৰ উপঢৌকন আদিত যদি মোৰ ৫০ হাজাৰ আয়তকৈ ৫ হাজাৰ টকা বেছিকৈ খৰচ কৰো তেতিয়াহ'লে মোৰ  পত্নী আৰু মাতৃয়ে সাময়িকভাৱে ভাল পাব। কিন্তু মই পৰিয়ালটোৰ মূৰত প্ৰতি মাহতে ৫ হাজাৰ টকাকৈ ঋণৰ বোজা জাপি দি আছো আৰু সেই ঋণ পৰিশোধ কৰাৰ কোনো উত্তৰ নাই। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে ঠিকেই কৈছে যে লোন লোৱাটো সদায় বেয়া নহয়। মোৰ পৰিয়ালটো চলাওতে লক্ষ্য থাকিব লাগিব যে মোৰ ৫০ হাজাৰ টকা আয় হয় যাক ৰেভিনিউ ৰিচিপ্ট বুলি কোৱা হয়। এই ৫০ হাজাৰ টকা আয়ৰ পৰা মোৰ পৰিয়ালৰ নামত যদি ৪৮ হাজাৰ টকা খৰচ হয়, তেতিয়াহ'লে মাত্ৰ ২ হাজাৰ টকাহে জমা কৰিব পাৰিম। বেঙ্কৰ পৰা মই এটা ল'ন লৈ যদি দুটামান ভাড়াঘৰ বনাই দিব পাৰো , তেতিয়াহ'লে প্ৰতিমাহে মোৰ ইনকাম আহিব আৰু যদি মই মাৰ্কেট কমপ্লেক্স বনাই দিব পাৰো তেতিয়াহ'লে it is well and good. লোন ল'ব পাৰো  কিন্তু প্ৰতি মাহে মোৰ ৫০ হাজাৰ টকা আয় আৰু তাৰ পৰা প্ৰতি মাহে ৫ হাজাৰ টকা ব'ৰিং কৰি কৰি মোৰ মাতৃ, ভাতৃ-ভগ্নী, ল'ৰা-ছোৱালীক সন্তুষ্ট কৰি আছো, তেওঁলোকক নতুন নতুন উপহাৰ দি আছো। Then i am putting my family into danger. এই কথাখিনি বাস্তৱ। মই যেতিয়া লোন লৈ ভাড়াঘৰ বনাইছো বা মাৰ্কেট কমপ্লেক্স বনাইছো বা ঘৰ বনাইছো, it is capital expenditure so i can take loan. লোনৰ এটা সীমা আছে যে মোৰ গোটেই ৫০ হাজাৰ টকাৰ আয়ৰ পৰা যাতে মোৰ ৪০ হাজাৰ টকা সূত দিবলগীয়া নহয়। There is a limit. Basic principle হ'ল যে মোৰ যিমান আয় হয় মাহটোত মোৰ লক্ষ্য থাকিব লাগিব যে ১০০০ বা ২০০০ টকা মই জমা কৰিব লাগিব আৰু পৰৱৰ্তী সময়ত মোৰ জমা ধনেৰে নাইবা প্ৰয়োজনত বেঙ্কৰ পৰা অলপ লোন লৈ হ'লেও মোৰ পৰিয়ালটোৰ লং টাৰ্ম বেনিফিটৰ কাৰণে যাতে কিছু এছেট্ ক্ৰিয়েট কৰিব পাৰো। মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ এই বাজেটত তিনিটা বিত্তীয় বৰ্ষৰ ৰেফাৰেঞ্চ দিয়া হৈছে। আমাৰ প্ৰত্যেকজন মাননীয় সদস্যই এই বাজেটখন চাই আছে।¯ যদি ভালকৈ চায় দেখা পাব যে ২০১৯-২০ চনত actual revenue receipt আছিল ৬৪হাজাৰ ৪৯৫ কোটি আৰু expenditure হ'ল ৬৫ হাজাৰ ৮১৭ কোটি টকা। অৰ্থাৎ মোৰ যিটো আয় ৫০ হাজাৰ টকা, সেই টকাৰে  ঘৰখন নচলিল, মোৰ ঘৰখনৰ কাৰণে , পৰিয়ালৰ কাৰণে জমা কৰা কথাটো বাদেই , মই ১৩২২ কোটি টকাৰ লোন লৈ মোৰ ঘৰখন চলালো, Am i a good guardian?এটা বছৰ হ'ব পাৰে কিন্তু প্ৰত্যেক বছৰে যদি মই এইটো কৰি থাকো তেন্তে I am the most unawared guardian. আজি মাননীয় অধ্যক্ষ মহোদয়, ২০২০-২১ চনৰ আমাৰ ৰিয়েল অঙ্কবোৰ  বা এক্সুৰেল কথাবোৰ অহা নাই। কিন্তু বাজেট এষ্টিমেটটো আমি যদি চাওঁ তেন্তে দেখা পাম যে আমাৰ প্ৰায় ৬২২৮ কোটি টকা ঋণ লৈ মই মোৰ পৰিয়ালটো চলাই আছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমলাক্ষ দে পুৰকায়স্থ আপুনি ৫ মিনিটৰ ভিতৰত ক'ব তাৰ পিছত ৰিপ্লাই দিব।

**শ্রী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সময় যিহেতু বেছি নাই মই দুটামান কথাই কব বিচাৰিছো। আমি যদি বাজেটখন চাওঁ তেতিয়াহ'লে এটা বস্তু দেখা পাম যে এই বাজেটত বৰাকৰ ক্ষেত্ৰত আমি যি বিচাৰিছিলো কৰিমগঞ্জ মেডিকেল কলেজ, শিলচৰ মেডিকেল কলেজৰ আন্তঃগাঁথনি উন্নত কৰা , প্লেনেট'ৰিয়াম, ফ্লাডলাইট, বৰাকৰ নদীৰ ওপৰত ৫ খন দলং নিৰ্মাণৰ কথা , এইবোৰ নাই । সেইবোৰ ক'ত গ'ল ? আপোনালোকে দিলে কি চিৰিয়াখানা। এই চিৰিয়াখানা দিলে আমাৰ বৰাকভেলিৰ মানুহৰ কি হ'ব ? আমি বিচাৰিছিলো মেডিকেল কলেজৰ আন্তঃগাঁথনি উন্নতকৰণ, বায়'ল'জি বিভাগটোৰ ক্ষেত্ৰত দপ্তৰ,আৰু বিচাৰিছিলো নিউৰ'ল'জি বিভাগৰ উন্নতকৰণ। অধ্যক্ষ মহোদয়, এইবোৰ কাম কৰা নাই। তেওঁলোকে কেৱল আমাক চিৰিয়াখানাখন দিলে, চিৰিয়াখানাৰ দ্বাৰা আমাৰ বৰাকভেলিৰ মানুহৰ কি উন্নতি হ'ব? বৰাকভেলিৰ কাৰণে মেডিকেল কলেজৰ কথা আছে, ইঞ্জিনিয়ৰিং কলেজৰ কথা আছে, শিলচৰ মেডিকেল কলেজৰ কথা আছে, শিলচৰ কেন্সাৰ মেডিকেল কলেজৰ কথা আছে এইখিনি বস্তুৰ কিয় উন্নতি কৰা নাই ? মাননীয় অধ্যক্ষ মহোদয়, আপনারা বিধানসভায় কি জন্য যাচ্ছেন? গিয়ে কি করছেন? এখানে চিড়িয়াখানায় আনার জন্য কি আপনাদের পাঠানো হয়েছে? অধ্যক্ষ মহোদয়, আমাদের শিলচর ভাষা শহিদ স্টেশন, ভাষা শহিদ স্মারক— এই কথাগুলো বারবার বিধানসভায় উত্থাপন হচ্ছে এবং বারবার মুখ্যমন্ত্রী বলছেন। কিন্তু আমরা দেখতে পাচ্ছি আজ সেই কথাগুলোর কোনও গুরুত্ব দেওয়া হচ্ছে না। অধ্যক্ষ মহোদয়, অরূপ ভট্টাচার্যের লেখা, মিতালি পাবলিকেশন্ নিউ দিল্লি থেকে পাব্লিশ হওয়া "Assam In Indian Independence" বইটিতে পরিষ্কারভাবে লেখা আছে যে ১৯৩৮ সালে মহম্মদ সাদুল্লা সরকারের যখন পতন হল তখন ভারতবর্ষের Indian National Congress এর জাতীয় সভাপতি ছিলেন সুভাষ চন্দ্র বসু । তিনি শিলঙে এসে মিটিং করেন এবং মিটিং করে লোকপ্রিয় গোপীনাথ বরদলৈকে অসমের মুখ্যমন্ত্রী করা হয়। অধ্যক্ষ মহোদয়, আমি এজন্য বলছি যে সেই সময়ও অক্ষয় কুমার দাস, রামনাথ দাস, কামিনী কুমার দাস, রূপনাথ বরুয়া, তখন সুরমা ভ্যালি ছিল এবং তখন সুভাষ বসুর নেতৃত্বে লোকপ্রিয় গোপীনাথ বরদলৈকে অসমের মুখ্যমন্ত্রী করা হয়। অধ্যক্ষ মহোদয়, আমি এজন্য বলছি যে অসম গড়ার ক্ষেত্রে বঙ্গসন্তান হিসাবে বাঙালিদের একটা বিরাট অবদান ছিল। ভারতবর্ষ যখন স্বাধীন হল তখন গ্রুপ 'সি'র রাজ্যে অসমকে অন্তর্ভুক্ত করা হয়েছিল। তখন গোপীনাথ বরদলৈর নেতৃত্বে বাবু বসন্ত দাস, কামিনী দাস ওই সব বাঙালিদের নেতৃত্বে গ্রুপ 'সি' থেকে অসমকে রক্ষা করা হয়। অধ্যক্ষ মহোদয়, খিলঞ্জিয়া জনগোষ্ঠীর ঐক্য-সংস্কৃতি রক্ষার ক্ষেত্রে ১০০ কোটি টাকা দেওয়া হয়েছে। আমি ধন্যবাদ জ্ঞাপন করছি। কিন্তু খিলঞ্জিয়া কারা আমরা অসম বিধানসভায় বলতে পারি না, আমরা পার্লামেন্টে বলতে পারি না,আমরা সুপ্রিম কোর্টে বলতে পারি না। তাই ওই টাকাটা যে ধরা হল সেটা কার ক্ষেত্রে ব্যবহার করা হবে? অধ্যক্ষ মহোদয়, অনেক কথা বলার ছিল। হয়তো বা ট্রেজারি বেঞ্চের সদস্যদের অনেকেই বলবেন যে এই বাজেট জনমুখী বাজেট। কিন্তু আমরা বিরোধী দল হিসাবে বলব যে এই বাজেটের অনেকগুলো লেপ্স আছে। এবং যেগুলো লেপ্স আছে, আমরা যা বললাম সেইগুলো আমাদের বিত্ত মন্ত্রী কাছে অনুরোধ রাখলাম যাতে জনমুখী হিসাবে বাজেট বাস্তবে রূপান্তরিত হয়। সেটাই আজকের দিনে কামনা করছি। নমস্কার।

**সিদ্দিক আহমেদ (দক্ষিণ করিমগঞ্জ)-** মাননীয় অধ্যক্ষ মহোদয়, এত কম সময়ের মধ্যে আমি কি

বক্তব্য রাখব। এখানে বিত্তমন্ত্রী অজন্তা নেওগ মহাশয়া যে ২০২০-২১ সালের যে বাজেট উত্থাপন করেছেন আমি শুধু দু-চারটে কথা আপনাদের সামনে উপস্থাপন করব। আমি সমালোচনা করব না কারণ কিছু কিছু বিষয়, বাজেটে যেগুলো জিনিস ধরা হয়েছে তার মধ্যে যেমন ড্রাগস বিরোধী অভিযান। মাননীয় মুখ্যমন্ত্রী যে সিদ্ধান্ত নিয়েছেন আমরা স্বাগত জানাই সেটা সমস্ত অসমেৰ একটা বড় হেড-অ্যাক। বিশেষ করে মুসলমান সমাজে, আমার মনে হয় সব চেয়ে বেশি এই ড্রাগসে জড়িত। তার সাথে সাথে আরও কিছু যেমন অর্থমন্ত্রী মহাশয়া ১০০০ টি হসপিটাল স্থাপন করার জন্য স্বাস্থ্যকেন্দ্রকে হাসপাতালে রূপান্তরিত করার সিদ্ধান্ত নিয়েছেন। আমি অনুরোধ করব যে প্রত্যেকটা গাঁও পঞ্চায়েতে যাতে এক, একটা হাসপাতাল করেন। এবং বিগত ২, ৩টি বাজেটে করিমগঞ্জ জেলায় মেডিক্যাল কলেজ স্থাপন করার সিদ্ধান্ত ছিল এবং বহু দিন স্বাস্থ্যমন্ত্রী বলেছেন যে আমাদের দুজন বিধায়কের টানাহ্যাঁচড়াতে এই মেডিক্যাল কলেজটা হচ্ছে না। আমরা আলোচনা করেছি যে সরকার যেখানেই সিদ্ধান্ত করবেন, আমাদের জায়গা নিয়ে কোন কথা নেই। আমরা সেই জায়গাকেই সাপোর্ট করব। করিমগঞ্জের জন্য একটা মেডিক্যাল কলেজের প্রয়োজন। কারণ, করিমগঞ্জের শেষ প্রান্ত থেকে শিলচর মেডিক্যাল কলেজ পৌঁছতে প্রায় ১০০ কিমি দূরত্ব। এবং বিশেষ করে কার্ডিওলোজি এবং নিউরোলজির কোনও ভালো ব্যবস্থা নেই। সেখানকার কোন রোগী যদি কোন অসুবিধায় পড়ে তাহলে গুয়াহাটিতে আসতে হয়। গুয়াহাটিতে আসার পথে অনেক রোগীর মৃত্যু হয়ে যায়। আমি আরও একটা কথা অনুরোধ করব যে করিমগঞ্জে একটা শনবিল রয়েছে, যা সমগ্র এশিয়ার মধ্যে একটা বৃহৎ বিল এবং এই বিলের যদি একটি পর্যটন বিভাগের প্রজেক্ট হয়। তাহলে সমগ্র অসমের যত পর্যটকরা আসেন তারা অন্তত শনবিলে গিয়ে সেখানকার দৃশ্য উপভোগ করতে পারেন এবং তা থেকে সমগ্র অসমে একটা ভালো রেভিনিউ কালেকশন হবে। আমি আরোও দু-একটা কথা বলব যে অসম একটা কৃষি প্রধান দেশ এবং যেখানে ডায়েরির কথা বলা হয়েছে, বিভিন্ন বাজেটে অনেক সুবিধা দেওয়া হয়েছে যে গাভী কেনার ব্যবস্থা দেওয়া হয়েছে। আমি কো-অপারেটিভ মিনিস্টার ছিলাম। আমি গুজরাটে গিয়েছি , আমি রাজস্থানে গিয়েছি, সেখানকার যে কো-অপারেটিভ সিস্টেম ডায়েরি কো-অপারেটিভ এবং অন্ধ্রতে ফিসারি কো-অপারেটিভ। আজ এখানে কো-অপারেটিভ মিনিস্টার নেই আমি অনুরোধ করব আমাদের এই কৃষি প্রধান অসমে বর্তমানে যে অবস্থা আমি দেখেছি, বিশেষ করে বরাক ভ্যালি এবং আপার অসমে মানুষগুলো সাধারণত খেত-কৃষি করতে চায় না। বরাক ভ্যালিতে মাত্র একবার ফসল উৎপাদন করা হয়। লোয়ার অসমের মানুষ অন্তত তিন-চার বার ফসল উৎপাদন করার চেষ্টা করে। বরাক ভ্যালি এবং আপার অসমের মানুষ অত্যন্ত আলসে। সুতরাং আমি একটাই অনুরোধ করব যে খাদ্য সুরক্ষা বিল যেটাতে মাথা পিছু ৫ কেজি করে চাল দেওয়া হচ্ছে অন্তত সেই চাল যাতে অসমের কৃষকদের উৎপাদন থেকে দেওয়া হয় এবং এই সাবসিডির টাকা যাতে তারা পায়। অন্তত আপনারা যে ১০ লক্ষ টন ধান সংগ্রহ করার ব্যবস্থা করেছেন সেই ধান যদি কৃষকদের থেকে আরও বেশি কালেকশন করেন তাহলে এই যে ধান উৎপাদন হবে এবং তাদের থেকে খাদ্য সুরক্ষার চাল, যেগুলো বাইরে থেকে আনা হয় সেটা অন্তত আমাদের অসমের উৎপাদন থেকে দেওয়া হয়, তাহলে অনেক উপকার হবে। দ্বিতীয় হল, আরও একটা কথা যে ফিসারির যথেষ্ট সুযোগ-সুবিধা আমাদের অসমের বিভিন্ন অঞ্চলে আছে। সুতরাং সেই ফিসারিগুলো কাজে লাগিয়ে যাতে বড় বড় বিলগুলো ফিসারি কো-অপারেটিভ সোসাইটি করে কৃষকদের কিছু সুযোগ-সুবিধা দেওয়া হয়। সময় কম, তাই আমি আর বক্তব্য রাখতে পারলাম না। কৃষকদের কিছু সুযোগ-সুবিধা

দেওয়া হয়। সময় কম, তাই আমি আর বক্তব্য রাখতে পারলাম না।

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া শ্ৰী আফটাবউদ্দিন মোল্লা।

**শ্ৰী আফতাব উদ্দিন মোল্লা (জলেশ্বৰ) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই এই বাজেটৰ বিষয়ে দুই এটা কথা কম। বেছি সময়ো নাই। প্ৰথম কথাটো হ'ল এই বাজেটখনত বান মুক্ত অসমৰ কথা কোৱা হৈছে। আৰু ১ হাজাৰ কিঃ মিঃ মথাউৰি বনাই তাত হয়তো পিচ ৰাস্তাও বনাব। ধন্যবাদ দিছো, এই কাৰণে আৰু লগতে এই কথাটোও কৈছো যে বানমুক্ত অসম কৰিবলৈ গলে ব্ৰহ্মপুত্ৰ নদীৰ যিটো গৰাখহনীয়া, ডিব্ৰুগড়ৰ পৰা আৰম্ভ কৰি ধুবুৰীলৈ, এই ব্ৰহ্মপুত্ৰ নদীৰ দুয়োপাৰে যেনেকুৱা ভাঙোন হৈছে, বিশেষকৈ মই জলেশ্বৰ সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰিছো । তাত মই কেইটামান কথা ক'ব খুজিছো। তাত কাকিমাৰি, মধুপুৰ, কাঠৰি, চিলাৰভিটা, মোৰামাৰি, কুলসীবাৰী, জলেশ্বৰ বিল, নিচানপুৰ, বুঢ়া-বুঢ়ী, নাৰামাৰি, কোৰাপিটা, সুন্দৰ পাৰা এই গোটেই অঞ্চলটো ব্ৰহ্মপুত্ৰ নদীয়ে ভাঙিয়েই আছে। বহুত মানুহৰ ঘৰ -বাৰী গ'ল। বিশেষকৈ তাত বুঢ়া-বুঢ়ী থান বুলি এডোখৰ ঠাই আছে, সেই ঠাইডোখৰত এটা মন্দিৰো আছে। কিছু দিন আগত আমাৰ ধুবুৰীৰ ডি চি ও আহিছিল, তাত চাই গৈছে, সেই মন্দিৰটো এতিয়া বিপদৰ সন্মুখীন হৈছে। কেৱল এই থানখনৰ নদীৰ পাৰত এটা শিলৰ গাঠনি আছে। সেইটো যদি ভাঙি যায়, এইটো ইন্টাৰ ব্লক তাক জামাদাৰ ব্লক বুলি কয়, এটা ব্লক গুছি যাব আৰু সেই অঞ্চলৰ মানুহখিনিৰ কি অৱস্থা হ'ব? এই পাথৰখিনিয়ে চেফ দি ৰাখিছে। গতিকে মই এই কথাটো এই কাৰণেই কৈছো, যে ব্ৰহ্মপুত্ৰ নদীৰ পাৰে পাৰে যিটো ৰাস্তা বনাব খুজিছে, তাৰ লগত এই কথাটো কেৱল যোগ দিব খুজিছো যে নদীৰ যিটো ভাঙোন, এই ভাঙোনটো প্ৰতিৰোধ কৰাৰ এটা ব্যৱস্থা কৰিব লাগে। এইটো মোৰ অনুৰোধ। বিত্তমন্ত্ৰীৰ ওচৰত আৰু এটা কথা কৈছো যে আমাৰ সমষ্টিটো সম্পুৰ্ণৰূপে inter State border ৰত পৰে । একেবাৰে লক্ষীমপুৰৰ পৰা নিজান পুৰলৈকে। গোটেইখিনি inter State border, তাত থানাৰ খুব প্ৰয়োজন। আমি ইতিমধ্যে এই কথাটো ক'ব খুজিছো, যে তাত যদি দুখনমান থানা inter State border হিচাপে দিয়ে, তেনেহ'লে আমাৰ অসমৰ মানুহৰ লাভ হ'ব। কিন্তু এতিয়া বৰ্তমান তাত থানাখন আছে, মেঘালয়ত। মেঘালয়ৰ পুলিছে সদায় আমাৰ অসমৰ মানুহখিনিক হাৰাশাস্তি কৰি থাকে। গতিকে মই এইটো এটা অনুৰোধ জনাইছো আৰু ইয়াতে এটা কথা মই ক'ব খুজিছো যে জলেশ্বৰ সমষ্টিটো এনেকুৱা এটা সমষ্টি, তাত মেঘালয়ৰ flood আহি সৰ্বনাশ কৰি দিয়ে, মাজতে যি flood হ'ল, তাৰ ফলত আমাৰ দলং কেইখন উটুৱাই নিলে, আমাৰ মন্ত্ৰী সকল গৈছিল, ধন্যবাদ জনাইছো আৰু আমাৰ যিখন বাজেট হৈছে, সেই বাজেটখনৰ ওপৰত মোৰ তেনেকুৱা কোনো বিশেষ ক'ব লগা নাই, বাজেটখন গতানুগতিকভাৱে হৈছে আৰু মই বিছাৰো, এইখিনি সংযোজন কৰি ল'লে ভাল হ'ব ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ মন্ত্ৰী মহোদয়ে কিমান সময় ল'ব, ২০ মিনিট। আমি সময়টো ২ঃ৩০ ৰ পৰা অলপ বঢ়াই লৈছো।

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে গণতন্ত্ৰত তিনিটা দিশ আছে। সেইকেইটা হ'ল- ডাইল'গ, ডিবেট আৰু ডিচকাশ্যন। আমি যিমানেই ডিবেট, ডাইলগ, ডিচকাশ্যন এই পবিত্ৰ মজিয়াত কৰিম, আমাৰ গণতন্ত্ৰ যিমানেই অধিক শক্তিশালী হ'ব। এইখিনি কথা মই আন্তৰিকতাৰে বিশ্বাস কৰো। ইতিমধ্যে বাজেট দাখিল কৰাৰ পিছত সদনত মাননীয় সদস্যসকলে ক্ৰমে মাননীয় বিৰোধী দলপতি দেবব্ৰত শইকীয়া, পদ্ম হাজৰিকা, আমিনুল ইছলাম, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, গোবিন্দ বসুমতাৰী , দুৰ্গা দাস বড়ো, মনোৰঞ্জন

তালুকদাৰ, ওয়াজেদ আলী চৌধুৰী, গণেশ কুমাৰ লিম্বু, ভবেন ভৰালী, ভুৰন পেগু, লৰেন্স ইছলাৰী, দিগন্ত কলিতা, অখিল গগৈ, চক্ৰধৰ গগৈ, জয়ন্ত বসুমতাৰী, ৰূপক শৰ্মা, মানব ডেকা, তৰঙ্গ গগৈ, ভৰত চন্দ্ৰ নৰহ, ভবেশ কলিতা, আমিনুল ইছলাম, ৰূপেশ গোৱালা, উপেন বড়ো, ৰাম কৃষ্ণ ঘোষ, চৰণ বড়ো বিদ্যাসিং ইংলেং, পোনাকণ বৰুৱা, ৰকিবুল হুছেইন, ইউ জি ব্ৰহ্ম, আশ্ৰাফুল হুছেইন, শ্বেৰমান আলি আহমেদ, কমলাক্ষ দে পুৰকায়স্থ, সিদ্দেক আহমেদ, আফতাবুদ্দিন মোল্লা ইত্যাদি প্ৰায় ৩৬ জন মাননীয় সদস্যই এই কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিছে। অধ্যক্ষ মহোদয়, ই আমাৰ কাৰণে শুভ লক্ষণ। এই সদনত মই দীৰ্ঘদিন ধৰি আছো। বাজেট উত্থাপনৰ সময়ত বা ৰিপ্লাইৰ সময়তো আনে কিন্তু ইমান সদস্যই বাজেট অধিবেশনৰ বিতৰ্কত অংশগ্ৰহণ কৰা দেখা নাই। মই ভাবিছো This is the highest participation . মই প্ৰথমতে এই বাজেট বক্তৃতাত অংশ গ্ৰহণ কৰা সকলো মাননীয় সদস্যক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেখেতসকলে যি বহুমূলীয়া পৰামৰ্শ আগবঢ়াইছে লগতে সদনৰ কনিষ্ঠ সদস্যইয়ো অতি বলিষ্ঠ ভাৱে এই বাজেট ভাষণ বক্তৃতাত অংশ গ্ৰহণ কৰিছে। তেখেতসকলে দিয়া পৰামৰ্শখিনি মই আৰ্শীবাদ হিচাপে গ্ৰহণ কৰিছো। অধ্যক্ষ মহোদয়, বাজেটখন আচলতে মই যিমান সমালোচনা হ'ব বুলি ভাবিছিলো সিমান হোৱা নাই। কিছু সন্মানীয় সদস্যই সমালোচনা কৰিছে, বিৰোধী সকলেও সমালোচনা কৰিব লাগিব। এতিয়া মই বাজেট খনৰ ভিতৰলৈ আহিছো। প্ৰথমতে, বিৰোধী দলপতি শ্ৰীদেবব্ৰত শইকীয়াই এই বাজেটখনক বাহিৰে ৰংচং মানে বাহিৰখন ধুনীয়া আৰু ভিতৰে কোৱা ভাতুৰী মানে ক'লা বুলি কৈছে। দ্বিতীয়তে আমাৰ এগৰাকী জ্যেষ্ঠ সদস্য ভৰত নৰহ ডাঙৰীয়াই বাজেটখনত একো দেখা নাই বুলি কৈছে। ইমান দিনে আপুনি ঢকুৱাখনাৰ বিধায়ক আছিল আৰু কিছুদিন আগতে নাওঁবৈচাৰ বিধায়ক হৈছে। মই ক'ব বিচাৰিছো যে নাৰিকল এটা উৎকৃষ্ট ফল। এইটো কথা সকলোৱে জানে। নাৰিকলটো খাবলৈ কিন্তু কষ্ট কৰিব লাগিব। কষ্ট কৰি নাৰিকলৰ বাকলিটো গুচাই ল'লেহে ভিতৰৰ বগা সাহটো খাব পাৰি। অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলপতি আৰু ভৰত নৰহ ডাঙৰীয়াই ভিতৰলৈ যোৱাই নাই, বাহিৰতে আছে । সেইটো যদি চেলাই পেলাই নাখায় অৰ্থাৎ বাজেটখনৰ ভিতৰলৈ নাযায় তেখেতসকলে সেই ফল খাবলৈ কেনেকৈ সক্ষম হ'ব? নাৰিকলৰ পানীও বৰ মিঠা। বাজেটখন তেওঁলোকে ভালদৰে পঢ়া নাই। সেইবাবে আচলতে এইখিনি কথা কৈছো। অধ্যক্ষ মহোদয়, মই এইখিনি কথাই ক'ম যে এই বাজেটখন কেৱল এটা বছৰৰ হিচাপ নিকাচ বা জমা খৰছ নহয়, এইখন হৈছে এখন ভিজন ডকুমেন্ট, এই কথা মই প্ৰথমে কৈছো। এইখন এখন ভিজন ডকুমেন্ট যিয়ে আমাক এটা ভবিষ্যদৰ্শন দিব। এইটো এটা ৫ বছৰীয়া পৰিকল্পনা। আজি আমিনুল ইছলাম ডাঙৰীয়া থকা হ'লে ভাল পালোহেঁতেন। তেখেতলোকে কথা কেইটামান ক'লে হিট এণ্ড ৰাণ। কিন্তু আজি তেখেত সদনত নাই, থাকিব লাগে অধ্যক্ষ মহোদয়। বাজেটত যেতিয়া কথাবিলাক কয় তেতিয়া ৰিপ্লাইৰ সময়ত উপস্থিত থাকিব লাগে। ইছলাম ডাঙৰীয়াই সেইদিনাখন কৈছিলে যে মোৰ এই বাজেটখন এক উৎকৃষ্ট সাহিত্য । অধ্যক্ষ মহোদয়, আজি কাৰ কাৰণে বাজেটখন প্লেচ কৰিছো। মই প্ৰথমে কাৰ কাৰণে মঙ্গল কামনা কৰিছো। অসমৰ ৩ কোটি ৩০ লাখ মানুহৰ কাৰণে। এটা কথা যে মই কিছু আগৰ কথাবিলাক ক'বলৈ ভাল পোৱা নাই তথাপিও ক'ব লাগিব যে এই সদনতে ২০১৫ চনলৈ মই বাজেট বক্তব্য বিলাক শুনিছো। অসমৰ জনসাধাৰনেও বাজেট বক্তৃতা শুনিছে কিন্তু অতি নিৰস। মানে বাজেট বক্তৃতা বুলি ক'লে কাৰো সামান্যতমো আগ্ৰহ নাছিল। কিন্তু ২০১৬ চনৰ পিছৰ বাজেট বক্তৃতাবিলাক চাব অতি সুন্দৰভাবে সদনত উপস্থাপন কৰিছে। তেতিয়া মই মনে মনে

নিজেই প্ৰশংসা কৰি আছিলো। ইমান সুন্দৰ বাজেট বক্তৃতা হৈছে, ইমান সুন্দৰ উপস্থাপন হৈছে। অধ্যক্ষ মহোদয়, আপোনাক এষাৰ কথা ক'ব বিচাৰিছো যে মহাকবি কালিদাস যেতিয়া ৰাজসভাত আছিল তেতিয়া ৰজা বিক্ৰমাদিত্যই তেওঁৰ পাৰিষদবৰ্গৰ পাণ্ডিত্য চাবলৈ কাঠ এটুকুৰা দেখুৱাই সুধিলে যে এইটো কি? তেতিয়া এজন পাৰিষদে ক'লে যে "একং শুস্কং কাষ্ঠং অগ্ৰে ভাতি " তাৰ পিছত মহাকবি কালিদাসে ক'লে "এক নিৰস তৰুবৰ অগ্ৰে ভাতি " সেইটোৱে কথা যে অসমৰ মানুহে ২০১৫-১৬ চনৰ আগলৈকে বাজেটত অংশগ্ৰহণ কৰিবলৈ আগ্ৰহেই কৰা নাছিল। কিন্তু আজি লাহে লাহে অসমৰ মানুহৰ বাজেটৰ ওপৰত আগ্ৰহ বাঢ়ি আহিছে। অসমৰ মানুহে জানিব বিচাৰে বাজেটত কি আছে? আমি সকলোৱে এই বাজেটখনৰ অংশীদাৰ। এইটো ডাঙৰ কথা। আমাৰ জনসাধাৰণে ৰৈ আছে যে আমাৰ এখন লাভদায়ক বাজেট হ'ব , এখন ১ বছৰীয়া খতিয়ান হ'ব। অধ্যক্ষ মহোদয়, আজি মই কাক স্মৰণ কৰিছো, পূৰ্বপুৰুষসকলক স্মৰণ কৰিছো, যিসকলে আজি আমাৰ ভেঁটিটো প্ৰতিষ্ঠা কৰি থৈ গৈছে। গুৰুজনাৰ নাম নল'লে আজি মংগল যাত্ৰা কেতিয়াও সম্পূৰ্ণ নহ'ব। আজি মই গুৰুজনাৰ নাম লৈছো। লক্ষ্মীনাথ বেজবৰুৱা, ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, কবি অমূল্য গগৈ ইত্যাদি সকলৰ নাম লৈছো। এনেধৰণে সাহিত্য কৰি যাব লাগে আৰু মই সদায় কৰি যাম। এইখিনি মই আপোনালোকক অৱগত কৰিলো। অধ্যক্ষ মহোদয়, আজি আমি সকলোৱে মুখত এটা কথা শুনিছো হিতাধিকাৰীৰ সৃষ্টি। আজি এই হিতাধিকাৰী শব্দটোৱে সকলোকে চুই গৈছে। মই সদনৰ ভিতৰতো শুনিছো, সদনৰ বাহিৰতো শুনিছো। এটা কথা ঠিক কোনো চৰকাৰে কিন্তু নিজাববীয়াকৈ হিতাধিকাৰী সৃষ্টি কৰিব নোখোজে। হিতাধিকাৰী কেতিয়া সৃষ্টি হয়, এচাম মানুহে পৰিৱেশ সৃষ্টি কৰে, অৰ্থনৈতিক অৱস্থাই সৃষ্টি কৰে। আমি যিহেতু এখন কল্যাণকামী ৰাষ্ট্ৰৰ নাগৰিক , আমি এখন ডেভলপিং ষ্টেটৰ নাগৰিক। আমি এনেকুৱা এটা Stake Holder পাইছো যিসকলে আজি অৰ্থনৈতিক অৱস্থাৰ কাৰণে তেওঁলোকে আজি কিছুমান আঁচনিৰ অৰ্ন্তভুক্ত হ'ব লগা হৈছে। সেই কাৰণে সেইদিনা মই বাজেটত আত্মপ্ৰত্যয়েৰে কৈছিলো অৰুণোদয় আঁচনিৰ কথা। অৰুণোদয় এনেকুৱা এখন আঁচনি, ই কেৱল মহিলাৰ সৱলীকৰণৰ কথাকে কোৱা নাই অসমখনক এক নতুন মাত্ৰাৰে আগবঢ়াই লৈ যাবলৈ এই আঁচনিখন গ্ৰহণ কৰা হৈছে। সেই কাৰণে অসমৰ ৰাইজে অৰুণোদয় আঁচনি গ্ৰহণ কৰিছে। আজি আপোনালোকে নিজৰ নিজৰ সমষ্টিত গৈ কোনো এগৰাকী আইতাক সোধক অৰুণোদয় আঁচনি লাগে নে নালাগে। লগে লগে লাগে বুলি ক'ব। এই কাৰণে কৈছো যে অৰুণোদয় আঁচনিৰ সম্পূৰ্ণ স্বচ্ছতা আছে আৰু 'ল'গো' দিয়াৰ কথাটো মই কৈছো যে ল'গো দিয়াটোত কি আপত্তি আছে। ল'গো এই কাৰণে দিব লগা হৈছে যে- ধনী মানুহ কিছুমানে বেনিফিচিয়াৰীত অন্তৰ্ভুক্ত হয় যিটো তেওঁলোকে নাপায়। সেই বেনিফিচিয়াৰীত সোমোৱাৰে পৰা ল'গোটোৱে প্ৰমাণ কৰিব নে নাই , আপোনালোকে নিজেও কওঁক। এই ল'গোটোৱে গোটেই আঁচনিখনৰ স্বচ্ছতা আনিব। অৰুণোদয় আঁচনিতো যদি ল'গো দিয়া হয় তেন্তে অৰুণোদয় পৰিয়ালৰ সদস্য হিচাপে এটা সন্মান থাকিব। আমি সন্মানসহকাৰেহে এই আঁচনিখন আগবঢ়াই লৈ যাব বিচাৰিছো। ইছলাম ডাঙৰীয়াই সেইদিনাখন এটা কথা কৈছিল এই হিতাধিকাৰীসকলক আমি বহতীয়া কৰিব খুজিছোনেকি? অধ্যক্ষ মহোদয় , মই অতি দুখেৰে কৈছো যে আজি গণতন্ত্ৰত কোনো চৰকাৰে আমাৰ মাজৰে এচাম মানুহ যিসকল আমাৰ আইতা হ'ব পাৰে, নিজৰ ভগ্নী হ'ব পাৰে, নবৌ হ'ব পাৰে সেই মানুহসকলক কেতিয়াও বহতীয়া কৰিবলৈ আমি নিবিচাৰো। এই কথা আজি মই সদনত দৃঢ়তাৰে ক'লো। সেইসকলৰ তলতহে আমি। তেখেতসকলৰ আৰ্শীবাদ আমি ল'ব লাগিব। আজি আপুনি স্মৰণ কৰক, নিৰ্ব্বাচনৰ

সময়ত সেই সকলৰ ওচৰলৈ আমি ভোট বিচাৰি যাওঁ । আজি নিৰ্ব্বাচনৰ পিছত হেনো আমি নিবিচাৰো । আজি তেনেধৰণৰ কথাই তেওঁলোকৰ সন্মান হানি কৰিছে। সেই কাৰণে মই আপোনালোকক পুনৰবাৰ কৈছো তেখেতসকলক হিতাধিকাৰী বুলি কৈ যাতে অসন্মান নকৰে বা কোনো অসন্মানজনক কথা নকয়। এই কথা মই আজি সদনত ক'লো। আপোনালোকে চাওঁক যে, আজি অৰুণোদয় আঁচনিয়েই নহয়, আজি আমাৰ যি সামাজিক খণ্ড আছে এই সামাজিক খণ্ডতো যোৱা সময়ছোৱাত বহুত আঁচনি গ্ৰহণ কৰা হৈছে। কাৰণ ই এক চৰকাৰৰ দায়িত্ব। কল্যাণকামী ৰাজ্যত আপোনালোকে জানে যে It is a responsibility of State Government. বৃদ্ধ পেঞ্চন, বিধৱা পেঞ্চন, দিব্যাঙ্গ পেঞ্চন এইবিলাক কিয় দিয়া হৈছে? Beacuse আমাৰ এইখন Development Country. আমাৰ এটা জনসংখ্যা আছে। এই জনসাধাৰণক এতিয়াও আৰ্থিকভাৱে সহায়ৰ প্ৰয়োজন আছে আৰু এই মানুহখিনি যেতিয়ালৈকে নিজৰ ভৰিত থিয় হ'ব নোৱাৰিব, তেতিয়ালৈকে তেওঁলোকক কিন্তু চৰকাৰৰ Economic protection লাগিব। অধ্যক্ষ মহোদয়, আমি কি ভাৱিছো যে, আমাৰ নিৰ্দ্দিষ্টভাৱে এটা লক্ষ্য আছে আৰু এইচাম মানুহক, যিসকলক আজি BPL বুলি কৈছো, আমি সেই মানুহখিনিক তেওঁলোকৰ এই অৰ্থনৈতিক বাধা আঁতৰাই APL লৈ convert কৰিব লাগিব। মানে Above poverty line লৈ এই মানুহখিনিক লৈ যাব লাগিব। যেতিয়া Above poverty line হ'ব তেতিয়া আমি নতুন ধৰণৰ তেওঁলোকৰ কাৰণে প'লিচি গ্ৰহণ কৰিম। এই বাজেটখন অধ্যক্ষ মহোদয়, মই এনেই বনোৱা নাই। এই বাজেটখন বনাওঁতে মই সকলো দিশ চালি-জাৰি চাইছো। আজি ক'ভিড সৃষ্ট পৰিৱেশ। এই ক'ভিড সৃষ্ট পৰিৱেশত মই চাইছো-What is the economy? আজি বিশ্বৰ economy কি? ভাৰতবৰ্ষৰ economy কি? ৰাজ্যৰ economy কি? এইবোৰ সম্পূৰ্ণৰূপে চাইছো। আমাৰ প্ৰধান দায়িত্ব কি? What is the prime resposibility of the State এই ক্ষেত্ৰত আমাৰ প্ৰধান দায়িত্ব হৈছে-ক'ভিডক কেনেকৈ নিয়ন্ত্ৰণ কৰিব পাৰি ? স্বাস্থ্যখণ্ডক আমি প্ৰধান দায়িত্ব হিচাপে লৈ তাত সকলো ধৰণৰ ব্যৱস্থা কৰিছো। ক'ভিডৰ সময়ত যিসকল মানুহ ক'ভিডত আক্ৰান্ত হৈছে, তেওঁলোকৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে ক'ভিড আঁচনি, শিশু আঁচনি গ্ৰহণ কৰিছে। আপোনালোকে ভাল পাইছে। আপোনালোকে আজি প্ৰশ্ন সুধিছে যে পইচা কিমান? মই আপোনালোকক দিব নোৱাৰিলো। কাৰণ Audited Account আজি অহা নাই। কিন্তু আজিলৈকে যিমান বিত্তবিভাগে পুঁজি মোকলাই দিছে, এক নম্বৰতে ক'ভিডৰ কাৰণে এই আঁচনিখন আছে। এইখিনি কথা মই চাইছো, অনুকিয়াইছো আৰু তাৰ পিছৰ পৰ্য্যায়ত ক'ভিডৰ লগত অসমৰ যিসকল দৰিদ্ৰলোক আছে, তেওঁলোকৰ অৱস্থা কি হ'ব? তেওঁলোকক আৰ্থিকভাৱে কেনেকৈ আগবঢ়াই লৈ যাব পৰা যাব? এই কথাখিনিও আমি চিন্তা কৰিছো। লগতে যিটো আমাৰ Development, Development is a continous process. আজি ক'ভিডৰ লগত আমাৰ যিটো ডেভলপমেণ্ট প্ৰক্ৰিয়া আছে, সেই প্ৰক্ৰিয়া আমি সমান্তৰালভাৱে আগবঢ়াই লৈ যাব লাগিব। এই সকলো দিশ চাইহে এই বাজেটখন তৈয়াৰ কৰা হৈছে। ইয়াত আৰু এটা দিশ আছে। সেইটো হৈছে আমাৰ ৰাজহ। আমি যদি সম্পদ বৃদ্ধি কৰিব নোৱাৰো তেতিয়াহ'লে আমি কেনেকৈ এই বাজেটত দিয়া প্ৰতিশ্ৰুতিবিলাক পালন কৰিম? ইয়াত আপোনালোকক ক'লো। ইয়াত বহুত সদস্যই কৈছে যে এইখন Unrealistic budget, মই কৈছো This is the most realistic budget। সেইকাৰণে ইয়াৰ চ'ৰ্চ মই চাইছো। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই আপোনালোকক সুন্দৰভাৱে কৈছে। মই আজি গৌৰৱ কৰি ক'ব পাৰিম যে, মই আজি এনেকুৱা লীগেচিত বহি

বিত্তমন্ত্ৰী হিচাপে কথাখিনি কৈছো যে I heritate very good legacy আৰু সেইকাৰণে মুখ্যমন্ত্ৰী মহোদয়ৰ সপোনখিনিক আমি হাউচে কৃতিত্ব দিছো। কাৰণ তেখেতে এটা ভাল ফাউণ্ডেশ্যন কৰিছে আৰু ভাল ফাউণ্ডেশ্যন কৰাৰ কাৰণে আজি ক'ভিডৰ এই পৰিস্থিতিত বিত্তমন্ত্ৰী হিচাবে মই সাহস কৰিছো যে, ১ লাখ ৭ হাজাৰ কোটি টকাৰ এখন বাজেট দিবলৈ। নহ'লে পাৰিলোহেঁতেন নে? কালি ভূবন পেগু ডাঙৰীয়াই অতি সুন্দৰভৰে আমাৰ ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ কথা কৈছে। মই ডাঙৰ ডাঙৰ ৰাজ্যবিলাকৰ কথা নকওঁ। কিন্তু আমাৰ নিজৰ এই অষ্টলক্ষ্মী, আমাৰ এই আঠখন ৰাজ্যৰ কেনেকুৰা Economic condition ? আমাৰ কেনেকুৰা Geographical barrier, এই কথাবিলাক তো আমি চাব লাগিব। তথাপিওতো আমি মূৰ থিয় হৈ ক'ভিডৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিছো। আমি অৰ্থনৈতিকভাৱে স্কীমবিলাক লৈছো। আজি আপোনালোকে বাহিৰৰ কথাও শুনিব লাগিব। মই বাজেট যেতিয়া ডিচকাশ্যন কৰিছিলো, মই বাহিৰৰ মানুহবিলাকৰ মনটোও চাইছিলো যে মানুহে আজি কি বিচাৰে? সেইখিনিও আচলতে ইয়াত সন্নিবিষ্ট কৰিছিলো। সেইকাৰণে মই আপোনালোকক বাজেটখন Realistic budget বুলি কৈছো। ইয়াত যিটো Sources of revenue আছে অধ্যক্ষ মহোদয়, মই আজি আপোনালোকক ক'বলৈ পাই গৌৰৱ অনুভৱ কৰিছো যে আমাৰ নিজৰতো যিখিনি টেক্স ৰেভিনিউ আছে, আছেই। আমাৰ যিখিনি জি এচ টি টেক্স আহে সেই সকলোখিনি এতিয়া simple tax হৈ গৈছে। GST, only one tax, VAT ৰ যিখিনি আছে item তাৰ পৰা আমি পাইছো non tax revenue, Central share, devolution fund আৰু বাকীখিনি own, যিটো tax revenue এইটো বঢ়াবৰ কাৰণে অধ্যক্ষ মহোদয়, মই ক'বলৈ পাই ভাল পাইছো যে এইবছৰ আমাৰ প্ৰথমখন কেবিনেটত প্ৰথম সিদ্ধান্ত আছিল নুমলীগড় ৰিফাইনেৰীত আমি আমাৰ শ্বেয়াৰ বৃদ্ধি কৰা। এইটো ডাঙৰ সিদ্ধান্ত নহয় নে? এইটো historical decision। মই পুনৰবাৰ কৈছো যে অসমৰ নিচিনা এখন ৰাজ্যত ইমানখিনি পুঁজি ইয়াত Invest কিয় কৰা হৈছে? ভৱিষ্যতৰ কাৰণে, Highest Investment, তাৰ পিছত আৰু এটা কথা মই আপোনালোকক ক'বলৈ পাই ভাল পাইছো যে মুখ্যমন্ত্ৰী মহোদয় আৰু বিভিন্ন বিভাগৰ লগত আমি সকলোৰে আলোচনা কৰিছো যে আমাৰ ৰাজ্যখনত যিবিলাক বনজ সম্পদ আছে, যিখিনিৰ পৰা আমি royalty পাওঁ সেই royalty টো আমি কেনেকৈ বৃদ্ধি কৰিব পাৰো? আগতে আমি যেনেধৰণে forest royalty collection কৰি আছিলো তাত ৪০০ তকৈ বেছি কোটি টকা আমি পাইছিলো। কিন্তু আমি এই royalty টো আৰু বঢ়াব পাৰো নেকি? এই কথাখিনি আমি চিন্তা-চৰ্চা কৰিলো আৰু তাৰ পাছত আপোনাক কব'লৈ পাই ভাল পাইছো যে আমাৰ ৰাজ্যখনত আপোনালোকে দেখিছে যে এতিয়া লোক নিৰ্মাণ বিভাগত পথত বহুত হাজাৰ হাজাৰ কোটি টকা construction ৰ কাম চলি আছে। বিল্ডিংত বহুত হাজাৰ হাজাৰ কোটি টকাৰ construction ৰ কাম চলি আছে। আজি Water Resources Department ৰ হাজাৰ হাজাৰ কোটি টকাৰ construction ৰ কাম চলি আছে। ইয়াৰ যিখিনি royalty পাব লাগে এই royalty বিলাক আমি sources তে royalty খিনি কাটিম। যিমান পাৰ্চেন্টেজ লাগিব। sources তে royalty কটা হ'ব আৰু ইয়াৰ ফলত কোনো TP নালাগে। TP system যিটো হয় Transit Pass আৰু ইয়াৰ ফলত মই আপোনালোকক এই হাউচতে কব'লৈ পাই ভাল পাইছো যে forest royalty আমাৰ চাৰিশ কোটিৰ পৰা প্ৰায় চাৰিগুণ বৃদ্ধি হ'ব। আপোনালোকে চাওঁক যে কিমানখিনি আমাৰ ৰাজহ সংগ্ৰহৰ কাৰণে এটা আমি সিদ্ধান্ত গ্ৰহণ কৰিছো। এইখিনি বাজেটত দিয়া আছে। আপোলোকে হয়তো ধৰিবই নোৱাৰিলে। ইয়াত পৰিৱেশ

আৰু বন বিভাগৰ সংস্কাৰ বুলি লিখিছো। এইখিনি কথাত কোনেও এষাৰো নামাতিলে। আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াই ক'লে যে বাজেটখনত একোৱেই নাপালো। ভিতৰে ভিতৰে বহুত আছে আৰু এটা কথা ঠিক যে এখন বাজেটত সম্পূৰ্ণ ৰাজ্য শাসন কেনেধৰণে চলিব, সম্পূৰ্ণ ইয়াত ভৰাব নোৱাৰি। কাৰণ It is very concise. মাত্ৰ এশটা পইণ্টে আপোনাক দিব পৰা নাই। কাৰণ পাতে পাতে ইমানখিনি কোটি টকা খৰছ কৰোতে, পাতে পাতে এই টকা বিলাক থাকিব কেনেধৰণে খৰছ কৰে। মই মাত্ৰ এটা direction হে দিছো যে, কোনটো direction ৰে আমি আগবাঢ়ি যাম। সেইটো কথায়েই আপোনালোকক মই বিনম্ৰভাৱে কলো। এতিয়া কথা হ'ল মাননীয় অধ্যক্ষ মহোদয়, আমি দীৰ্ঘম্যাদী ভাৱে ৰাজ্যখনক কেনেধৰণে আগবঢ়াই লৈ যাব বিচাৰিছো। আমাৰ স্থায়ী আঁচনি বিলাক কেনেকুৰা হ'ব যে, যদি অৰ্থনৈতিক ভাৱে আমাৰ ৰাজ্যখনক আগবঢ়াই লৈ যাব লাগে তেতিয়াহ'লে আমাৰ ভেঁটিটোৱে হ'ব কৃষি। আজি কৃষিক বাদ দি আমি অৰ্থনৈতিক ভেঁটিতো কেতিয়াও তৈয়াৰ কৰিব নোৱাৰো। মই কৈছো যে আমি ভেটিটোহে গঢ় দিয়াৰ সময় এতিয়া। পাঁচটা বছৰ মাত্ৰ। পাঁচটা বছৰৰ পাছত ভেটিটো গঢ়িলো, অৰ্থনৈতিক ভেঁটিটো কেনেকৈ revenue collection কৰি বাঢ়িলে। এগুণৰ পৰা দুগুণ হ'ল। এতিয়া ভেটি টো গঢ়াৰ সময় আৰু সেইকাৰণে এই ক'ভিডসৃষ্ট পৰিৱেশত অধ্যক্ষ মহোদয়, ইয়াতকে আৰু ভাল ভেটি কেতিয়াও হ'ব নোৱাৰে। কাৰণ আজি আপোনালোকে চাওঁক, যে অসমত যিমান বস্তু খাদ্য সামগ্ৰী আহে, আজি বাহিৰৰ পৰা আহে, মাছ বাহিৰৰ পৰা আহে, মাংস বাহিৰৰ পৰা আহে, কণী বাহিৰৰ পৰা আহে। গতিকে সদায় কি থাকে, আমাৰ ডিমাণ্ড আৰু চা প্লাই মতে গেপ থাকে। সেইখিনি নাইকিয়া কেনেকৈধৰণে কৰিব লাগিব। কৃষিৰ অৰ্থনৈতিক আমি শক্তিশালী কৰিবই লাগিব। ভৰত নৰহ ডাঙৰীয়াই কৈ দিলে যে Agricultural Commission নালাগে বুলি। মইতো আচৰিত খালো। নতুন পৰিকল্পনা লাগিব মাননীয় অধ্যক্ষ মহোদয়। আজি আপোনালোকে নিবনুৱা সমস্যাৰ কথা কৈছে। যেনে আজি যদি মোৰ ল'ৰাটোক কওঁ যে হাল লৈ পথাৰত যাব লাগে? যাব নেকি? আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়াই আজি নিজে পথাৰত কেনেধৰণে যান্ত্ৰিকভাৱে তেওঁ কাম কৰি আদৰ্শ দেখুৱাইছে। আজি যান্ত্ৰিকৰণ কৰিব লাগিব। পাঞ্জাৱ, হাৰিয়ানাৰ লগত তুলনা কৰিছে বা ৰাজ্যখনৰ লগত শ্ৰেষ্ঠ ৰাজ্য হ'ব লাগে বুলি। পাঞ্জাৱ আৰু হাৰিয়ানাৰ কৃষকসকলৰ লগত আমি প্ৰতিযোগিতা কৰিব লাগিব। তেতিয়াহে আমি ফলপ্ৰসূ হ'ব পাৰিম, হয় নে নহয় অধ্যক্ষ মহোদয়? পাঁচখন ৰাজ্যৰ ভিতৰত যদি আমি থাকিব লাগে, পঞ্জাৱ আৰু হাৰিয়ানাৰ কৃযৃকসকলৰ লগত আমি প্ৰতিযোগিতা কৰিব লাগিব আৰু সেই কাৰণে agrarian economy আমাক লাগিব। এইবাৰ কৃষি মন্ত্ৰী ডাঙৰীয়াই বাজেটত কৃষকসকলক সন্মান দিবৰ কাৰণে award ৰো ব্যৱস্থা ৰাখিছে? কি কাৰণে ৰাখিছে। আজি নতুন প্ৰজন্মক যদি আমি আকৰ্ষিত কৰিব লাগে, আমি কিন্তু সন্মান দিব লাগিব। আজি যুৱক সকলক যদি আমি কওঁ, যে তোমালোকে আহা progressive farmer হোৱা। নিশ্চিত ভাবে তেওঁলোক আহিব। আজি বৰ্হিৰাজ্যৰ পৰা যুৱকসকল ঘূৰি আহিছে নিজৰ ঘৰলৈ । কৃষি অৰ্থনীতিত আমি তেওঁলোকক কি বুলি আসন দিম, অধ্যক্ষ মহোদয়? কৃষি অৰ্থনীতিত আমি আগুৱাই যাবই লাগিব। তাৰ লগতে আমি agriculture ক integrated কৰিব বিচাৰিছো, সম্বনিতভাৱে। আজি আমাৰ পথাৰতে সকলো আছে। পদ্ম হাজৰিকা ডাঙৰীয়াই সুন্দৰভাৱে কৈছে। আমি অসমীয়া নহওঁ দুখীয়া, কিহৰ দুখীয়া হ'ম? সকলো আছিল, সকলো আছে, নুগুণো নলওঁ নাম। আমিনুল ইছলামে মোক আকৌ সাহিত্যিক বুলি ক'ব। এই কথা খিনি সেই সময়ত লক্ষ্মীনাথ বেজবৰুৱাদেৱে কৈ গৈছিল। বুজিছিল যে অসমৰ ভৱিষ্যতটো কি? সেইকাৰণে আজি সময় আহি

পৰিছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আজি গৰু খুঁটিৰ কথা কওঁতে আপুনি মোক কৈছিল, কিন্তু আজি সময় আহি পৰিছে। উদাহৰণ মাত্ৰ যে আমাৰ যুৱক সকলক ৰাস্তাটো দেখাই দিয়া। আজি সেইকাৰণে পদ্ম হাজৰিকা ডাঙৰীয়াক মই ধন্যবাদ দিছো, মৃণাল শইকীয়া ডাঙৰীয়াক ধন্যবাদ দিছো। তেখেতসকলে কিন্তু যোৱা সময় চোৱাত নিজৰ সমষ্টিত কৃষিক ভিত্তি কৰি নিবনুৱা সমস্যা সমাধান কৰিববলৈ, ব্যক্তিগত ভাৱে তেওঁলোকে উদ্যোগ গ্ৰহণ কৰিছে। মই তেওঁলোকক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো আৰু আপোনালোক সকলোকে আহ্বান জনাইছো যে আপোনালোকে নিজৰ নিজৰ সমষ্টিত কৃষিৰ ভিত্তিত উন্নয়ন কৰিবই লাগিব। সেইখিনি আমাৰ সময়ৰ আহ্বান। This is the call of the hour. আমি মানিবই লাগিব, তেতিয়াহে আমি অসমক পাঁচখন ৰাজ্যৰ ভিতৰত এখন কৰিব পাৰিম আৰু এটা কথা মাননীয় অধ্যক্ষ মহোদয়, সেইদিনা মৃণাল শইকীয়া ডাঙৰীয়াই এটা ভাল কথা কৈছিল। আমাৰ প্ৰধান মন্ত্ৰীয়ে কোৱাৰ ধৰণে 'আত্ম-নিৰ্ভৰশীল অসম ' আৰু মুখ্যমন্ত্ৰীয়ে কোৱা 'আত্ম-নিৰ্ভৰশীল ভাৰত'ৰ ক্ষেত্ৰত এইটো এটা ডাঙৰ পদক্ষেপ। এতিয়া আমাৰ সময় আহি পৰিছে যে আমি নতুনকৈ কৰ্ম-সংস্কৃতি গঢ়িব লাগে। এই বাজেটখনৰ যোগেৰে নিবনুৱা যুৱক-যুৱতীসকলক আমি এটা পথহে দেখুৱাইছো যে এইটো পথেৰে আমি আগুৱাই যাব লাগিব। সেয়েহে, কৰ্ম-সংস্কৃতি গঢ়াৰ এক পৰিৱেশ আমি সকলোৱে গঢ়ি তুলিব লাগিব যাৰ জৰিয়তে আমি অসমখনক আগুৱাই লৈ যাব পাৰো। 'নিবনুৱা যুৱক-যুৱতীসকলৰ চাকৰি' চৰকাৰৰ সদিচ্ছাহে মাথো, চৰকাৰখনৰ এক সাহসী পদক্ষেপ। এইখিনি কথা মই সেইদিনা বাজেট বক্তৃতাতো কৈছো, সেই কাৰণে মই আৰু বেছি দোহাৰিব বিচৰা নাই।

গ্ৰাম্য অৰ্থনীতিৰ ক্ষেত্ৰত, যোৱা সময়ছোৱাত ইয়াক আগুৱাই লৈ যোৱাৰ বাবে CMSGUY ৰ আঁচনি, নাবাৰ্ডৰ বিভিন্নধৰণৰ আঁচনি, সকলোখিনি integration কৰি কৃষি বিভাগত বহুতো আঁচনি ৰখা হৈছে। সেইখিনি বাজেটলৈ অনা নাই। APART ৰ জৰিয়তে ১৭০০ কোটি টকা কৃষি বিভাগৰ হাতত আছে। মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে অহা সময়ছোৱাত APART ৰ জৰিয়তে এই ১৭০০ কোটি টকাৰে অসমৰ নিবনুৱা যুৱক-যুৱতী সকলৰ ভৱিষ্যতৰ কাৰণে কৃষি বিভাগে আপোনাৰ লগত কাম কৰি যাব। এইখিনি কথা মই তেখেতৰ হৈ কৈছো।

অধ্যক্ষ মহোদয়, Own Source of Revenue ৰ কথা মই আপোনাক কৈছোৱেই। সেইদিনাখন বাজেটৰ বক্তৃতাত কোৱা হৈছিল যে ডাঙৰ ডাঙৰ প্ৰকল্পবোৰ ধৰা হৈছে, পাঁচখন মেডিকেল কলেজ ঘোষণা কৰা হৈছে, এই কামবোৰ হ'ব নে নাই বুলি আপোনালোকে মোক সুধিছিল। কিন্তু, এই কামবোৰ কৰাৰ বাবে বাজেটত এটা ডাঙৰ Column ৰাখিছো যাক Capital Project বুলি কৈছো। অধ্যক্ষ মহোদয়, আমি আমাৰ দীৰ্ঘদিনীয়া অভিজ্ঞতাৰ পৰা দেখিছো যে ডাঙৰ ডাঙৰ প্ৰকল্পবোৰ, সি যি কাৰণতেই নহওঁক কিয়, সময়মতে কৰিব পৰা নাযায়। আমাৰ চৰকাৰখনক পাঁচ বছৰৰ বাবেই নিৰ্বাচিত কৰে। গতিকে, পাঁচ বছৰৰ ভিতৰত এই কামবোৰ যাতে আমি সম্পূৰ্ণ কৰিব পাৰো তাৰ বাবে আমাৰ চৰকাৰ সংকল্পবদ্ধ। এই উদ্দেশ্য হাতত ৰাখিয়েই আমি Capital Project কৰিছো। আপোনালোকে জানি ভাল পাব যে ইয়াত ডাঙৰ ডাঙৰ প্ৰকল্প অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াত ডাঙৰ দলং, ডাঙৰ ডাঙৰ মেডিকেল কলেজ সমূহ, বিশ্ববিদ্যালয়সমূহ আৰু নতুন কেইবাটাও প্ৰকল্প দিয়া হৈছে, এনেদৰে মুঠ ১৫ টা প্ৰকল্প আছে। এনেদৰে ভৱিষ্যতত হয়তো প্ৰতি বছৰে Capital Project বোৰ বাজেটত অন্তৰ্ভুক্ত হ'ব। এই প্ৰকল্পবোৰৰ ক্ষেত্ৰত এটা ডাঙৰ সংস্কাৰ কৰা হৈছে যে ইয়াক ceiling free কৰা হৈছে যাতে বিভাগবোৰত এই প্ৰকল্পবোৰৰ বাবে পুঁজি আহিলে ceiling ৰ বাবে ৰৈ থাকিব নালাগে। নিৰ্ধাৰিত

সময়ত কাম কৰাৰ বাবে আমি তিনিটা বছৰত পুঁজি ধাৰ্য্য কৰিছো আৰু এই তিনিটা বছৰত বিত্ত বিভাগে পুঁজিখিনি নিয়মীয়াকৈ যোগান ধৰিব। ফলস্বৰূপে, সময়মতে এই বৃহৎ প্ৰকল্পৰ কামবোৰ আমাৰ ৰাজ্যখনে কৰিবলৈ সক্ষম হ'ব। এইখিনি কথা মই আপোনালোকক অৱগত কৰিছো।

অধ্যক্ষ মহোদয়, বিৰোধী দলপতিয়ে বাজেটৰ বিৰুদ্ধে সেইদিনা আৰু এটা কথা কৈছিল যে ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ বাবে এই বাজেটত কোনো ধৰণৰ আঁচনি নাই। কিন্তু, মই 'Financial Assistance to Small Businessman' ৰ নামত আঁচনি এখন আনিছো যিখনত কুটীৰ শিল্পৰ লগত জড়িত হৈ থকা মানুহ বা অন্যান্য শিল্পীসকল অন্তৰ্ভুক্ত আছে। এই সম্পৰ্কত মই সদনত ঘোষণা কৰা নাই যদিও বাজেটখনত উল্লেখ আছে। বাজেটৰ সাংস্কৃতিক বিভাগত আমাৰ ভ্ৰাম্যমাণ শিল্পী সকলৰ বাবেও ব্যৱস্থা আছে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক কোৱা অনুসৰি ভ্ৰাম্যমাণ শিল্পীৰ বাবে বাজেটত ১ কোটি ৭০ লাখ টকা নিৰ্ধাৰণ কৰা হৈছে। অধ্যক্ষ মহোদয়, যি সকল ক্ষুদ্ৰ ব্যৱসায়ী চহৰত বসবাস কৰে, সেই গৰাকী কাপোৰৰ ব্যৱসায়ীয়েই হওঁক বা অন্য ব্যৱসায়ীয়েই হওঁক, ক'ভিডৰ সময়ত মই নিজেই ফাঁচী বজাৰৰ কাপোৰৰ বেপাৰীসকলৰ কাপোৰ দোকানতেই পচি যোৱা দেখিবলৈ পাইছিলো। কিছুমান সৰু সৰু দৰ্জী, ঠেলাৱালা, ৰিক্সাৱালা, নাপিত আদিৰ কি যে অৱস্থা হৈছিল! মই যেতিয়া মোৰ সমষ্টিলৈ গৈছিলো, তাত যে তিনিশটা নাপিতৰ পৰিয়াল আছে, সেইয়া মই জনাই নাছিলো। তেওঁলোকে মোক আহি কৈছিল-'আমি এতিয়া ভিক্ষাও খুজিব নোৱাৰো, যোৱা সময়ছোৱাত ৮-১০ হাজাৰ টকা উপাৰ্জন কৰি কেনেবাকৈ পৰিয়ালটো চলাই আছো।' গতিকে, আমি সেই লোকসকলৰ কথা চিন্তা কৰিছো আৰু তেনেলোকৰ বাবে বাজেটত এই আঁচনিখন আনিছো।

ইয়াৰ পিছত স্ব-নিৰ্ভৰশীল নাৰীৰ কথা কওঁ। মহিলাসকলৰ বয়ন শিল্পৰ বাবে কোনো ধৰণৰ আঁচনি নাই বুলি কৈছে। আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়া ওচৰতেই আছে, তেখেতৰ লগত আমি আলোচনাত বহি কৈছিলো যে অসমত লাখ লাখ শিপিনী আছে, গতিকে, এই শিপিনীসকলক আমি নতুন দৃষ্টিভংগীৰে চোৱা ভাল। এসময়ত আমি শিপিনীসকলক এমুঠি সূতা দি দিওঁ, আনকি মই নিজেও সূতা বিলাইছো। এমুঠি সূতা ল'বলৈ মহিলা সকলৰ হেতা-ওপৰা লাগিছিল। কিন্তু, আজি তেওঁলোকক সূতা দিয়াৰ পৰিৱৰ্তে আমি skill দিব বিচাৰিছো, তেওঁলোকৰ capacity build-up কৰিব বিচাৰিছো, Bank linkage, Trademark দিব বিচাৰিছো।ব্যৱসায় বৃত্তিত তেওঁলোকে যাতে নতুনত্বৰে কাম কৰিব পাৰে সেই দৃষ্টি-ভংগীৰে আমি আঁচনিখন আনিছো। আপোনালোকে জানি ভাল পাব যে আজি আমি সদনলৈ অহা অংগ বস্ত্ৰসমূহ, ই গামোচাই হওঁক বা আৰেনাই হওঁক বা মিচিং জনগোষ্ঠীৰ লগতে অন্য সকলো জনগোষ্ঠীৰ বাই-ভনীসকলে বোৱা কাপোৰবোৰৰ লগতে পৰম্পৰাগত সাজ-পাৰবোৰক Trademark দি যাতে বাহিৰত লৈ যাব পাৰো বা বাহিৰত যাতে এখন বজাৰ দখল কৰিব পাৰো সেই চিন্তা-চৰ্চাৰে এই আঁচনিখন অন্তৰ্ভুক্ত কৰা হৈছে। গতিকে, এই ক্ষেত্ৰত মোৰ আৰু বহুত কিবা ক'বলগীয়া আছে বুলি নাভাৱো।

Debt ৰ কথা ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে স্পষ্টভাৱে কৈছে। সেইদিনা আমাক সোধা হৈছিল যে FRBM Act খনৰ সংশোধনী কিয় আনিছো? মই এই কাৰণেই সংশোধনী আনিছো, কিয়নো FRBM Act ত ভাৰত চৰকাৰে আমাক জি.এচ.ডি.পিৰ মুঠ ৪% লৈ Debt ৰ অনুমতি দিছে। কিন্তু,

সেইবুলি আমি কালিয়েই যে লোন ল'ম, এনে নহয়। It should be co-terminus with the Central Act. কেন্দ্ৰীয় চৰকাৰে আমাক যি নিৰ্দেশনা দিছে তাৰ লগত co-terminus

হ'বৰ বাবেহে এই amendment আনিছো। আগত, আমি ৩% লৈ ঋণ ল'ব পাৰিছিলো, পিছত, ক'ভিডৰ বাবে .০৫% বৃদ্ধি কৰিলে। শেহতীয়াভাৱে, আমি যদি শক্তি খণ্ডত সংস্কাৰ কৰিব পাৰো তেতিয়াও আমাক .০৫% ৰ অনুমতি দিছে। It is a sign of a developing country. আজি যদি মই আন্তঃৰাষ্ট্ৰীয় কথাবোৰ কওঁ, তেন্তে মই বাহিৰৰ কথা কোৱা বুলি ক'ব। আমেৰিকাৰ কথা আমি বহুত ডাঙৰ ডাঙৰকৈ কওঁ। কিন্তু, আমেৰিকাৰ যিমান assets আছে, তাতকৈ দুগুণ তেওঁলোকৰ debt আছে। অধ্যক্ষ মহোদয়, আমি সকলোৱে যদি অন্যান্য ৰাজ্যবোৰ চাওঁ, মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে তেওঁলোকৰ debt ratio ৰ তালিকা দিছে। আমাক ৰিজাৰ্ভ বেংকেতো এনেই লোন নিদিব। আজি মই ক'লেই আমাক লোন দিব নেকি ? আমি যদি liable নহওঁ, আমাৰ যদি asset নাথাকে, বেংকেতো আমাক লোন নিদিয়ে। মই এইটোও কৈছো যে যিটো ratio বান্ধি দিয়া হৈছে, সেই ratio ত আমি নাযাওঁ। অধ্যক্ষ মহোদয়, মই সদনত ক'বলৈ পাই সুখী হৈছো যে, আমাৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া যেতিয়া বিত্তমন্ত্ৰী আছিল, তেখেতেই FRBM Act খন আনিছিল, সেইখন ৩০% ৰ পৰা আনি আনি আজি এই পৰ্যায় পাইছে। এইয়া আপোনালোকে জানে। এটা সময়ত Debt ratio টো imbalance হৈ আছিল। অসমত fiscal system টো imbalance হৈ আছিল। আগতে ঋণ লোৱা নাছিল নেকি ? ২০০১-০২ বৰ্ষত ঋণ লোৱা নাছিল নেকি ? মই নাম নকওঁ। মোৰ হাতত বাজেট আছে। আপোনালোকে ২০০২-০৩ চনৰ বাজেট চাওঁক । তেতিয়া debt ৰ পৰিমাণ কম আছিল আৰু বাজেটখন দহ হাজাৰ কোটি টকাৰ আছিল। কিন্তু, Ratio একেই আছিল। আজি যেনিবা বাজেটখন একলাখ কোটিৰ হৈছে। That is the difference, কিন্তু, percentage টো একেই। এক হাজাৰ কোটিত যদি মই ৩০% লৈছো, that is also a mistake. আজি যদি মই এক লাখত percentage টো enhance কৰিছো, সেইটোও আকৌ শুদ্ধ নহয়। গতিকে, এতিয়া সম্পূৰ্ণভাৱে আমাৰ ৰাজ্যখনত fiscal management টো maintain and balance হৈ আছে। এইখিনি কথা মই আপোনালোকক কৈছো।

অধ্যক্ষ মহোদয়, আমি কৰবিহীন বাজেট আনিছো। আমি ৰাজ্যখনৰ জনতাৰ মূৰৰ ওপৰত কৰৰ বোজা দিবলৈ বিচৰা নাই। সেইটোৱেই আমাৰ মূল লক্ষ্য। আমি কৰ নিদিয়াকৈ, আমাৰ কৰ সংগ্ৰহৰ ক্ষেত্ৰত যি লেকুণা আছে, সেইবোৰ ঠিক কৰিব বিচাৰিছো যাতে ৰাজ্যখনত এই সৃষ্ট পৰিৱেশতো ভৱিষ্যতে আমি বেছিকৈ কৰ সংগ্ৰহ কৰিব পাৰো। এনে এটা চেষ্টা আমাৰ অব্যাহত আছে । অধ্যক্ষ মহোদয়, এই পৱিত্ৰ সদনৰ মজিয়াত পুনৰ বাৰ আপোনাক কৈছো যে সদনত আমি বহুত ৰাজনৈতিক উত্থান-পতন দেখি আহিছো। কিন্তু, এটা কথা ঠিক - গণতন্ত্ৰত ৰাইজেহে ৰজা। গতিকে, ইয়ালৈ নিৰ্বাচিত হৈ অহা প্ৰত্যেকজন প্ৰতিনিধিক মই এই কথাষাৰ আন্তৰিকতাৰে বুজিবলৈ চেষ্টা কৰাৰ বাবে অনুৰোধ জনাইছো। আজি চৰকাৰ আহিব, প্ৰতিনিধিসকল নিৰ্বাচিত হৈ আহিম, ভৱিষ্যতে হয়তো কোনোবা বেলেগ আহিব । কিন্তু, এই সদন সদায় থাকিব। This House stands for unity and integrety. সেইদিনাখন ইছলাম ডাঙৰীয়াই কৈছিল যে This House stands for inclusive politics. মই যেতিয়া গুৰুজনাৰ নাম লৈছিলো তেতিয়া মই সেই কথাটোকে বহন কৰিছিলো যে গুৰুজনাই কি কৈছিল ? মই যেতিয়া গুৰুজনাৰ নাম লৈছিলো, তেতিয়া মই সেইটো কথাকে গ্ৰহণ কৰিছিলো । গুৰুজনাইpolityical inclusiveness ৰ কথা কৈছিল। ইয়াৰ বাহিৰেও আৰু বেছি কথা ক'ব লাগিব নেকি অধ্যক্ষ মহোদয়। পুনৰবাৰ মই এটা কথা ক'লো -সেইদিনাখন মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই লাভলিনা

বৰগোঁহাঞিৰ নামটো ভুলকৈ আনিছিলে, মই সেইটো amendment আনিছো। আশা কৰিছো আহিবলগা সময়ত এই বাজেটৰ সকলো কাৰ্য্যসূচীতে আপোনালোকে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব। মই বাজেটখন দাখিলহে কৰিছো। কিন্তু সতীৰ্থসকলে ইয়াক ভালদৰে implementation কৰিব লাগিব। আপোনালোক সকলো সদস্যৰে মই সহযোগিতা কামনা কৰিছো। বাজেটত আমি যিমান আঁচনি দিলো সেই সকলোবিলাক আঁচনি আমি implement কৰিববলৈ চাম আৰু পুনৰবাৰ আত্মপ্ৰত্যয়েৰে আমি ফেব্ৰুৱাৰী মাহত আহিম। কিমান কাম কৰিলো আমি সেইটোও কম আৰু যিটো নোৱাৰিলো সেইটোও কম। পুনৰবাৰ সকলোৰে সহযোগীতা কামনা কৰি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো। ধন্যবাদ।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা স্পষ্টীকৰণ আছে। আজি যে এই কৃষিৰ বিষয়ে ক'লে, হাজাৰ হাজাৰ কৃষি ভূমি নদীৰ বুকুত বিলীন হৈ গৈ আছে। আজি Model Hospital কৰা হৈছে আৰু সেইটোও এতিয়া ব্ৰহ্মপুত্ৰ নদীৰ কাষত পৰিছে। গতিকে মই মোৰ বক্তব্যত কৈছিলো যে গড়াখহনীয়া সমস্যা হৈছে মূল সমস্যা। এই ক্ষেত্ৰত বাইদেউৰে এটা কথাও নক'লে। কিবা এটা ক'লে ভাল পালো হয়।

**শ্ৰী অজন্তা নেওগ (মন্ত্ৰী) ঃ-** অধ্যক্ষ মহোদয়, গড়াখহনীয়াৰ বাবদ বাজেটত যথেষ্ট পুঁজি নিৰ্দ্ধাৰিণ কৰা হৈছে। মন্ত্ৰী ডাঙৰীয়াও ইয়াত উ পস্থিত আছেই। তেওঁ এগৰাকী যুৱ মন্ত্ৰী। তেখেতে নতুন পৰিকল্পনা গ্ৰহণ কৰিছে। আপোনালোকে এই ক্ষেত্ৰত ভাল ফলাফল লাভ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া এটা ঘোষণা আছে। অহাকালি আমি লাভলিনাক উৎসাহ যোগোৱাৰ বাবে আৰু সফলতা কামনা কৰি এটা প্ৰস্তাৱ ল'লো। ৰাতিপুৱা ৭ঃ৪৫ বজাত ছাইকেল ৰেলীৰ আয়োজন কৰা হৈছে। দিছপুৰ লাষ্ট গেটৰ পৰা নেহেৰু ষ্টেডিয়ামলৈ। গতিকে সকলোৰে এটা ভাল exercise ও হ'ব। ইয়াৰ পিছত আমাৰ সদন কেইদিনমান নাথাকিব DRSC ৰ বাবে। যিহেতু নতুন বিধায়ক সকলো আছে, তেওঁলোকেও যাতে আহি এই ৰেলীত ভাগ লয়।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই পৰামৰ্শ দিব নালাগে কিন্তু তথাপিও মই আপোনাক এটা অনুৰোধ জনাব বিচাৰিছো। আমি নতুনকৈ এটা Indigenous বিভাগ খুলিছো আৰু অসমৰ বকোত জনজাতীয় লোকৰ সম্পদ আছে আৰু প্ৰত্নতাত্বিক সম্পদ আছে। বিধান সভাৰ পিছত যদি আপুনি অসম ঘূৰি এই সম্পদ বিলাক চায়, তেতিয়াহ'লে গম পাব যে কিদৰে কাম কৰিব লাগিব। যিহেতু বিধান সভা নাথাকিলে আপোনাৰ সময়ো থাকিব, গতিকে আপুনি আৰু উপাধ্যক্ষ মহোদয়ে অসমখন অলপ ঘূৰিলে ভাল হ'ব, যাতে আমি নতুন বিভাগটো আগবঢ়াই লৈ যোৱাৰ কাৰণে সুবিধা পাওঁ।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত All Party ৰ Deligation এটা Speaker লৈ লিখিত গলে ভাল হয়। প্ৰতিটো party ৰ পৰা ১-২ জন কৈ লৈ লওঁক----(----সদনত হুলস্থূল---)

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদনত যিটো পৰামৰ্শ দিছে, যদি সকলোৰে সমৰ্থন আছে তেতিয়াহ'লে মই ভাৱো আৰু দুই এজন বিধায়কক next session ত লগত লৈ তাৰবাবে এটা team বনাম। তাৰ লগতে যিটো Lower Assam আৰু Upper Assam ৰ কথা কৈছে সেইটোও অতিকৈ দৰকাৰ। মই ভাৱো তাৰ বাবেও এটা সমিতিৰ নিচিনা বনাই বিধায়ক সকলে সেই ঠাই সমূহলৈ গৈ অধ্যয়ন কৰাৰ ব্যৱস্থাটো কৰা যাব।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰো চাইকেল ৰেলীত যাবলৈ ইচ্ছা আছে। আপুনি চাইকেলৰ যোগান দিলে আমিও যাব পাৰিম।

**শ্ৰী পিযুজ হাজৰিকা (মন্ত্ৰী) ঃ** যিসকলে চাইকেল ৰেলীত ভাগ ল'ব তেওঁলোকে আগতীয়াকৈ আমাৰ জনালে আমি সেইমতে ব্যৱস্থা ল'ম। Normal Cycle হে হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সদন ৪ আগষ্ট ২০২১ চনৰ পুৱা ৯ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল।